● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

আমাৰ সমাজে এগৰাকী মহিলাক পতিতালয় চলাবলৈ অনুমতি দিয়ে কিন্তু টাংগা চলাবলৈ নিদিয়ে।

চাদাত হাছান মাণ্টো
পাকিস্তানৰ লেখক

www.dainikagradoot.in

৭ নিজৰ সম্পত্তি ভগাই দিবলৈ চিন্তা-চৰ্চা আম্বানীৰ
১৫ আজিৰে পৰা অসমত ক্ৰিকেট উৎসৱ
৪ কৃষক আন্দোলনৰ সফলতাই আনিছে নতুন সমীকৰণ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৪৮তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৭ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২৪ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 24 November 2021 মূল্য ঃ ৯.০০ টকা

■ আয়বহিৰ্ভূত সম্পত্তিৰ গোচৰৰ ৯২পৃষ্ঠাজোৰ অভিযোগনামা দাখিল ■ এনফ'ৰ্চমেণ্ট সঞ্চালকালয়েও কৰিছে তদন্ত ■ ১০৪ স্থানত মাটি-সম্পত্তি ■ প্ৰথমটো গোচৰত জামিন লাভ

অবৈধ সম্পত্তি বাজেয়াপ্ত হ'ব ছইবৰৰ!

আঘোণৰ সোণোৱালী পথাৰৰ পৰা সোণগুটি চপাইছে কৃষকে, ক্ষেত্ৰীত মঙলবাৰে।

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ ক্ষমতাৰ অপপ্ৰয়োগ কৰি ৰাজ্যৰ কে'বাখনো জিলাত ২০০২ৰ পৰা খণ্ড উন্নয়ন বিষয়া, নিৰ্বাচনী বিষয়া, অতিৰিক্ত উপায়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰি নামে-বেনামে পৰ্বতসম সম্পত্তি গঢ়ি যোৱা ২৪ আগষ্টত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ জালত পৰা নিলম্বিত অসম অসামৰিক সেৱা বিষয়া ছইবৰ ৰহমানৰ বিৰুদ্ধে ৰুজু হ'ব আন এক গোচৰ। আজি আয়বহিৰ্ভূত সম্পত্তিৰ গোচৰত গ্ৰেপ্তাৰ হোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত ধৃত ছইবৰৰ বিৰুদ্ধে ৰুজু হৈ থকা ভাৰতীয় দণ্ড বিধিৰ

৪২০/৪০৬/৪০৯, দুৰ্নীতি প্ৰতিৰোধ আইনৰ ধাৰা ১৩(১)(বি)/২(চি)ৰ অধীনত ৰুজু কৰা ০৩/২০২১ নম্বৰৰ গোচৰৰ ৯২ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে তদন্তকাৰী সংস্থাটোৱে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আজি আদালতত দাখিল কৰা প্ৰথমটো গোচৰৰ অভিযোগনামাৰ পৃষ্ঠাই পৃষ্ঠাই ধৃত ছইবৰৰ অবাধ আয়বহিৰ্ভূত সম্পত্তিৰ তথ্য উন্মোচিত হৈছে। তদন্তকাৰী সংস্থাৰ শীৰ্ষ সূত্ৰই জনোৱা মতে মহানগৰীকে ধৰি ৰাজ্যৰ কে'বাখনো জিলাৰ প্ৰায় ১০৪ স্থানত ধৃত ছইবৰৰ মাটি-সম্পত্তি থকাৰ কথা অভিযোগনামাত

১০ পৃষ্ঠাত চাওক

বাশবাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ দেৱাল খহি ছাত্ৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
মাটিয়া, ২৩ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ বালিজানা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত বাশবাৰীৰ দাৰিৰপাৰ প্ৰাথমিক বিদ্যালয়ৰ দেৱাল খহি এগৰাকী ছাত্ৰৰ মৃত্যু হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাথমিক বিদ্যালয়খনৰ সমীপৰে বাসিন্দা ছামচুল হকৰ পুত্ৰ তথা বিদ্যালয়খনৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ নুৰ আলমে খেলি থাকোতে কালি আবেলি তিনি

আঠ পৃষ্ঠাত চাওক

পশুপালন বিভাগৰ উপ-সঞ্চালক ভূঞাক হাতে-লোটে গ্ৰেপ্তাৰ

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উপ-সঞ্চালক ডাঃ অৰূপজ্যোতি ভূঞাক আজি দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষ তথা কোকৰাঝাৰ আৰক্ষীৰ এক যুটীয়া অভিযানকাৰী দলে ২০ হেজাৰ টকা উপঢৌকন লোৱাৰ সময়ত হাতে-লোটে ধৰা পেলায় আৰু তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰে। অভিযানকাৰী দলে অভিযুক্ত ডাঃ ভূঞাক আজি আবেলি প্ৰায় ৫-৩০ বজাত দিছপুৰ অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰে।

১০ পৃষ্ঠাত চাওক

■ অসম আৰক্ষীৰ স'তে পৰ্যালোচনা বৈঠকত একাধিক সিদ্ধান্ত গ্ৰহণ

প্ৰাৰম্ভিক তদন্তৰ পাছতহে এতিয়াৰ পৰা ৰুজু হ'ব গোচৰ ঃ মুখ্যমন্ত্ৰী

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ অভিযোগৰ প্ৰাৰম্ভিক অনুসন্ধান নকৰাকৈ এতিয়াৰ পৰা অসম আৰক্ষীয়ে ৰুজু কৰিব নোৱাৰিব গোচৰ। আজি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক আলোচনা সভাত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ সন্দৰ্ভত কয় যে গোচৰ পঞ্জীয়নৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ পূৰ্বৰ ন্যায়াধীশ

১০ পৃষ্ঠাত চাওক

■ পাঁচবিধ মাছ-চাৰিবিধ মাংস খাব মন্ত্ৰী পৰিষদে ■ পদ্মাৰ ২.৫ কেজি ওজনৰ ইলিছৰ পেটৰ অংশহে খাব অভ্যাগতই ■ চেষ্টাত ত্ৰুটি ৰখা নাই মন্ত্ৰী ফণীভূষণ চৌধুৰীয়ে

কেবিনেটলৈ আশাৰে অপেক্ষা বঙাইগাঁওবাসীৰ

অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ২৩ নৱেম্বৰ ঃ কাইলৈ বঙাইগাঁৱত অনুষ্ঠিত হ'ব ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক। ইয়াৰ বাবে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে বঙাইগাঁও জিলা প্ৰশাসনে। মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰীসকলৰ বাবে বিয়াগোম ভোজৰ আয়োজনতহে জিলা প্ৰশাসনে গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। কোনে কি খাব, সেয়া যোগাৰ কৰাই বিগত কিছু দিনত জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ বাবে গুৰুত্বপূৰ্ণ হোৱাটোও পৰিলক্ষিত হৈছে। কাইলৈৰ এই কেবিনেটৰ বাবে আজি সন্ধিয়াই ১২জন মন্ত্ৰী বঙাইগাঁৱত উপস্থিত হয়। জিলা প্ৰশাসনে জনোৱা মতে, আজি নিশাও মন্ত্ৰী তথা ৰাজ্য চৰকাৰৰ আমোলাসকলৰ বাবে নৈশ ভোজৰ আয়োজন কৰা হৈছে। অৱশ্যে বঙাইগাঁও আৰ্তৰ ভৱনত অনুষ্ঠিত হোৱা এই নৈশভোজ আড়ম্বৰপূৰ্ণ কৰাৰ পৰিৱৰ্তে জিলা প্ৰশাসনে কাইলৈৰ দিনৰ আৰু নিশাৰ ভোজৰ বাবে ব্যাপক আয়োজন কৰিছে। কাইলৈ দিনত চাৰিশ আৰু নিশাৰ ভোজত আঢ়ৈশ বিশেষ অতিথিক আপ্যায়ণ কৰা হ'ব। বঙাইগাঁও উপায়ুক্তৰ কাৰ্যালয় আৰু বঙাইগাঁও পৰিৱেশ উদ্যানত অনুষ্ঠিত হ'বলগীয়া এই ভোজত পাঁচবিধ মাছ আৰু চাৰিবিধ মাংসৰ হৰেক

১০ পৃষ্ঠাত চাওক

সন্ধান ওলাল কলীয়াভোমোৰা দলং ভাঙি ব্ৰহ্মপুত্ৰত পৰা ট্ৰাকৰ

অগ্ৰদূত বাৰ্তা
তেজপুৰ/নদুৱাৰ/বিশ্বনাথ চাৰিআলি, ২৩ নৱেম্বৰ ঃ অৱশেষত উদ্ধাৰ হ'ল দেওবাৰে পুৱতি নিশা কলীয়াভোমোৰা দলঙৰ ৰেলিং ভাঙি ব্ৰহ্মপুত্ৰত পৰা ট্ৰাকখনৰ। অৱশ্যে অভিযানকাৰী দলে এতিয়াও শুংসূত্ৰ লাভ কৰা নাই ট্ৰাকৰ স'তে

১০ পৃষ্ঠাত চাওক

'কা'ৰ বিৰুদ্ধে তৰুণ গগৈয়ে যুদ্ধ কৰিছিল, আমিও কৰি যাম ঃ গৌৰৱ

গগৈৰ প্ৰথম মৃত্যুবাৰ্ষিকীত 'কা'ৰ বিৰুদ্ধে টঙালি বান্ধিলে কংগ্ৰেছে

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ 'প্ৰতিজন সচেতন অসমীয়াই আজি অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে যে আমি আপোচ নকৰা হ'লে তিনিওখন কৃষি আইনৰ আগতেই সংশোধিত নাগৰিকত্ব আইন (কা) বাতিল হ'লহেঁতেন; কিন্তু দুৰ্ভাগ্যজনকভাৱে যাৰ বিশ্বাসত অসমৰ ৰাইজে কাৰ্ফিউ ভাঙিছিল, ৰাজপথলৈ ওলাই আহিছিল, তেওঁলোকেই

১০ পৃষ্ঠাত চাওক

লুণ্ঠনেই একমাত্ৰ লক্ষ্য-উদ্দেশ্য সঞ্চালকৰ

■ এছ আই পি আৰ ডিত এটাৰ পাছত আনটো অনিয়ম ■ নৱেম্বৰ উকিলল, প্ৰশিক্ষণ সমাপ্ত নহ'ল ■ নিযুক্তিতো পক্ষপাতিত্ব অনিয়ম ■ ধোৱাচাওত প্ৰাক্তন উগ্ৰপন্থীৰ বাবে মুকলি 'স্বাৱলম্বন' আঁচনি

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান (এছ আই পি আৰ ডি)ত সম্প্ৰতি কাম-কাজ স্থবিৰ হৈ পৰাৰ বিপৰীতে সঞ্চালকৰ বিভিন্ন কাৰচাজি-অনিয়ম পোহৰলৈ আহিছে। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৰ সঞ্চালকৰূপে বিভাগীয় সচিব মুনীন্দ্ৰ শৰ্মাই দায়িত্বভাৰ গ্ৰহণৰ পাছৰে পৰা ইয়াৰ মূল কাম-কাজসমূহ স্থবিৰ হৈ পৰিছে। কেৱল নিৰ্মাণ আৰু সামগ্ৰী ক্ৰয়তহে ব্যস্ত থকা সঞ্চালকজনৰ কেতবোৰ হঠকাৰী নিৰ্দেশে প্ৰশিক্ষণ প্ৰতিষ্ঠানলৈ অন্ধকাৰ ভৱিষ্যৎ মাতি আনিছে। এছ আই পি আৰ ডিৰ প্ৰধান আয়ৰ উৎস প্ৰশিক্ষণৰ সলনি প্ৰতিষ্ঠানৰ জমা পুঁজি ৩০ কোটি টকা ব্যয়ৰ নামত কমিছনৰ আদায়ত ব্যস্ত হৈ পৰা সঞ্চালক শৰ্মাৰ আন হঠকাৰী কাৰ্য পোহৰলৈ আহিছে।

১০ পৃষ্ঠাত চাওক

ব্ৰহ্মপুত্ৰৰ পৰা ক্ৰেনৰ সহায়ত উদ্ধাৰ ট্ৰাক, মঙলবাৰে।

ৰাসৰ প্ৰসাদ খাই এজনৰ মৃত্যু ঃ অসুস্থ অৰ্ধশতাধিক

■ সমিতিৰ বিৰুদ্ধে একাংশ আত্মীয়ৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা
বৰপেটাৰোড, ২৩ নৱেম্বৰ ঃ বৰপেটাৰোড ৰাস মহোৎসৱৰ প্ৰসাদ খাই অৰ্ধশতাধিক লোক অসুস্থ হোৱাৰ লগতে বৰপেটাৰোডৰ কৃষ্ণনগৰ (বাবুপাড়া)ৰ অমূল্য সাহা নামৰ লোকজনে মৃত্যু হোৱা বুলি পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। যোৱা ১৯ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা বৰপেটাৰোড সাৰ্বজনীন ৰাস মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ২০ নৱেম্বৰত নাম-প্ৰসংগ অনুষ্ঠিত হয়। এই নামৰ সময়তে নিশা প্ৰসাদ হিচাপে ভাত, দাইল, তৰকাৰী আৰু পনীৰ আঞ্জা বিতৰণ কৰা হৈছিল। যদিও বৈ যোৱাখিনি পিছদিনা পুৰা বিতৰণ কৰা

১০ পৃষ্ঠাত চাওক

Muthoot Finance
গ'ল্ড লোন
57
1800 313 1212

■ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিয়াগোম কেলেংকাৰিৰ প্ৰসংগ

একাংশ নিলম্বিত অভিযুক্ত এতিয়াও তদন্তৰ আওতালৈ নহাত শংকা ব্যক্ত

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ২৩ নৱেম্বৰ ঃ বিয়াগোম কেলেংকাৰিত নিমজ্জিত হৈ ৰাজ্যৰ শিক্ষা ব্যৱস্থাটোকে কলংকিত কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সদ্যপ্ৰাক্তন উপাচাৰ্য ড° ৰঞ্জিত তামুলীক বৰ্খাস্তৰাত সম্প্ৰতি সমগ্ৰ ডিব্ৰুগড়তে সন্তুষ্টিৰ লহৰ উঠিছে। কালি ড° তামুলীক অপসাৰণৰ বাবে উৎসাহিত হ'লো। ইয়াৰ সমান্তৰালকৈ বিয়াগোম কেলেংকাৰিত জড়িত থকাৰ অভিযোগত নিলম্বিত হোৱা আন একাংশক এতিয়াও তদন্তৰ আওতালৈ ননাৰ বাবে শংকাও প্ৰকাশ কৰিছে বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লগতে শিক্ষাৰ্থীসকলে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ঐতিহ্যত কালিমা সনা অন্যান্য বিষয়া-কৰ্মচাৰী-ঠিকাদাৰী প্ৰতিষ্ঠান এতিয়াও তদন্তৰ আওতালৈ অহা নাই বুলি অভিযোগ উঠিছে।

১০ পৃষ্ঠাত চাওক

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	২৯°	১৭°
ডিব্ৰুগড়	২৮°	১৫°
দিল্লী	২৪°	১৯°
কলকাতা	২৯°	১৯°
মুম্বাই	৩৪°	২৭°
চেন্নাই	২৮°	২৫°
বাংগালুৰু	২২°	২১°
শ্বিলং	২১°	১০°

১৮ নৱেম্বৰ, ২০২১

কেবিনেটতে জনজাতিকৰণৰ সিদ্ধান্তৰ দাবী

অগ্ৰদূত বাৰ্তা
অভয়াপুৰী, ২৩ নৱেম্বৰ ঃ অসম চৰকাৰৰ কাইলৈ বঙাইগাঁৱত অনুষ্ঠিত হ'বলগীয়া কেবিনেট বৈঠকতে কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী জনজাতিকৰণৰ ক্ষেত্ৰত বাস্তৱ পদক্ষেপ গ্ৰহণ

১০ পৃষ্ঠাত চাওক

দুৰ্ঘটনাত মৃত্যু বিহপুৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰৰ

অগ্ৰদূত বাৰ্তা
বিহপুৰীয়া, ২৩ নৱেম্বৰ ঃ বিহপুৰীয়া নগৰৰ সমীপৰ বিহলঙনিয়াত

আঠ পৃষ্ঠাত চাওক

চৰণীয়া পথাৰত প্ৰশাসনে কৰা নাই খোৱাপানী-শৌচাগাৰৰ ব্যৱস্থা

লামডিঙৰ চাৰিশ উচ্ছেদিত পৰিয়ালক ডবকাত অস্থায়ী সংস্থাপন

অগ্ৰদূত বাৰ্তা
যমুনামুখ/হোজাই, ২৩ নৱেম্বৰ ঃ হোজাই জিলাৰ লামডিং সংৰক্ষিত বনাঞ্চলৰ পৰা উচ্ছেদ কৰা চাৰিশটা পৰিয়ালক জিলাখনৰ ডবকাৰ সমীপৱৰ্তী চাংমাজি সংৰক্ষিত চৰণীয়া পথাৰত অস্থায়ীভাৱে সংস্থাপন কৰা হয়। অৱশ্যে সংস্থাপিত পৰিয়ালসমূহৰ বাবে জিলা প্ৰশাসনে

১০ পৃষ্ঠাত চাওক

চেঙা তেল



দেশৰ নহয়, ইয়াত এতিয়া দলীয় গণতন্ত্ৰৰহে পাঠ চলি আছে যাতে কুৰুক্ষেত্ৰ ৰণ সৃষ্টি নহয়!

কৰ'নাকালীন সময়তো নিজ জীৱনক তুচ্ছ কৰি সহায় আগবঢ়োৱাসকলক স্বীকৃতি দিয়া নাই

মাননিৰ পৰিৱৰ্তে মজুৰিৰ দাবীত সমাজ কল্যাণ কাৰ্যালয়ত প্ৰতিবাদ কৰ্মী-সহায়িকাৰ

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ প্ৰাপ্যৰ দাবীত অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাই পুনৰ সাব্যস্ত কৰিলে প্ৰতিবাদ। মাননিৰ পৰিৱৰ্তে মজুৰি বিচাৰি কে'বাশতাধিক কৰ্মী-সহায়িকাই আজি প্ৰদৰ্শন কৰিলে বিক্ষোভ। গুৱাহাটীৰ উজানবজাৰস্থিত সমাজ কল্যাণ বিভাগৰ সঞ্চালকালয়ৰ সন্মুখত ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা কে'বা শতাধিক কৰ্মী-সহায়িকাই বিক্ষোভ সমাবেশত অংশ লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। চি আই টি ইউৰ অন্তৰ্ভুক্ত অসম ৰাজ্যিক অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সন্থাৰ আহ্বানত হোৱা এই কাৰ্যসূচীত ৰাজ্যখনৰ প্ৰায় সকলো জিলাৰ পৰা অংগনৱাড়ী কৰ্মী-সহায়িকাই বিক্ষোভ প্ৰদৰ্শন কৰে। অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলক বিভাগৰ নিয়মীয়া কৰ্মচাৰী হিচাপে স্বীকৃতি দিয়ক, মাননিৰ সলনি মজুৰি

১০ পৃষ্ঠাত চাওক

নিলম্বিত চক্ৰ বিষয়া বৰঠাকুৰৰ বিৰুদ্ধে দুৰ্নীতি নিবাৰকৰ অভিযোগনামা দাখিল

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৩ নৱেম্বৰ ঃ উৎকোচ গ্ৰহণৰ অভিযোগত গ্ৰেপ্তাৰ হৈ নিলম্বিত হোৱা শোণিতপুৰ জিলাৰ ঠেলামৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বৰেণ্য ৰঞ্জন বৰঠাকুৰ আৰু লাটমণ্ডল গুলজাৰ হুছেইনৰ বিৰুদ্ধে আজি দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষে বিশেষ ন্যায়াধীশৰ আদালতত ২৮৮ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। অভিযোগনামাত উল্লেখ কৰা মতে চক্ৰ বিষয়া বৰঠাকুৰ আৰু ঠেলামৰা ৰাজহ চক্ৰৰ লাট মণ্ডল গুলজাৰ হুছেইনৰ বিৰুদ্ধে পৰ্যাপ্ত তথ্য-প্ৰমাণ পোৱা গৈছে। উল্লেখ্য যে চক্ৰ বিষয়া বৰঠাকুৰ আৰু লাটমণ্ডল হুছেইনৰ বিৰুদ্ধে যোৱা

১০ পৃষ্ঠাত চাওক

হেৰাইছে

মোৰ H.S.L.C চূড়ান্ত পৰীক্ষাৰ Roll-B04-528 No-0208, commence on 2004 নম্বৰৰ Marksheet খন হেৰাইছে।

মানস প্ৰতীম লস্কৰ
পিতা ঃ মৃত গন লস্কৰ
গাঁও ঃ নিজ কামপুৰ
থানা-ডাকঘৰ ঃ কামপুৰ, নগাঁও

NAME CHANGE

I hereby declare vide affidavit No-8 dtd 17.11.2021 that the name of my daughter has been changed from GARISMITA BARMAN to GARISHMITA BARMAN.

Kajal Barman
Bonda, Guwahati-20

NOTICE INVITING QUOTATION

NIT No. NITI/IMC/Q/2021-22/233-A

Dated, Nagaon the 22/11/2021

IMC, ITI, Nagaon invites sealed Quotations from eligible bidders on ingle package basis for "Construction of Internal link Road by Interlocking Concrete Block pavement (ICBP) of Govt. ITI Nagaon. The interested bidder may collect in person the detailed Quotation from the Office of the undersigned w.e.f 10:00 AM of 25th Nov'2021. Schedule to the NIQ:

1. Tender Document Publishing Date : 24.11.2021
2. Last date and time of receipt : 26.11.2021 up to 12.00 AM
3. Date of opening of Quotation : 26.11.2021 at 2:00 PM
4. Place of submitting and opening of Quotation : Office of the Sr. Principal cum Member Secretary, IMC, ITI Nagaon, S. M. Road, Panigaon, PO- Itachali, PS- Nagaon Sadar, Dist. Nagaon,Assam PIN-782003.

The undersigned reserves the right to change/modify/cancel the notification without assigning any reason thereof.

Sd/-
Sr. Principal
Cum
Member Secretary,
IMC, ITI Nagaon.

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

[illegible]

[illegible] 2021-22 (SL.01, 02, 03 আৰু 04), [illegible] 16.11.2021 [illegible]

[illegible] 03.12.2021 [illegible] www.tmpa.gov.in [illegible] 03.12.2021 [illegible]

[illegible]

উত্তৰ-পূৰ্ব সীমান্ত ৰেলৱে
[illegible]

শুধৰণি

নগাঁও আদালতত ১৫ নৱেম্বৰ/২১ তাৰিখে কৰা Affidavit মৰ্মে মোৰ Life Insurance Policy No. 484018494ত ভুলবশতঃ সন্নিবিষ্ট হোৱা মোৰ নামটো Mukul Dasৰ সলনি Mukunda Das নামৰে হ'ব।

মুকুন্দ দাস
পিতা ঃ মৃত হৰলাল দাস
গাঁও ঃ ২নং ফলিহামাৰি
(কৃষ্ণ নগৰ)
ডাকঘৰ ঃ পুঠিমাৰী
থানা-কামপুৰ, নগাঁও

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৭ আঘোন বুধবাৰ ২৪ নৱেম্বৰ

সূৰ্যোদয় ঃ ঘঃ ৫।৫২।৪১, **সূৰ্যাস্ত ঃ** ঘঃ ৪।২৭।৩৮। **তিথি ঃ** কৃষ্ণা পঞ্চমী, দং ৪২।২৬।২৬ ৰাঘঃ ১০।৫১।১৫। **নক্ষত্ৰ ঃ** পুনৰ্ব্বসু, দং ১৯।৪৫।৩৩ ঘঃ ১।৪৬।৫৪। **যোগ ঃ** শুভ, দং ০।১৪।৩ প্ৰাতঃঘ, ৫।৫৮।১৮। **কৰণ ঃ** কৌলৱ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, বৰাহৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী বৃহস্পতিৰ দশা, প্ৰাতঃঘঃ ৭।১৪।৫৬ যোৱাত কৰ্কটৰাশি, বিপ্ৰবৰ্ণ,বায়ুযোগ, ঘঃ ১।৪৬।৫৪ যোৱাত মেষৰ অস্থি, বিংশোত্তৰী শনিৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্ত যোগ। **মৰণত দোষ ঃ** দ্বিপদ, ঘঃ১।৪৬।৫৪ যোৱাত নাই। **যোগিনীঃ** দক্ষিণত, ৰাঘঃ ১০।৫১।১৫ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** শুভ, উত্তৰত নাই, ৰাঘঃ ১০।৫১।১৫ যোৱাত শুভ অমৃতযোগ। **শুভকৰ্ম ঃ** গৰ্ভাধান, জাতকৰ্ম, নামকৰণ, নতুন কাপোৰ লোৱা, ৰত্নাদিধাৰণ, দোকান-নাট্যাৰম্ভ, আৰোগ্যস্নান, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা, ধানকটা, ন-খোৱা, নাওযাত্ৰা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, শিল্পাৰম্ভ, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** বেল, ৰাঘঃ ১০।৫১।১৫ যোৱাত নিততিতা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ আমোদ-প্ৰমোদ। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ'ল। প্ৰেমত আনন্দ। মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। কৰ্মস্থানত আনন্দ।

বৃষ ঃ ধনৰ নাটনি। আৰ্থিকত ব্যয় বৃদ্ধি পাব। পত্নী সুখ। বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। ব্যৱসায়ত মধ্যম।

মিথুন ঃ আপোনজন ওচৰতে সহায় পাব। দায়িত্বপূৰ্ণ কামত মাংগিলক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা সময়ৰ নাটনি। মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। বিদ্যাত শুভ ফল।

কৰ্কট ঃ সাহসৰ পৰিচায় পাব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। কৰ্ম ব্যস্ততা। সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। নতুন কোনো উদ্দেশ্যেত সফল হ'ব।

সিংহ ঃ সফল ভ্ৰমণ হ'ব। যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। বেংক কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব।

কন্যা ঃ শিক্ষক সহায় ল'ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ'ব। মজলীয়া ভাৱে দিনটো পাৰ হ'ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।

তুলা ঃ প্ৰেমত সঁহাৰি পাব। উচ্চ বিদ্যাত সাফল্য লাভ। শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।

বৃশ্চিক ঃ সমস্যাৰ উদ্ভৱ হ'ব পাৰে। কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব।

ধনু ঃ বিবাহৰ আলোচনা হ'ব। দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব।

মকৰ ঃ কৌশল আয়ত্ত, ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল।

কুম্ভ ঃ ছাত্ৰ-ছাত্ৰী সুনাম। নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়।

মীন ঃ খেতিয়াক কষ্ট হ'ব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। ৰাইজৰ লগত অতিৰিক্ত খৰচ। আচৰিত কথাৰ সম্ভেদ পাব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক।

লেখিকা,সমাজকৰ্মী জুনু বৰালৈ বাবা চাহেব বঁটা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী ২৩ নৱেম্বৰ ঃ বিশিষ্ট লেখিকা- ,সমাজকৰ্মী জুনু বৰালৈ আগবঢ়োৱা হৈছে ২০২১ বৰ্ষৰ বাবা চাহেব বঁটা। সমাজ আৰু সাহিত্যৰ ক্ষেত্ৰখনত আগবঢ়োৱা অৱদানৰ বাবে অসম অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাই তেওঁলৈ এই বঁটা আগবঢ়াইছে। ছয় ডিচেম্বৰত গুৱাহাটীৰ দীঘলীপুখুৰী উদ্যানত অনুষ্ঠিতব্য আম্বেদকাৰৰ মহাপ্ৰয়াণ দিৱসৰ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব । আজি গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেল যোগে এই কথা ঘোষণা কৰে সন্থাৰ সভাপতি নৃপেন দাসে। তেওঁ কয়, নাৰীৰ অধিকাৰৰ বিষয়ত মাত মাতি অহা সক্ৰিয় সমাজকৰ্মী জুনু বৰাই কৰ্মৰত মহিলাৰ প্ৰসূতিকালীন ছুটী আৰু দুবছৰীয়া শিশু প্ৰতিপালন ছুটী আইন প্ৰণয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল । তেওঁ সামাজিক নিষ্পেষণ, শোষণ, বঞ্চনা, বৈষম্যৰ বিৰুদ্ধে ৰাইজক সজাগ সচেতন কৰিবলৈ দীৰ্ঘদিন কাম কৰি আহিছে। বিশেষকৈ নাৰী নিৰ্যাতন, ধৰ্ষণ-হত্যা , ঘৰুৱা হিংসা, কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন আদিৰ বিৰুদ্ধে তথা অধিকাৰ আৰ্জনৰ বাবে নাৰী সমাজক সংগঠিত কৰাত অগ্ৰণী ভূমিকা পালন কৰি আহিছে । উল্লেখ্য যে বাবা চাহেব বঁটাত আছে শৰাই, মানপত্ৰ,গামোচা আৰু নগদ ১০ হেজাৰ টকা। উক্ত অনুষ্ঠানতেই সোমনাথ দাসক ২০২১ বৰ্ষৰ কৃতী শিক্ষক বঁটা প্ৰদান কৰা হ'ব । কে'বাটাও ৰাজ্যিক পৰ্যায়ৰ পুৰস্কাৰ লাভ কৰা যোৰহাট জিলাৰ কৃতী শিক্ষকজনে শৰাই, মানপত্ৰ, চেলেং , গামোচাৰে সন্মানিত কৰা হ'ব বুলি সন্থাৰ সভাপতিয়ে জানিবলৈ দিয়ে। আজিৰ সংবাদমেলত সন্থাৰ সাধাৰণ সম্পাদক নিত্যানন্দ দাসে সংবিধান প্ৰণেতা বাবা চাহেব আম্বেদকাৰৰ জীৱন আৰু কৰ্মৰাজিৰে সমাজক বিশেষকৈ নৱ প্ৰজন্মক উদ্বুদ্ধ কৰিবলৈ সন্থাই।

Advertisement

Dated : 23.11.2021

No. AHSEC/NSP/102/2021/263 : This is for information of all concerned that the Ministry of Education, Department of Higher Education, Govt. of India is implementing the Central Sector Scheme of Scholarship for College and University Students. Under the scheme total number of scholarships is **82000** (**41000** for boys and **41000** girls) and has been divided amongst the State Education Boards. The quota allotted for the state of Assam is **2002nos**. The scholarship is opened from **18.08.2021** in National Scholarships Portal under in Higher Education Department. The students securing top 20 percentile of marks comprising all the streams of H. S. Final Year Examination, 2021 are eligible to apply for the scholarship. (List of the eligible students has secured top 20 percentile of marks is uploaded in the AHSEC website www.ahsec.assam.gov.in). For the session 2021-2022, the last date of submission of application is 30.11.2021.

The eligible students are hereby requested to visit the Home-National Scholarship Portal (scholarships.gov.in) and apply within the last day of submission i.e. on 30.11.2021.

Sd/-
Secretary
Assam Higher Secondary Education Council
Bamunimaidam : Guwahati-21

Janasanyog/D/10086/21

পঞ্জাব নেচনেল বেংক punjab national bank

চক্ৰ কাৰ্যালয় : নগাঁও, [illegible] নগাঁও- [illegible]
ই-মেইল : conagaongad@pnb.co.in, দূৰভাষ : [illegible]

লীজত চৌহদৰ আৱশ্যক

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

তাৰিখ : ২৪-১১-২০২১
স্থান : নগাঁও

চক্ৰ মুখ্য
পঞ্জাব নেচনেল বেংক

শব্দ-বেহ ঃ ২৪ নৱেম্বৰ ২০২১



পথালিকৈ ঃ

[illegible]

থিয়কৈ ঃ

[illegible]

উত্তৰ অহা সংখ্যাত

২৩ নৱেম্বৰ ২০২১ সংখ্যাৰ উত্তৰ ঃ

পথালিকৈ ঃ [illegible]

থিয়কৈ ঃ [illegible]

পদ খালী

Direct Posting [illegible] **Free**। [illegible]

Perfect Jobsite
Dispur
98640 20419.
8011007148

হেৰাইছে

মোৰ শাহুমা প্ৰতিমা চমুৱাই ২০১১ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে মোৰ নামত আৰু মোৰ জীয়ৰী বিশাখা চমুৱা আৰু মল্লিকা চমুৱাৰ নামত কৰা এখন উইলপত্ৰ হেৰাইছে। কোনো সদাশয় লোকে পালে মোৰ ফোন নং-9864061061ত জনায় যেন।

শ্ৰীমতী দিপিকা চমুৱা
হেঙেৰাবাৰী ৰোড
Protech View Appartment

AFFIDAVIT

I, Sri Khagendra Nath Bezbaruah ,s/o Gada Sil , resident of Kamalabari, Hukuta ,P.O .& P.S.- Duliajan , Dist-Dibrugarh (Assam) do hereby declares as per affidavit before the notary public at Dibrugarh dated 22-11-2021 that my son's actual and correct name is Romen Bezbaruah instead of Ramen Bezbaruah which has been inadvertently recorded in my OIL's record book. So, I hereby declare that Sri Romen Bezbaruah and Sri Ramen Bezbaruah is the same and one identical person.

Deponent
Khagendra Nath
Bezbaruah

NIT NO. EE/IRRI/N/TB-33(D)/2021-22/1622

NOTICE INVITING SHORT TENDER

Sealed tender prescribed form eventually to be drawn in A.P.W.D. F-2 form of agreement affixing Non-Refundable Court fee stamp of Rs.8.25(Rupees Eight and paise Twenty Five)only are hereby invited from registered Contractors of Irrigation Department for the following work under Dharmapur-Barkhetri-Nalbari Division (Irrigation), Nalbari and will be received up to **12.00 Noon on 13/12/2021** and will be opened on the same date and place at **3.00 PM** in presence of intending Contractors or other authorized agents if any. If the closing date of receiving the tender paper to be a holiday or any bandh the same will be received and opened on the next working day in the same time and place.

Sl No	Name of Work	Approximate Value (Rs in Lakh)	Group No	Time of Completion
1	Mugkuchi DTWIS (Point No 3) under M&R for the year 2020-21	6.71	I	30 DAYS
2	Mugkuchi DTWIS (Point No 4) under M&R for the year 2020-21	7.04	II	30 DAYS
3	Mugkuchi DTWIS (Point No 7) under M&R for the year 2020-21	9.147	III	30 DAYS
4	Mugkuchi DTWIS (Point No 8) under M&R for the year 2020-21	6.32	IV	30 DAYS
5	Baharghat ELIS (Garamsing Point) under M&R for the year 2020-21	10.535	V	30 DAYS
6	Repairing of Bike & Cycle Stand at EE office under D&A for the year 2020-21	6.636	VI	30 DAYS
7	Repairing of Brick Canal at Barnibari DTWIS (Point No 1) under M&R for the year 2020-21	4.99	VII	30 DAYS

Earnest money: **2%** against work value for General and **1%** for SC/ST/OBC/MOBC in favour of the **Executive Engineer, Dharmapur-Barkhetri-Nalbari Division (Irrigation), Nalbari** without which tender will not be accepted.

Rate should be quoted on percentage basis at per/above/below on estimated rate.

Details NIT Specification of Items of Work, Terms and Condition etc. may be seen during office hours of all working days up to **11.00 AM on 26/11/2021.**

The Tender Paper etc. may be obtained from the office of the undersigned during the office hours on all working days up to **12.00 AM on 26/11/2021** on payment (Non Refundanble) of **Rs. 500.00 (Rupees Five Hundred) only** by crossed IPO duly pledged to the **Executive Engineer, Dharmapur-Barkhetri-Nalbari Division (Irrigation), Nalbari**

UNSEALED TENDER WILL SUMMARILY BE REJECTED.

Executive Engineer
Dharmapur-Barkhetri-Nalbari Division (Irrigation)
Nalbari

Janasanyog/C/8153/21

No. ACE-29/TECH/MSLPR/ITB/Pt-I/2019-20/92 *Dated: Kokrajhar the 23/11/2021*

CORRIGENDUM

It is for general information to all prospective bidders for the works invited vide this office's Press Notice/ NIT NO. ACE-29/TECH/MSLPR/ITB/PM/2019-20/92, dt. 22/11/2021, Tender No. 51 of 2021-22, that the date of opening of tender has been wrongly printed as 03/11/2021(at 15.00 Hrs as such the same may be corrected and read as 03/12/2021(at 15.00 Hrs) and also for the work vide Sl. No 2 has been wrongly printed as TN No. 52/2 which may be corrected and read as TN. No. 51/2

Other terms and conditions remain same.

Enclo: Paper curting.

Sd/
Addl. Chief Engineer-cum-Director,
PWD, BTC, Kokrajhar

IPR(BTC)-429/2021

No. ACE-50/TECH/KOK(Bldg)/IFB/2016-17/438 *Dated: Kokrajhar the 23/11/2021*

CORRIGENDUM

It is for general information to all prospective bidders for the works invited vide this office's Press Notice/ NIT NO. ACE-50/TECH/KOK(Bldg)/IFB/2016-17/438, dt. 20/11/2021, Tender No. 47 of 2021-22, that the date of opening of tender has been wrongly printed as 03/11/2021 (at 15.00 Hrs) as such the same may be corrected and read as 03/12/2021(at 15.00 Hrs).

Other terms and conditions remain same.

Enclo: Paper curting.

Sd/-
Addl. Chief Engineer-cum-Director,
PWD, BTC, Kokrajhar

IPR(BTC)-428/2021

No. ACE-29/TECH/MSLPR/ITB/Pt-I/2019-20/91 *Dated: Kokrajhar the 23/11/2021*

CORRIGENDUM

It is for general information to all prospective bidders for the works invited vide this office's Press Notice/ NIT NO. ACE-29/TECH/MSLPR/ITB/Pt-I/2019-20/89, dt. 20/11/2021, Tender No. 50 of 2021-22, that the date of opening of tender has been wrongly printed as 03/11/2021(at 15.00 Hrs) as such the same may be corrected and read as 03/12/2021(at 15.00 Hrs).

Other terms and conditions remain same.

Enclo: Paper cutting.

Sd/-
Addl. Chief Engineer-cum-Director,
PWD, BTC, Kokrajhar

IPR(BTC)-430/2021

No DSW(ICDS)/G/SNP/98/2021/71

EXTENSION NOTICE

As the under mentioned EoI is subjudice at Hon'ble Gauhati High Court, the date and time of online submission and tender document to be downloaded in respect of EoI No.DSW(ICDS)/G/SNP/98/2021/1, dated 09/06/2021 for "Lifting of rice (to be allotted by the Ministry of Women and Child Development (MoWCD, Govt. of India) from FCI depots in Assam and Re-packing of Lifted Rice from FCI Depots in Assam and supply of other food stuff etc. (and packing thereof)" as Take Home Ration (THR)/ Hot Cooked Meal (HCM) for various Anganwadi Centres and Mini-Anganwadi Centres of Assam are hereby changed and rescheduled till the disposal of the Hon'ble High Court Case as follows:

Sl. No.	Schedule	Earlier End Date and Time	Rescheduled End Date and Time
1	Tender download	25/11/2021 at 04:00 PM	23/12/2021 at 04:00 PM
2	Bid submission	25/11/2021 at 05:00 PM	23/12/2021 at 05:00 PM
3	Bid opening	26/11/2021 at 11:00 AM	24/12/2021 at 11:00 AM

-Director
Social Welfare, Assam
Uzanbazar, Guwahati-1

Janasanyog/C/8133/21

No. TECH- 40/SE(R&B)/e-tender/2020-21/109 *Dated Kokrajhar the 22/11/2021*

Tender No. 169 of 2021-22

PRESS NOTICE INVITING TENDER

The Superintending Engineer, PWD (R&B) Circle, Kokrajhar on behalf of Governor of Assam invites bids from approved and eligible Contractors registered with Public Works Department (Building), Assam/Contractors registered with Bodoland Territorial Council in the category of Class-I (A, B & C) & Class-II for the work "Construction of Boro Bhatarmari Uzir Twler Community Hall with Boundary Wall, Sanitation at Datharmari, District: Kokrajhar" for bids amounting to Rs.93,70,338.00 (approx) (Rupees ninety three lakh seventy thousand three hundred & thirty eight) only, ,

Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/ (Abhay Ch. Deka)
Superintending Engineer,
PWD (R&B) Circle, Kokrajhar

IPR(BTC)-426/2021

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৪ নৱেম্বৰ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

ৰংজুলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ-দুধনৈ এফ আৰ ইউ হাস্পতাল পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা

দুধনৈ, ২৩ নৱেম্বৰ ঃ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই আজি বিয়লি ৰংজুলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু দুধনৈ এফ আৰ ইউ হাস্পতাল পৰিদৰ্শন কৰে। মন্ত্ৰীজনে প্ৰথমতে ৰংজুলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ চিকিৎসালয়খনৰ সামগ্ৰিক অৱস্থাৰ বিষয়ে বুজ লয়। তাৰ পাছতে ক'ভিড প্ৰতিষেধকৰ বিষয়ে সবিশেষ বুজ লয়। ইপিনে,

ছয় পৃষ্ঠাত চাওক

সোঁতৰ বিপৰীতে



■ পাঁচ বনাঞ্চলিক অঞ্চলৰ ১৫৫৫ হেক্টৰ মাটিত ৰোপণ কৰা বাঁহ গছবোৰ ক'লৈ গ'ল ?

নগাঁৱত বাঁহগছ ৰোপণত ২.৩৫ কোটিৰ কেলেংকাৰি

অসম-মেঘালয় সীমান্তত ৰাইজৰে মত-বিনিময় মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী-মন্ত্ৰী পীযুষ হাজৰিকাৰ মঙলবাৰে।

বিশেষ সংবাদদাতা

নগাঁও, ২৩ নৱেম্বৰ ঃ নগাঁও বন সংমণ্ডলে বিগত ২০০৬-২০০৭ বৰ্ষৰ পৰা ২০১৫-২০১৬ বৰ্ষৰ ভিতৰত কেতবোৰ যৌথ বন পৰিচালনা সমিতিৰ জৰিয়তে শালনা, ধৰমতুল, কামপুৰ, কঠিয়াতলি আৰু মৰিগাঁও বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন বনাঞ্চলত বাঁহগছ ৰোপণৰ নামত ২.৩৫ কোটি টকাৰ বৃহৎ দুৰ্নীতি সংঘটিত হৈছিল। প্ৰধানতঃ বন্যহস্তীৰ খাদ্য হিচাপে এই বাঁহগছসমূহ ৰোপণৰ নামত ইমানেই দুৰ্নীতি সংঘটিত হৈছিল যে এতিয়া সেই বাঁহ গছৰ কোনো অস্তিত্বই বিচাৰি পাবলৈ নাই।



প্ৰাপ্ত তথ্য অনুসৰি, ২০০৬-২০০৭ বৰ্ষত শালনা আৰু ধৰমতুল বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন ৩৯৫ হেক্টৰ মাটিত বৃক্ষ ৰোপণৰ বাবে ৩৩ লাখ ৯৭ হেজাৰ ৮০০ টকা, ২০০৭-২০০৮ বৰ্ষত কামপুৰ আৰু কঠিয়াতলি বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন বনাঞ্চলৰ ১০০ হেক্টৰ মাটিত বাঁহগছ ৰোপণৰ বাবে ১২ লাখ ৫০ হেজাৰ টকা, ২০০৮-২০০৯ বৰ্ষত ধৰমতুল, কঠিয়াতলি, শালনা আৰু মৰিগাঁও বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন বনাঞ্চলৰ ১০০ হেক্টৰ মাটিত বৃক্ষ ৰোপণৰ নামত ১৬ লাখ ৬০ হেজাৰ টকা, ২০১০-২০১১ বৰ্ষত ধৰমতুল, শালনা, মৰিগাঁও আৰু কঠিয়াতলি বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন বনাঞ্চলৰ ৩০০ হেক্টৰ মাটিত বাঁহগছ ৰোপণৰ বাবে ৫৭ লাখ ৫১ হেজাৰ ২২৫ টকা, ২০১২-২০১৩ বৰ্ষত ধৰমতুল, কঠিয়াতলি, মৰিগাঁও আৰু শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন বনাঞ্চলৰ ২৬০ হেক্টৰ মাটিত বাঁহগছ ৰোপণৰ বাবে ৬৫ লাখ টকা, ২০১৩-২০১৪ বৰ্ষত কঠিয়াতলি, ধৰমতুল আৰু শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন

ছয় পৃষ্ঠাত চাওক

■ বজালীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ পৰিদৰ্শন

বড়ো ভ্ৰাম্যমাণৰ ইতিহাস ৰচনা কৰা স্বৌৰাং মঞ্জু থিয়েটাৰৰ জন্মস্থান পৰিদৰ্শনত অভিভূত

বিশেষ সংবাদদাতা

পাঠশালা, ২৩ নৱেম্বৰ ঃ ৰাজ্যখনক সকলো স্তৰতে আগুৱাই নিব বিচৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিকল্পনা কৰা বিশেষ কাৰ্যক্ৰমণিকাৰ অংশৰূপে মন্ত্ৰীসকলে বিভিন্ন জিলা পৰিদৰ্শন কৰে। সেই মৰ্মে আজি বজালী জিলাত উপস্থিত হয় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই।

ছয় পৃষ্ঠাত চাওক

ধীৰেণ বড়োলৈ ডক্টৰেট ডিগ্ৰী বিশ্ব মানৱাধিকাৰ সুৰক্ষা আয়োগৰ

বিশেষ সংবাদদাতা

ওদালগুৰি, ২৩ নৱেম্বৰ ঃ ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক সংস্থাৰ অধীনস্থ বিশ্ব মানৱ অধিকাৰ সুৰক্ষা আয়োগে ড° ধীৰেণ বড়োলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। ইতিমধ্যে ভংগ হোৱা এনডিএফবিৰ প্ৰাক্তন সভাপতি ড°

ছয় পৃষ্ঠাত চাওক

ৰাজীৱ বৰুৱা-দিগন্ত ওজালৈ সুন্দৰৰ সাধক অনন্ত ৰাম দাস বঁটা

বিশেষ সংবাদদাতা

বৰপেটা, ২৩ নৱেম্বৰ ঃ উত্তৰ পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালক প্ৰধান কাৰ্যালয় আৰু গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ সঞ্চালক ৰাজীৱ বৰুৱালৈ ২০২০ৰ আৰু সত্যনিষ্ঠ সাংবাদিক, দক্ষ সম্পাদক দিগন্ত ওজালৈ ২০২১ৰ সুন্দৰৰ সাধক অনন্ত ৰাম দাস বঁটা আগবঢ়োৱা হৈছে। বৰপেটাৰ অন্যতম সাহিত্য সংস্কৃতিৰ সেৱামূলক অনুষ্ঠান অনন্ত ৰাম দাস স্মৃতি প্ৰকাশনে প্ৰতিবছৰে সাহিত্য, সংস্কৃতি, সামাজিক আৰু সংবাদজগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে অসমৰ একোজন বিশিষ্ট ব্যক্তিক সুন্দৰৰ সাধকক অনন্ত ৰাম দাস বঁটা আগবঢ়াই আহিছে। ৰাজীৱ বৰুৱা ১৯৮৫ত 'দ্য ছেণ্টিনেল' কাকতগোষ্ঠীত উপ-সম্পাদক ৰূপে যোগদান কৰি পাছত প্ৰথিতযশা সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়া সম্পাদিত 'নতুন দৈনিক'ত ষ্টাফ ৰিপ'ৰ্টাৰৰূপে নিযুক্ত হয়। ১৯৯৩ত সৰ্বভাৰতীয় পৰ্যায়ত ইউ পি এছ চিৰ দ্বাৰা নিৰ্বাচিত হৈ আকাশবাণীত যোগদান কৰি বৰ্তমান তেওঁ গুৱাহাটী কেন্দ্ৰৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ১৯৮৫ত তেওঁৰ প্ৰকাশিত কবিতা পুথি 'অঘৰী দিনৰ ডায়েৰী' পৰৱৰ্তী সময়ত

ছয় পৃষ্ঠাত চাওক

পলাশবাৰীত মন্ত্ৰী নেওগৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন

■ কে'বাখনো চৰকাৰী আঁচনিৰ কাম পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ২৩ নৱেম্বৰ ঃ 'অংগনৱাড়ী কেন্দ্ৰৰ লগত আমাৰ সমাজৰ ভৱিষ্যৎ জড়িত হৈ আছে। ভাৰতবৰ্ষৰ ভিতৰত অসমত প্ৰসূতিৰ মৃত্যুৰ হাৰ সকলোতকৈ বেছি। ৰাজ্যত ৬১ হেজাৰ অংগনৱাড়ী কেন্দ্ৰ আছে। ইয়াৰে তিনি হেজাৰ অংগনৱাড়ী কেন্দ্ৰৰ আদৰ্শ গৃহ নিৰ্মাণৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। উক্ত তিনি হেজাৰ অংগনৱাড়ী কেন্দ্ৰৰ আদৰ্শ গৃহ নিৰ্মাণৰ কামত স্থানীয় যুৱকক অগ্ৰাধিকাৰ দিয়াৰ লগতে নিৰ্মাণ কাৰ্য তদাৰক কৰিব সমষ্টিৰ বিধায়কে। আদৰ্শ গৃহ নিৰ্মাণৰ বাবদ ২৫ লাখকৈ অনুদান আগবঢ়োৱা হৈছে।' বিত্ত তথা সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে আজি পলাশবাৰী সমষ্টিৰ দখলাত দহালী দখলা ২১৮ নম্বৰ অংগনৱাড়ী কেন্দ্ৰ প্ৰস্তাৱিত আদৰ্শ গৃহ নিৰ্মাণ কাৰ্য মুকলি কৰি

ছয় পৃষ্ঠাত চাওক

বিশিষ্ট চিকিৎসক ডাঃ পাৰ্থ সাৰথি বৰুৱাৰ দেহাৱসান



বিশেষ সংবাদদাতা

নগাঁও, ২৩ নৱেম্বৰ ঃ বিশিষ্ট চিকিৎসক ডাঃ পাৰ্থ সাৰথি বৰুৱাৰ আজি বিয়লি পৰলোক প্ৰাপ্তি ঘটে। যকৃতৰ জটিল ৰোগত আক্ৰান্ত চিকিৎসকজনক নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ১৯৪৭ত ডিব্ৰুগড়স্থিত

ছয় পৃষ্ঠাত চাওক

ছিকিমৰ স'তে বিটিআৰৰ বাণিজ্যিক সম্পৰ্ক কৰা হ'ব

■ ছিকিমৰ মুখ্যমন্ত্ৰীসহ সঁজাতী দলৰ বিটিআৰ পৰিভ্ৰমণ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৩ নৱেম্বৰ ঃ বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰত আজি দুপৰীয়াৰ আতিথ্যৰে উপস্থিত হয় ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ নেতৃত্বত এটি সজাঁতী দলে। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ বালাগাঁওস্থিত কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠান চমুকৈ চিআইটিত আজি প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰ চৰকাৰৰ সতে এক সৌহাৰ্দ্যমূলক আতিথ্য গ্ৰহণ কৰি ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে বড়োভূমি আৰু অসম চৰকাৰক প্ৰশংসা কৰি বিটিআৰৰ প্ৰমোদ বড়ো আৰু বিটিআৰ বাসীকো ধন্যবাদ দিয়ে। তেওঁ বিটিআৰৰ স্থলপথৰে দ্বিতীয়বাৰ পৰিভ্ৰমণ কৰাৰ সদৰী কৰি বিটিআৰ আৰু ছিকিমৰ মাজত স্থলপথৰে যাতায়াত যথেষ্ট ভাল বুলি উল্লেখ কৰে । ছিকিম পৰ্যটক আৰু জৈৱিক পদ্ধতিৰ চাহ খেতিৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যথেষ্ট সমাদৰ লাভ কৰা বুলি সদৰী কৰি মুখ্যমন্ত্ৰীজনে বিটিআৰৰ ভুমি বহুত ভাল বুলি কয় । ইপিনে, গুৱাহাটীৰ পৰা স্থলপথেৰে আজি বিটিআৰ পৰিদৰ্শন কৰা ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং আৰু সতীৰ্থ দুই মন্ত্ৰীক্ৰমে বেদু সিং পনথ আৰু অৰুণ উপ্ৰিতিক চি আই টিৰ অতিথিশালাত আৰনাই

ছয় পৃষ্ঠাত চাওক

অসমীয়া সাহিত্য বিশ্ব সাহিত্যৰ তুলনাত কোনোগুণে কম নহয়

■ ওপজা দিনত পদ্মশ্ৰী বঁটাপ্ৰাপক সাহিত্যিক ইমৰান শ্বাহ

সহযোগত অনুষ্ঠিত কৰা প্ৰথিতযশা কথাশিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পদ্মশ্ৰী ইমৰান

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৩ নৱেম্বৰ ঃ 'অসমীয়া সাহিত্য বিশ্ব সাহিত্যৰ তুলনাত কোনোগুণে কম নহয়। কেৱল আমি হীনমন্যতাৰ পৰা মুক্ত হ'ব লাগিব। হীনমন্যতাৰ পৰা জাতিটো ওলাই আহিব লাগে। চুটিগল্প এটা বৰ দীঘল হ'ব নালাগে। ইমৰান শ্বাহৰ গল্প সফল হ'লনে নহ'ল সেইটো বৰ ডাঙৰ কথা নহয়, কিন্তু এইবোৰৰ আলোচনাই পৰৱৰ্তী লেখকসকলক উত্তৰণৰ পথ দেখুওৱাত সহায়ক হ'ব।' আজি শিৱসাগৰ জিলা সাহিত্য সভাই ৰংপুৰ সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত কৰা প্ৰথিতযশা কথাশিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পদ্মশ্ৰী ইমৰান শ্বাহৰ ৪৭ সংখ্যক ওপজা দিনত নিজৰ অনুভৱ ব্যক্ত কৰি বিশিষ্ট সাহিত্যিকজনে এইদৰে কয়। সাহিত্যত সমালোচনাৰ গুৰুত্ব উল্লেখ কৰি সাহিত্যিকজনে কয় যে, অসমীয়া লেখকৰ মাজত কলমৰ যুদ্ধ হোৱা প্ৰয়োজন। শিৱসাগৰ নগৰৰ ধাইআলিস্থিত সাহিত্যিক শ্বাহৰ বাসভৱনত আয়োজিত, জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্তই আঁত ধৰা আৰু সভাপতি যোগ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত তেওঁৰ পঞ্চমখনি কাব্যগ্ৰন্থ 'আৰু

ছয় পৃষ্ঠাত চাওক

বৰপেটাত মন্ত্ৰী পাটোৱাৰীৰ পানী যোগান কেন্দ্ৰ উদ্বোধন

বিশেষ সংবাদদাতা

বৰপেটা, ২৩ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰীৰ অসম সৰলীকৰণ পদক্ষেপৰ অধীনত আজি পৰিবহণ আৰু উদ্যোগ তথা বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বৰপেটা জিলা ভ্ৰমণ কৰি বিভিন্ন বিভাগৰ কে'বাখনো আঁচনি পৰিদৰ্শন কৰে। কাইলৈ বঙাইগাঁৱত অনুষ্ঠিত হ'বলগীয়া কেবিনেট বৈঠকলৈ যোৱাৰ বাটত মন্ত্ৰীজনে আজি বিয়লি তিনি বজাত ভৱানীপুৰত উপস্থিত হোৱাত উপায়ুক্ত তেজ প্ৰসাদ ভূষালে

ছয় পৃষ্ঠাত চাওক

■ তাহানিতে ব্ৰিটিছ মেমচাহাবৰ বিলাসী স্নানৰ ঠাই কলিয়াবৰৰ মনোৰম হদহদী জলপ্ৰপাত ■ নিৰ্মল সেউজীয়াৰ মাজত নিৰলে পৰি ৰৈছে পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা

ইংৰাজৰ ১৩৫ বছৰীয়া চাহাবী বাংল'ৱে হাতবাউলি মাতে দেশী-বিদেশী পৰ্যটকক

জয়ন্ত কুমাৰ শৰ্মা,

কলিয়াবৰ, ২৩ নৱেম্বৰ ঃ একালত 'ব্ৰিটিছ মেমচাহাবে' বিলাসী স্নান কৰিছিল লাস্যময়ী নিৰ্মল পানীৰ পাহাৰীয়া জলধাৰাত। আচলতে ই এটা জলপ্ৰপাত। কলিয়াবৰৰ উত্তৰ-পশ্চিম প্ৰান্তৰ এই সুন্দৰ জলপ্ৰপাতটোৰ পৰিচিত নামেই হদহদী। সেউজীয়া পাহাৰখনৰ নামেৰেই স্থানীয় লোকে নাম থৈছিল এই শুভ্ৰ পানীৰ অনুপম জলপ্ৰপাতটোৰ। সেউজ কাৰ্বিপাহাৰ সংলগ্ন হদহদী পাহাৰৰ ভাঁজে ভাঁজে বৈ অহা জলপ্ৰপাতটোৰ হদ্-হদ্ শব্দৰ বাবেই হেনো পাহাৰখনৰ লগতে জলপ্ৰপাতটোৰো নাম হ'ল হদহদী। এয়া স্থানীয় লোকৰ ভাষ্য। পাহাৰখনৰ ভাঁজে ভাঁজে বাগৰি অহা জলপ্ৰপাতটো এতিয়া প্ৰাণচঞ্চলা। জলপ্ৰপাতটোৰ অৱস্থিতি কলিয়াবৰ মহকুমাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ কাৰ্বিপাহাৰ সীমান্তৰ কঠালগুৰি গাঁও পঞ্চায়ত অঞ্চলৰ লুংচুং চাহ বাগিচা। কলিয়াবৰৰ পশ্চিম সীমাৰ শালনাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা উত্তৰলৈ নামি ইংৰাজে স্থাপন কৰা শালনা চাহ বাগিচাৰ পাছত নৰ্নে চাহ বাগিচাৰ বিশাল সেউজীয়া দলিচাৰ মাজেৰে পশ্চিমলৈ গৈ পুনৰ উদমাৰী নামৰ কেইখনমান সৰু সৰু চাহ-তামোলৰ দোকানৰে গঢ়ি উঠা চাৰিআলিটোৰ পৰা পুনৰ উত্তৰ দিশলৈ ঘূৰি কিছুদূৰ যোৱাৰ পাছতে পোৱা যায় 'লুংচুং চাহ বাগিচালৈ' বুলি লিখি কাঁড় চিহ্নৰে দেখুৱাই থোৱা মজলীয়া আকাৰৰ সেউজীয়া ৰঙৰ নামফলকখন।

ছয় পৃষ্ঠাত চাওক

পঞ্জাব নেচনেল বেংক punjab national bank

[illegible]

cs8287@pnb.co.in

অধিগ্ৰহণ জাননী

[illegible]

ক্ৰ. নং	শাখাৰ নাম	[illegible]	[illegible]	বন্ধকী সম্পত্তিৰ বিৱৰণ	[illegible]	[illegible]	[illegible]	[illegible]
১	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
২	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
৩	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
৪	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
৫	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
৬	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]

[illegible]

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৭ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২৪ নৱেম্বৰ ২০২১

প্ৰতিষেধক নীতি

ব্যক্তিগত খণ্ডৰ হাস্পতালসমূহে যথেষ্ট পৰিমাণে প্ৰতিষেধক ক্ৰয় কৰি মজুত কৰি থৈছে যদিও এই প্ৰতিষেধকৰ ক্ৰেতা নোহোৱা হৈছে। ফলত এই ক'ভিড-১৯ প্ৰতিষেধকসমূহৰ ম্যাদ উকলি যোৱাৰ সময় আগবাঢ়ি আহিছে। মহাৰাষ্ট্ৰৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত ৫০ লাখ পালিতকৈও অধিক প্ৰতিষেধক অব্যৱহৃতভাৱে মজুত আছে বুলি প্ৰকাশ পাইছে। ৰাজ্যখনৰ স্বাস্থ্য বিভাগে আগবঢ়োৱা পৰিসংখ্যাৰ পৰা জানিব পৰা গৈছে যে অকল মুম্বাই মহানগৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহতে ১১ লাখ পালি প্ৰতিষেধক পৰি আছে। পুণেত ২১.৪৮ লাখ পালি প্ৰতিষেধক অব্যৱহৃতভাৱে পৰি আছে।

দেশৰ ৰাজধানী মহানগৰী দিল্লীকে ধৰি হায়দৰাবাদ, বাংগালুৰু আদি মহানগৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত যথেষ্ট সংখ্যক প্ৰতিষেধক মজুত হৈ আছে। যদিহে নিয়মানুসৰি প্ৰতিষেধকবোৰ মজুত ৰখা হয়, তেনেহ'লে স্পুটনিক প্ৰতিষেধকৰ ম্যাদৰ কাল ছমাহ, ক'ভিশ্বিল্ডৰ ম্যাদ নমাহ আৰু ক'ভাক্সিনৰ ম্যাদ এবছৰ থাকে। ভাৰতত প্ৰতিষেধকৰ মূল্য নিৰ্ধাৰণ পদ্ধতিৰ ফলতেই ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত এনেদৰে প্ৰতিষেধক মজুত হৈ আছে, যিবোৰৰ ম্যাদ উকলি যোৱাৰ উপক্ৰম হৈছে।

দেশৰ চৰকাৰী চিকিৎসালয়সমূহত বিনামূলীয়াকৈ কৰ'নাৰ প্ৰতিষেধক দিয়া হয়। আনহাতে, ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত ক'ভিশ্বিল্ডৰ ক্ষেত্ৰত প্ৰতি পালিত ৭৮০ টকা আৰু ক'ভাক্সিনৰ প্ৰতি পালিত ১৪১০ টকাকৈ লোৱা হয়। চৰকাৰে ঘোষণা কৰা নীতি অনুযায়ী প্ৰতি মাহে দেশত যিমান প্ৰতিষেধক উৎপাদন কৰা হয়, তাৰ ২৫ শতাংশ ব্যক্তিগত খণ্ডৰ হাস্পতালসমূহে ক্ৰয় কৰিব পাৰিব। চৰকাৰৰ এনে প্ৰতিষেধক নীতিৰ ফলত ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত প্ৰতিষেধক দ'ম লাগি পৰি আছে। চৰকাৰী তথ্যৰ পৰাই জানিব পৰা গৈছে যে ২৫ শতাংশ ক্ৰয় কৰা ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে এতিয়ালৈকে মাত্ৰ চাৰি শতাংশ লোককহে প্ৰতিষেধক দিবলৈ সক্ষম হৈছে।

এতিয়া বিশ্বৰ ধনী তথা উন্নত দেশসমূহে প্ৰতিষেধকৰ বুষ্টাৰ পালি দিবলৈ আৰম্ভ কৰিছে। এই তৃতীয়টো প্ৰতিষেধকৰ পালি উন্নত দেশত দিয়া হৈছে অথচ অনুন্নত অথবা উন্নয়নশীল দেশসমূহৰ বহুতেই প্ৰথমটো প্ৰতিষেধকৰ পালিয়েই পোৱা নাই। আমাৰ দেশতো ব্যক্তিগত খণ্ডৰ হাস্পতালসমূহে দ'ম হৈ পৰি থকা প্ৰতিষেধকবোৰ বিক্ৰীৰ উদ্দেশ্যে চৰকাৰৰ ওপৰত হেঁচা দিছে বুষ্টাৰ পালি আৰম্ভ কৰাৰ বাবে। এনেদৰে তৃতীয়টো পালি প্ৰতিষেধক মানুহে ল'বলৈ আৰম্ভ কৰিলে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত দ'ম হৈ পৰি থকা প্ৰতিষেধকবোৰ বিক্ৰী হৈ যাব; কিন্তু বহুতেই কৈছে যে ভাৰতত পোনতে সকলোৱে দুটা পালি প্ৰতিষেধক সম্পূৰ্ণ কৰাৰ পাছতহে তৃতীয়টো বা বুষ্টাৰ পালি দিব পাৰিব। নহ'লে নগৰাঞ্চলৰ জনসাধাৰণে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰ পৰা ক্ৰয় কৰি বুষ্টাৰ পালি ল'ব, অথচ গ্ৰামাঞ্চলৰ জনসাধাৰণে প্ৰতিষেধকৰ অভাৱত দুটা পালি প্ৰতিষেধক সম্পূৰ্ণ কৰিব নোৱাৰিব। ইফালে ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্ছৰ সঞ্চালক বলৰাম ভাৰ্গৱে কৈছে যে তৃতীয়টো অথবা বুষ্টাৰ পালি লোৱাৰ প্ৰয়োজনীয়তা বৈজ্ঞানিকভাৱে এতিয়াও প্ৰমাণিত হোৱা নাই। গতিকে চৰকাৰে ক'ভিড-১৯ৰ বুষ্টাৰ পালি দিবলৈ কোনো নিৰ্দেশ দিয়াৰ সম্ভাৱনা নাই।

ব্যক্তিগত খণ্ডৰ হাস্পতালসমূহে এতিয়া দ'ম হৈ পৰি থকা প্ৰতিষেধকবোৰ ম্যাদ উকলি যোৱাৰ আগেয়ে কৰ্প'ৰেট সামাজিক দায়িত্বৰ অধীনত বিনামূলীয়াকৈ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকক ল'বলৈ আগবঢ়াব লাগিব। তেওঁলোকে এই প্ৰতিষেধকবোৰ নষ্ট হ'বলৈ দিব যাতে নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগিব।

খোলা মঞ্চ

অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?

বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ মনৰ ৰুচিবোধৰ সলনি হ'বলৈ ধৰিছে। অতীতৰ যিবোৰ কথা আৰু কামে আমাৰ মনত আমনি দিছিল বা আমি অসন্তুষ্টি পাইছিলো আজি সেইবোৰ কথা আৰু কামে উঠি অহা প্ৰজন্মক আমনি নকৰা হৈছে। অতীতত অসমৰ উচ্চ বৰ্ণৰ লোকসকলে মুৰ্গী আৰু গাহৰিৰ মাংস নাখাইছিল। কোনোবাই যদি মনে মনে খোৱা গম পাইছিল তেতিয়া হ'লে সেই মানুহ ঘৰক ৰাইজে এঘৰীয়া কৰি এৰি থোৱা আমি দেখা পাইছিলো। মুৰ্গী, গাহৰিৰ কথা বাদেই খালৰ শাল, শিঙী, কুচিয়া, চেং, গৰৈ মাছো উচ্চ বৰ্ণৰ লোকসকলে খোৱা মানা আছিল; কিন্তু আজি মানুহৰ ৰুচিবোধৰ সলনি হোৱাৰ ফলত বিশেষকৈ এইবোৰ খাদ্যৰ মাজত যথেষ্ট প্ৰ'টিন থকা বুলি গম পোৱাৰ বাবে অসমত এই খাদ্যাভ্যাসে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে। ৰুচিবোধৰ আজি পৰিৱৰ্তন হৈছে।

বিজ্ঞানৰ বিভিন্ন আৱিষ্কাৰৰ ফলত পৃথিৱীখনক আমি হাতৰ মুঠিতেই পাইছো। যাৰ ফলত আমাৰ ভাষা-সংস্কৃতি, চিন্তা-চৰ্চা, পিন্ধন-উৰণ, খোৱা-লোৱা আদি সকলোবোৰ দিশৰেই গোলকীয় উত্তৰণ ঘটিছে।

বাবুল দাস, লেখক

অপ্ৰিয় হ'লেও ক'ব লাগিব যে অসমৰ বেছিভাগ মহিলাই মেখেলা-চাদৰতকৈ অন্যান্য সাজপাৰ পিন্ধি অফিচ-কাছাৰি, বজাৰ-সমাৰ আনকি দেশ-বিদেশ ভ্ৰমণ আদি কৰিবলৈ যাওঁতেও মেখেলা-চাদৰতকৈ অন্যান্য আধুনিক সাজপাৰ পিন্ধাতেই বেছি গুৰুত্ব দিয়া দেখা যায়। অৱশ্যে এই সাজপাৰবোৰ পিন্ধাৰ ক্ষেত্ৰত যথেষ্ট সুবিধাও আছে আৰু মেখেলা-চাদৰ আদিৰ দৰে এইবোৰ কিনাৰ ক্ষেত্ৰত বেছি মূল্যও ভৰিব নালাগে। মুঠৰ ওপৰত কম দাম, পিন্ধাৰ সুবিধা আৰু ৰুচিবোধৰ পৰিৱৰ্তনৰ বাবে অসমৰ বৰ্ণাঢ্য সাজপাৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে।

অসমৰ অৰ্থনীতি আজি বহিৰাগত দেশী-বিদেশী বণিয়া গোষ্ঠীয়ে নিয়ন্ত্ৰণ কৰি আমাৰ ৰুচিবোধ, সাজ-পোছাককে ধৰি চলন-ফুৰণ আদি সকলো দিশৰেই ঠিক কৰি দিয়ে। অসমৰ থলুৱা উদ্যোগৰ দুখলগা অৱস্থাৰ বাবে শিপিনীসকলে তৈয়াৰ কৰা পাট-মুগাৰ চাদৰ-মেখেলা, জনজাতীয় সাজপাৰ, গামোচা আদিৰ চাহিদা দিনে দিনে হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে। স্থানীয় শিপিনীসকলে বোৱা সাজ-পোছাকবোৰৰ মান উন্নত হ'লেও দাম বৃদ্ধিৰ বাবে প্ৰতিযোগিতালৈ অহাত যথেষ্ট কষ্ট কৰিবলগীয়া হয়। মুক্ত অৰ্থনীতিৰ ফলত থলুৱা উদ্যোগীসকল বিপদত পৰা দেখা গৈছে। তাৰ উপৰি দেশী-বিদেশী বণিয়াসকলৰ চমকলগা প্ৰচাৰ মাধ্যম আৰু অনলাইন কিনা-বেচাৰ সুবিধাৰ বাবেও অসমৰ বৰ্ণাঢ্য সাজ-পোছাকে বজাৰত চকুত লগাকৈ আগবাঢ়িব পৰা নাই। বৰ্ণাঢ্য সাজপাৰ, পিঠা-লাৰু, জন-জীৱনৰ পৰা লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে। তথাপিও অসমৰ বাৰেবৰণীয়া সাহিত্য, সংস্কৃতি, বৰ্ণাঢ্য সাজপোছাক, আমাৰ স্বাভিমান, পশ্চিমীয়া অপ-সংস্কৃতিৰ বুকুত হেৰাই যাব দিব নোৱাৰো। হিমা, লাভলীনাৰ দৰে নৱ-প্ৰজন্মই অসমৰ স্বাভিমান বিশ্বৰ দৰবাৰত প্ৰতিস্থিত কৰিবই লাগিব, নহ'লে অসমীয়াই অসমৰ বুকুতেই ভগনীয়া হ'ব। ভূপেন হাজৰিকাৰ এই কথাষাৰ আমি পাহৰিলে নহ'ব।

ফোন ঃ ৯৮৬৪০৪৮৬৬৯

কা আন্দোলনৰ নেতাসকল ক'লৈ গ'ল?

কৃষক আন্দোলনৰ সফলতাই আনিছে নতুন সমীকৰণ



নিউজ স্কেন

গীতাৰ্থ পাঠক

১৯ শতিকাৰ শেষৰ ফালে দুবাৰকৈ ব্ৰিটিছ প্ৰধানমন্ত্ৰী হোৱা ৰবাৰ্ট পিলে আন্দোলনৰ সম্পৰ্কে এষাৰ গুৰুত্বপূৰ্ণ কথা কৈছিল। তেওঁ কৈছিল যে আন্দোলন হ'ল আইন প্ৰণয়নৰ বাবে ৰাষ্ট্ৰৰ বিবেকক সুচাৰুৰূপে পৰিচালনা কৰা। সম্প্ৰতি সফলভাৱে সমাপ্তিৰ পিনে আগবঢ়া আমাৰ দেশৰ সবাতোকৈ দীৰ্ঘদিনীয়া কৃষক আন্দোলনৰ ক্ষেত্ৰ ৰবাৰ্ট পিলৰ এই বক্তব্য বাৰুকৈয়ে প্ৰযোজ্য। কিয়নো তিনিখনকৈ কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা বিতৰ্কিত কৃষি আইনৰ বিৰুদ্ধে সংগঠিত এই দেশখন জোঁকাৰি যোৱা আন্দোলনটোৱে সঁচাকৈয়ে আমাৰ দেশৰ তথা ৰাষ্ট্ৰৰ বিবেকক জোঁকাৰি গৈছিল, যাৰ পৰিণতিত কেন্দ্ৰৰ আঁকোৰগোজ বিজেপিৰ নেতৃত্বাধীন চৰকাৰে কৃষক আন্দোলনৰ ওচৰত সেও মানিবলগীয়া হ'ল।

অৱশ্যে কৃষকসকলৰ এই আন্দোলনটো সফল হোৱাৰ আঁৰত আৰু কেতবোৰ কাৰক আছে। এই কাৰকসমূহৰ ভিতৰত পাঁচখন ৰাজ্যত হ'বলগীয়া বিধানসভাৰ নিৰ্বাচন— যিকেইখনৰ ভিতৰত পঞ্জাৱ আৰু উত্তৰ প্ৰদেশো আছে। মোদী চৰকাৰে ভালদৰে জানিছিল যে এই কৃষক আন্দোলনটো চলি থাকিলে পাঞ্জাৱ, উত্তৰ প্ৰদেশকে ধৰি আটাইকেইখন ৰাজ্যত বিজেপিৰ জয়ৰ সম্ভাৱনা নাথাকিলহেঁতেন। অৱশ্যে কৃষকসকলৰ দাবী মানি লৈ বিতৰ্কিত কৃষি আইনকেইখন বাতিল কৰিবলৈ চৰকাৰে কৰা ঘোষণাই চৰকাৰৰ বাবে আন কেতবোৰ সমস্যাৰ সৃষ্টি কৰিব। এক কঠোৰ হাতেৰে আন্দোলন নিয়ন্ত্ৰণ কৰা শাসন যিয়ে চৰকাৰক সমালোচনা কৰা প্ৰতিগৰাকী নাগৰিককেই দেশদ্ৰোহী আখ্যা দিব খোজে, তেওঁলোকক কাৰাগাৰত নিক্ষেপ কৰিব বিচাৰে, তেনে এক চৰকাৰক নতশিৰ হ'বলৈ এক সাৰ্বিক আন্দোলনৰ মাজেৰে যে বাধ্য কৰাব পাৰি, সেই কথা এতিয়া প্ৰতিপন্ন হৈছে আৰু মানুহৰ মনত আত্মবিশ্বাস উভতি আহিছে। এতিয়া ভালেমান প্ৰশ্ন উত্থাপন হৈছে। মোদীৰ চৰকাৰে কৈছিল যে কৃষক আন্দোলনকাৰীসকল দেশদ্ৰোহী— খালিস্তানীসকলে তেওঁলোকক পুঁজি যোগান ধৰি আহিছে। উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰিত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় মিশ্ৰৰ পুত্ৰই কৃষকৰ শৰীৰৰ ওপৰেৰে ট্ৰেক্টৰ চলাই কে'বাগৰাকী কৃষকক হত্যা কৰিছিল। এতিয়া অজয় মিশ্ৰ মন্ত্ৰী হৈ থাকিবনে? সংযুক্ত কিষাণ মৰ্চাৰ মতে এই কৃষক আন্দোলনটোত ২০২১ৰ ১০ জুলাইলৈকে ৫৩৭ গৰাকী কৃষক নিহত হৈছে। বি কে ইউৰ নেতা ৰাকো তিকাইটৰ মতে ২০২১ৰ নৱেম্বৰলৈকে প্ৰায় ৭৫০ গৰাকী কৃষক নিহত হৈছে। আন্দোলনকাৰীসকলে এতিয়া কৈছে যে মোদী চৰকাৰৰ ভুল সিদ্ধান্তৰ বাবেই এইসকল কৃষকে অনাহকতে জীৱন আহুতি দিবলগীয়া হ'ল। এতিয়া চৰকাৰে এই নিহত কৃষকসকলৰ পৰিয়ালক কি ক্ষতিপূৰণ দিব? যিসকল নেতা আৰু যিবোৰ ৰজাঘৰীয়া সাংবাদিকে কৃষক আন্দোলনটোক দেশদ্ৰোহী অথবা সন্ত্ৰাসবাদী সমৰ্থিত আন্দোলন আখ্যা দিছিল— সেইবোৰ লোকে কৃষকসকলৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিবনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰেই? এনে এশ এবুৰি প্ৰশ্নৰ উদয় হৈছে এতিয়া।

আটাইতকৈ ডাঙৰ প্ৰশ্ন এইটোৱেই যে কেন্দ্ৰীয় চৰকাৰে চৰকাৰৰ কাম-কাজ তথা সিদ্ধান্ত সমালোচনা কৰা সকলোকে দেশদ্ৰোহী আখ্যা দি দেশদ্ৰোহী আইন অথবা অবৈধ কাৰ্যকলাপ নিয়ন্ত্ৰণৰ আইনৰ সহায়ত গ্ৰেপ্তাৰ কৰে। নাগৰিকত্ব আইনৰ বিৰুদ্ধে যি দেশজোৰা আন্দোলন চলিছিল, সেই আন্দোলনৰ নেতা তথা কৰ্মীসকলকো দেশদ্ৰোহিতা আইনৰ সাহায্যত গ্ৰেপ্তাৰ কৰা হৈছিল— তেওঁলোকৰ বিৰুদ্ধে নানা ধৰণৰ গোচৰ তৰা হৈছিল। অলপতে ত্ৰিপুৰাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা দুগৰাকী মহিলা সাংবাদিকক অবৈধ কাৰ্যকলাপ নিয়ন্ত্ৰণ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছিল। ন্যায়ালয়ে যেনিবা এই মহিলা সাংবাদিক দুগৰাকীৰ সপক্ষে ৰায় দি তেওঁলোকৰ মুক্তিৰ পথ প্ৰশস্ত কৰিছিল। অকল সেয়ে নহয়, ভাৰতৰ মুখ্য ন্যায়াধীশ ৰামান্নাই এতিয়া দেশখনৰ ন্যায় ব্যৱস্থাৰ সংস্কাৰ বিচাৰি অতীতত আদালতে জনসাধাৰণক ন্যায়ৰ পৰা বঞ্চিত কৰি চৰকাৰৰ সপক্ষে দিয়া ৰায়বোৰো পৰ্যালোচনা কৰিবলৈ নিৰ্দেশ দিছে। মত প্ৰকাশৰ স্বাধীনতাকে ধৰি সংবিধানত উল্লিখিত সকলো মৌলিক অধিকাৰক সকলোৱে ওপৰত স্থান দিয়াৰ বাবে সম্প্ৰতি তৎপৰ হৈ উঠিছে ভাৰতৰ উচ্চতম ন্যায়ালয়।

কৃষি আইনৰ বিৰুদ্ধে আমাৰ দেশখনত গঢ়ি উঠা আন্দোলনটো সাম্প্ৰতিক কালৰ এক দীৰ্ঘদিনীয়া আন্দোলন। আন্দোলনাকৰীসকলৰ দৃঢ়তা আৰু ত্যাগ সকলোৱে স্বীকাৰ কৰিবই লাগিব এই আন্দোলনটো আমাৰ দেশৰ আন্দোলনৰ ইতিহসাত এক উল্লেখযোগ্য তথা উদাহৰণীয় আন্দোলন হিচাপে চিহ্নিত হৈ ৰ'ব। এই আন্দোলনটোৰ সমান্তৰালভাৱে আমাৰ অসমত তথা পাছলৈ সমগ্ৰ দেশতেই নাগৰিকত্ব আইন বিৰোধী আন্দোলন আৰম্ভ হৈছিল। কৰ'না মহামাৰীৰ সুযোগ লৈ চৰকাৰে এই আন্দোলনটো কঠোৰভাৱে দমন কৰিছিল। পিছে আমাৰ ৰাজ্যখনত যিসকলে আন্দোলনত আগভাগ লৈছিল, সেইসকল নেতাৰ পলায়নবাদী মনোভাৱ প্ৰকট হৈ উঠিছে। নাগৰিকত্ব সংযোধনী আইন যদিহে অসমৰ বাবে ক্ষতিকাৰক তথা জাতিবিধ্বংসী বুলি দাবী কৰিছিল তেনেহ'লে এই আন্দোলনটো এতিয়া কিয় বন্ধ কৰি দিয়া হ'ল। এতিয়া আৰু অসমীয়া তথা অসমবাসীয়ে নাভাবে নেকি যে এই আইন জাতিবিধ্বংসী নহয়। এতিয়া বাৰু অসমবাসীয়ে নাভানে নেকি যে আঠশগৰাকী ছহিদৰ তেজেৰে শেষ হোৱা অসম আন্দোলন তথা অসম চুক্তিখনৰ মূল্য নোহোৱা হ'ল নেকি? বিদেশী নাগৰিকৰ বিৰুদ্ধে সুদীৰ্ঘ ছবছৰ ধৰি চলা আন্দোলনটো যদিহে সফল আন্দোলন আছিল তেনেহ'লে নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে বৃহৎ সংখ্যক বিদেশী নাগৰিকক অসমৰ বুকুত বৰপীৰা পাৰি দিয়া হ'ল কিয়? এতিয়া প্ৰশ্নৰ পাছত প্ৰশ্ন উত্থাপিত হ'ব ধৰিছে। যিসকলৰ উত্তৰ দিয়াৰ দায়িত্ব সেইসকল এতিয়া ক'ত? সেইসকলক এতিয়া অসমৰ জনসাধাৰণে বিচাৰি ফুৰিছে।

> **আমাৰ ৰাজ্যখনত যিসকলে আন্দোলনত আগভাগ লৈছিল, সেইসকল নেতাৰ পলায়নবাদী মনোভাৱ প্ৰকট হৈ উঠিছে। নাগৰিকত্ব সংযোধনী আইন যদিহে অসমৰ বাবে ক্ষতিকাৰক তথা জাতিবিধ্বংসী বুলি দাবী কৰিছিল তেনেহ'লে এই আন্দোলনটো এতিয়া কিয় বন্ধ কৰি দিয়া হ'ল**

হঠাৎ মোদী চৰকাৰ ইমান নৰম কিয় হ'ল? আমি জানো যে অহা বিধানসভা নিৰ্বাচনক লৈ মোদী চৰকাৰ উদ্বিগ্ন। উদ্বিগ্ন হোৱাৰ যথেষ্ট কাৰণ আছে। বিশেষকৈ উত্তৰ প্ৰদেশত হোৱা কৃষি আন্দোলনৰ প্ৰভাৱ, যোগী আদিত্যনাথৰ একনায়কত্ববাদী শাসন— যি প্ৰশাসনে চৰকাৰৰ সামান্যতম সমালোচনাও সহ্য কৰিব নোৱাৰে, সেই প্ৰশাসনৰ বিৰুদ্ধে এতিয়া উত্তৰ প্ৰদেশৰ ৰাইজ গৰজি উঠিছে। বিৰোধী দল সমাজবাদী পাৰ্টিৰ বিজয় যাত্ৰা সমাৰেশত জনসাধাৰণ বিপুল সমাৰেশ আমি দেখিছো। কংগ্ৰেছেও সম্প্ৰতি আদিত্যনাথ চৰকাৰৰ অপশাসনৰ বিৰুদ্ধে আৰম্ভ কৰিছে এক অভিযান। যোৱা ২০১৪ৰ সংসদীয় নিৰ্বাচন আৰু ২০১৭ৰ উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ সময়ত বিজেপিয়ে ভোটদাতাসকলক উন্নয়নৰ প্ৰতিশ্ৰুতি দিছিল আৰু লগতে হিন্দুত্ববাদী ভাষণেৰে হিন্দু সংখ্যাগৰিষ্ঠ ৰাজ্যখনৰ ভোটদাতাসকলক বিভক্ত কৰি নিৰ্বাচনী সাফল্য লাভ কৰিবলৈ সক্ষম হৈছিল। এতিয়া পৰিস্থিতি সলনি হৈছে ৰাজ্যখনত। ভুৱা সংঘৰ্ষত নৰহত্যা, হাথ্ৰাছৰ গণ ধৰ্ষণ, লখিমপুৰ খেৰিৰ কৃষকসকলৰ ওপৰত ট্ৰেক্টৰ চলোৱা কাৰ্য আদিৰ লগতে তীব্ৰ নিবনুৱা সমস্যা, মূল্যবৃদ্ধি আদিয়ে আদিত্যনাথ চৰকাৰৰ বিৰুদ্ধে জনসাধাৰণক সষ্টম কৰি তুলিছে। যোৱা সোমবাৰে লক্ষ্ণৌৰ ইকো গাৰ্ডেনত হোৱা কৃষকসকলৰ অধিকাৰ মহা পঞ্চায়তে জনসাধাৰণৰ বিপুল সঁহাৰি লাভ কৰিছে। এই মহাপঞ্চায়তৰ দাবী ন্যূনতম সমৰ্থক মূল্যৰ বাবে আইনী নিশ্চয়তা, যিসকল কৃষক আন্দোলনৰ সময়ত নিহত হ'ল, তেওঁলোকক যথাযথ ক্ষতিপূৰণ আদায় দিয়া, লখিমপুৰ খেৰিৰ নিহত কৃষকসকলৰ পৰিয়ালক ন্যায় দিয়া ইত্যাদি। এই বিপুল সমাৰেশে ইয়াকেই সূচাইছে যে মোদী চৰকাৰৰ দিন চমু চাপি আহিছে। মানুহ এতিয়া মোহমুক্ত হ'ব ধৰিছে।

উত্তৰ-পূৰ্বাঞ্চলত টকা-পইচাৰ তথা অন্য দলৰ নেতা ক্ৰয়ৰ জৰিয়তে হাচিল কৰা বিজয় এতিয়া ভাটি দিবলৈ বাধ্য। সৰ্বকাল সৰ্বজনক কোনেও জাতি-ধৰ্ম-ভাষাৰ ৰাগীৰে ভোলাই ৰাখিব নোৱাৰে। হিন্দুত্ব যথেষ্ট হ'ল— এতিয়া জনসাধাৰণক ভাল দিন অনাৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰে ভাল দিন আনি দিয়ক। এশ টকাৰ ওপৰ মূল্যৰ পেট্ৰ'ল-ডিজেল, দুশ টকাৰ মূল্যৰ খোৱাতেল আৰু বছৰি দুই কোটি লোকক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি ভংগ কৰাটোৱেই ভাল দিন নেকি? এতিয়া জনসাধাৰণে ভাল দিন আনিব। জনসাধাৰণৰ মোহভংগ হোৱা আমি দেখিবলৈ পাইছো।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

অসমৰ ভয়াৱহ সীমা সমস্যাৰ সম্ভৱ কেনেকৈ?

চাহ-মিঠাই খাই সীমা সমস্যা আলোচনা কৰিলে সমাধান নহ'ব

গগন চেতিয়া

অসম ৰাজ্যৰ সীমা সমস্যা অতি পুৰণি বেমাৰ। কেতিয়াবা বেমাৰটো উক দিয়ে যদিও নিৰাময়ৰ ঔষধ কোনোদিনে কোনো এখন চৰকাৰেই উদ্ভাৱন কৰিব পৰা নাই। ১৮২৬ খ্ৰীঃত বাৰ্মাৰ ৰজা আৰু দখলদায়ী ইংৰাজৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধিমতে আহোম ৰাজ্য ইংৰাজৰ অধীনলৈ যায়। ইংৰাজসকলে বদনে অনা মান খেদিবলৈ আহি আহোম ৰাজ্যত গোজেই গজালি হৈ বহিল। ইংৰাজ চৰকাৰে আহোম ৰাজ্যৰ ওচৰ চুবুৰীয়া পাহাৰীয়া অঞ্চলবোৰ— নগাপাহাৰ, লুচাই পাহাৰ, খাছিয়া, জয়ন্তীয়া আৰু গাৰো পাহাৰ জিলা নামকৰণেৰে জিলা গঠন কৰি শাসন কৰিবলৈ ধৰিলে। পাহাৰীয়া বাসিন্দাসকল অতি সহজ-সৰল আছিল। সেইবোৰ স্বাধীনতাৰ আগৰ কথা। তেতিয়া জিলাবোৰৰ সীমাবোৰ ইংৰাজেই নিৰ্ধাৰণ কৰিছিল বসতি অনুপাতে। যিবোৰ ঠাইত বসতি কৰি দখল কৰি আছিল সেই মতেই জিলাৰ সীমা আছিল। জিলাবিলাকৰ সীমাবোৰৰ স্থায়ী প্ৰতীক নাছিল। বিশেষকৈ অবিচ্ছেদ্য শিৱসাগৰ জিলাৰ দক্ষিণে নগা পাহাৰ জিলাৰ। জিলাবোৰ ৰাজ্য গঠন হোৱাৰ আগলৈকে সীমাক কেন্দ্ৰ কৰি কোনো সংঘাত হোৱা নাছিল। ৰাজ্য গঠন হোৱাৰ পাছৰ পৰাহে অসমৰ চুবুৰীয়া ৰাজ্যৰ লগত সীমাৰ বিবাদ আৰম্ভ হ'বলৈ ধৰিলে। ইয়াৰ প্ৰধান কাৰণ ৰাজ্যবোৰৰ মাজত সীমা নিৰ্ধাৰণৰ চিহ্ন নাই। প্ৰকৃততে পাহাৰীয়া ৰাজ্য আৰু জিলাৰ সীমা পৃথক পৃথক যেন লাগে। জিলাৰ সীমা নিৰ্ধাৰণ কৰিছিল ব্ৰিটিছে আৰু ৰাজ্যৰ সীমা ঠিক কৰিছিল ভাৰত চৰকাৰে। সীমা সম্পৰ্কে সংশ্লিষ্ট বিভাগৰ মানচিত্ৰ নিশ্চয় আছে। যদিহে আছে ৰাজ্যবিলাকে কিয় মানচিত্ৰ মতে সীমা নামানে আৰু অসমৰ ভূমি দখল কৰিছে সিও এক প্ৰশ্ন। গত ২৬ জুলাইত সংঘটিত হোৱা মিজোৰামৰ লাইলাপুৰৰ ঘটনাৰ পৰা জনামতে মিজোৰামৰ সীমা দুইপ্ৰকাৰে দেখুওৱা হৈছে। অৰ্থাৎ ইংৰাজৰ দিনৰ জিলাৰ সীমা আৰু স্বাধীনতাৰ পাছত ৰাজ্যৰ সীমা। প্ৰত্যেকখন ৰাজ্যৰ ভৌগোলিক সীমা বেলেগ বেলেগ।

অসমৰ সীমাক লৈ প্ৰথম সংঘাত আৰম্ভ হৈছিল নাগালেণ্ডৰ লগত। উল্লেখ্য যে অবিচ্ছেদ্য শিৱসাগৰ জিলাৰ দক্ষিণে অৱস্থিত নাগালেণ্ডৰ সীমাই গোটেই শিৱসাগৰ জিলাৰ সীমা বিয়পি আছে। এসময়ত দুয়োখন ৰাজ্যৰ সীমাত নগা আৰু অসমীয়াৰ বেহা-বেপাৰো চলিছিল আৰু অতি সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কও আছিল। জনসংখ্যা বৃদ্ধি আৰু শিক্ষিতৰ বৰ্দ্ধিত সংখ্যাই কিছুমান সমস্যাৰ সৃষ্টি কৰে। বৰ্তমান জনসংখ্যা অনুপাতে ঠাইৰ অভাৱ ঘটিছে। একেদৰে শিক্ষিতৰ কাৰণে চাকৰি-বাকৰি ওলোৱা নাই। বিভিন্ন কাৰণত বিদ্ৰোহী সংগঠনৰ সৃষ্টি হৈছে। শিৱসাগৰ জিলাৰ দখলত থকা ভূমিত চকু পৰিছে নগাসকলৰ। কিছুমান ঠাইত দখলৰ কাৰণে সংঘৰ্ষ হৈছে। নগাসকলে মাৰণাস্ত্ৰৰে আক্ৰমণ চলোৱাৰ বাতৰি প্ৰকাশ পাই থাকে। দুয়োখন ৰাজ্যৰ বিষয়াসকলৰ আলোচনাৰ মৰ্মে দুদিনমান সংঘৰ্ষ শাম কাটে; কিন্তু স্থায়ী সমাধান নঘটে। বৰ্তমান অসম-নাগালেণ্ডৰ সীমা সমস্যাৰ বিষয়টো মহামান্য উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। মহামান্য ন্যায়ালয়ে কি ৰায়দান কৰে, সেইটো সময়তহে জানিব পৰা যাব। ইতিমধ্যে গত ৩১ জুলাইত দিচৈভেলীৰ সংঘাতৰ সম্পৰ্কে দুয়োখন ৰাজ্যৰ মাজত এখন চুক্তি স্বাক্ষৰিত হৈছে। চুক্তিমতে কিমানদিন শান্তি বৰ্তি থাকে সেইটো সময়েহে ক'ব। ইতিমধ্যে সীমা বিবাদত অথবা অসমৰ ভূমি দখলৰ নামত কিমান অসমীয়াই মৃত্যুবৰণ কৰিলে, সেইটো দোহাৰিব বিচৰা নাই। ২০১৪ৰ ধনশিৰি ঘটনাৰ কাহিনী হয়তো ভুক্তভোগীৰ পৰিয়ালে পাহৰিব পৰা নাই।

নাগালেণ্ডৰ পাছতে নাম ল'ব লাগিব মেঘালয়ৰ। মেঘালয়ৰ একাংশ লোকে খানাপাৰা পৰ্যন্ত তেওঁলোকৰ ভূমি বুলি দাবী কৰে। খান্না-পাৰা শব্দটো হেনো খাছী শব্দ। একেদৰে কামাখ্যা শব্দটো হৈছে কা-মেই-খা। ১৯৫৯ৰ পৰা ১৯৭৫লৈকে চাকৰি সূত্ৰে খাছিয়াসকলৰ লগত থকাৰ কাৰণে এনেবোৰ কথা খাছিয়া সহকৰ্মীৰ পৰা শুনিছিলো। তৎসত্ত্বেও অসমৰ লগত সীমাক লৈ কোনো সংঘাত হোৱা নাছিল; কিন্তু মেঘালয় ৰাজ্য হোৱাৰ পাছতে অসমৰ ভূমিত মেঘালয়বাসীৰ দপ্দপনি আৰম্ভ হৈছে। দক্ষিণ কামৰূপৰ লাম্পীত অসমৰ ভূমিত মেঘালয় চৰকাৰে চৰকাৰী কাৰ্যালয় নিৰ্মাণ কৰাৰ লগতে স্বাস্থ্যকেন্দ্ৰ, বিজুলীবাতি পৰ্যন্ত যোগান ধৰি লাম্পীত অসমীয়াসকলক প্ৰলোভিত কৰি মেঘালয় চৰকাৰক সমৰ্থন কৰিবলৈ বাধ্য কৰিছে। লাম্পীত মেঘালয়ৰ নিৰ্বাচনৰ ভোট কেন্দ্ৰও স্থাপন কৰাৰ বাতৰি পোৱা যায়। কেইদিনমানৰ আগতে বশিষ্ঠৰ ফালে মেঘালয়ৰ লোকে অসমৰ ভূমিত বিদ্যুতৰ খুঁটা পুঁতিবলৈ আহোতে অসমৰ লোকে আপত্তি কৰাত খুঁটাসহ উভতি যোৱাৰ টিভি বাতৰিত দেখা পাইছিলো।

অৰুণাচলৰ ক্ষেত্ৰতো একেই অৱস্থা। ইটানগৰ আচলতে অসমৰ অঞ্চল বুলি বহুতেই কয়। শেহতীয়াকৈ মিজোৰামৰ ঘটনাই দেশ কঁপাই গৈছে। লাইলাপুৰত ছজনকৈ আৰক্ষীয়ে প্ৰাণ আহুতি দিলে। কেন্দ্ৰৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ স'তে ২৪ জুলাইত শ্বিলঙত উত্তৰ-পূবৰ আঠখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ লগত আলোচনা কৰাৰ ২৪ ঘন্টাৰ পাছতেই নাৰকীয় কাণ্ড ঘটে লাইলাপুৰত। অমিত শ্বাহৰ লগত কি আলোচনা হৈছিল, সেই তথ্য প্ৰকাশ হোৱা নাছিল যদিও অনুমান কৰা মতে উত্তৰ-পূৰ্বাঞ্চলৰ বিজেপিৰ সাংগঠনিক ভেটি মজবুত কৰাতহে গুৰুত্ব আৰোপ কৰা যেন লাগিল। নহ'লে আলোচনাৰ ২৪ ঘন্টাৰ পাছতে লাইলাপুৰত কিয় মিজোৰ দ্বাৰা অত্যাধুনিক মাৰণাস্ত্ৰৰে অসম আৰক্ষীৰ ওপৰত নৃশংস আক্ৰমণ চলোৱা ড'ল বুলি অনেকেই প্ৰশ্ন কৰে। উল্লেখ্য যে ৰাজ্যৰ সীমা সমস্যা চাহ-মিঠাই খাই আলোচনা কৰিলে সমাধান নহয়। সীমা বিষয়টো Theoretical অৰ্থাৎ ভাবমূলক নহয়— Practical অৰ্থাৎ কাৰ্যমূলক হোৱা উচিত। সীমা নিৰ্ধাৰণ কৰিবলৈ পূৰ্বৰ সীমাৰ মানচিত্ৰৰ লগতে ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন।

বৰ্তমান সীমা সমস্যাটো এক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা যেন লাগে। ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সদিচ্ছা থাকিলে সীমা সমস্যা সমাধান কৰিবলৈ বেছি বছৰৰ প্ৰয়োজন নিশ্চয় নহয়। নেডা আৰু নেছ'ৰ উদ্দেশ্যও বেলেগ বেলেগ। নেডাৰ উদ্দেশ্য গেৰুৱা বাহিনী শক্তিশালী কৰা। একেদৰে নেছ'ৰ সাতভনীৰ ক্ষেত্ৰতো একেই কথা। প্ৰতিখন ৰাজ্যৰ সমস্যা একে নহয় কাৰণে সমস্যাৰ ওৰ নপৰে। নিজৰ সমস্যা নিজেই সমাধানৰ চেষ্টা কৰাহে অত্যন্ত জৰুৰী। অসমৰ হেজাৰ হেজাৰ হেক্টৰ ভূমি অৰুণাচল, নাগালেণ্ড, মেঘালয় আৰু মিজোৰামৰ দখলত পৰিছে আৰু সেই ভূমি উদ্ধাৰ কৰাৰ সাধ্য অসম চৰকাৰৰ হ'বনে? ইয়াৰ উত্তৰ কাৰো হাতত নাই।

অসমৰ ভূমি দখল কৰাৰ বাতৰি প্ৰকাশ হোৱাৰ লগে লগে অসম চৰকাৰে হাত সাৱটি বহি থকাৰ ফল এতিয়া ভুগিব লগা হৈছে। এতিয়া চোৰ গ'লে বুদ্ধি আৰু বৰযুণ গ'লে



অভিমত

সকলো বিৰোধী বিধায়ক বিজেপিত চামিল হওক

যোৱা ১৫ নৱেম্বৰৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'সকলো বিৰোধী বিধায়ক বিজেপিত চামিল হওক' শীৰ্ষক নিৰন্ধটোৰ লেখক সম্পাদক প্ৰাঞ্জলসেন ডেকাই গণতন্ত্ৰত বিৰোধীৰ ভূমিকা আৰু বিৰোধীবিহীন গণতন্ত্ৰৰ ভৱিষ্যতৰ এখন ছবি হৃদয়ংগম কৰি উপস্থাপন কৰিছে। আজিৰ নেতাসকলৰ সমাজৰ প্ৰতি যে দায়বদ্ধতা নাই, জনসাধাৰণৰ সেৱাৰ পৰিৱৰ্তে নীতি, আদৰ্শ বিসৰ্জন দি ব্যক্তি স্বাৰ্থৰ বাবে উন্নয়নৰ ফটা ঢোল বজাই ভৱিষ্যতে নিজক সুৰক্ষা প্ৰদান কৰাৰ স্বাৰ্থত দল-বাগৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে, সেই কথা তেওঁৰ লিখনীত সুন্দৰভাৱে ফুটি উঠিছে। বৰ্তমানৰ নেতাসকলৰ কাৰ্যকলাপে গণতন্ত্ৰৰ প্ৰতি যে ভৱিষ্যতে অশনি সংকেত কঢ়িয়াই আনিব, সেই বিষয়ে লেখক প্ৰাঞ্জলসেন ডেকাই সুন্দৰভাৱে ফুটাই তুলিছে। তেওঁৰ দূৰদৃষ্টি সম্পন্ন মনোভাৱক শ্ৰদ্ধা জনাইছো। এনেকুৱা স্পৰ্শকাতৰ বিষয় এটা মাৰ্জিত ভাষাৰে জনসাধাৰণে উপলব্ধি কৰিব পৰাকৈ উপস্থাপন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো।



গণতন্ত্ৰত ৰাইজে ৰজা। জনসাধাৰণে তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নেতা নিৰ্বাচন কৰে। গৰিষ্ঠ সংখ্যক নেতা বা বিধায়ক থকা দলে চৰকাৰ গঠন কৰে। নিৰ্বাচিত আন দলৰ বিধায়কসকলে বিৰোধীৰ ভূমিকা পালন কৰে। চৰকাৰ পৰিচালনা কৰা নেতাসকলে জনসাধাৰণৰ কল্যাণৰ বাবে নীতি-নিয়ম প্ৰস্তুত কৰি সদনৰ মজিয়াত উপস্থাপন কৰে। বিৰোধীয়ে যদি নীতি-নিয়মত ভুল দেখে, তাক আঙুলিয়াই শুদ্ধ ৰূপত তৈয়াৰ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। যদি ভয়-ভীতি, প্ৰলোভন, ব্যক্তি স্বাৰ্থত ভুলটো ভুল বুলি ক'বলৈ সাহস নকৰে, তেনেহ'লে বিৰোধীৰ প্ৰয়োজনেই বা কি? এই কথা লেখক প্ৰাঞ্জলসেন ডেকাই 'সকলো বিৰোধী বিধায়ক বিজেপিত চামিল হওক' শীৰ্ষক লিখনীৰ জৰিয়তে নিজৰ ক্ষোভ উজাৰিছে। 'উলংগ দেশত ধোবাৰ কি কাম?'

জ্যোতিষ চন্দ্ৰ দত্ত

হাতীগাঁও, গুৱাহাটী, ফোন ঃ ৯৮৫৪০৪১৮১৫

সাহিত্যিক পেঞ্চন সন্দৰ্ভত

ৰাজ্য চৰকাৰে প্ৰদান কৰা সাহিত্যিক পেঞ্চনে লেখক-লেখিকাসকলক সাহিত্য সৃষ্টিত নিশ্চয় উৎসাহ উদ্দীপনা যোগাব। বিশেষকৈ আৰ্থিকভাৱে দুৰ্বল লেখক-লেখিকাসকলক। যিসকল সাহিত্যিকে পূৰ্বৰে পৰাই বিভিন্ন দৈনিক, সাপ্তাহিক, মাহেকীয়া আদি কাকত-আলোচনীত নিয়মীয়াকৈ লিখা মেলা কৰি আছে, অসম সাহিত্য সভাৰ সদস্য হৈছে, জিলা বা শাখা সাহিত্য সভাৰ লগত যুক্ত হৈ আছে, একাধিক স্ব-ৰচিত পুথি প্ৰকাশ কৰিছে তেনেবোৰ লেখক-লেখিকাক সাহিত্যিক পেঞ্চন দিলে সাহিত্যিক পেঞ্চনৰ মূল্য থাকিব।

নাৰায়ণ চন্দ্ৰ ওজা

গোৱালপাৰা

লাচিত কোনো জাতি বা জনগোষ্ঠীৰ মাজত আবদ্ধ হোৱা নাছিল

লাচিত বৰফুকনৰ সাহস আৰু কৰ্তব্যনিষ্ঠা আমাৰ পাথেয় হওক

সত্যনাৰায়ন কৰ



যি সকল সেনানীয়ে কৰ্তব্যনিষ্ঠা, কৰ্ম সহিষ্ণুতা আৰু দুৰন্ত, সাহস, কৰ্মদক্ষতাৰে স্বদেশপ্ৰেমত উদ্বুদ্ধ হৈ দেশ ৰক্ষাৰ বাবে অশেষ ত্যাগ স্বীকাৰ কৰি সাহাসিকতাৰ বিৰল চানেকি দাঙি ধৰিলে তাৰে ভিতৰত বীৰ পুৰুষ লাচিত বৰফুকনৰ নাম অসম ইতিহাসত সোণালী আখৰেৰে চিৰদিনৰ বাবেই লিপিবদ্ধ হৈ ৰ'ল। আজি ২৪ নৱেম্বৰৰ দিনটোতেই অসমৰ অদ্বিতীয় বীৰ সন্তান লাচিত বৰফুকনৰ জন্ম দিন। লাচিত বৰফুকনৰ বিষয়ে পঢ়িলে আমি গম পাওঁ পিতৃ মোমাই তামুলী বৰবৰুৱাৰ দৰে তেওঁ আছিল অতি নিষ্ঠাবান, দায়িত্বশীল আৰু কৰ্মঠ ব্যক্তি। তেওঁক যি দায়িত্বই দিয়া হয় সেয়া তেওঁ পালন কৰিছিল হীন-দেড়ি নোহোৱাকৈ। এই খিনিতে উল্লেখৰ প্ৰয়োজন— লাচিতে পোনে পোনে বৰফুকন পদবী লাভ কৰা নাছিল। আহোম যুগৰ শ্ৰেষ্ঠ প্ৰশাসক মোমাই তামুলী বৰুৱাৰ সুযোগ্য সন্তান লাচিতে ক্ৰমে ক্ৰমেহে হাচতি ধৰা বৰুৱা, ঘোঁৰা বৰুৱা, দুলিয়া বৰুৱা, দোলাকাষৰীয়া বৰুৱা আৰু শেষত শিমলুগুৰিয়া ফুকন পদবী চম্ভালি বৰ সেনাপতিৰ পদবী পাইছিল। সকলো পদবীতে লাচিতে নিৰ্ভীক আৰু যোগ্যতাৰ প্ৰমাণ দিব পাৰিছিল। এনে গুণৰ বাবে স্বৰ্গদেউ চক্ৰধ্বজ সিংহ তেওঁৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈছিল বুলি জনা যায়। যাৰ ফলস্বৰূপে স্বৰ্গদেউ চক্ৰধ্বজ সিংহই দিল্লীৰ বাদশ্বাহে অসম জিনিবলৈ প্ৰেৰণ কৰা মোগল বাহিনীক এসেকা দিবলৈ তেওঁক বৰসেনাপতিৰ দায়িত্ব দি সন্তুষ্টি লভিছিল। লাচিতে তেওঁৰ ওপৰত ন্যস্ত কৰা দায়িত্ব শিৰোধাৰ্য কৰি শত্ৰু পক্ষক ভেটা দি পৰাজয়ৰ গ্লানি স্বীকাৰ কৰাবলৈ বাধ্য কৰাইছিল। লাচিত বৰফুকনৰ নাম লৈ ধন্য হোৱা তেওঁৰ এই গুণ আজিৰ অসমী আইৰ কেইজন সন্তানে ল'ব পাৰিছে । সেয়ে উদিত সূৰ্য ডঃ ভূপেন হাজৰিকাৰ কণ্ঠস্বৰেদি এদিন নিগৰিছিল—'আজিৰ অসমীয়াই নিজকে নিচিনিলে, অসম ৰসাতলে যাব' শৰাইঘাটৰ মহাৰণ জিনাটো লাচিতৰ জীৱনৰ সবাতোকৈ ডাঙৰ কৃতিত্ব । ঐতিহাসিক বিজয়। লাচিতৰ নেতৃত্বত অসমীয়া সেনা বীৰ-বিক্ৰমেৰে যুঁজি মোগল সৈন্যক ঘটুৱালে আৰু পৰাজিত মোগল বহিনীক মানাহ পাৰ কৰি থৈ আহিল। বীৰ লাচিতৰ বীৰত্ব দেখি পৰাভূত হৈ অসম এৰি উভতি যাওঁতে মোগল সেনাপতি ৰামসিংহই কৈ গল— 'ধন্য ৰাজ, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা , অকল এজন মানুহে সকলো সৈন্য চলায়, ই কি আচৰিত, এইখিনিতে বুৰঞ্জীবিদ ড° সূৰ্য কুমাৰ ভূঞাৰ এষাৰি তাৎপৰ্যপূৰ্ণ কথা উল্লেখ কৰিব বিচাৰিছো—'অকল যুজঁ সমগ্ৰীৰে যুদ্ধ জয় কৰিব নোৱাৰি। ইয়াৰ বাবে আহিলা-পাতিৰ যিমান প্ৰয়োজন তাতোকৈ বেছি প্ৰয়োজন সৈনিক গোট আৰু সমগ্ৰ জাতিৰ স্বাৰ্থহীন মনোবৃত্তি, কৰ্মপটুতা, আৰু যুদ্ধ জয়ৰ বাবে উদ্বাউল এটা মন আৰু নিশ্চিত অভিলাষ। 'ভুকুতে কলটো নপকে', এই কথা লাচিতে গভীৰভাৱে বিশ্বাস কৰিছিল। সোনকালে যুদ্ধৰ সমাপ্তি বিচৰা স্বৰ্গদেও চক্ৰধ্বজ সিংহ কিন্তু এটা সময়ত অধৈৰ্য হৈ পৰিছিল । লাচিতে বুজিছিল সমুখ সমৰত মোগলক পৰাস্ত কৰা অসম্ভৱ। স্বৰ্গদেউৱে আদেশ দিছে যেতিয়া তেওঁ মাথোন কৈছিল 'আলবৈত মোগল সৈন্য জুম বান্ধি আছে। কুডু-বৰলক জোঁকালে গা সাৰিবলৈ টান'। তথাপি স্বৰ্গদেউৱে আজ্ঞা দিছে যেতিয়া, কি বুলিম । ড° সূৰ্য কুমাৰ ভূঞা, লাচিত বৰফুকন, পৃষ্ঠা ঃ ৬২) আলবৈৰ এই যুদ্ধত বহুত অসমীয়া সৈন্যৰ মৃত্যু হ'ল। আলবৈৰ যুদ্ধৰ এনে শোচনীয় বিপৰ্যয়ৰ বাবে সেনাপতি হিচাপে তেওঁ বহু দুখ পাইছিল। লাচিত বৰফুকনৰ বিশ্বাস আছিল যে যুদ্ধত জিকিবৰ বাবে শত্ৰু পক্ষই নেদেখাকৈ আঁৰত গৈ বশ কৰা উচিত। সেয়ে লাচিতে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে পৰ্বত সংযোগ কৰি গড় নিৰ্মাণেৰে মোগল সৈন্যলৈ বাট চাইছিল। কথিত আছে যেন এটা গড় একে ৰাতিৰ ভিতৰত নিৰ্মাণ কৰি উলিয়াবৰ বাবে লাচিতে মোমায়েকক ভাৰ দিছিল; কিন্তু শেষ ৰাতিলৈ এই কাম সম্পূৰ্ণ নোহোৱাত মোমায়েকৰ অকৰ্মণ্যতা আৰু এলেহুৱা স্বভাৱৰ বাবে নিজৰ মোমায়েকক কাটি দুচেও কৰি দেশবাসীৰ সন্মুখত স্বদেশপ্ৰেমৰ নিদৰ্শন দেখুৱাই থৈ গ'ল। লাচিতে তেওঁৰ সকলো ক্ষমতা দেশৰ হিতৰ বাবেহে প্ৰয়োগ কৰিছিল। লাচিতৰ জ্ঞান, বুদ্ধি, কৰ্মদক্ষতা আৰু অপৰিসীম দেশপ্ৰেমৰ বাবে আহোম ৰাজ্যৰ বেলি ছশ বছৰ পৰ্যন্ত মাৰ নোযোৱাকৈ থাকিল। আন এক দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে ক'ব লাগিব মোগল বাহিনীৰ বিৰুদ্ধে চলোৱা সেই বিশাল অভিযানত সাফল্যৰ অন্তৰালত আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ অনুপ্ৰেৰণা, উপদেশ, পৰামৰ্শৰ লগতে বিশ্বস্ত ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ যুদ্ধ জয়ৰ বাবে চলোৱা ঐকান্তিক প্ৰচেষ্টা আৰু বৰসেনাপতিলৈ সময়োপযোগী সু-পৰামৰ্শই লাচিতৰ মনোবল বৃদ্ধি কৰাত প্ৰবল উৎসাহ যোগাইছিল।

বীৰ লাচিতৰ নিভাঁজ দেশপ্ৰেম, নিয়মানুৱৰ্তিতা আৰু অনমনীয় মানসিকতাৰ বাবে তেওঁৰ আদেশ অমান্য কৰিবলৈ সকলোৱে ভয় কৰিছিল। এটা কথা মন কৰিবই লাগিব যে লাচিত নিজেই কোনো জাতি বা জনগোষ্ঠীৰ মাজত আবদ্ধ হোৱা নাছিল। বড়ো, তিৱা, মিচিং, কাৰ্বি, চুতীয়া, কোচ, কলিতা সকলো জাতি-জনগোষ্ঠীয় সৈন্য আৰু সেনাপতিসকল একেলগে গোট খাইছিল মোগলক ভেটিবৰ বাবে। এনে যুদ্ধকালীন সময়তে লাচিতৰ অসুখ দিনক দিনে বাঢ়িবলৈ ধৰিলে । সিদিনাৰ পানী যুদ্ধত লাচিতে নবীয়া গাৰে ৰণত নামি শত্ৰুক ধৰাশায়ী কৰাটো সাধাৰণ কথা আছিল নে ? যুদ্ধত মোগল বাহিনী পৰাভূত নোহোৱা হ'লে আৰু দুৰন্ত সাহসেৰে লাচিতে ৰণত নামি আত্মসন্মানবোধৰ পৰিচয় নিদিয়াহেঁতেন অসমৰ ভৌগোলিক পৰিচয়েই সলনি হলহেঁতেন চিৰদিনৰ বাবে। যি কি নহওঁক লাচিতে অসমৰ সৌৰ্য বীৰ্যৰ মান ৰাখিলে। অস্তিত্ব ৰক্ষা কৰিলে অসমৰ। অসম ইতিহাসৰ ১৬৪৮ খ্ৰীষ্টাব্দৰ পৰা ১৬৬১ খ্ৰীষ্টাব্দলৈকে চলি থকা দুৰ্যোগপূৰ্ণ সময়ত বীৰ লাচিতে অসমৰ জনগণৰ নেতৃত্ব নোলোৱা হ'লে হয়তো অসমৰ স্বাধীনতাৰ সূৰুয কেতিয়াবাই অষ্টমিত হ'লহেঁতেন। লাচিত মানেই বুজিব লাগিব অদম্য সাহস, শক্তি আৰু কৰ্মসংস্কৃতিৰ প্ৰতীক। কেৱল ২৪ নৱেম্বৰ দিনটো আহিলেই সভা-সমিতি পাতি অথবা এদিনীয়াকৈ বাইক

> অসম ইতিহাসৰ ১৬৪৮ খ্ৰীষ্টাব্দৰ পৰা ১৬৬১ খ্ৰীষ্টাব্দলৈকে চলি থকা দুৰ্যোগপূৰ্ণ সময়ত বীৰ লাচিতে অসমৰ জনগণৰ নেতৃত্ব নোলোৱা হ'লে হয়তো অসমৰ স্বাধীনতাৰ সূৰুয কেতিয়াবাই অষ্টমিত হ'লহেঁতেন

ৰেলিৰে জন-জাগৰণৰ সৃষ্টি কৰিলেই সেই মহান ত্যাগী বীৰ সেনাক স্মৰণ কৰা নুবুজায়।

নব প্ৰজন্মই তেওঁৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ কৰ্মসংস্কৃতিৰ চানেকিৰে অসমীয়া জাতিটোক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ উদ্যোগ গ্ৰহণ কৰিব পাৰিলে তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জনোৱা হ'ব। লাচিত। দিৱস উদযাপনৰ সাৰ্থকতা আহি পৰিব।

ফোন ৮৪৮৬০১৬০৪৫

আঘোণ আহিলেও তালৈ এতিয়া ফাগুন নাহে

পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ

অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

কেতিয়াবা মাত্ৰ একোটা শব্দইও আমাক দূৰ অতীতলৈ লৈ যাব পাৰে, শব্দক সেই বাবেই শব্দব্ৰহ্ম বোলা হয়, নতুনৰ ৰহন সানি বুঢ়াকো চেঙেলীয়া অথবা ভৰ-যৌৱনৰ দিনবোৰলৈ লৈ যাব পাৰে। তেনে সোঁৱৰণৰ সময় যদি একান্তই নিৰিবিলি হয়, নিজান হয়, তেতিয়া নৈসৰ্গিক শোভাই সমগ্ৰ মানৱীয় সত্ত্বাটোক গুৰু-গম্ভীৰ অতীতৰ মধুৰ সোণালীদিনলৈ লৈ যায়। তেজ-মঙহেৰে গঢ়া, আমি তেনেই চহা মানুহৰ দৰে সদায় নিঞ্জাল, নিৰিবিলি পৰিৱেশক ভাল পাওঁ। আমাৰ ল'ৰালি পাৰ হৈছিল ১৯৫০ৰ বৰ ভূইকঁপৰ তাহানিৰ লক্ষীমপুৰৰ বিধ্বস্ত সোৱণশিৰীৰ অশান্ত পাৰত। গাঁৱৰ কাষেদি বাৰিষাৰ সোৱনশিৰীয়ে বৰ লুইতৰ দৰেই ঢৌ খেলি, কেতিয়াবা হো-হোৱাই ধুমুহাৰ গৰ্জনেৰে পকনীয়া-চাকনৈয়াত, সোঁতত উটি অহা ছাল-বাকলিহীন গছ-গছনিৰ ভঙা-ছিঙা ডাল-পাতবোৰ নদী-গৰ্ভৰ গভীৰলৈ বিজুলি বেগত টান মাৰি সুমুৱাই লৈ গৈছিল। নদীৰ দুৰ্দান্ত-শক্তিয়ে সেই সকলোবোৰ পানীৰ তলে তলে নিমিষতে বহু দূৰলৈ লৈ গৈ পুনৰ নদী গৰ্ভৰ পৰা ওপৰলৈ ওকলিয়াই দিছিল। তাৰ মাজে-মাজে তুলুঙা নাৱেৰে মধ্য সোৱণশিৰীৰ মিচিং, চুতীয়া আৰু কৈবৰ্ত পাহোৱাল ডেকাই পানীৰ সোঁতত উটি অহা, পাহাৰীয়া কাঠ-বাঁহ ধৰিছিল অথবা বিশেষ কামত ইপাৰৰ পৰা সিপাৰলৈ, বেপৰুৱাভাৱে দূৰ-দূৰণিলৈ গুচি গৈছিল। তেওঁলোক যেতিয়া দিগন্তত লাহে লাহে হেৰাই গৈছিল, সিও একোটা পাহৰিব নোৱাৰা সৰগীয় দৃশ্যৰে অংশ আছিল, যাৰ সোৱণশিৰীয়েই জন্মৰ পৰাই আপোনৰো আপোন-প্ৰাণ আছিল, তেওঁলোকে নদী-মাতৃলৈ ভয় খাবই বা কিয় ? আমি সৰু আছিলো, কিন্তু প্ৰকৃতিৰ ভঙা-গঢ়া খেল দেখিছিলোঁ। আমি নদীয়েদি পালতৰা সৰু সৰু বেপাৰীৰ নাও যোৱাই মাত্ৰ দেখা নাছিলো, নদীৰ বুকুত বৰ বৰ সদাগৰৰ যন্ত্ৰ-চালিত জাহাজে জলৰাশিৰ বুকু ফালি উজনি-ভাটি কৰাও দেখিছিলোঁ। সেইবোৰ দেখি-শুনি আমি আতংকিত হোৱা নাছিলো, আলোড়িতহে হৈছিলোঁ। খেমানি সদাগৰৰ বিশাল বাণিজ্য-কেন্দ্ৰক চকুৰ পলকতে সোৱণশিৰীয়ে ৰাক্ষসিনীৰ ৰূপ ধৰি বুকুত সাৰটি লোৱা দেখি চাঁদ সদাগৰৰ দৰে ক্ৰোধান্বিত হৈ সদাগৰ-খেমানিয়ে হাতত দুই-নলীৰ বন্দুক লৈ ভৰ বাৰিষাৰ সোৱণশিৰীৰ ঢৌলৈ ঢোঁৱাই গুলী নিক্ষেপ কৰিছিল— গুৰুম গুৰুম। চুতীয়া আৰু কৈৱৰ্তকূলৰ আইসকলে হাতত একোগছি বন্তি লৈ সোৱণশিৰীক কাতৰ প্ৰাৰ্থনা জনাইছিল— তেওঁলোকক ৰক্ষা কৰিবলৈ, সেই কালক্ষণত পাৰৰ বাঁহগুৰি গাওঁ, ঘূণাসুঁতিৰ বিশাল এটা অংশ নিমিষতে চিৰকালৰ বাবে নোহোৱা হৈ গৈছিল। সোৱণশিৰীয়েও সম্পূৰ্ণ গতি সলনি কৰি মৰনৈ-পমোৱাৰ ওচৰেদি নগৈ বাট পোনাই বৰ্তমানৰ এৰানদীখনৰ অৱস্থানলৈ ঘূৰি আহি গগন-ফলা চিএঞৰত বলীয়া-হাতীৰ গতিত দক্ষিণলৈ ঢাপলি মেলিছিল। সেইবোৰ কাহিনী এতিয়া ধুৱঁলি-কুৱঁলিময়, নিৰবধি সময় সলনি হ'ল, সোৱণশিৰীয়েও সেই গতিয়ো সলাই এতিয়া উত্তৰ লখিমপুৰৰ কলিজাটো হাতৰ মুঠিত লৈ নিৰন্তৰ নামনিলৈ বই আছে। উত্তৰত 'নেপকুৰে' দুলুংমুখত প্ৰচণ্ড গতিৰে গগনচুম্বী প্ৰাচীৰ এখন নিৰ্মাণ কৰি, নদীখন বান্ধি বিজুলী-শক্তি আহৰণ কৰাত নিৰন্তৰ লাগি আছে; সেইটোকে বহুতে জলবোমা নিৰ্মাণ কৰি থকা বুলি কৈছে। ভৱিষ্যতে সেইটো জলবোমা হওক বা নহওক, নামনিৰ অজস্ৰ মানুহ কিন্তু সদৌটিদিন আতংকিত হৈ আছে। ল'ৰালিৰ সোৱণশিৰী পাৰৰ বিৰিঙানী (বিৰিণা-বন) ঝাউবনো এতিয়া প্ৰায় নোহোৱা হ'ল, নিয়তীয়ে মানুহৰ উৎপাতত অনন্ত কাললৈ লুকুৱাই থ'লে। বালিৰ লেহুকা লিহিৰি বন, ক'ত জানো হেৰাই থাকিল, সেই কথা ভাবিলেও ভয়ত বুকুখন কঁপি উঠে। নদীৰ দুয়োপাৰে থকা অটব্য অৰণ্যবোৰ, য'ত একালত বাঘে হৰিণ বধ কৰি পেট পূৰাই, নদীৰ পানী এচলু খাই বালিত পেট পেলাই কেতিয়াবা শুই আছিল, সেইবোৰ নিয়তীৰ খেলাত সকলো গত ৭০ বছৰত সম্পূৰ্ণ বিলুপ্ত হৈছে বুলিব পাৰি। সেইবোৰৰ উপৰি সেই বিশাল অঞ্চলটোত থকা বিল-পুখুৰীবোৰ বলিয়া বানৰ কবলত পৰাত অস্বাভাৱিকভাৱে পলস পৰাত, বুকু পোত খাই ওপন্দি উঠিল, ফলত সিবোৰৰ অকালতে বিলুপ্তি ঘটিল। নদীৰ দুয়োপাৰৰ ঘাঁহনীত ডিঙিত টিলিঙা বা ঘন্টা বান্ধি দিয়া গৰু আৰু ম'হৰ জাক জাক জুমবোৰো নোহোৱা হ'ল, ভোগালি ঠাইখনি চকুৰ আগতে কঙালিত পৰিণত হ'ল। নদী-বিলৰ মাছ-কাছবোৰ, অৰণ্যৰ জাক জাক পক্ষীবোৰ কেৱল মানুহৰ অত্যাচাৰত চিৰকাললৈ লুপ্ত হ'ল। আজি মাঘৰ উৰুকাত ৰাতি মেজি ৰখা ডেকাই, ঢোলত কোব মৰাৰ নিয়মটোহে যেনে— তেনে জীয়াই আছে।

আঘোণ আহিলেও তালৈ এতিয়া ফাগুন নাহে, জীয়াঢল, সোৱণশিৰীৰ বলিয়া বানে কৃষকৰ সপোনৰ সোণগুটিৰ ধাননিবোৰ বোকাত পুতি থৈ যায়। মানুহ পথৰ ভিক্ষাৰী হয়। এতিয়া আঘোণৰ পৰা মাঘলৈ হিমচেঁচা কুঁৱলীত সকলোৱে পথাৰৰ সোণালী শইচ চপাবলৈ খেতিত শইচেই নোহোৱা হ'ল। আমি কিন্তু ল'ৰালিত প্ৰায়ে গাইছিলোঁ, 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ, সৰু সৰু আলি, আলিত পৰি গীত জুৰে, জাক বালিমাহী, সৰু সৰু সৰু আলি ঐ, সৰু সৰু আলি। হিমচেঁচা বতাহ আহি, ধান গলে চুমি, দাৱনীয়ে হাতত ল'লে কাচি, খৰাই ল'লে তুলি, অ যাওঁ কি নাযাওঁ খোজেৰে, পাওঁ কি নাপাওঁ, পাওঁ কি নাপাওঁ, পাওঁ কি নাপাওঁ ভাবেৰে, সুৰকীয়া বাট গ'লে বুলি, সৰু সৰু আলি, সৰু সৰু আলি'। এই সুৰদী গীতটোৰ ভাষাৰ অৰ্থ জানিছিলো নে নাজানিছিলো, সেই কথা নাজানো, কিন্তু গীতটোৰ সুৰ ধৰি, দেও দি দেও দি হাত-ভৰি জোঁকাৰি বৰ আমোদ পাইছিলো। সঁচাকৈয়ে পথাৰৰ মাজে মাজে সৰু সৰু আলিয়েদি শীতৰ ঠেৰেঙা লগা জাৰ আৰু নিয়ৰে তিয়াই সিক্ত কৰা দুকঠীয়াখন কান্ধত পাক মাৰি ধান খাবলৈ অহা জাক জাক ভাটৌ আৰু বটা চৰাই খেদিছিলো। তেতিয়াই কেতিয়াবা গীত সলনি কৰি গাইছিলো 'হুৰ হুৰ বটা চৰাই, মোৰ ধান নাখাবি তোক দিম গোটা কড়াই' ইত্যাদি নানান জনপ্ৰিয় গীতৰ কলিবোৰ, সেইবোৰচোন হিয়াৰ গহন কোণত আজিও এঠা লাগি আছে। সংসাৰত থকা দিনকেইটাত বোধকৰো সেইবোৰ কেতিয়াও হেৰাই নাযাব।

কিছুমান চৰায়ে চোঁ-মাৰি উৰি আহি এঠোক-দুঠোক ধান লৈ উৰা মাৰি যোৱা দেখিলে আমি মনতে বৰ দুখ পাইছিলো।তাৰ মানে আমাৰ সুৰক্ষাৰ পহৰা কেতিয়াবা কেতিয়াবা সফল নহৈছিল। তেতিয়া ওচৰতে ধান দাই থকা আই বা বৰমাহঁতে কৈছিল, 'এঠোক-দুঠোক নিবলৈ দেহঁত অ বাপাইহঁত, সেইবোৰো জীয়াই থাকিব লাগে নহয়', জীৱনৰ আদি কালছোৱাত পোৱা এই ধৰণৰ পৱিত্ৰ-শিক্ষা আৰু ক'তো পোৱা নাছিলো, স্কুল, কলেজ বা কোনো বিশ্ববিদ্যালয়ত। তেনে নিৰ্মল মনৰ শিক্ষা আজিৰ বুঢ়া কালতো নিশ্চয়কৈ কামত আহিছে। বৰমা বা আইহঁতৰ মুখত তেনে বচন শুনি আকৌ সুৰ লগাই গাইছিলো, 'পকা ধানে হালি-জালি, দাৱনীক কয় আহা বুলি, দাৱনীয়ে সেৱা জনাই, ধান গোছাত মাৰে মুঠি, সোণৰ গুটিৰ ভৰত, হাতৰ ধৰে সিৰামুৰি, জাক দাৱনীৰ জিৰণি গীতে, পথাৰ ধৰে জুৰি'। এই অপূৰ্ব গীতটো যেন আমাৰ বাবেই লিখা হৈছিল, আমি সেই অনুভূতিৰ সোৱাদত বাৰে বাৰে গাইছিলো, 'সৰু সৰু চৰাইবোৰে, লাজত পলাই উৰা মাৰে, ধান ফালি ফালি, সৰু সৰু সৰু আলি ঐ, সৰু সৰু আলি। ধানৰ পাতে কাটে, তেজৰ ডোঙা বাটে, সোণৰ গুটি ভৰত, জোনবিৰিয়া ভাগে, তেওঁতো আমাৰ দুখ নাই, ধানে হাঁহি হঁহুৱায়, উলাহেৰে গীত গাওঁ, মন সঁফুৰা খুলি খুলি, সৰু সৰু আলি ঐ, সৰু সৰু আলি'। বয়স হওঁতেহে বুজি পালো, ৰুদ্ৰ বৰুৱাৰ এই অমৰ গীতটিত সুৰদী কণ্ঠদান কৰি মনজ্যোৎস্না মহন্ত গোস্বামীয়ে তেওঁৰ সংগীসকলৰ স'তে গাই অসমীয়া জাতিটোকে চিৰকাল গৌৰাৱান্বিত কৰি ৰাখিছে। অসমীয়া সংগীত জগতত এনে সুৰদী গীতে জগত বিয়পা খ্যাতি ৰাখি সকলোকে নিঃসন্দেহে পৰম উপকৃত কৰিছে। এনে গীতৰ তুলনা নাই বুলিলেও বৰ এটা ভুল কৰা নহ'ব।

অসমৰ পথাৰত এইকেইটা মাহ সোণগুটি চপোৱাৰ সোণালী সময়। সেয়েহে সৰু-বৰ সকলোৱে এতিয়া তাতে উবুৰি খাই পৰিছেগৈ, দিন সলনি হোৱাত অৱশ্যে পূৰ্বৰ ছবিখনো এতিয়া সম্পূৰ্ণ সলনি হৈ পৰিছে। কিন্তু তথাপি দিনবোৰ, কামবোৰ এতিয়াও একেই আছে, আমি মনত ৰখা উচিত, এতিয়াও সকলো অসমীয়াই খেতি কৰিবলৈ এৰা নাই। হালৰ ঠাইত ট্ৰেক্টৰ লগাই হ'লেও কৃষি-কৰ্ম চলিয়ে আছে। সেইবোৰ কথা নাজানি কোনেও যেন সদায় উপৰুৱা মন্তব্য দি নাথাকে। অসমীয়া এটা শক্তিশালী কৰ্মঠ জাতি। তেওঁলোকক আমি উপহাস নকৰি পাৰ্যমানে সহায় কৰো আহক। ন ন আঁচনিৰ লগতে ধন দিলে, তেওঁলোকে আৰু বহুত ভাল কাম কৰিব পাৰিব। চৰকাৰে সেই দিশটোতহে অধিক গুৰুত্ব দিয়া উচিত। আমি মনত ৰখা উচিত, কৰ্মক্ষেত্ৰবোৰ সলনি হোৱাটোক নিষ্কৰ্মা বোলাৰ কোনো যুক্তি নাই। পৰিৱৰ্তনশীল জগতত গতিৰ লগে লগে জীৱন-সংগ্ৰাম সলনি হ'বই, কাম কৰা মানুহৰ বাবে সেয়েহে আতংকিত হোৱাৰ কোনো অৰ্থ নাই। অসমীয়া সমাজত আগৰ দিন নাথাকিলেও তিনিটি বিহু আজিও আছে, ভোগালীটি ভোগালী হৈয়ে আছে। ন ধান এমুঠি গোটাই বিধ-বিধ পিঠা-পনা উলিয়াই আজিও অসমীয়াই বহুৰ ভোজ খাই-পৰম আনন্দ লাভ কৰে।অসমীয়াৰ সেইদিন সদায় থাকক, সেই আশাকে কৰিলো।

ফোন ঃ ৭০৮৬২১৭৪২৫

আজি লাচিত দিৱস উপলক্ষে

ড° ভূপেন হাজৰিকাৰ গীতত লাচিত বৰফুকনৰ প্ৰাসংগিকতা

বিতৰ্ক

মিহিৰ কুমাৰ বৰুৱা



ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ গীতৰ হেজাৰ শ্ৰোতাৰ আমিও এগৰাকী সচেতন শ্ৰোতা। তেওঁৰ প্ৰতিটো গীতেই আমাৰ প্ৰিয়। সেয়েহে হয়তো তেওঁৰ ভাষাত আমিবোৰ একো-একোজন 'অলংকাৰ' হৈ যাওঁ।

গীতিকাৰ ড° ভূপেন হাজৰিকাই তেওঁৰ প্ৰতিটো গীত পৰিৱেশ পৰিস্থিতি সাপেক্ষে বৃহত্তৰ অসমীয়া জাতিৰ স্বাৰ্থত লিখিছে। স্বদেশ প্ৰেম তেওঁৰ গীতৰ এক মহান বাণী। তেওঁৰ দ্বাৰা ৰচিত সৰহ সংখ্যক গীততেই সমাজ সংস্কাৰ তথা স্বদেশ প্ৰেম, বিশ্ব প্ৰেম আৰু ভ্ৰাতৃত্ববোধৰ গোন্ধ পোৱা যায়। এইগৰাকী মহান শিল্পীৰ আৱৰ্তমানত তেওঁৰ দ্বাৰা ৰচিত গীত তথা সৃষ্টিৰাজিক সমালোচনা কৰাটো উচিত নহয় বুলি জানিও তেওঁৰ দ্বাৰা লিখিত আৰু সুৱাৰোপিত দুটি কালজয়ী গীতৰ কিছু কথাই আমাক বাৰে বাৰে আমনি কৰি থকা বাবে উক্ত বাক্যাংশ সংশোধনীৰ বাবে আজি এই পৱিত্ৰ লাচিত দিৱসৰ দিনা প্ৰস্তাৱ আগবঢ়ালো।

১৯৬৮ৰ আঠ এপ্ৰিলত স্বদেশ প্ৰেমত উদ্বুদ্ধ হৈ ভোলাগুৰি চাহ বাগিচাত বহি ড° হাজৰিকাই লিখিছিল, 'আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব।' শীৰ্ষক কালজয়ী গীতটি। আনহাতে, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই প্ৰাক্ স্বাধীনতা কালতেই লিখিছিল—'আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম। সকলো আছিল সকলো আছে নুবুজো নলওঁ গম।'

'আমি অসমীয়া নহও দুখীয়া, কিহৰ দুখীয়া হ'ম' বেজবৰুৱাৰ অসম সংগীতৰ এই কথাফাকি ১৯৮০ত ড° হাজৰিকাই তেওঁৰ গীতটিত আগকথা হিচাপে সংযোগ কৰে। ড° হাজৰিকাই নানা জাতি-উপজাতিৰ বাবে ৰহণীয়া কৃষ্টিক লৈ সৃষ্টি হোৱা অসমীয়া জাতিক বিশ্বৰ দৰবাৰত শক্তিশালী জাতি হিচাপে থিয় হ'বলৈ বিভিন্ন উপমাৰে সকীয়নি দি লিখিছিল স্বদেশ প্ৰেমমূলক এই গীতটি। গীতটিৰ জৰিয়তে তেতিয়াই তেওঁ ভৱিষ্যৎ প্ৰজন্মক সকীয়াইছিল এইদৰে—'তুমি বিশ্বৰ শৰীৰত পংগু-অংগ হ'লে বিশ্বই জানো ভাল পাব? পৃথিৱীত জনমি সচেতন নহ'লে প্ৰাপ্যও থিতাতে হেৰাব।' অসমীয়া জাতিৰ ভৱিষ্যতক লৈ সন্দিহান হৈ মহান দূৰদৰ্শী পুৰুষ ড° হাজৰিকাই এইদৰেই এদিন আমাক সকীয়াইছিল— পংগু-অংগ ত্যাগ কৰি শক্তিশালী জাতি হিচাপে ৰাজহাড় পোন কৰি জীয়াই থাকিবলৈ। আমি সচেতন নহ'লে আমাৰ প্ৰাপ্য হেৰাব, ভোগালীত দুৰ্ভোগ পাব, ৰঙালী বিহুটি পৰিণত হ'ব কঙালীলৈ। তেওঁৰ সকীয়নিক গুৰুত্ব নিদিলে নিজৰ ঠাইতেই মগনীয়া হৈ পৰিব বুলি কোৱাৰ উপৰি আমি দুৰ্বল হ'লে আমাৰ অৰ্থাৎ অসমীয়া জাতিৰ ৰাজহাড় নাই বুলি বিশ্বই বৰকৈ হাঁহিব বুলি এই গীতটিৰ মাজতেই তেওঁ প্ৰকাশ কৰিছে।

ড° হাজৰিকাৰ আলোচিত গীতটো কিন্তু সঁচা অৰ্থত কালজয়ী, যুগজয়ী, অজৰ-অমৰ। যি অসমীয়াই তেওঁৰ এই গীতটো শুনি ভাল নাপায়, আমি ভাবো তেওঁ অসমীয়াৰ বংশধৰ হ'বই নোৱাৰে। এইগৰাকী মহান শিল্পীৰ সৃষ্টি ৰাজিক শতকোটি সন্মান জনাই, শ্ৰদ্ধা জনাই আমি পৰিতাপেৰে কওঁ যে তেওঁৰ দ্বাৰা ৰচিত দুটি গীতৰ কথাংশৰ কিছু অংশ সংশোধনৰ বাবে ৰাজহুৱা স্বাৰ্থত অনিচ্ছা সত্ত্বেও প্ৰস্তাৱ আগবঢ়াবলগীয়া হৈছে। নহ'লে হয়তো ভৱিষ্যৎ প্ৰজন্মই এদিন আমাকো কিছু প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰিব পাৰে। সেয়ে, যুক্তিসংগতভাৱে সময়োচিত পদক্ষেপৰ বাবে ড° হাজৰিকাৰ দ্বাৰা ৰচিত কালজয়ী দুটি গীতৰ কিছু অংশৰ সংশোধনীৰ প্ৰস্তাৱ আগবঢ়ালো।

অবৈধ বিদেশী নাগৰিক বিতাড়নৰ দাবীত ১৯৭৯ৰ পৰা আৰম্ভ হোৱা ছবছৰীয়া অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত ১৯৮০ত সময়, পৰিৱেশ আৰু পৰিস্থিতিৰ স'তে খাপ খুৱাই ড° হাজৰিকাই উপৰিউক্ত গীতটিৰ কিছু অংশ সলনি কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। সলনি কৰাৰ আগতে গীতটিৰ তৃতীয় অন্তৰাটো আছিল এনে ধৰণৰ— 'কোনোবা কাপুৰুষক পুৰুষ কৰিবলৈ জ্যোতিপ্ৰসাদো যে নাই! অসম মৰিলে আমিও মৰিম বুলি ক'বলৈ তৰুণো নাই! আজি অম্বিকাগিৰী নাই— দেশ গ'ল বুলি দিনে নিশাই সোঁৱৰাব। আজিৰ অসমীয়াই নিজক নবচালে অসমতে ভগনীয়া হ'ব।'

আনহাতে সলনি কৰাৰ পাছত হ'ল এনে ধৰণৰ— কোনোবা কাপুৰুষক পুৰুষ কৰিবলৈ জ্যোতিপ্ৰসাদো যে আছে। অসম মৰিলে আমিও মৰিম বুলি ক'বলৈ ছহিদো আছে, আজি অম্বিকাগিৰীৰ চিঞৰক হেজাৰে হাতে-কামে নৰৰূপ দিব। আজিৰ অসমীয়াই সংগ্ৰাম নকৰিলে অসমতে ভগনীয়া হ'ব।'

এতিয়া মন কৰক—আগৰ 'জ্যোতি প্ৰসাদো নাই'ৰ ঠাইত 'জ্যোতি প্ৰসাদো আছে' হ'ল। 'তৰুণো নাই'ৰ ঠাইত আহিল 'ছহিদো আছে' আৰু 'আজি অম্বিকাগিৰী নাই'ৰ ঠাইত অন্য শব্দ সংযোজন কৰি এই 'নাই' শব্দটো নাইকিয়া কৰা হৈছে।

এতিয়া চাওক ড° হাজৰিকাই লিখা এই কালজয়ী গীতটোৰ দ্বিতীয় অন্তৰাত কি আছে। তাত আছে 'প্ৰতি অসমীয়াই কি কৰা উচিত— উপদেশ দিবলৈ নাই লাচিত, ডাঙৰ নহয় দেশতকৈয়ো মোৰ দুৰ্বলচিতীয়া মোমাইবোৰ'— বোলা হংদাংধাৰী লাচিত নেথাকিলেও আগুৱাই যাবই লাগিব।'

এতিয়া মন কৰিব—ড° হাজৰিকাৰ এই গীতটিৰ লাচিত সম্পৰ্কীয় কথাংশক প্ৰত্যাহ্বান জনাই ছবছৰীয়া ঐতিহাসিক গণ আন্দোলনৰ সংগ্ৰামী আবাল-বৃদ্ধ-বনিতাই নিতৌ শ্ল'গান দিছিল এইদৰে— 'কোনে কয় লাচিত নাই— হেজাৰ লাচিত আগুৱাই... ' তৎসত্ত্বেও সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি সংশোধন কৰা এই কালজয়ী গীতটিত 'উপদেশ দিবলৈ নাই লাচিত' হৈ থাকিল কিয়? গীতটো সংশোধনৰ মুহূৰ্তত যে তেওঁ জ্যোতিপ্ৰসাদক দেখা পালে অসমীয়া জাতীয় জীৱনৰ সাহস আৰু প্ৰেৰণাৰ প্ৰতীক লাচিত বৰফুকনক নেদেখিলে কিয়? অসম আন্দোলনৰ সময়ত অতিকৈ সক্ৰিয় এই মহান শিল্পীগৰাকীয়ে তেওঁৰ সন্মুখেৰে পাৰ হৈ যোৱা সংগ্ৰামী সত্তাবোৰক দেখা নোপোৱাটোও পৰিতাপৰ বিষয়। আমি বাৰে বাৰে কৈছো— ড° হাজৰিকাৰ দৰে বিশ্ব বৰেণ্য শিল্পীৰ সৃষ্টিক সমালোচনা কৰাটো সমীচীন হোৱা নাই। তাতে আকৌ তেওঁৰ অবৰ্তমানত। তথাপি এই সকলোবিলাক জানি-বুজিও সময়ৰ আহ্বান বুলি ধৰি লৈ ৰাইজৰ মাজলৈ এই খু-দুৰনিখিনি আগবঢ়ালো—।

ড° হাজৰিকাৰেই আন এটি অতি জনপ্ৰিয় তথা কালজয়ী-যুগজয়ী গীত হ'ল—

'মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ—' এই গীতটোৰ মাজৰ এটা শাৰীত তেওঁ লিখিছে দূৰৈৰ লাচিতে শৰাইঘাটতে শতৰু আগচিলে... 'ইয়াত বাৰু ড° ভূপেন হাজৰিকাই 'দূৰৈৰ' শব্দটোৰ জৰিয়তে লাচিত বৰফুকন ক'ৰ পৰা অহাটো বুজাইছে? ব্ৰহ্মদেশৰ পৰা নে গড়গাঁৱৰ পৰা? যদি 'দূৰৈৰ' শব্দটোৱে ব্ৰহ্মদেশ বুজাইছে তেনেহ'লে তাক মানি ল'ব নোৱাৰি। কাৰণ অসমত আহোম ৰাজত্ব আৰম্ভ হোৱাৰ চাৰিশ বছৰৰ পাছত জন্ম হৈছিল লাচিত বৰফুকনৰ (১৬১২ খৃষ্টাব্দ, হিতেশ্বৰ বৰবৰুৱাৰ 'আহোমৰ দিন'ৰ তথ্য মতে) গতিকে তেওঁক 'দূৰৈৰ লাচিত' বুলি ক'ব নোৱাৰি। আনহাতে, তেওঁক যদি গড়গাঁও, চৰাইদেউ বা শিমলুগুৰিৰ পৰা শৰাইঘাটলৈ অহাৰ বাবেই 'দূৰৈৰ লাচিত' বুলি ভবা হৈছে তেন্তে এইটোও এটা ঐতিহাসিকভাৱে ভুল ধাৰণা। গতিকে, আজি আমি দাঙি ধৰা এই দুটা সংশোধনীৰ প্ৰস্তাৱ অসমৰ তাই আহোম সংগঠনসমূহ, লাচিত দিৱস উদ্‌যাপন কৰা সংগঠনসমূহ ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস, অসমৰ জাতীয় অনুষ্ঠানসমূহ, শিল্পী, বুদ্ধিজীৱী সাংবাদিক আৰু অসমৰ সচেতন নাগৰিক সমাজে গুৰুত্ব সহকাৰে ল'ব বুলি আশা কৰিলো। একে সময়তে বিষয়টো অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰো দৃষ্টিগোচৰ কৰা হ'ল।

সেয়ে আহ্বান জনাইছো ৰাজহুৱাভাৱে আৰু মুকলিকৈ আলোচনা হওক—জাতিৰ আবেগ বিজড়িত গীত দুটিৰ সন্মানজনক সংশোধনীৰ সপক্ষে। আশা কৰো আজিৰ পৱিত্ৰ লাচিত দিৱসৰ দিনাই অসমৰ জাতীয় জীৱনৰ সাহস আৰু প্ৰেৰণাৰ প্ৰতীক লাচিত বৰফুকনক মানুহৰ হৃদয়ৰ মাজত যুগে যুগে জীয়াই ৰখাৰ এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব সচেতন ৰাইজ আৰু জাতীয় সংগঠনসমূহ।

ফোন ঃ ৬০০২৪০০৪৮৫



বৰপেটাত মন্ত্ৰী পাটোৱাৰীৰ পানী যোগান

তিনি পৃষ্ঠাৰ পৰা আদৰণি জনায়। ইয়াৰ পাছতে ইটাৰভিঠা প্ৰাথমিক বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লয়। তেওঁ বিদ্যালয়খনৰ চৌপাশে দেৱাল নিৰ্মাণৰ ব্যৱস্থা ল'বলৈ আৰু অংগনৱাড়ী কেন্দ্ৰটো পঞ্চদশ পৰিকল্পনাৰ পুঁজিৰে পুনৰ নিৰ্মাণ কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে তেওঁ হাউলী সমূহীয়া স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ লগতে ইয়াত থকা ক'ভিড প্ৰতিষেধক কেন্দ্ৰ পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লয়। তেওঁ চিকিৎসালয়খনৰ আৰু প্ৰতিষেধক প্ৰদান কেন্দ্ৰটোৰ সাম্প্ৰতিক অৱস্থাত সন্তুষ্টি প্ৰকাশ কৰে। তাৰ পাছতে ওচৰতে থকা এটা অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি পূব দত্তকুছিত জল জীৱন মিছনৰ অধীনত পুনৰ নিৰ্মিত নল পানী যোগান আঁচনি এখন উদ্বোধন কৰে। এই ভ্ৰমণৰ সময়ত উপায়ুক্তৰ উপৰি অসম বিত্ত নিগমৰ উপাধ্যক্ষ অনিল দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰিয়া, সহকাৰী আয়ুক্ত দীপাংকৰ কলিতা আৰু স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ, শিক্ষা আদি বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ধীৰেণ বড়োলৈ ডক্টৰেট ডিগ্ৰী বিশ্ব

তিনি পৃষ্ঠাৰ পৰা বড়োৱে এই সন্মান লাভ কৰি উৎফুল্লিত হৈ পৰিছে। আয়োগে চলিত বৰ্ষৰ ২৩ অক্টোবৰত এক প্ৰমাণপত্ৰ প্ৰেৰণ কৰি তেওঁক এই সন্মানৰ বিষয়ে অৱগত কৰে। অৱশ্যে ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত এই সন্মান প্ৰদানৰ বাবে কোনো বিশেষ সভা অনুষ্ঠান বৰ্তমানলৈ অনুষ্ঠিত কৰিব নোৱাৰা বুলি ড° বড়োৱে জানিবলৈ দিয়ে। এই সন্দৰ্ভত তেওঁ কয়, 'সঁচাকৈয়ে আজি মই বহু সুখী। এটি বিশ্ব মানৱৰ সংস্থাই মোক এই সন্মান প্ৰদান কৰা বাবে বহু আনন্দিত হৈছো। এই সন্মানক মোৰ জীৱনৰ এক ডাঙৰ কৃতিত্ব বুলি মানি লৈছো। মই আয়োগক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। আয়োগৰ এক সমীক্ষাৰ জৰিয়তে মোৰ বিভিন্ন দিশ নিৰ্ণয় কৰি এই সন্মান আগবঢ়োৱা হৈছে যদিও কেতিয়াৰ পৰা এই কাৰ্যত মই জড়িত হৈ পৰিছো তাৰ প্ৰকৃত সময় আৰু দিন কোৱাটো অসুবিধা। কিন্তু মই মোৰ জীৱন কেনেদৰে চলিছো, কেনেধৰণে সংগ্ৰাম কৰি আহি এই স্থানত উপনীত হৈছো তথা সমাজ ক্ষেত্ৰখনত মোৰ ত্যাগৰ ওপৰত সংস্থাই এক সমীক্ষা চলাই এই সন্মানৰ বাবে মোক বাছনি কৰা বুলি এক সূত্ৰৰ পৰা জানিব পাৰিছো। আনকি জাতিৰ অধিকাৰ কাঢ়ি অনাৰ ক্ষেত্ৰৰ ১৯৮৬ৰ বিএছএফৰ পৰা আৰম্ভ কৰি এনডিএফবি কৰালৈ ৩৪ বছৰে জাতিৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰি আহিছিলো। এই বিশেষ ক্ষেত্ৰৰ ওপৰত সকলো তথ্য মোৰ পৰা বিচৰা হৈছিল আৰু মই আয়োগৰ সন্মুখত দাখিল কৰিছিলো। ইয়াৰোপৰি সাহিত্য ক্ষেত্ৰ তথা চিনেমা নিৰ্মাতা হিচাপেও মোৰ তথ্য আয়োগৰ ওচৰত দাখিল কৰিছো। ইতিমধ্যে সমাজ ব্যৱস্থাৰ আধাৰত প্ৰকাশিত মোৰ গ্ৰন্থক ৰাইজে আদৰি লৈছে। ইয়াৰ উপৰি সাহিত্যৰ দিশত বিভিন্ন আলোচনী-কাকতত মোৰ লেখাসমূহ প্ৰকাশ পাই আহিছে। আনহাতে, সংগ্ৰামৰ ক্ষেত্ৰত ১৯৮৬ৰ পৰাই জাতিৰ অধিকাৰৰ বাবে মোৰ আমাৰ সকলোৰে সংগ্ৰামৰ বাবে ঐতিহাসিক বিটিআৰ শান্তি চুক্তিত মোক এজন চুক্তি স্বাক্ষৰকাৰীৰ মৰ্যাদা দিয়া হৈছিল।' ইফালে, এই সন্মান লাভৰ পাছত আগন্তুক দিনত ড° বড়োৰ দায়িত্ব সন্দৰ্ভত উল্লেখ কৰি তেওঁ কয়, 'এই সন্মান লাভৰ পাছত মোক বিশ্ব মানৱ অধিকাৰ সুৰক্ষা আয়োগে মোক তেওঁলোকৰ আয়োগৰ এজন সক্ৰিয় সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিছে। গতিকে আগন্তুক দিনবোৰত মই জীৱিত থকালৈ যাতে কোনো দিশতে মানৱ অধিকাৰ খৰ্ব নহয় তাৰ প্ৰতি মোৰ দৃষ্টি থাকিব আৰু এই বিষয়ে মই কাম কৰি যাম।' এই ক্ষেত্ৰত ড° বড়োৱে নেদেখাজনৰ পৰা আশীৰ্বাদ কামনা কৰে। উল্লেখ্য যে পৃথক বড়োলেণ্ড ৰাজ্য দাবীৰ সংগ্ৰামতো ড° বড়োৱে সক্ৰিয় নেতৃত্ব আগবঢ়োৱাৰ অন্তত তৃতীয় বড়ো শান্তি চুক্তিত এজন স্বাক্ষৰকাৰী হিচাপে তেওঁ মৰ্যাদা লাভ কৰিছিল।

নগাঁৱত বাঁহগছ ৰোপণত ২.৩৫ কোটি

তিনি পৃষ্ঠাৰ পৰা বনাঞ্চলৰ ২০০ হেক্টৰ মাটিত বাঁহগছ ৰোপণৰ বাবে ২৫ লাখ টকা আৰু ২০১৫-২০১৬ বৰ্ষত কঠিয়াতলি, ধৰমতুল আৰু শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অঞ্চলাধীন বনাঞ্চলৰ ২০০ হেক্টৰ মাটিত বাঁহগছ ৰোপণৰ বাবে ২৫ লাখ টকা আবন্টন দি মোকলাই দিয়া হৈছিল। মুঠ ১৫৫৫ হেক্টৰ মাটিত জাতি, ভোলোকা, কাকো আৰু মালি বাঁহ গছ ৰোপণৰ বাবে জে এফ এম চিৰ অধীনত এই বিশাল পুঁজি আবন্টন দিয়া হৈছিল। বিভাগীয় নথিত সেই কামত জড়িত কৰোৱা যৌথ বন পৰিচালনা সমিতিসমূহ হ'ল শলাল, দেওচুড়, কমাৰকুছি, ছপনাদং, হীৰা কল'নী, কন্দপাৰা, মদাৰতলী, বৰকছাৰী গাঁও, গৰুখুঁটি, নেলী গাৰুগোগ, বাদুলি খোৰোং, পুলি বাগান, গভা নতুন গাঁৱলীয়া, বাহাকাবাৰী, ৰূপজ্যোতি, বহা, কঠিয়াতলি, আমলিঘাট, জাগীৰোড জনজাতি যৌথ সেউজ উন্নয়ন, প্ৰগতি, বসুন্ধৰী কাকতি গাঁও, বাঘমৰা, ভেৰেলীআটি, পশ্চিম নগাঁও, গৰৈয়াজুৰি, ঘুলি গাঁও, কইনা কন্দা, কন্দলী, আমচৈ, বৰবাৰী প্ৰমুখ্যে যৌথ বন পৰিচালনা সমিতি। নিষ্ক্ৰিয় আৰু অস্তিত্বহীন কেতবোৰ জে এফ এম চিৰ জৰিয়তে বাঁহগছ ৰোপণৰ নামত চৰম প্ৰহসনৰে সেই বিশাল পুঁজিৰ ওপৰত একাংশ দুৰ্নীতিগ্ৰস্ত বন বিষয়াই লুণ্ঠন চলাইছিল বুলি সচেতন ৰাইজে অভিযোগ তুলিছে। অভিযোগ অনুসৰি, প্ৰকৃততে ১৫৫৫ হেক্টৰ মাটিৰ কথাটো বাদেই ৫০০ হেক্টৰ মাটিটো বাঁহগছ ৰোপণ কৰা নাছিল। যি অলপ মাটিত বাঁহগছ ৰোপণ কৰা হৈছিল সেইবোৰৰ অধিকাংশৰেই এতিয়া কোনো ধৰণৰ অস্তিত্ব বিচাৰি পোৱা নাযায়। স্মৰ্তব্য যে স্বাভাৱিকতে এপ্ৰিলৰ পাছতেই বাঁহগছৰ গাঁজ ওলায়। পৰৱৰ্তী কালত বাঁহ গছ সদায় সম্প্ৰসাৰণ হয়। যদিহে ২০০৬-২০০৭ বৰ্ষৰ পৰা ২০১৫-২০ বছৰ ভিতৰত ১৫৫৫ হেক্টৰ মাটিত বাঁহগছ ৰোপণ কৰা হৈছিল এতিয়া সেই বাঁহগছে পাহাৰ ছানি ধৰিব লাগিছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া হৈ নুঠিল একমাত্ৰ দুৰ্নীতি আৰু অনিয়মৰ বাবে। সেই বাঁহবোৰ বনাঞ্চলত থকা হ'লে ই বন্যহস্তীৰ বাবে উৎকৃষ্ট খাদ্য হৈ পৰিলেহেঁতেন। পাহাৰত হাতীৰ আৱাসস্থলীৰো নাটনি নহ'লহেঁতেন। কিন্তু বাঁহ গছ ৰোপণতকৈ বাঁহ গছ ৰোপণৰ বাবে আবন্টিত ধনৰ ওপৰত লুণ্ঠনৰ প্ৰকোপ বেছি হোৱা হেতুকে সমগ্ৰ আঁচনিখনেই প্ৰহসনত পৰিণত হয়।

ইপিনে, বনাঞ্চলত যি কেইজোপামান বাঁহ গছ হৈছিল তাকো পাহাৰৰ দাঁতি-কাষৰীয়া লোকে গাঁজবোৰ কাটি লৈ যোৱাৰ লগতে পুলিতে বাঁহবোৰ কাটি নিয়াত তাৰো সম্প্ৰসাৰণ নহ'ল।

ইংৰাজৰ ১৩৫ বছৰীয়া চাহাবী বাংল'ৰে

তিনি পৃষ্ঠাৰ পৰা সেইখনৰ কাষেৰে প্ৰায় দুই কিলোমিটাৰ পূৱে ধাৱমান হ'লেই পোৱা যায় মাত্ৰ এটা বিশালাকাৰ শিলৰে গঢ়ি উঠা পাহাৰ টিলাৰ ওপৰত তাহানিতে ব্ৰিটিছ বগাচাহাবে নিৰ্মাণ কৰোৱা চাহাবী বাংলোটো। বাংলোটোৰ কাষেৰে চাহ বাগিচাৰ মাজৰ বাটটোৰে এখন দলং পাৰ হৈ পাহাৰৰ দিশেৰে কিছুদূৰ আগুৱাই গ'লেই দূৰৰ পৰাই শুনা যায় মন জুৰোৱা 'হদ্-হদ্' শব্দ। শব্দৰ পৰাই অনুমান কৰিব পাৰি যে এক বিশাল জলখণ্ড নামি আহিছে পাহাৰৰ ওপৰৰ চূড়াৰ পৰা। এখন পাহাৰৰ খাদক এখন অৰ্ধগোলাকাৰ সাঁকোৰে সংযোগ কৰি জলপ্ৰপাতটোলৈ যোৱাৰ পথ সুগম কৰা হৈছে। এই সাঁকোৰ পৰাই দেখা যায় জলপ্ৰপাতৰ জলাধাৰ। মুঠ পাঁচটা স্তৰত নামি অহা জলপ্ৰপাতটোৰ প্ৰথম স্তৰ নামনিতে থকাৰ পাছত পাহাৰৰ কিছু ওপৰলৈ গৈ দ্বিতীয়, তাৰ পাছত তৃতীয়, চতুৰ্থ আৰু শেষত পঞ্চম স্তৰ আছে যদিও তৃতীয় স্তৰলৈকেহে সাধাৰণ পৰ্যটক যোৱাৰ বাবে সুগম হয়। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰ্যটন উদ্যোগৰ মূলাধাৰ জলপ্ৰপাত সমূহতকৈ সৌন্দৰ্যৰ ক্ষেত্ৰত এখোপ চৰা এই হদহদী জলপ্ৰপাতটোৰ দ্বিতীয় আৰু তৃতীয় জলখলপৰ মধ্যস্থলতেই আছে তাহানিতে ব্ৰিটিছ মেমচাহাবহে বিলাসী স্নান কৰিবৰ বাবে তেতিয়াই সাজি থোৱা ডাঠ শিল-ইটাৰ কে'বাখলপীয়া এক চৌবাচ্চাৰ আকৃতিৰ 'বাথ্ টাব'। যিটোত সেই সময়তে উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি জলপ্ৰপাতৰ পানী বোৱাই আনি বিলাসী স্নান কৰিছিল ইংৰাজ মেমচাহাবে। এতিয়া যত্নৰ অভাৱত হাবি জংঘলে আৱৰি ধৰি ই ভগ্নপ্ৰায়। সেই তাহানিৰে এই স্বাক্ষৰ দেখুৱাই এই কথা প্ৰকাশ কৰিলে লুংচুং চাহ বাগিচাৰ স্থানীয় উৎসাহী যুৱক ৰোহিত নায়কে। এই হদহদী জলপ্ৰপাত আজিৰ সময়ত অসমৰ পৰ্যটন উদ্যোগৰ বাবে এক সম্পদৰূপে চিহ্নিত হ'ব পাৰে। আৱশ্যক মাথোঁ ৰাজ্যৰ পৰ্যটন বিভাগৰ সদিচ্ছাৰ।

মনোৰম জলপ্ৰপাতটো পোৱাৰ পূৰ্বেই কলিয়াবৰৰ লুংচুং চাহ বাগিচাৰ কলঘৰৰ সমীপতে এটা শিলৰ ওপৰতে গঢ়ি উঠা সুউচ্চ পাহাৰ টিলাটোৰ মধ্যস্থলতে তাহানিতে ইংৰাজ চাহাবে সাজিছিল সময়ৰ জোখাৰে ১৩৭ বছৰ গৰকা পাঁচটিকৈ সু-বৃহৎ, সুন্দৰ কোঠা সজ্জিত বিলাতী চাহাবৰ বাংলোটো। যিটো আজিৰ পৰা কিছু বছৰ পূৰ্বলৈকে ব্যৱহাৰ কৰিছিল চাহ বাগিচাখনৰ দেশী-বিদেশী পৰিচালকসকলে। ২০১৩ৰ পৰা বাংলোটো অব্যৱহৃত হৈ আছে যদিও স্থানীয় যুৱক ৰোহিতৰ তত্ত্বাৱধানত আজিও সুন্দৰ ৰূপত আছে প্ৰায় চাৰে পাঁচফুট ওখ ভেটিৰ পকী বাংলোটো। বাংলোটোৰ আছে এক সুকীয়া ইতিহাস। প্ৰাপ্ত তথ্য মতে, প্ৰাক্ স্বাধীনতা কালতে ইংৰাজ আমোলত ১৮৮১ত কলিয়াবৰৰ উত্তৰ-পশ্চিম প্ৰান্তত স্থাপন হৈছিল এই লুংচুং চাহ বাগিচাখন। ইয়াৰ পাছতে তেতিয়াৰ বাগিচাৰ প্ৰথম ব্ৰিটিছ পৰিচালক মাইকেল ব্ৰুচে ১৮৮৫ত ইংলণ্ডৰ গৃহ নিৰ্মাণৰ আৰ্হিৰে নিৰ্মাণ কৰোৱাইছিল এই বাংলো। স্বাধীনতাৰ বহু পাছতো ১৯৬৭ লৈকে এই বাগিচাৰ বাংলোত সপৰিয়ালে বাস কৰিছিল ইংৰাজ চাহাবসকলে। বাংলোটোৰ মধ্যস্থলত আছে ইংৰাজ চাহাবে ব্যৱহাৰ কৰা জুইশালৰ স'তে আমোদ-প্ৰমোদৰ বৃহৎ কোঠাটো। সুন্দৰ প্ৰৱেশপথৰ খটখটিৰে বাংলোটোৰ ভিতৰ সোমায়েই আছে এখন আহল-বহল স্বচ্ছ মজিয়াৰ বাৰাণ্ডা। ইয়াৰ পাছতে আমোদ-প্ৰমোদৰ বিশাল কোঠাটো মাজত লৈ চৌপাশে আছে পাঁচটাকৈ বৃহৎ বৃহৎ কোঠা। প্ৰতিটো কোঠাতে আছে বৰ্তমানৰ প্ৰযুক্তিৰ লগত ফেৰ মাৰিব পৰাকৈ আচবাব, স্নানাগাৰৰ লগতে চাহাবে স্নান কৰা ইংৰাজৰ দিনৰে চৌবাচ্চা। প্ৰত্যেকটো কোঠাসংলগ্ন বিশাল আকৃতিৰ স্নানাগাৰতে আজিও আছে বুটাম টিপিলেই নলীৰে বৈ অহা বিশুদ্ধ পানীৰ সুব্যৱস্থা। সুন্দৰ বিজুলীবাতিৰ ব্যৱস্থা থকা বাংলোটোৰ ডাঠ বেৰত আছে ইংৰাজৰ দিনতে লগোৱা বিজুলীবাতি, বিজুলী পাংখাৰ ছুইছবৰ্ড। দুৱাৰ-খিৰিকী সকলো শালকাঠৰ। গোটেই বাংলোটোৰ চিলিং তাহানিতে কুণ্ডত কটা কাঠৰে নিৰ্মিত। আজিও ইংৰাজৰ দিনৰ কাৰুকাৰ্য বিদ্যমান এইসমূহ চিলিঙত। খিৰিকীৰ চৌপাশে ম'হ-মাখিও সোমাব নোৱাৰাকৈ মিহি লোহাৰ নেটৰে আৱৰা এক আৱৰণ। দুৱাৰমুখতে ঘঁৰিয়ালৰ দুখন মুখৰ ভাস্কৰ্য। স্বাধীনতাৰ বহু পূৰ্বেই দেশত ইংৰাজ আমোলতে এই দুৰ্গম অঞ্চলত পাহাৰৰ নামনিত চাহ বাগিচা পতি নিৰ্মাণ কৰোৱা এই চাহাবী বাংলোটোৰ চৌপাশে চালৰ পানী পৰি পানীপতাৰে ওলাই নলাৰে বৈ বাগিচাৰ মাজৰ খাললৈ যাবৰ বাবে তেতিয়াই কৰি লৈছিল সুন্দৰ ব্যৱস্থা। বাংলো থকা টিলাটোৰ ওপৰতে আছে পানীৰ সু-ব্যৱস্থাৰ বাবে ডাঠ লোহাৰ আৱৰণেৰে ওখকৈ নিৰ্মিত এক পানীৰ টেংকী। যিটো টেংকীৰ জৰিয়তে সমগ্ৰ বাংলোটোত পানীৰ ব্যৱস্থা হয়। আছে দুটাকৈ চাহাবী কায়দাৰ পাকঘৰ। দুখনকৈ গাড়ী থ'ব পৰা গেৰেজ। টিলাটোৰ কিছু নামনি অংশত আছে এটা প্ৰায় ২০ ফুট দৈৰ্ঘ্যৰ ১০ ফুট বহল আৰু চাৰেপাঁচ ফুট দ' 'ছুইমিং পুল।' যিটোৰ পৰা পানী ওলোৱা-সোমোৱা কৰিবৰ বাবে সুন্দৰ ব্যৱস্থাৰ লগতে 'ছুইমিং পুল'টোলৈ নামিবৰ-উঠিবৰ বাবে আছে লোহাৰ চিৰি। সকলোতকৈ আশ্চৰ্যকৰ কথাটো হ'ল যে এই চাহাবী বাংলোটোৰ সন্মুখৰ সেউজীয়া বননিৰে আবৃত বহল চোতালখনত আছে নিৰ্মাণশৈলীৰ ফালৰ পৰা সম্ভৱত অষ্টম-নৱম শতিকাৰে বুলি অনুমান কৰা কিছু ভাস্কৰ্য। যি বাংলোটোৰ ৰূপত ৰহণ চৰোৱাৰ লগতে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সূচনা কৰিছে। চৌপাশে আছে গুলচ, নেৰালিকে ধৰি নানা ফুলৰ গছ। আছে এজোপা ইংৰাজ চাহাবৰ স্বাক্ষৰ বহনকাৰী বিলাতী বগৰীৰ লগতে নানা ফলমূলৰ গছো। স্থানীয় লোকৰ ভাষ্য মতে, এই পাহাৰ টিলাৰ বাংলো চৌহদত ঝুলনাকে ধৰি নানা বিলাসী সামগ্ৰীৰ পয়োভৰ আছিল যদিও বিভিন্ন কাৰণত এইসমূহ আজি নাইকিয়া হ'ল। এই বাংলো চৌহদতে ইংৰাজ চাহাবৰ মৰমৰ কুকুৰটোৰ মৃত্যু ঘটাত ইয়াতেই সমাধি সাঁজি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শেষবাৰৰ বাবে ২০০৭ত তেতিয়াৰ ইংৰাজ চাহাবৰ বংশধৰ আহি বাংলো পৰিদৰ্শন কৰি সেই মৰমৰ কুকুৰটোৰ এতিয়া বৃহৎ আকাৰ লোৱা তেঁতেলি গছজোপাৰ তলতে থকা সমাধিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ কথাও প্ৰকাশ কৰিলে বাগিচাৰ লোকে। এই ব্ৰিটিছ বাংলো চৌহদত গছত এতিয়াও দেখা পোৱা যায় বিভিন্ন অৰ্কিড সংৰক্ষণৰ সু-ব্যৱস্থা। কোঠাৰ ভিতৰৰ বেৰত আছে কাপোৰ ইষ্ট্ৰি কৰা বিশেষভাৱে নিৰ্মিত যতন। জীয়া শিলৰ ওপৰত নিৰ্মিত বাংলোটোৰ চৌহদত আছে খৰাং বতৰত আন ঠাইৰ পৰা পানী আনি সংৰক্ষণ কৰি ৰাখিব পৰা টেংকী। ইয়াৰ পৰা কিছু নিলগত ওভতনি পথত আন এক পাহাৰ চূড়াত আছে এক নীলা পানীৰে আবৃত হ্ৰদ। কিছু দূৰত আছে চাপানলা কুণ্ড। যি পৰ্যটকৰ আন এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। দেশত ইংৰাজ শাসনৰ সময়ছোৱাতে অৰ্থাৎ প্ৰাক্ স্বাধীনোত্তৰ কালতে কাৰ্বিপাহাৰৰ নামনিৰ এই কলিয়াবৰৰ ভূখণ্ডৰ উত্তৰ-পশ্চিম সীমাত দুৰ্গম অঞ্চলত চাহ বাগিচা পতা ইংৰাজ বগা চাহাবৰ স্বাক্ষৰ বহনকাৰী এই বাংলো পৰ্যটকৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। চৰকাৰে বৰ্তমান সময়ত ইয়াক উন্নীতকৰণৰে ব্ৰিটিছৰ বাংলোত পৰ্যটকৰ থকা-খোৱাৰ ব্যৱস্থা কৰি এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ় দিব পাৰে। ইতিপূৰ্বে কলিয়াবৰৰ পূৰ্বৰ মহকুমাধিপতি বিতোপন নেওগে কলিয়াবৰৰ ভূখণ্ডৰ এই সমগ্ৰ পৰ্যটনক্ষেত্ৰৰ উন্নীতকৰণৰ ওপৰত গ্ৰহণ কৰি বিশেষ তৎপৰতাৰে কাম কৰিছিল। ইয়াৰ ফলশ্ৰুতিতে ঠন ধৰি উঠিছিল কলিয়াবৰৰ পৰ্যটনে। এই পৰ্যটন উন্নয়নৰ লগতে উন্নীত কৰিব পাৰে ব্ৰিটিছ মেমচাহাবে বিলাসী স্নানৰ বাবে ব্যৱহাৰ কৰা কাৰ্বিপাহাৰৰ নিৰ্মল পানীৰ মনোৰম হদহদী জলপ্ৰপাতটোও। যিটো জলপ্ৰপাত হয়তো সমগ্ৰ উত্তৰ-পূৱৰে পৰ্যটনৰ মানচিত্ৰত এক উৎকৃষ্টতম জলপ্ৰপাত হিচাপে চিহ্নিত হ'ব পাৰে। এয়াই নহয়, সমগ্ৰ কলিয়াবৰতে আছে এনে বহু ঐতিহাসিক, প্ৰাকৃতিক, পৌৰাণিক সমল। যিয়ে দেশী-বিদেশী পৰ্যটকক হাতবাউলি মাতে অনুপম ঐতিহ্যমণ্ডিত কলিয়াবৰলৈ।

মৰিগাঁৱত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱত বহুৱালি ঃ অশ্লীলতাৰ পয়োভৰ

■ সৰ্বত্ৰে ব্যাপক প্ৰতিক্ৰিয়া ■ ক্ষমা প্ৰাৰ্থনা ৰাস উদ্‌যাপন সমিতিৰ

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৩ নৱেম্বৰ ঃ ৰাজ্যজুৰি শৰৎকালত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ ব্যাপক কাৰ্যসূচীৰে অনুষ্ঠিত হোৱাৰ লগতে মৰিগাঁৱত শতাধিক স্থানত শ্ৰীকৃষ্ণৰ ৰাসলীলা উলহ-মালহেৰে আয়োজিত হৈছে। যোৱা ২১ নৱেম্বৰত মৰিগাঁৱৰ সমীপৱৰ্তী বৰংগাবাৰীত স্থানীয় যুৱক সংঘৰ উদ্যোগত অনুষ্ঠিত ৰাসোৎসৱত কেইজনমান যুৱকে বিকৃত সাজপাৰ পৰিধান কৰি অশ্লীল নৃত্য প্ৰদৰ্শন কৰা দৃশ্য ভাইৰেল হোৱাত সমগ্ৰ মৰিগাঁও জিলাখনৰ লগতে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাসলীলাৰ নামত একাংশ অসচেতন যুৱকে অপসংস্কৃতি বিয়পাই পবিত্ৰ শৰৎকালীন উদ্‌যাপন কৰা ৰাসলীলাক বিকৃত কৰা ষড়যন্ত্ৰকাৰীৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিক্ৰিয়া সৃষ্টি হোৱাত আজি পূব বৰংগাবাৰীৰ যুৱক সংঘই ৰাজ্যবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰে। লগতে কয় যে যোৱা ২১ নৱেম্বৰত যুৱক সংঘৰ উদ্যোগত আয়োজন কৰা শ্ৰীকৃষ্ণ ৰাসলীলাত কেইজনমান যুৱকে অশ্লীল নৃত্য প্ৰদৰ্শন কৰাটো অতিকৈ লজ্জাজনক। ৰাসলীলাত ভৱিষ্যতে এনে অপসংস্কৃতি পুনৰাবৃত্তি নহয়, তাৰ প্ৰতি সদায় সতৰ্ক হৈ থাকিব বুলি পূব বৰংগাবাৰী যুৱক সংঘই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়াৰ লগতে অসমবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰে। ইপিনে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমৰ সৃষ্টি 'কেলিগোপাল' ৰাস-ভাওনা অনুষ্ঠিত কৰাৰ নামত একাংশ যুৱকে ৰাস-ভাওনাখনত বিকৃত সাজ-পাৰ পৰিধান কৰি উদাম নৃত্য প্ৰদৰ্শন কৰি অসমীয়া সংস্কৃতিক বিকৃত ৰূপত উপস্থাপন কৰাক কেন্দ্ৰ কৰি সমগ্ৰ মৰিগাঁও জিলাতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই সমগ্ৰ বিষয়টোক লৈ আজি দুদিন ধৰি সমগ্ৰ জিলাখনৰ বিভিন্ন মহলে এই বিষয়টোক ধিক্কাৰ দিয়াৰ লগতে এই ঘটনাই সমগ্ৰ মৰিগাঁওবাসীক লজ্জাজনত কৰিছে বুলি বিভিন্ন মহলে মত প্ৰকাশ কৰাৰ লগতে আয়োজক সমিতিৰ এনে কাণ্ডক এক মুখে ধিক্কাৰ দিছে। লগতে ভৱিষ্যতে এনে ঘটনা যাতে পুনৰাবৃত্তি নহয় তাৰ প্ৰতিও মৰিগাঁৱৰ সচেতন মহলে সকলো পক্ষৰ প্ৰতি আহ্বান জনাইছে।

ওপজা ঠাইতে শৰৎ চন্দ্ৰ সিংহৰ আদৰ্শক ভূলুণ্ঠিত

জননেতাৰ ইচ্ছাৰ বিৰুদ্ধে চাপৰত সুৰাৰ বিপণী স্থাপনৰ সিদ্ধান্ত গ্ৰহণত তীব্ৰ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

চাপৰ, ২৩ নৱেম্বৰ ঃ 'সোণৰ অসম' হওক বা নহওক, অসম এতিয়া 'সুৰাৰ অসম' হোৱাৰ দিশে আগবাঢ়িছে। ৰাজ্য চৰকাৰে শীঘ্ৰে ধুবুৰী জিলাৰ চাপৰকে ধৰি ১১ খন জিলাত নতুনকৈ বিলাতী সুৰাৰ বিপণী অৰ্থাৎ ৱাইন শ্বপ খোলাৰ অনুমতি দিবলৈ ওলোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগে বিলাতী সুৰাৰ বিপণী খোলাৰ বাবে ইচ্ছুক ব্যৱসায়ীৰ পৰা আবেদন প্ৰ-পত্ৰ বিচাৰি জাননী জাৰি কৰিছে। উল্লেখ্য যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জননেতা শৰৎ চন্দ্ৰ সিংহই তেওঁৰ জন্মনগৰী চাপৰত যাতে কোনোদিনে বিলাতী সুৰাৰ বিপণী স্থাপন কৰা নহয় তাৰ বাবে নগৰ সমিতি গঠনৰ সময়ত ১৯৮৯তে ৰাজহুৱাভাৱে চাপৰ নগৰ সমিতিক আহ্বান জনাইছিল। সেই সময়তে চাপৰৰ সিংহপুৰুষ সদৃশ প্ৰয়াত ডালিম কুমাৰ মেধিকে ধৰি একাংশ সমাজসেৱকেও চাপৰ নগৰ সমিতিত এই সন্দৰ্ভত এখন আবেদনো দাখিল কৰিছিল। জননেতাজনৰ আহ্বানৰ প্ৰতি সন্মান জনাই চাপৰ নগৰ সমিতিয়ে আজিলৈকে চাপৰ নগৰত বিলাতী সুৰাৰ বিপণী স্থাপনৰ অনুমতি দিয়া নাছিল। কিন্তু মন্ত্ৰী পৰিমল শুক্লবৈদ্য নেতৃত্বাধীন আবকাৰী বিভাগে যোৱা ২৫ অক্টোবৰতে ই এক্স-১৪৫/২০১৭/৮৭ নম্বৰ নিৰ্দেশনাযোগে অসমৰ ১১ খন জিলাৰ ২০ টা স্থানৰ লগতে চাপৰতো ৱাইন শ্বপ খোলাৰ অনুমতি প্ৰদান কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জননেতা শৰৎ চন্দ্ৰ সিংহৰ আদৰ্শক পদানত কৰি চাপৰত যাতে বিলাতী সুৰাৰ বিপণী স্থাপন কৰা নহয় তাৰ বাবে ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি তৰণীকান্ত ৰায়, মুখপাত্ৰ তিলক প্ৰসাদ, বিলাসীপাৰা মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক বাবুজিতু ৰায়, আক্ৰাছুৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক কৰ্ণ ৰায়, আমছুৰ বিলাসীপাৰা জিলা সমিতিৰ সাধাৰণ সম্পাদক সহিদুল সৰকাৰ, অসম জাতীয় পৰিষদৰ যুৱ শক্তিৰ বিলাসীপাৰা জিলা সমিতিৰ মুখ্য উপদেষ্টা আৰিফুল হুছেইন, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ উপ-সভাপতি আতিকুল হুছেইন আদিকে ধৰি বিভিন্ন দল-সংগঠনে ৰাজ্য চৰকাৰক আহ্বান জনাইছে। লগতে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে। তেওঁলোকে কাইলৈ বঙাইগাঁৱত অনুষ্ঠিতব্য কেবিনেটতে উক্ত সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনাইছে। অন্যথা চাপৰবাসী ৰাইজৰ সহযোগত তীব্ৰ গণ আন্দোলন গঢ়ি তোলা হ'ব বুলি সংগঠনকেইটাই মত পোষণ কৰিছে।

বিটিচি কোচ ৰাজবংশী সন্মিলনীৰ প্ৰতিনিধি সভা

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ২৩ নৱেম্বৰ ঃ যোৱা ২৮ ফেব্ৰুৱাৰীত স্থগিত ৰখা বিটিচি কোচ ৰাজবংশী সন্মিলনীৰ প্ৰতিনিধি সভাখন যোৱা ২১ নৱেম্বৰত চিৰাং জিলাৰ কদমতলী চিলাৰায় ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সন্মিলনীৰ সভাপতি ভবেন চন্দ্ৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাত বিটিচি কোচ ৰাজবংশী সন্মিলনীৰ নাম সলনি কৰি 'ভূমিপুত্ৰ কোচ ৰাজবংশী সুৰক্ষা মঞ্চ' নামেৰে নামকৰণ, বিটিচিত অন্তৰ্ভুক্ত বাগ্‌সা আৰু ওদালগুৰি জিলাত থকা কোচ ৰাজবংশীসকলক বিশেষ সুৰক্ষিত তালিকা শ্ৰেণীত অন্তৰ্ভুক্ত কৰা, বাগ্‌সা আৰু ওদালগুৰি জিলাৰ কোচ ৰাজবংশীসকল যিহেতু বিটিচিত অন্তৰ্ভুক্ত হোৱাৰ বাবে ভূমি ক্ৰয়-বিক্ৰয়ৰ উপৰি ভূমি অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে।

বিনোদন শিল্পই জীৱন উদ্বুদ্ধ কৰিব নোৱাৰে

নগাঁও মহাবিদ্যালয়ত মনোজ্ঞ বক্তৃতানুষ্ঠানত দিগন্ত বিশ্ব শৰ্মা

বিশেষ সংবাদদাতা

নগাঁও, ২৩ নৱেম্বৰ ঃ 'আজাদী অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি আজি নগাঁও কলেজ (অট'ন'মাচ)ৰ আভ্যন্তৰীণ মানদণ্ড আশ্বাসন কোষ আৰু বিবেকানন্দ অধ্যয়ন কেন্দ্ৰৰ সহযোগত 'শ্ৰীঅৰবিন্দৰ আলোকত কলা, কাব্য আৰু সাহিত্যৰ মূল্য তথা তাৎপৰ্য' শীৰ্ষক এক মনোজ্ঞ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত বক্তৃতানুষ্ঠানত বন্তি প্ৰজ্বলন কৰে নগাঁও কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ পুত্ৰ ডাঃ প্ৰমেশ কুমাৰ শৰ্মাই। অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে আদৰণি ভাষণেৰে সকলোকে স্বাগতম জনায়। ড° ভুৱন চন্দ্ৰ চুতীয়াই আঁত ধৰা বক্তৃতানুষ্ঠানত সাহিত্য একাডেমী বঁটা বিজয়ী দিগন্ত বিশ্ব শৰ্মাই মুখ্য বক্তাৰূপে উপস্থিত থাকি এক সাৰগৰ্ভ তথা তত্ত্বগধুৰ বক্তৃতা প্ৰদান কৰে। ভৰ্তৃহৰিৰ নীতিশ্লোকৰ উদ্ধৃতি দি তেওঁ কয়, 'সাহিত্য, সংগীত কলাবিহীন জন সাক্ষাৎ পশুতুল্য। অন্তৰৰ অনুভূতি হৈছে শিল্পকলাৰ প্ৰথম প্ৰেৰণা। শিল্পকলা হৈছে মানুহৰ অন্তৰাত্মাৰ স্পন্দন, নান্দনিক চেতনাৰ প্ৰকাশ আৰু সত্য-সুন্দৰৰ অভিব্যক্তি। সত্য সুন্দৰৰ মাজৰ লাৱণ্যৰ তৰংগই শিল্পীৰ প্ৰাণত যেতিয়া আঘাত দিয়ে তেতিয়াই সৃজন বা সৃষ্টিয়ে দেখা দিয়ে। কাব্য আৰু সাহিত্য হ'ল বহুমুখী আৰু সাৱলীল প্ৰকাশ। প্ৰকৃতিয়ে যি সংগোপনে ৰাখিছে সেই গোপনীয়তা মানুহৰ মাজত অভিব্যক্ত কৰাই হৈছে শিল্পকলাৰ দায়িত্ব। প্ৰেৰণা, সৌন্দৰ্য আৰু আনন্দ হৈছে শিল্পকলা, সাহিত্য আৰু কাব্যৰ শক্তি।' তেওঁ পুনৰ কয় যে ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্য বাৰে বাৰে পঢ়ি আমি নান্দনিক অনুভূতিৰ দ্বাৰা ৰোমাঞ্চিত হওঁ। কিন্তু ২০ বছৰৰ পূৰ্বে জ্ঞানপীঠ বঁটা প্ৰাপ্ত এখন গ্ৰন্থ পঢ়ি আমি তেনেদৰে ৰোমাঞ্চিত নহ'বও পাৰোঁ। বক্তৃতানুষ্ঠানত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা, বৰ্তমান কৰ্মৰত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অধ্যাপক বাপ্পা ৰঞ্জন দাসে শলাগৰ শৰাই আগবঢ়ায়।

ছিকিমৰ স'তে বিটিআৰৰ বাণিজ্যিক

তিনি পৃষ্ঠাৰ পৰা আৰু ফুলৰ তোৰাৰে আদৰণি জনাই বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। পাছত সাংবাদিকৰ আগত প্ৰমোদ বড়োৱে ছিকিম ভাৰতবৰ্ষৰ ভিতৰতে এখন উদ্যোগিক, পৰ্যটক, চাহ উৎপাদন আৰু জৈৱিক ফাৰ্মৰ ক্ষেত্ৰত নামজ্বলা ক্ষুদ্ৰ ৰাজ্য বুলি সদৰী কৰি ছিকিমৰ স'তে বিটিআৰৰ বাণিজ্যিক দিশত সম্পৰ্ক গঢ়াৰ আগ্ৰহ প্ৰকাশ কৰে। এই ক্ষেত্ৰত অচিৰে বড়োভূমিৰ দল এটি ছিকিম ৰাজ্য পৰিভ্ৰমণ কৰি ৰাজ্যখনৰ উদ্যোগিক কোম্পানীসমূহৰে বিটিআৰে এক আলোচনাত মিলিত হ'ব আৰু উভয়ৰ মাজত দ্বি-পাক্ষিক চুক্তি সম্পন্ন কৰা হ'ব বুলি সদৰী কৰিছে। উল্লেখ্য যে ছিকিমৰ মুখ্যমন্ত্ৰী আৰু সতীৰ্থ দুই মন্ত্ৰী আজি বিটিআৰ পৰিদৰ্শনকালত আদৰণি জনোৱাৰ মুহূৰ্তত উপস্থিত আছিল বিটিআৰৰ উপ মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰী আৰু কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই ।

ৰংজুলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ-দুধনৈ

তিনি পৃষ্ঠাৰ পৰা ৰংজুলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কে'বাটাও চিকিৎসকৰ পদ খালী হৈ থকা বিষয় সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে আশ্বাস দিয়ে যে চিকিৎসকৰ পদসমূহ পৰ্যায় ক্ৰমে পূৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইপিনে, অলপতে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত সংঘটিত অগ্নিকাণ্ডৰ সম্পৰ্কত তেওঁ কয় যে ইতিমধ্যে ঘটনাৰ সমগ্ৰ প্ৰতিবেদন বিচৰা হৈছে। তদুপৰি ৰাজ্যখনৰ প্ৰতি জিলা সদৰৰ চিকিৎসালয়সমূহৰ অগ্নি সুৰক্ষা ব্যৱস্থাৰ বিষয়েও প্ৰতিবেদন বিচৰা হৈছে বুলি মন্ত্ৰীজনে উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰী মহন্তই দুধনৈৰ এফ আৰ ইউ হাস্পতাল পৰিদৰ্শন কৰে।

ৰাজীৱ বৰুৱা-দিগন্ত ওজালৈ সুন্দৰৰ

তিনি পৃষ্ঠাৰ পৰা 'পানীৰ ঘৰ, খালী বটলৰ মালিতা' আদি কে'বাখনো কবিতা পুথি প্ৰকাশ পায়। তদুপৰি 'নৈদানিক' গল্প সংকলন তেওঁৰ অনুপম সৃষ্টি। আনহাতে, দিগন্ত ওজা এজন চিন্তাশীল সাহিত্যিক-সমাজ বিজ্ঞানৰ পৰ্যবেক্ষক। সংবাদ জগতৰ ক্ষেত্ৰখনত তেওঁ সাতসৰী, প্ৰাগ নিউজ, জনসাধাৰণ, আমাৰ অসম, অসমীয়া প্ৰতিদিন, সাদিন' আদিত জড়িত হৈ নিজকে সত্যনিষ্ঠ সাংবাদিক আৰু দক্ষ সম্পাদক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। মুনীন বৰকটকী বঁটা প্ৰাপক ওজা সাহিত্য সমালোচক হিচাপেও পৰিচিত। তেওঁৰ জীৱনৰ পদ্য, ডাঙৰ মানুহৰ সাধু, সন্ধিক্ষণত মানুহ, জেহাদী, মৰ্ত্যৰ আমৰ্ত্য' আদি সৃষ্টিশীল সাধনাৰ অনন্য অৱদান। অনন্ত ৰাম দাস স্মৃতি প্ৰকাশনৰ সৰ্বস্ব সন্মান প্ৰতি বছৰে ১৯ জুলাইত সুন্দৰৰ সাধক অনন্ত ৰাম দাসৰ স্মৃতি দিৱসত প্ৰদান কৰা হয়। কিন্তু বিগত দুটা বৰ্ষত মহামাৰীৰ বাবে অনুষ্ঠান স্থগিত ৰখা হৈছিল। সেয়েহে অহা সাত ডিচেম্বৰত সুন্দৰৰ সাধকজনৰ ৯৪ সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি বৰুৱালৈ ২০২০ৰ আৰু দিগন্ত ওজালৈ ২০২১ৰ সুন্দৰৰ সাধক অনন্ত ৰাম দাস বঁটা প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে। লগতে লোক সংস্কৃতিৰ সাধিকা নিভা ৰাণী দাস স্মাৰক সাহিত্য প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলো বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি অনন্ত ৰাম দাস স্মৃতি প্ৰকাশনৰ প্ৰধান সম্পাদক কবিন দাসে এক বিজ্ঞপ্তিযোগে জনাইছে।

পলাশবাৰীত মন্ত্ৰী নেওগৰ আদৰ্শ

তিনি পৃষ্ঠাৰ পৰা এইদৰে উল্লেখ কৰে। লগতে মন্ত্ৰী নেওগে দখলা পাহাৰ শিখৰত থকা বুঢ়া গোসাঁইৰ থান পৰিদৰ্শন কৰি অভিভূত হৈ পৰা বুলি উল্লেখ কৰি বিধায়কক পৰিকল্পনা যুগুত কৰি পৰ্যটনস্থলীলৈ ৰূপান্তৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ সেয়েহে শিশুসকলক খাদ্যৰ লগতে পঢ়া-শুনাত ভাল এটি পৰিৱেশ এই আদৰ্শ গৃহৰ দ্বাৰা পাব পাৰে তাৰ বাবে অভিভাৱক তথা শিক্ষকসকলে গুৰুত্ব দিব লাগিব। বিগত সময়ছোৱাত ক'ভিডৰ বাবে ৰাজ্যৰ অংগনৱাড়ী কেন্দ্ৰসমূহ বন্ধ হৈ আছে। বৰ্তমান পৰিস্থিতি কিছু শিথিল হৈছে। নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰাৰ বাবে আজি পলাশবাৰী সমষ্টিত কে'বাটাও অংগনৱাড়ী কেন্দ্ৰৰ আদৰ্শ গৃহৰ আধাৰশিলা স্থাপন কৰা হয়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে পাঁচ নম্বৰ উপৰহালী অংগনৱাড়ী কেন্দ্ৰ, ২১ নম্বৰ উপৰহালী আদৰ্শ প্ৰাথমিক বিদ্যালয়, উপৰহালী ছোৱালী হাইস্কুল, মিৰ্জা কোচপাৰাৰ পানী যোগান আঁচনি, নিউ কল'নী পাইপ পানী যোগান আঁচনি, মিৰ্জা সামূহিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। মন্ত্ৰী নেওগে কাইলৈ বঙাইগাঁৱত কেবিনেট বৈঠক আছে, সেয়ে আজি পলাশবাৰী সমষ্টিৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰি বুজ লোৱা বুলি মন্তব্য কৰে। লগতে মিৰ্জা সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰায় ১৭ হেজাৰ লোকে ক'ভিড প্ৰতিষেধক লৈছে। ইয়াৰে সাত হেজাৰ লোকে প্ৰথম আৰু আঠ হেজাৰ লোকে দ্বিতীয় পালি লৈছে। বাকী যিসকলে প্ৰতিষেধক লোৱা নাই তেওঁলোকক অতি সোনকালে ল'বলৈ আহ্বান জনায়। আনহাতে, বিধায়ক হেমাংগ ঠাকুৰীয়াই দখলা পাহাৰৰ শিখৰত থকা পানী যোগান আঁচনি বহুদিন ধৰি বন্ধ হৈ থকা সন্দৰ্ভত উক্ত আঁচনিখনৰ বাবে ৰাজ্য চৰকাৰে প্ৰায় ১৫০ কোটি টকা অনুদান আগবঢ়োৱা হৈছে আৰু বৰ্তমান আঁচনিখনৰ কাম আৰম্ভ হৈ আছে বুলি মন্তব্য কৰে।

অসমীয়া সাহিত্য বিশ্ব সাহিত্যৰ তুলনাত

তিনি পৃষ্ঠাৰ পৰা বৰষুণ', প্ৰবন্ধ সংকলন 'উপকূল' আৰু বিভিন্ন লেখাৰ তথ্যসমৃদ্ধ সংকলন 'ভুৰুকা' উন্মোচন কৰে সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুনে। অনুষ্ঠানত ড° ৰীতামণি বৰাই প্ৰস্তুত কৰা 'ইমৰান শ্বাহৰ গল্পৰ শৈলীৰ বিশ্লেষণ' আৰু 'চুটিগল্প আৰু অন্যান্য প্ৰসংগ' উন্মোচন কৰে ক্ৰমে ইমৰান শ্বাহ আৰু শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° প্ৰকাশ কটকীয়ে। শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কবি-সাহিত্যিক প্ৰেম গগৈ, বুৰঞ্জীবিদ দিলীপ কুমাৰ বুঢ়াগোহাঞি, ৰংপুৰ সাহিত্য সভাৰ সভাপতি দিপালী ভট্টাচাৰ্য বৰুৱা, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, গীতিকাৰ দেৱ হাজৰিকা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিনিধি বিনোৱা টায়ে, স্বৰ্ণজ্যোতি বৰবৰা, সাংবাদিক মনোজ বৰঠাকুৰকে মুখ্য কৰি জিলাখনৰ বৌদ্ধিক ক্ষেত্ৰৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত যুৱকবি অংকুৰন ফুকনে ইমৰান শ্বাহক লৈ লিখা এটি গীত পৰিৱেশন কৰে অনাতাঁৰ শিল্পী সুশীল লাহনে, একোটিকৈ কবিতা পাঠ কৰে পদ্মা লাহন চেতিয়া, নৱনীত হাজৰিকাই আৰু এটি গীত পৰিৱেশন কৰে শিল্পী প্ৰবীণ হাজৰিকাই। ৰংপুৰ সাহিত্য সভাৰ সদস্যাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী'ৰে শুভাৰম্ভ কৰা অনুষ্ঠানত সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুন আৰু ড° প্ৰকাশ কটকীয়ে চমু মন্তব্য প্ৰকাশেৰে বিশিষ্ট সাহিত্যিজনক জন্মদিনৰ শুভকামনা জনোৱাৰ লগতে কলম যাতে এই বয়সতো থমকি নৰয় তাকে কামনা কৰে। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভা, ৰংপুৰ সাহিত্য সভা, উজনি অসম মুছলিম কল্যাণ পৰিষদ, চেৰেকাপাৰ শাখা সাহিত্য সভা, শিৱসাগৰ জিলা লেখিকা সমাৰোহ সমিতি, নেচাৰ্চ বেকন, চৰগুৱা শাখা সাহিত্য সভা, শিৱসাগৰ যুৱ দল, হাঁহচৰা সাহিত্য সভা, দিখৌমুখ সাহিত্য সভা, নাজিৰা কবি সন্মিলন, জোনাকী সমাজ, ডিমৌ শাখা সাহিত্য সভাকে ধৰি শিৱসাগৰৰ বহুসংখ্যক সামাজিক, স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিয়ে বিশিষ্ট সাহিত্যিকগৰাকীক ফুলাম গামোছা, চেলেং, গ্ৰন্থৰ টোপোলা, গছপুলি, ফুলৰ তোৰা, জাপি আদিৰে ওপজা দিনৰ ওলগ জ্ঞাপন কৰে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

বিশিষ্ট চিকিৎসক ডাঃ পাৰ্থ সাৰথি

তিনি পৃষ্ঠাৰ পৰা মোমায়েক তথা প্ৰখ্যাত চাহ খেতিয়ক ৰমেশ চন্দ্ৰ বৰুৱাৰ বাসগৃহত তেওঁৰ জন্ম হৈছিল। ডাঃ বৰুৱাৰ পিতৃ আছিল প্ৰথিতযশা শিক্ষাবিদ তথা প্ৰখ্যাত ফটোগ্ৰাফাৰ কৃষ্ণ দাস বৰুৱা আৰু মাতৃ আছিল সত্যৰেখা বৰুৱা। নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰা বৰুৱাই ১৯৭০ত ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানত উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছত প্ৰথমে ১০ বছৰ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চাকৰি কৰাৰ পাছত পৰৱৰ্তী ২২ বছৰ তেওঁ নগাঁৱৰ আৰক্ষী বিভাগৰ চিকিৎসালয়ত চিকিৎসক হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। প্ৰখ্যাত ফটোগ্ৰাফাৰৰূপেও পৰিচিত ডাঃ বৰুৱাই নগাঁৱৰ বিভিন্ন ঐতিহ্যমণ্ডিত স্থান, অনুষ্ঠান-প্ৰতিষ্ঠানৰ ফটো তুলিছিল। ডাঃ বৰুৱাই সংগ্ৰহ কৰি ৰাখিছিল বৰ্তমান নাইকিয়া হৈ পৰাৰ বিভিন্ন আচবাব, পুৰণা মূৰ্তি, এশ বছৰৰ পূৰ্বৰ দলং, বিভিন্ন জনগোষ্ঠীৰ পুৰণা বাসগৃহ আদিৰ ছবিৰ লগতে এইবোৰৰ নিৰ্মাণৰ সময়, ইতিহাস আদিৰ তথ্য। তাৎপৰ্যপূৰ্ণ যে নগাঁৱৰ ফৌজদাৰীপট্টিৰ গুণাভিৰাম বৰুৱা পথ আৰু কুতুবুদ্দিন আহমেদ পথৰ সংযোগ স্থালত থকা ১৯০৫তে নিৰ্মিত আৰক্ষী চিকিৎসালয়খন ডাঃ বৰুৱাৰ তৎপৰতাতে আদি ৰূপত সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল। অকল ঐতিহ্যমণ্ডিত সম্পদৰ আলোকচিত্ৰেই নহয়, ডাঃ পাৰ্থসাৰথি বৰুৱাৰ ব্যক্তিগত সংগ্ৰহালয়ত আছে বহু দেশী-বিদেশী চিনেমা। উল্লেখ্য যে আজি বিয়লি যকৃৎজনিত জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বিশিষ্ট চিকিৎসক তথা প্ৰখ্যাত ফটোগ্ৰাফাৰজনে যোৱা ছয় নৱেম্বৰত তেওঁৰ ইচ্ছাপত্ৰ লিখি থৈ গৈছে। এই ইচ্ছাপত্ৰত তেওঁ উল্লেখ কৰে যে তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ শৰীৰ ইলোৰা বিজ্ঞান মঞ্চৰ নগাঁও শাখাৰ জৰিয়তে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত দান কৰা হৈছে। সেই অনুযায়ী মৃত্যুৰ লগে লগে ইলোৰা বিজ্ঞান মঞ্চৰ সত্যজিৎ ৰায়, যজ্ঞেশ্বৰ শৰ্মা আৰু গুণেন্দ্ৰ চক্ৰৱৰ্তীৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। তেওঁৰ মৃত্যুৰ পাছত কোনো ধৰণৰ পাৰলৌকিক অনুষ্ঠান তেওঁৰ ঘৰৰ চৌহদত অনুষ্ঠিত নকৰিবলৈ আহ্বান জনাইছে। এটা সুবিধাজনক দিন নিৰ্বাচন কৰি অধ্যাপক বিজিত বৰঠাকুৰৰ পৰিচালনাত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰিবলৈ আহ্বান জনোৱাৰ কথাও ইচ্ছা পত্ৰত লিখি থৈ গৈছে। বিশিষ্ট চিকিৎসকজনৰ মৃত্যুত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, বিশিষ্ট সমাজকৰ্মী মুকুট চন্দ্ৰ ভূএগ, পান্থতৰু সংৰক্ষণী অসমৰ সভাপতি-সম্পাদক ক্ৰমে ড° কুলেন দাস আৰু বুবুল শৰ্মা, সদৌ অসম সাংবাদিক সন্থা চমুকৈ আজুৰ নগাঁও জিলা সমিতি, নৱৰূপ জাতীয় বিদ্যাপীঠ, আলিবাট প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰাঞ্জল কুমাৰ মহন্ত, বিশিষ্ট কবি ডাঃ প্ৰয়াগ শইকীয়া, বিশিষ্ট গল্পকাৰ শিবানন্দ কাকতি আদিয়ে শোক প্ৰকাশ কৰিছে।

বড়ো ভ্ৰাম্যমাণৰ ইতিহাস ৰচনা কৰা

তিনি পৃষ্ঠাৰ পৰা উল্লেখ্য যে মন্ত্ৰী ব্ৰহ্মই বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰী, বড়ো কছাৰী স্বায়ত্ত শাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য মহীপাল বড়োৰ লগতে জিলা প্ৰশাসনৰ কে'বাগৰাকীও প্ৰশাসনিক বিষয়া, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীক লগত লৈ জিলাখনৰ সামগ্ৰিক সমস্যাৰ সন্দৰ্ভত পৰিদৰ্শন কৰি বুজ লয়। সেই মৰ্মে পাটাছাৰকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ক'ভিড কেন্দ্ৰত উপস্থিত হৈ মন্ত্ৰী ব্ৰহ্মই আন্তঃগাঁথনিকে ধৰি বিভিন্ন সমস্যাৰ বুজ লয়। লগতে ঐতিহ্যমণ্ডিত পাটাছাৰকুছি প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়খনক কালদিয়া নদীৰ খহনীয়াই ভাবুকিৰ সৃষ্টি কৰা দৃশ্যও পৰিদৰ্শন কৰে। পাটাছাৰকুছি প্ৰাথমিক বিদ্যালয়ৰ উপৰি পাটাছাৰকুছিস্থিত অংগনৱাড়ী কেন্দ্ৰ, বাচ্যপাৰা অংগনৱাড়ী কেন্দ্ৰসমূহৰ সমস্যাৰাজিৰ বুজ লৈ বিদ্যালয়ৰ আৰু অংগনৱাড়ী কেন্দ্ৰ দুটাৰ শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ স'তে মত বিনিময় কৰে। আনহাতে, পাটাছাৰকুছি প্ৰেছ ক্লাবত উপস্থিত হৈ সাংবাদিকৰ স'তেও বাৰ্তালাপ কৰে। মন্ত্ৰী ব্ৰহ্মই জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ জৰিয়তে নতুনকৈ নিৰ্মাণ কৰা বন্ধসিধনী আৰু বৰসাদেৰীত পৃথকে পৃথকে দুখন জলজীৱন মিছন আঁচনিৰ উদ্বোধন কৰে। উল্লেখ্য যে এইবেলি সুদীৰ্ঘ ৪৮ সংখ্যক বৰ্ষত পদাৰ্পণ কৰা বড়ো ভাষাৰ প্ৰথমখন ভ্ৰাম্যমাণ নাট্যদল চন্দ্ৰকান্ত মুছাহাৰী প্ৰযোজিত স্বৌৰাং মঞ্জু থিয়েটাৰৰ জন্মস্থান লেচেৰা গাঁৱত উপস্থিত হৈ মন্ত্ৰী ব্ৰহ্মই অভিভূত হৈ পৰে। তেওঁ স্বৌৰাং মঞ্জু থিয়েটাৰৰ প্ৰযোজকৰ বাসগৃহ আৰু আখৰা গৃহ প্ৰত্যক্ষ কৰে। লগতে প্ৰথমবাৰৰ বাবে বৃহত্তৰ লেচেৰা অঞ্চলত পদাৰ্পণ কৰি অঞ্চলটোত স্বৌৰাং মঞ্জু থিয়েটাৰে সৃষ্টি কৰা সাংস্কৃতিক পৰিৱেশৰ লগতে ভ্ৰাম্যমাণ নাট্যদলটোৱে আৰু প্ৰযোজক মুছাহাৰীয়ে সুদীৰ্ঘ ৪৮টা বছৰ ধৰি অসমৰ সাংস্কৃতিক পথাৰখন উৰ্বৰ কৰি তোলা বুলি তেওঁ প্ৰশংসা কৰে। মন্ত্ৰীজনে লেচেৰা ভেঠুৰা পাকা সৰি, আমদহ, বৰলা আদি অঞ্চলৰ আৰ্থ সামাজিক শৈক্ষিক সাংস্কৃতিক, ক্ৰীড়া আদিকে ধৰি ভিন্ন দিশৰ সম্পৰ্কত বুজ লৈ ৰাইজৰ স'তে মত বিনিময় কৰে। মন্ত্ৰীব্ৰহ্মক লেচেৰা গাঁৱত গএগ ৰাইজে সম্বৰ্ধনা জ্ঞাপন কৰে। ভেঠুৰা এল পি স্কুল, লেচেৰা এল পি স্কুল আৰু পাকা সৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়সমূহৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ উপৰি শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ স'তে দীৰ্ঘ সময় ধৰি পৃথকে পৃথকে মত বিনিময় কৰে। তদুপৰি লেচেৰাৰ বিধ্বস্ত হৈ থকা অংগনবাড়ী কেন্দ্ৰটো মন্ত্ৰীজনে প্ৰত্যক্ষ কৰে। উল্লেখ্য যে বন্ধসিধনী বজাৰত পাচলি বিক্ৰেতাৰ স'তে দীৰ্ঘ সময় মত বিনিময় কৰি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বৃহত্তৰ অঞ্চলটোৰ কৃষি কাৰ্য আৰু কৃষকৰ সমস্যা সন্দৰ্ভতো অধ্যয়ন কৰে। বজালী জিলা পৰিদৰ্শন কৰি মন্ত্ৰী ব্ৰহ্মই সংবাদ মাধ্যমৰ আগত কয় যে মন্ত্ৰীসকলে কেবিনেটত অহা- যোৱাৰ আগতে দুখন জিলা পৰিদৰ্শন কৰিব লাগে। ইয়াৰ উদ্দেশ্য হৈছে চৰকাৰ আৰু ৰাইজৰ মাজত যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰা। মন্ত্ৰী ব্ৰহ্মই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যি দৰে ভাৰতবৰ্ষক আগুৱাই নিয়াৰ প্ৰয়াস কৰা হৈছে তেনেকৈ অসমখনো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আগুৱাই নিয়াৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াত আমি সকলোৱে সহমতত উপনীত হ'ব লাগে।

মন্দিৰত চৰকাৰৰ নিয়ন্ত্ৰণ ঃ এইবাৰ দিল্লীৰ কালকাজী মন্দিৰত সাধু-সন্তৰ আন্দোলন

নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ নৱেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ কৃষি আইনৰ তীব্ৰ বিৰোধিতাৰে দীৰ্ঘদিন আন্দোলন অব্যাহত ৰাখি দেশৰ কৃষক সংগঠনে সফলতা লাভ কৰাৰ পাছত এইবাৰ চৰকাৰ বিৰোধিতাৰে আন্দোলনৰ বাবে সাজু হৈছে দেশৰ সাধু-সন্ত সমাজ। ইতিমধ্যে দেশৰ বিভিন্ন অঞ্চলৰ পৰা আহি দিল্লীৰ কালকাজী মন্দিৰত একাংশ সাধু-সন্তই মঠ-মন্দিৰ মুক্তি আন্দোলন আৰম্ভ কৰিছে। দেশৰ মঠ-মন্দিৰসমূহক চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰিবলৈ আইন প্ৰৱৰ্তনৰ দাবীৰে সাধুসকলে এই আন্দোলন আৰম্ভ কৰিছে। অখিল ভাৰতীয় সন্ত সমিতিৰ তত্ত্বাৱধানত দিল্লীত আৰম্ভ কৰা এই আন্দোলনত অংশ লোৱা সাধুসকলে কয় যে প্ৰয়োজনত তেওঁলোকে দিল্লীৰ ৰাজপথ অৱৰোধ কৰিবলৈ সাজু আছে। আন্দোলনকাৰী সাধুসকলে তৎকালীনভাৱে দেশৰ মঠ-মন্দিৰসমূহ চৰকাৰী নিয়ন্ত্ৰণমুক্ত কৰাৰ দাবী জনাইছে। অখিল ভাৰতীয় অখাড়া পৰিষদৰ মুৰব্বী মহন্ত ৰবীন্দ্ৰ পুৰী মহাৰাজে উচ্চতম ন্যায়ালয়ৰ এক সিদ্ধান্তৰ কথা উল্লেখ কৰি মঠ-মন্দিৰত অবৈধভাৱে চৰকাৰৰ দখলৰ সন্দৰ্ভত অসন্তুষ্টি প্ৰকাশ কৰে।

এইমছ্‌ত অচিনাক্ত ফাংগাছ সংক্ৰমণত দুজনৰ মৃত্যু ঃ চিন্তিত চিকিৎসক

নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ নৱেম্বৰ ঃ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত 'ব্লেক' আৰু 'হোৱাইট' ফাংগাছ অৰ্থাৎ ভেঁকুৰজনিত সংক্ৰমণৰ ঘটনাৰ পাছত এইবাৰ এবিধ নতুন ধৰণৰ ফাংগাছৰ সংক্ৰমণৰ ফলত দুজন ৰোগীৰ মৃত্যু হোৱা ঘটনাই চিকিৎসকসকলক চিন্তিত কৰি তুলিছে। নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ চিকিৎসকে দুজন ৰোগীৰ শৰীৰত অচিনাক্ত ভেঁকুৰজনিত সংক্ৰমণ চিনাক্ত কৰিছিল। চিকিৎসাধীন অৱস্থাত এই দুজন ৰোগীৰ মৃত্যু হ'ল। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি, বিভিন্ন দৰৱ প্ৰয়োগ কৰা হৈছিল যদিও সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত কোনো ফলাফল লাভ কৰা নহ'ল। এই ফাংগাছ এস্পৰজিলিয়াছ লেণ্টুলাছ প্ৰজাতিৰ আছিল। এই প্ৰজাতিৰ ফাংগাছে মানৱ দেহৰ হাওঁফাওঁক আক্ৰান্ত কৰে। ২০০৫ত প্ৰথমবাৰৰ বাবে এই প্ৰজাতিৰ ফাংগাছক চিনাক্ত কৰা হৈছিল আৰু বৰ্তমানলৈকে বিশ্বৰ কে'বাখনো দেশত এনে ভেঁকুৰজনিত সংক্ৰমণ ধৰা পৰিছে।

২৫ কংগ্ৰেছ বিধায়ক আপলৈ আহিবলৈ প্ৰস্তুত, আমিহে আৱৰ্জনা বিচৰা নাই ঃ দাবী কেজৰিৱালৰ

নিউজ ব্যুৰ', অমৃতসৰ, ২৩ নৱেম্বৰ ঃ পঞ্জাৱ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিত ব্যস্ত আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে অমৃতসৰত সাংবাদিকৰ আগত কয় যে পঞ্জাৱৰ শাসনাধিষ্ঠিত কংগ্ৰেছ দলৰ কমেও ২৫ জন বিধায়ক আৰু দুই-তিনিজন সাংসদে আপৰ স'তে যোগাযোগ কৰি দলটোৰ সদস্যভুক্ত হ'ব বিচাৰিছে। 'কংগ্ৰেছৰ কে'বাজনো বিধায়ক-সাংসদে আমাৰ স'তে যোগাযোগ অব্যাহত ৰাখিছে। কিন্তু আমি কংগ্ৰেছৰ আৱৰ্জনা ল'ব বিচৰা নাই। আমি যদি এনে কৰিব বিচাৰিলোহেঁতেন তেন্তে মই প্ৰত্যাহ্বান জনাই কওঁ যে পঞ্জাৱত কংগ্ৰেছৰ ২৫ বিধায়ক আৰু দুই-তিনিজন সাংসদ আজি বিয়লিবেলালৈকে আমাৰ দলত অন্তৰ্ভুক্ত হ'ব। এইসকল বিধায়ক আৰু সাংসদে সঘনে আমাৰ স'তে যোগাযোগ কৰাৰ লগতে আপত যোগদান কৰিব বিচাৰিছে।'

চেন্নাইত ১৬০ টকা হ'ল বিলাহীৰ প্ৰতিকিলোৰ মূল্য

নিউজ ব্যুৰ', চেন্নাই, ২৩ নৱেম্বৰ ঃ দেশত শাক-পাচলিৰ মূল্য সাম্প্ৰতিক সময়ত প্ৰতিদিনে ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। বিশেষকৈ এইবাৰ ভাৰতৰ বিভিন্ন ৰাজ্যত বিলাহীৰ মূল্য সৰ্বকালৰ সৰ্বাধিক হৈছে। সাধাৰণতে শীতকালত ১০-২০ টকা মূল্যতে বজাৰত বিলাহী বিক্ৰী হয়। কিন্তু এইবাৰ দেশৰ প্ৰায়বোৰ অঞ্চলতে প্ৰতিকিলো বিলাহীৰ মূল্য ৮০-১০০ টকা হৈছে। চেন্নাইত সম্প্ৰতি প্ৰতিকিলো বিলাহীৰ মূল্য ১৬০ টকালৈ বৃদ্ধি পাইছে। অন্ধ্ৰ প্ৰদেশ আৰু কৰ্ণাটকত হোৱা বানৰ পৰিণতিত বিলাহীৰ খেতি ক্ষতিগ্ৰস্ত হোৱাৰ ফলত দক্ষিণ ভাৰতত বিলাহীৰ মূল্য সৰ্বকালৰ সৰ্বাধিক হৈছে। উৎপাদন হ্ৰাসৰ লগতে অত্যধিক চাহিদা আৰু পৰিবহণ ব্যয় বৃদ্ধিৰ ফলত তামিলনাডুত প্ৰতি কিলো বিলাহীৰ মূল্য সৰ্বাধিক ১৬০ টকালৈ বৃদ্ধি পাইছে। বাংগালুৰুত প্ৰতি কিলো বিলাহী ১১০ টকা আৰু পিঁয়াজ ৬০ টকাত বিক্ৰী হৈছে। মুম্বাইত বিলাহী ৮০ টকা, পিঁয়াজ ৬০ টকা আৰু দিল্লীত বিলাহী কিলোত ৭০-১০০ টকাত বিক্ৰী হৈছে।

মৃত্যুৰ পাছত সম্পত্তিৰ অধিকাৰক লৈ সন্তানৰ বিবাদ নিবিচাৰে ঃ পছন্দ কৰিলে অৰ্বুদপতি ৱাল্টন পৰিয়ালৰ পদ্ধতি

নিজৰ সম্পত্তি ভগাই দিবলৈ চিন্তা-চৰ্চা ৰিলায়েন্সৰ স্বত্বাধিকাৰী আম্বানীৰ

নিউজ ব্যুৰ' মুম্বাই, ২৩ নৱেম্বৰ ঃ এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ স্বত্বাধিকাৰী মুকেশ আম্বানীয়ে তেওঁৰ সম্পত্তিৰ ভাগ-বাটোৱাৰাক লৈ চিন্তা-চৰ্চা কৰিছে। ব্লুমবৰ্গৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ৰিলায়েন্সৰ মুৰব্বীয়ে তেওঁৰ মৃত্যুৰ পাছত যাতে সন্তানে সম্পত্তিৰ অধিকাৰক লৈ বিবাদ লিপ্ত নহয়, সেই কথা জীৱিত অৱস্থাতে নিশ্চিত কৰিব বিচাৰিছে। নিজৰ সম্পত্তিৰ উত্তৰাধিকাৰী নিৰ্বাচন আৰু সা-সম্পত্তিৰ ভাগ-বাটোৱাৰাৰ বাবে আম্বানীয়ে বিশ্বৰ অন্যান্য ধনাঢ্য ব্যক্তিসকলৰ উত্তৰাধিকাৰ পৰিকল্পনা বিশ্লেষণ কৰিছে। যিসমূহ অৰ্বুদপতিৰ উত্তৰাধিকাৰ পৰিকল্পনা আম্বানীয়ে এতিয়ালৈকে বিশ্লেষণ কৰিলে, ইয়াৰ ভিতৰত ৰিলায়েন্সৰ স্বত্বাধিকাৰীয়ে ৱাল্টন পৰিয়ালৰ পৰিকল্পনা সবাতোকৈ পছন্দ কৰিছে। ব্লুমবৰ্গৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা মতে, সম্পত্তিক লৈ যাতে পুত্ৰ-কন্যাৰ মাজত ভৱিষ্যতে কোনো সংঘাতৰ সৃষ্টি নহয়, সেই কথা আম্বানীয়ে জীৱন কালতে সমাধান কৰিব বিচাৰিছে। উল্লেখ্য যে ২০০২ত পিতৃ ধীৰুভাই আম্বানীৰ মৃত্যুৰ পাছত সম্পত্তিৰ অধিকাৰক লৈ দুই পুত্ৰ মুকেশ আম্বানী আৰু অনিল আম্বানীৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। পাছত মাতৃ আনন্দিবেনে দুই পুত্ৰৰ মাজত

সম্পত্তি ভগাই দিছিল। এই সমস্যাৰ সন্মুখীন হোৱা মুকেশে সেয়েহে বিচৰা নাই যে তেওঁৰ অনুপস্থিতিত সন্তানে সম্পত্তিৰ অধিকাৰক লৈ সংঘাতত লিপ্ত হওক। ৱালমাৰ্টৰ প্ৰতিষ্ঠাপক ছেম ৱাল্টনে ১৯৫৩ত তেওঁৰ মৃত্যুৰ ৪০ বছৰ পূৰ্বে উত্তৰাধিকাৰ পৰিকল্পনা যুগুত কৰিছিল আৰু মুঠ সম্পত্তিৰ ৮০ শতাংশ চাৰি সন্তানৰ মাজত ভগাই দিছিল। ৱাল্টনে কোম্পানীৰ ব্যৱসায়ৰ চোৰাচিতাৰ দায়িত্বও দৈনিক হিচাপত প্ৰৱন্ধকৰ হাতত উত্তৰাধিকাৰ পত্ৰৰ জৰিয়তে অৰ্পণ কৰিছিল। প্ৰৱন্ধকৰ কাম-কাজ নজৰত ৰাখিবলৈ ৱাল্টনে তেওঁৰ জ্যেষ্ঠ পুত্ৰ আৰু ভতিজাক লৈ এখন পৰিষদ গঠন কৰি দিছিল। প্ৰকাশিত বাতৰি অনুসৰি, আম্বানীয়ে ৱাল্টনৰ এই উত্তৰাধিকাৰ পত্ৰখন সবাতোকৈ অধিক পছন্দ কৰিছে। আম্বানীয়ে এটা ন্যাসলৈ তেওঁৰ সম্পত্তি হস্তান্তৰ কৰাৰ সম্ভাৱনা আছে আৰু এই ন্যাসে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মালিকানা লাভ কৰিব। এই ন্যাসত মুকেশ আম্বানী, পত্নী নীতা আম্বানী, তিনি সন্তানৰ অংশ থাকিব।

পুনৰ উত্তপ্ত আগৰতলা, তৃণমূল প্ৰাৰ্থীৰ ঘৰলৈ গুলিবৰ্ষণ

নিউজ ব্যুৰ', আগৰতলা, ২৩ নৱেম্বৰ ঃ পৌৰ নিৰ্বাচনলৈ মাজত মাত্ৰ এদিন থকা অৱস্থাত আকৌ এবাৰ উত্তপ্ত হৈ উঠিল ত্ৰিপুৰাৰ ৰাজধানী আগৰতলা। এইবাৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ বাসগৃহলৈ গুলিবৰ্ষণৰ অভিযোগ উত্থাপিত হ'ল বিজেপিৰ বিৰুদ্ধে। অৱশ্যে বিজেপিয়ে এই অভিযোগ অস্বীকাৰ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি সোমবাৰে নিশা আগৰতলা পৌৰ নিগমৰ এক নম্বৰ ৱাৰ্ডৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰী মজুমদাৰৰ বাসগৃহলৈ দুষ্কৃতিকাৰীয়ে দুই ৰাউণ্ড গুলিবৰ্ষণ কৰিছিল। তালুকদাৰে দাবী কৰা অনুসৰি, গুলিবৰ্ষণ কৰা এজন ব্যক্তিক তেওঁ চিনি পায় আৰু সেই ব্যক্তিজন হৈছে স্থানীয় বিজেপি নেতা ৰঞ্জিত মজুমদাৰ।

অন্য ৰাজ্যৰ পৰা ত্ৰিপুৰালৈ আহি অশান্তিৰ সৃষ্টি কৰিছে বালি-কয়লা মাফিয়াই ঃ বিপ্লৱ

নিউজ ব্যুৰ', আগৰতলা, ২৩ নৱেম্বৰ ঃ ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনৰ পূৰ্বে কলকাতাৰ পৰা আহি তৃণমূল কংগ্ৰেছৰ নেতাই বিপ্লৱ দেৱৰ বিজেপি চৰকাৰক আক্ৰমণৰ লক্ষ্য হিচাপে লৈছে। তৃণমূল কংগ্ৰেছৰ এনে তৎপৰতাক কঠোৰভাৱে সমালোচনা কৰি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী দেৱে অভিযোগ কৰি কয় যে পশ্চিমবংগৰ পৰা নানা কেলেংকাৰিৰ নায়ক আৰু মাফিয়াই ত্ৰিপুৰালৈ আহি উত্তৰ-পূবৰ এইখন ৰাজ্যক অশান্ত কৰিব বিচাৰিছে। এনে অপচেষ্টাৰ প্ৰত্যুত্তৰ ত্ৰিপুৰাবাসীয়ে পৌৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছক দিব বুলি দেৱে দাবী কৰে। পৌৰ নিৰ্বাচনৰ প্ৰচাৰৰ অন্তত দেৱে মন্তব্য কৰি কয়, 'আন ৰাজ্যৰ পৰা বালি মাফিয়া, কয়লা মাফিয়া, গৰু সৰবৰাহকাৰী, সাৰদা আৰু নাৰদ কেলেংকাৰিত জড়িত লোকসকল ইয়ালৈ আহি অশান্তি সৃষ্টি কৰিব বিচাৰিছে। শান্ত ত্ৰিপুৰাক অশান্ত কৰিছে। পৌৰ নিৰ্বাচনৰ ফলাফলত মানুহে ইয়াৰ উত্তৰ দিব।'

চেন্ট্ৰেল ভিষ্টা প্ৰকল্প সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে ক'লে 'প্ৰধানমন্ত্ৰীৰ বাসভৱন ক'ত নিৰ্মাণ কৰিব লাগিব সেয়া দেশবাসীক সুধিব লাগিব নেকি?'

নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ নৱেম্বৰ ঃ উচ্চতম ন্যায়ালয়ে চেন্ট্ৰেল ভিষ্টা প্ৰকল্পৰ সন্দৰ্ভত দাখিল কৰা এখন আবেদন আজি প্ৰত্যাখ্যান কৰিলে। আবেদনকাৰীয়ে চেন্ট্ৰেল ভিষ্টা প্ৰকল্পৰ অধীনত নিৰ্মাণ কৰা ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহ উক্ত স্থানৰ পৰিৱৰ্তে আন অঞ্চলত নিৰ্মাণ কৰাৰ দাবী জনাইছিল। উল্লেখ্য যে চেন্ট্ৰেল ভিষ্টা প্ৰকল্পক প্ৰত্যাহ্বান জনাই একাধিক আবেদন সৰ্বোচ্চ ন্যায়ালয়ত দাখিল কৰা হৈছিল। আজি ন্যায়াধীশ এ এম খানউইলকৰে ৰাজীৱ সূৰী নামৰ এজন ব্যক্তিয়ে দাখিল এখন আবেদন প্ৰত্যাখ্যান কৰি কয় যে চেন্ট্ৰেল ভিষ্টা প্ৰকল্প কোনো ব্যক্তিগত সম্পত্তি নহয়, কিয়নো ইয়াৰ জৰিয়তে উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহ নিৰ্মাণ কৰা হৈছে। বাসগৃহ নিৰ্মাণ কৰিলেও উক্ত অঞ্চলৰ চাৰিওকাষে বৰ্তমানৰ দৰে সেউজ পৰিৱেশ তথা গছ-গছনি সুৰক্ষিত ৰখা হ'ব বুলি ন্যায়াধীশজনে জানিবলৈ দিয়ে। আবেদনকাৰীয়ে দাবী কৰি কৈছিল যে চেন্ট্ৰেল ভিষ্টা প্ৰকল্পৰ ফলত উক্ত অঞ্চলত বাস কৰা লোকসকল সমস্যাগ্ৰস্ত হ'ব। এই বিষয়ত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ খানউইলকৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এতিয়া চৰকাৰে সাধাৰণ নাগৰিকক সুধি উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ বাসগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগিব নেকি?

বুলগেৰিয়াত বাছত ভয়াৱহ অগ্নিকাণ্ডত ৪৫ জনৰ মৃত্যু

নিউজ ব্যুৰ' ছ'ফিয়া, ২৩ নৱেম্বৰ ঃ দক্ষিণ-পূব ইউৰোপৰ দেশ বুলগেৰিয়াত আজি এখন বাছত সংঘটিত হোৱা ভয়াৱহ অগ্নিকাণ্ডত কমেও ৪৫ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত ১২টা শিশুও আছে। বাছত সংঘটিত হোৱা অগ্নিকাণ্ডত সাতজন লোক আহত হৈছে। অগ্নিকাণ্ডত মৃত্যু হোৱা সৰহসংখ্যক যাত্ৰী উত্তৰ মেছেড'নিয়াৰ বাসিন্দা আছিল। কাৰিকৰী বিজুতিৰ কাৰণত বাছখনত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি প্ৰাথমিক তদন্তত আৰক্ষীয়ে সন্দেহ কৰিছে।

বিজেপিৰ পাছত ভাৰতক কংগ্ৰেছমুক্ত কৰিব বিচাৰিছে মমতাই?

নিউজ ব্যুৰ' নতুন দিল্লী, ২৩ নৱেম্বৰ ঃ পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত চমকপ্ৰদ জয়ৰ পাছত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে ২০২৪ত দেশত অনুষ্ঠিত হ'ব লগা লোকসভাৰ নিৰ্বাচনৰ বাবে প্ৰস্তুতি ব্যাপক কৰি তুলিছে। মমতাৰ এই অভিযানৰ অন্যতম এক লক্ষ্যত পৰিণত হৈছে কংগ্ৰেছ দল। মমতাৰ জনপ্ৰিয়তা আৰু ৰাজনৈতিক সক্ৰিয়তা বৃদ্ধিৰ লগে লগে কংগ্ৰেছৰ এজনৰ পাছত আন এজন গুৰুত্বপূৰ্ণ নেতাই দল ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিবলৈ ধৰিছে। কংগ্ৰেছ ত্যাগ কৰি মমতাৰ দলত ইতিমধ্যে যোগদান কৰা নেতাসকলৰ ভিতৰত সুস্মিতা দেৱ, লুইজিনহু ফেলেৰিঅ', অভিজিৎ মুখাৰ্জী, ললিতেশ পতি ত্ৰিপাঠী অন্যতম। কংগ্ৰেছ নেতা কীৰ্তি আজাদ, অশোক টানৱাৰেও অচিৰে তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ কথা। মমতাই এইদৰে কংগ্ৰেছীসকলক নিজ দললৈ আদৰি ভাৰতক কংগ্ৰেছমুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা বুলি ৰাজনৈতিক মহলত চৰ্চিত হৈছে। ২০২৪ক লৈ মমতাৰ এই অভিযানত বিশেষ সহযোগিতা আগবঢ়াইছে দেশৰ আগশাৰীৰ নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে। মমতাৰ

জনপ্ৰিয়তা বৃদ্ধি পোৱাৰ লগে লগে কংগ্ৰেছ ক্ষতিগ্ৰস্ত হ'বলৈ ধৰিছে। ভাৰতক কংগ্ৰেছমুক্ত কৰাৰ শ্ল'গান বিজেপিয়ে দি আহিছে যদিও এতিয়া এই ক্ষেত্ৰত মমতা নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে বিশেষ ভূমিকাত অৱতীৰ্ণ হৈছে। অৱশ্যে কংগ্ৰেছক দুৰ্বল কৰি মমতাই বিৰোধীৰ নেতৃত্বৰ ক্ষেত্ৰত কিমানদূৰ সফলতা অৰ্জন কৰিব পাৰিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

২০২৪ৰ মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্বাচনতো প্ৰতিদ্বন্দ্বিতা কৰিব বাইডেনে

নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৩ নৱেম্বৰ ঃ আমেৰিকাৰ সবাতোকৈ বৃদ্ধ ৰাষ্ট্ৰপতি জ' বাইডেনৰ ৰাজনৈতিক চমক হ্ৰাস পালেও ২০২৪ৰ মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত আকৌ এবাৰ ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰে বৰ্তমানৰ ৰাষ্ট্ৰপতিজনে। বাইডেনৰ বৰ্তমানৰ বয়স ৭৯ বছৰ আৰু আমেৰিকাৰ ইতিহাসত তেৱেঁ হৈছে সবাতোকৈ বয়স্ক ৰাষ্ট্ৰপতি। হোৱাইট হাউছৰ প্ৰেছ সচিব জেন পাস্কিয়ে প্ৰকাশ কৰা অনুসৰি, বাইডেনে ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পুনৰ প্ৰাৰ্থী হিচাপে থিয় দিব। ২০২৪ৰ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে বুলি চৰ্চিত হোৱাৰ সময়তে হোৱাইট হাউছে প্ৰকাশ কৰিলে যে ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনতো অংশ ল'ব বাইডেনে।

দেশত পুনৰ হ্ৰাস দৈনিক সংক্ৰমণ, মৃত্যু ২৩৬ জনৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ নৱেম্বৰ ঃ সোমবাৰৰ তুলনাত মঙলবাৰেও দেশত ক'ভিড-১৯ৰ সংক্ৰমণ হ্ৰাস পালে। বিগত ২৪ ঘণ্টাত নতুনকৈ দেশত ৭৫৭৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, মঙলবাৰে ক'ভিডত পুনৰ প্ৰাণ হেৰুৱালে ২৩৬ জন লোকে। আজিৰ দিনটোত সুস্থ হৈ উঠিল ১২,২০২ জন ক'ভিড ৰোগী। বিগত ৫৩৬ দিনৰ পাছত ভাৰতত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা ০.৩৩ শতাংশলৈ হ্ৰাস পালে। বৰ্তমানলৈকে দেশত তিনি কোটি ৪৫ লাখ ২৬ হেজাৰ ৪৮০ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। এতিয়াও দেশৰ ভিতৰতে কেৰালাত সৰ্বাধিকসংখ্যক লোক দৈনিক ক'ভিডত আক্ৰান্ত হৈ আহিছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত ৩৬৯৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি ৰাজ্যখনত ৭৫ জন ক'ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হৈছে।

কৰ'না আক্ৰান্ত কমল হাছন সুস্থ আছে চিকিৎসালয়ত

নিউজ ব্যুৰ', চেন্নাই, ২৩ নৱেম্বৰ ঃ দক্ষিণ ভাৰতৰ জনপ্ৰিয় অভিনেতা কমল হাছন সম্প্ৰতি চেন্নাইৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। কালি বিয়লি বেলা অভিনেতাজনে টুইটাৰৰ জৰিয়তে ক'ভিড-১৯ত আক্ৰান্ত হোৱাৰ কথা সদৰী কৰিছিল। কিছুদিন পূৰ্বে অভিনেতাজনে আমেৰিকা ভ্ৰমণ কৰি স্বদেশলৈ উভতি আহিছিল। চেন্নাইলৈ উভতি অহাৰ পাছতে সামান্য চৰ্দি-কাহত আক্ৰান্ত হৈছিল হাছন। ইয়াৰ পাছতে ক'ভিড পৰীক্ষণ কৰাত তেওঁৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছিল। চিকিৎসাধীন হ'লেও সম্পূৰ্ণ সুস্থ থকা বুলি জানিবলৈ দি টুইটত অভিনেতাজনে এইদৰে কয়, 'মানুহে এটা কথা বুজা উচিত যে ক'ভিডে এতিয়াও বিদায় লোৱা নাই। সচেতন হৈ থাকিব লাগিব।'

ক'ভিডত বিদ্যালয় বন্ধৰ ফলত বাঢ়িল লিংগ বৈষম্য

নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৩ নৱেম্বৰ ঃ ক'ভিড অতিমাৰীয়ে কেৱল অধ্যয়নৰে ক্ষতি কৰা নাই। অতিমাৰীৰ ফলত দীৰ্ঘদিন ধৰি বিদ্যালয় বন্ধ থকাৰ ফলত সৃষ্টি হ'ল এক বৃহৎ সামাজিক সমস্যাৰ আৰু এই সমস্যাটো হৈছে লিংগ বৈষম্য। ইউনেস্কʼৰ নতুন সমীক্ষাত এই তথ্য পোহৰলৈ আহিছে। 'হুৱেন স্কুলছ ছাট ঃ জেণ্ডাৰড ইমপেক্টছ অৱ ক'ভিজ-১৯ স্কুল ক্ল'জাৰ্ছ' শীৰ্ষক বিশ্বব্যাপী চলোৱা এই সমীক্ষাত উল্লেখ কৰা অনুসৰি, কেৱল নাবালক শিক্ষাৰ্থীৰ ক্ষেত্ৰতে নহয়, দীৰ্ঘদিন ধৰি বিদ্যালয় বন্ধ থকাৰ ফলত নেতিবাচক প্ৰভাৱ পৰিছে কিশোৰ-কিশোৰীৰ ওপৰতো। ইউনেস্কʼৰ সহকাৰী সঞ্চালক ষ্টেফানিয়া জিয়ান্নিনিয়ে এই সন্দৰ্ভত কয়, 'ক'ভিড-১৯ৰ সংক্ৰমণত বিশ্বৰ ১৯০ খন দেশৰ ১.৬ বিলিয়ন শিক্ষাৰ্থীৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিছিল। কেৱল অধ্যয়নৰ ক্ষতি হোৱাই নহয়, নিয়মিত বিদ্যালয়লৈ যোৱাৰ যি সুফল থাকে, তাৰ পৰাও শিক্ষাৰ্থী বঞ্চিত হৈছিল। সবাতোকৈ উদ্বেগজনক সমস্যাটো হ'ল ক'ভিড-১৯ত বিদ্যালয় বন্ধ থকাৰ ফলত লিংগ বৈষম্য বৃদ্ধি পালে। দৰিদ্ৰ দেশৰ বহু কন্যা সন্তানে ক'ভিডত বিদ্যালয় ত্যাগ কৰি ঘৰুৱা কাম-কাজত নিয়োজিত হ'ল আৰু তেওঁলোকে বিদ্যালয়লৈ উভতি অহা নাই। ফলত লিংগ বৈষম্য বৃদ্ধি পাইছে।'

নেদাৰলেণ্ডছ, বেলজিয়াম, ফ্ৰান্সত তলাবন্ধৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদ

নিউজ ব্যুৰ', পেৰিছ, ২৩ নৱেম্বৰ ঃ কৰ'না ভাইৰাছৰ নতুন সংক্ৰমণে ভয়াৱহৰূপ ধাৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বৰ কে'বাখনো দেশত পুনৰ তলাবন্ধ ঘোষণা কৰা হৈছে। নেদাৰলেণ্ডছ, বেলজিয়াম আৰু ফ্ৰান্সতো ইতিমধ্যে তলাবন্ধ ঘোষিত হ'ল। কৰ'না প্ৰতিৰোধী এনে পদক্ষেপৰ বিৰোধিতাৰে এই তিনিখন দেশৰ ৰাজপথত যথেষ্টসংখ্যক লোকে প্ৰতিবাদ অব্যাহত ৰাখিছে। আমষ্টাৰডামত সহস্ৰাধিক লোকে ৰাজপথত তলাবন্ধৰ বিৰোধিতাৰে প্ৰতিবাদ সাব্যস্ত কৰে। পেৰিছতো যথেষ্টসংখ্যক লোকে দেশখনত পুনৰ তলাবন্ধ ঘোষণা কৰাৰ বিৰোধিতা কৰিছে। সহস্ৰাধিক লোকে এইদৰে ৰাজপথত সমবেত হৈ চৰকাৰবিৰোধী প্ৰতিবাদত অংশ লোৱাত প্ৰশাসনে বাধা দিবলৈ কন্দুৱা গেছ প্ৰয়োগ কৰিবলৈ বাধ্য হয়। ব্ৰুছেলছতো সহস্ৰাধিক লোকে কৰ'না প্ৰতিৰোধী তলাবন্ধৰ পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰে।

লিভাৰপুলৰ জি-৭ বৈঠকলৈ আছিয়ান দেশক কিয় মাতিলে ব্ৰিটেইনে?

নিউজ ব্যুৰ' লণ্ডন, ২৩ নৱেম্বৰ ঃ ব্ৰিটেইনৰ উদ্যোগত অহা মাহত অনুষ্ঠিত হ'ব লগা জি-৭ বৈঠকত অংশ ল'বলৈ দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সংগঠন আছিয়ানৰ সদস্য দেশক নিমন্ত্ৰণ দিয়া হৈছে। জি-৭ হৈছে বিশ্বৰ সাত সৰ্ববৃহৎ অৰ্থনীতিৰ অধিকাৰী দেশৰ এক সংগঠন। অহা ১০ৰ পৰা ১২ ডিচেম্বৰলৈকে ব্ৰিটেইনৰ লিভাৰপুলত জি-৭ৰ বৈঠক অনুষ্ঠিত হ'ব। ব্ৰিটেইনে এই বৈঠকলৈ আছিয়ানৰ সদস্য দেশ মালয়েছিয়া, থাইলেণ্ড আৰু

ইন্দোনেছিয়াৰ বৈদেশিক মন্ত্ৰীক নিমন্ত্ৰণ দিছে। এদিন পূৰ্বে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে আছিয়ান দেশৰ ৰাষ্ট্ৰ মুৰব্বীৰ স'তে এখন বৈঠকত মিলিত হৈছিল। ইংলণ্ডৰ উদ্যোগত লিভাৰপুলত আয়োজন কৰা জি-৭ৰ বৈঠকলৈ আছিয়ানৰ সদস্য ৰাষ্ট্ৰক কিয় নিমন্ত্ৰণ জনালে বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, আছিয়ানৰ সদস্য দেশসমূহ হৈছে চীনৰ প্ৰতিবেশী ৰাষ্ট্ৰ। এইসমূহ দেশৰ সৰহসংখ্যকৰ স'তে চীনৰ সম্পৰ্ক মধুৰ নহয়। আমেৰিকা আৰু ব্ৰিটেইনে ইয়াৰে সুযোগ গ্ৰহণ কৰিবলৈ আছিয়ান সদস্য ৰাষ্ট্ৰক জি-৭ৰ বৈঠকলৈ আমন্ত্ৰণ জনোৱা বুলি ধাৰণা কৰা হৈছে। বিশেষকৈ চীনক এঘৰীয়া কৰিবলৈ আমেৰিকা আৰু ব্ৰিটেইনক এতিয়া এছিয়াৰ অন্যান্য দেশৰ সহযোগিতাৰ প্ৰয়োজন হৈছে।

শালবাৰীৰ জনাঞ্চলত মানাহৰ ভালুকৰ বিচৰণ

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৩ নৱেম্বৰ ঃ মানাহৰ বনাঞ্চলৰ পৰা ওলাই অহা এটি ভালুকৰ বিচৰণে দুদিন ধৰি একপ্ৰকাৰ আতংকময় পৰিৱেশৰ সৃষ্টি কৰি ৰাখে বাগ্‌সাৰ শালবাৰীৰ কুন্দৰগাঁওবাসীক। অৱশেষত অশেষ চেষ্টাৰ অন্তত আজি দুপৰীয়াৰ ভাগত ভালুকটোক পুনৰাই অৰণ্যমুখী কৰাবলৈ সক্ষম হয় মানাহৰ বন বিভাগে। প্ৰাপ্ত তথ্য মতে, দেওবাৰে দুপৰীয়া শালবাৰী মহকুমাৰ চহোগুৰিৰ সমীপৱৰ্তী কুন্দৰগাঁৱৰ এডৰা বাঁহনিৰ মাজত ভালুকৰ অৱস্থিতি প্ৰত্যক্ষ কৰে স্থানীয় লোকে। পিছ মুহূৰ্ততে ৰাইজে এই খবৰ লাভ কৰাত মানাহৰ বন বিভাগ আৰু মানাহ মাউজিগেন্দ্ৰি ইক'ট্যুৰিজিম ছ'চাইটিক অৱগত কৰে। সেই মৰ্মে মানাহৰ ভূএগ্ৰাপাৰা ৰেঞ্জৰ বন বিষয়া কামেশ্বৰ বড়োৰ নেতৃত্বত বন বিভাগৰ দল আৰু মানাহ মাউজিগেন্দ্ৰি ইক'ট্যুৰিজিম ছ'চাইটিৰ এটা দলৰ উপৰি আৰক্ষী উপস্থিত হয় ঘটনাস্থলীত। ভালুক চাবলৈ অঞ্চলটোৰ লোকে লোকাৰণ্য হৈ পৰে কুন্দৰগাঁৱত। আবেলি প্ৰায় আঢ়ৈ বজাৰ পৰা বন বিভাগৰ দলে ভালুকটোক তাৰ পৰা স্থানান্তৰ কৰিবলৈ বিভিন্ন প্ৰক্ৰিয়া অৱলম্বন কৰে আৰু সন্ধিয়ালৈ জাল পাতি আবদ্ধ কৰাৰ চেষ্টা চলায় যদিও বিফল হয়। ইফালে আন্ধাৰ নামি অহাৰ পাছতে ভালুকটো উক্ত স্থানৰ পৰা আন স্থানলৈ গতি কৰাত বন বিভাগে অভিযান সামৰিব লগা হয়। আজি পুৱাৰে পৰা কুন্দৰগাঁৱৰ কাষৰীয়া অঞ্চলত ভালুকটোৰ সন্ধানত বন বিভাগে পুনৰ অভিযান আৰম্ভ কৰে। উল্লেখ্য যে আজি দুপৰীয়াৰ ভাগলৈ ভালুকটোৱে গঞাৰ বাৰীত খাই যোৱা কলগছ প্ৰত্যক্ষ কৰে অভিযানকাৰী দলটোৱে আৰু সেই মৰ্মে ভালুকটোৰ খোজ অনুসৰণ কৰি ৰাবাংগুৰি, বড়োবজাৰ হৈ ভালুকটো মানাহৰ ভূএগ্ৰাপাৰা ৰেঞ্জৰ বনাঞ্চলত প্ৰৱেশ কৰা বুলি নিশ্চিত হোৱাত অভিযান সামৰে বন বিভাগে।

চুপাৰিঘাটত বিলাতী সুৰাৰ বিপণী উচ্ছেদৰ দাবী

অগ্ৰদূত বাৰ্তা

গৌৰীপুৰ, ২৩ নৱেম্বৰ ঃ ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত চুপাৰিঘাটত গঢ়ি উঠা এখন বিলাতী সুৰাৰ বিপণী উচ্ছেদৰ দাবী জনালে স্থানীয় লোকে। এই দাবীত ওলাই অহা গাঁওখনৰ শতাধিক লোকে আজি ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত উত্তাল পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে এখন সুৰা ভৰ্তি ট্ৰাকো জব্দ কৰে। স্থানীয় লোকে অভিযোগ কৰে যে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মাত্ৰ ১৫ মিটাৰ নিলগত গৌৰীপুৰৰ ৰবি সাহা নামৰ এজন লোকে অবৈধভাৱে স্থাপন কৰিছে এই সুৰাৰ বিপণী। যাৰ বাবে বিভিন্ন জাতি-জনজাতিৰ বসতিস্থল চুপাৰিঘাটত দীৰ্ঘদিন ধৰি পৰিৱেশ অস্বাস্থ্যকৰ হৈ পৰিছে। একাংশ সুৰাপায়ীয়ে স্কুল-কলেজৰ ছাত্ৰীৰ লগতে মহিলাসকলক দীৰ্ঘদিন ধৰি অশালীন আচৰণো কৰি আহিছে। এনে কাৰ্যকলাপতে ক্ষুব্ধ হৈ আজি গাঁওবাসীয়ে ওলাই আহি নাম ফলকহীন সুৰাৰ বিপণীখন উচ্ছেদৰ দাবী জনায়। উত্তেজিত লোকসকলে আনকি এ এছ-০১ জে চি-৫৮৩২ নম্বৰৰ বিলাতী সুৰা ভৰ্তি ট্ৰাকখনো জব্দ কৰে। স্থানীয় লোকে অভিযোগ কৰে যে ঘটনাৰ প্ৰায় দুঘণ্টাৰ পাছত আবকাৰী বিভাগৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ ট্ৰাকখনত থকা সুৰা পৰীক্ষা কৰি কোনো ব্যৱস্থা গ্ৰহণ নকৰাকৈ আঁতৰি যায়। ইয়াৰ পাছতে স্থানীয় লোকসকলে আবকাৰী বিভাগৰ বিৰুদ্ধে সৰৱ হৈ পৰে। আবকাৰী বিভাগে বিভাগীয় নীতি উলংঘা কৰি উক্ত সুৰাৰ বিপণীৰ অনুজ্ঞাপত্ৰ দিয়া বুলিও ক্ষুব্ধ লোকসকলে অভিযোগ কৰে।

বিশিষ্ট সমাজকৰ্মী, জ্যেষ্ঠ ব্যৱসায়ী ৰমণী মোহন ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

কমলপুৰ, ২৩ নৱেম্বৰ ঃ কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ বিশিষ্ট সমাজকৰ্মী, জ্যেষ্ঠ ব্যৱসায়ী ৰমণী মোহন ডেকা (৭৮)ৰ যোৱা নিশা মৃত্যু হয়। গুৱাহাটী জিএনআৰচি হাস্পতালত ব্ৰেইন ষ্টোকত আক্ৰান্ত হৈ দুদিন ধৰি চিকিৎসাধীন হৈ আছিল সমাজকৰ্মীজন। ব্যৱসায়েৰে কৰ্মজীৱনৰ পাতনি মেলা ডেকা এজন একনিষ্ঠ সমাজকৰ্মী আছিল। বাইহাটা চাৰিআলিৰ আগডলা নিবাসী বাইহাটা চাৰিআলি ব্যৱসায়ী সন্থাৰ সভাপতি হোৱাৰ উপৰি বাইহাটা অঞ্চলটোৰ সকলোৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগতে বৃহত্তৰ পূব কামৰূপ অঞ্চলৰ প্ৰায়বোৰ ৰাজহুৱা অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত থাকি আসন অলংকৃত উপদেষ্টা আছিল। এজন মহান দাঁতা, সাহসী, মানৱ দৰদী গুণৰ অধিকাৰী ডেকাৰ নশ্বৰ দেহ আজি নিজাবাসগৃহৰ পৰা শোভাযাত্ৰা কৰি বাইহাটা চাৰিআলিৰ গোৰেশ্বৰ পথৰ আগডলা চাৰিআলি হাইস্কুলৰ প্ৰাংগণ হৈ গুৱাহাটী পথৰ অসম ৰাজ্যিক পৰিবহণ নিগমৰ কাৰ্যালয় হৈ ৰঙিয়া পথৰ নগাঁও চাৰিআলি হাইমাদ্ৰাছাৰ পৰা উভতি মংগলদৈ পথ হৈ মদন কামদেৱ দেৱালয়ৰ সমীপৰ নিজভূমিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰদ্বয় যুৱ ব্যৱসায়ী কনক ডেকা আৰু গৌতম ডেকাৰ লগতে দুগৰাকী জীসহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

বাশবাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ

এক পৃষ্ঠাৰ পৰা বজাত হঠাৎ বিদ্যালয়খনৰ দেৱাল খহি পৰাত শিশুটি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। শিশুটিক প্ৰথমে স্থানীয় বগুৱান ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে; কিন্তু নিশা ১০ বজাত চিকিৎসাধীন অৱস্থাত শিশুটিয়ে অকাল মৃত্যুক আঁকোৱালি লয়। এইদৰে ছামচুল হকৰ একমাত্ৰ সন্তানৰ এই দুৰ্ভাগ্যজনক মৃত্যুত অঞ্চলবাসী ক্ষুব্ধ হৈ পৰে। উল্লেখ্য যে বাশবাৰী গাঁও-পঞ্চায়তে দাৰিৰপাৰ প্ৰাথমিক বিদ্যালয়ৰ দেৱালখন নিৰ্মাণ কৰিছিল। এই সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে প্ৰকৃত দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে ৰাইজে। ইপিনে, বগুৱান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই আজি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰি অন্তিম সৎকাৰৰ বাবে পৰিয়ালক গতাই দিয়ে আৰু তদন্ত মৰ্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি পৰিয়ালক আশ্বাস দিয়ে।

দুৰ্ঘটনাত মৃত্যু বিহপুৰীয়া

এক পৃষ্ঠাৰ পৰা যোৱা নিশা সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত চিন্ময় শৰ্মা (২১) নামৰ এজন ছাত্ৰ নিহত হয়। বিহপুৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ চিন্ময়ে নিশা ১০ মান বজাত মটৰ চাইকেলেৰে পথৰ দাতিৰ এজোপা গছত প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত মৃত্যুক সাৱটি লয়। দুৰ্ঘটনাটোৰ পাছতেই ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ চিন্ময়ক চিকিৎসাৰ বাবে ব্যৱস্থা কৰে যদিও ইতিমধ্যে চিন্ময়ে শেষ নিশ্বাস ত্যাগ কৰে। ইপিনে, প্ৰতিভাৱান ছাত্ৰজনৰ মৃত্যুত সমগ্ৰ বিহপুৰীয়াতে গভীৰ শোকৰ ছা পেলাইছে। চিন্ময় বিহপুৰীয়া নগৰৰ বাসিন্দা বিপুল শৰ্মাৰ একমাত্ৰ পুত্ৰ আছিল।

তিনি দশকৰ পাছতো নিৰ্মাণ সম্পূৰ্ণ নহ'ল অসম নাট্য সন্মিলনৰ নাট্য প্ৰকল্প 'নাটতীৰ্থ'

বিশেষ সংবাদদাতা

নগাঁও, ২৩ নৱেম্বৰ ঃ নগাঁও চহৰৰ পৰা পুৰণা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে খুটিকটীয়া, শেনচোৱা হৈ বেবেজীয়া দিশৰে গতি কৰিলে বিৰহ বেবেজীয়াত এটি অৰ্ধনমিত আৰু সকলো সময়তে হাবি- জংঘলে আগুৰি থকা এটা ভৱন দেখা পোৱা যায়। সুদীৰ্ঘ ৩১ বছৰে সেই অৰ্ধনমিত ভৱনটো তেনেকৈয়ে আছে। নতুন প্ৰজন্মৰ বাবে সেই ভৱনটো এক সাঁথৰ স্বৰূপ হৈ পৰিছে। অত্যন্ত দুখ আৰু পৰিতাপৰ বিষয় যে সেইটো অসম নাট্য সন্মিলনৰ উদ্যোগত সুদীৰ্ঘ ৩১ বছৰৰ পূৰ্বেই নিৰ্মাণকাৰ্য আৰম্ভ কৰা 'নাটতীৰ্থ' নামৰ অভিলাষী প্ৰকল্পহে। যি অৰ্ধনিৰ্মিত অৱস্থাতে জহি খহি উৰলি যোৱা পৰিলক্ষিত হৈছে। জহি-খহি উৰলি যোৱা অৰ্ধনিৰ্মিত প্ৰকল্পটো দেখি এতিয়া সংস্কৃতিৱান ৰাইজে হা-হুমুনিয়াহ কঢ়াৰ বাহিৰে একো গত্যন্তৰ নাইকিয়া হৈ পৰিছে।

স্মৰ্তব্য যে, ৰাজ্যখনত নাট্য চৰ্চাৰ এক কেন্দ্ৰৰ অভাৱ অনুভৱ কৰি বিগত ১৯৭৭তে অসম নাট্য সন্মিলনে নগাঁৱত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভা আৰু নগাঁও অধিৱেশনত 'নাটতীৰ্থ' নিৰ্মাণৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰিছিল। একেটা প্ৰস্তাৱতে নাটতীৰ্থ প্ৰকল্পটো অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নগাঁৱত স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। সন্মিলনৰ আবেদন মৰ্মে নগাঁও জিলা প্ৰশাসনে প্ৰকল্পটো নিৰ্মাণৰ বাবে বিগত ১৯৯০ৰ পাঁচ ফেব্ৰুৱাৰীত নগাঁও জিলাৰ কাছমাৰী মৌজাৰ বিৰহ বেবেজীয়া কিচামৰ ৪৮ নম্বৰ দাগৰ আঠ বিঘা এক কঠা মাটি আবন্টন দিয়ে। পাছত ১৯৯০ৰ আঠ জুলাইত নাটতীৰ্থৰ আধাৰশিলা স্থাপন কৰে ৰাজ্যখনৰ তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই। কিন্তু প্ৰকল্পটো নিৰ্মাণৰ বাবে প্ৰয়োজনীয় অৰ্থৰ নাটনি হোৱাত ধন সংগ্ৰহৰ বাবে নগাঁৱত এখন ৰাজহুৱা সভাও অনুষ্ঠিত কৰা হয়। এই সভাতেই নগাঁৱৰ বিশিষ্ট সমাজসেৱক, প্ৰতিষ্ঠিত ব্যৱসায়ী প্ৰহ্লাদ ৰায় টোডীয়ে এক লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়ায়। সেই সময়ৰ অসম নাট্য সন্মিলনৰ সাধাৰণ সম্পাদক জীৱেশ্বৰ গোস্বামীৰ বিশেষ তৎপৰতাত প্ৰায় তিনি লাখ টকা সংগ্ৰহ কৰা হয়। সেই সময়তে নাট তীৰ্থ প্ৰকল্পটোৰ অধীনত নগাঁৱৰ বিৰহ বেবেজীয়াত ১০ লাখ টকা ব্যয়ৰে সাত হেজাৰ বৰ্গফুটৰ শ্ৰীমন্ত শংকৰদেৱৰ মঞ্চ আৰু প্ৰেক্ষাগৃহ, ২২ লাখ টকা ব্যয়ৰে ৮০০ আসন সমৃদ্ধ আৱদ্ধ মঞ্চ আৰু প্ৰেক্ষাগৃহ, ২০ লাখ টকা ব্যয় সাপেক্ষ নাট্য বিদ্যালয় আৰু প্ৰশিক্ষাৰ্থী, তিনি লাখ টকা ব্যয়ৰে এটা গৱেষণা কেন্দ্ৰ, তিনি লাখ টকা ব্যয়ৰে এটা নাট্য পুথিভঁৰাল, তিনি লাখ টকা ব্যয়ৰে কেন্দ্ৰীয় কাৰ্যালয়, পাঁচ লাখ টকা ব্যয়ৰে এটা অতিথি শালা, তিনি লাখ টকা ব্যয়ৰে শান্তি পঁজা নিৰ্মাণৰ প্ৰাককলন প্ৰস্তুত কৰা হৈছিল। অসম নাট্য সন্মিলনৰ সপোনৰ নাট তীৰ্থ প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ সুদীঘ ৩১ বছৰ উকলিল যদিও আজি পৰ্যন্ত প্ৰকল্পটোৰ ২০ শতাংশ কামো সম্পূৰ্ণ হৈ নুঠিল। সন্মিলনৰ বিভিন্ন সময়ৰ বিষয়ববীয়াৰ গা এৰা দিয়া মনোভাৱৰ বাবেই লগতে চৰকাৰী অসহযোগিতাৰ বাবেই আজি পৰ্যন্ত 'নাটতীৰ্থ' প্ৰকল্পটোৰ শ্ৰীমন্ত শংকৰদেৱৰ মঞ্চ আৰু প্ৰেক্ষাগৃহৰ নিৰ্মাণ কাৰ্যতো সম্পূৰ্ণ হৈ নুঠিল। আৱদ্ধ মঞ্চ আৰু প্ৰেক্ষাগৃহ, নাট বিদ্যালয় আৰু প্ৰশিক্ষাৰ্থী আৱাসগৃহ, গৱেষণা কেন্দ্ৰ, নাট পুথিভঁৰাল, অতিথিশালা, শান্তি পঁজাৰ আজি পৰ্যন্ত নিৰ্মাণেই নহ'ল। উল্লেখ্য যে প্ৰয়াত জিতেন শৰ্মা, গোলাপ চন্দ্ৰ বৰা, হৰেশ্বৰ গোস্বামী আদি বহু গৰাকী গুণী ব্যক্তিৰ উদ্যোগত স্থাপন হোৱা নাট তীৰ্থ প্ৰকল্পৰ বাবে বিভিন্ন সময়ত বহু চৰকাৰী ধনো লাভ কৰিছিল। কিন্তু প্ৰকল্পৰ নিৰ্মাণ কাৰ্যহে সম্পূৰ্ণ হৈ নুঠিল। স্মৰ্তব্য যে অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি আছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা। পৰৱৰ্তী সময়ত ফণী তালুকদাৰ, মহেন্দ্ৰ বৰঠাকুৰ, অৰুণ শৰ্মা, অখিল চক্ৰৱৰ্তী, কৃষ্ণ প্ৰসাদ বৰুৱা, আব্দুল মজিদ, দুলাল ৰয়ৰ দৰে স্বনামধন্য ব্যক্তিয়ে সন্মিলনৰ সভাপতিৰ আসন শুৱনি কৰিছে। বিশিষ্ট নাট্যকাৰ অৰুণ শৰ্মা অসম নাট্য সন্মিলনৰ সভাপতিৰ পদত থাকোতে তেওঁ দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ অধীনত নগাঁৱৰ নাটতীৰ্থৰ চৌহদত অসম নাট্য বিদ্যালয় স্থাপনৰ কথা ঘোষণা কৰিছিল যদিও সেই বিদ্যালয়খনো স্থাপন নহ'ল।

অসম নাট্য সন্মিলনে ১৯৯০তে নগাঁৱৰ বিৰহ বেবেজীয়াত আঠ বিঘা একঠা মাটিত স্থাপন কৰা নাটতীৰ্থ প্ৰকল্প 'শংকৰদেৱ মুকলি মঞ্চ, অসম নাট্য বিদ্যালয়' এতিয়া অসম্পূৰ্ণ আৰু অৱহেলিত। অসম নাট্য সন্মিলনৰ সভাপতি কৃষ্ণ প্ৰসাদ বৰুৱা, ড° অখিল চক্ৰৱৰ্তী, গোলাপ চন্দ্ৰ বৰা, হৰেশ্বৰ গোস্বামী, জিতেন শৰ্মা আদি বহু কেইগৰাকী গুণী ব্যক্তিৰ উদ্যোগত আৰম্ভ কৰি প্ৰথমে শংকৰদেৱৰ মুকলি মঞ্চৰ একাংশ আৰু কৃষ্ণ প্ৰসাদ বৰুৱা সোঁৱৰণী কেন্দ্ৰীয় কাৰ্যালয় নিৰ্মাণ কৰিছিল। সেয়া এতিয়া অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সম্পূৰ্ণ অনীহা আৰু অৱহেলাৰ বাবে জহি খহি গৈছে।

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবে টাস্ক ফ'ৰ্চ গঠন মুছলপুৰত মন্ত্ৰী ৰঞ্জিত দাস

CONFERENCE HALL
OF THE DEPUTY COMMISSIONER, BAKSA
MUSHALPUR

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ২৩ নৱেম্বৰ ঃ বাগ্‌সা জিলাৰ মুছলপুৰত আজি উপস্থিত হয় অসম চৰকাৰৰ খাদ্য আৰু যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। জিলা উপায়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ স'তে ৰাজ্য চৰকাৰৰ মন্ত্ৰীজনে মত বিনিময় কৰি বিভাগৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ বৰমাত উপস্থিত হৈ ব্লক, অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয়, চিকিৎসালয় আদিত উপস্থিত হৈ কামৰ পৰ্যবেক্ষণ কৰে। সভাৰ পূৰ্বে ক'ভিডত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকসকলৰ পৰিয়ালৰ স'তেও তেওঁ মত বিনিময় কৰে আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। ইফালে, সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত মন্ত্ৰীজনে ৰাজ্যখনৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ বাবে টাস্কফ'ৰ্চ গঠন কৰা বুলি কয়। তেওঁ কয় যে খুচুৰা ব্যৱসায়ীসকলে পাইকাৰী দামতকৈ পাঁচ বা ছয় টকা বেছি ল'ব পাৰিব। ইয়াতকৈ অধিক দাম ল'লে জিলা উপায়ুক্তৰ নেতৃত্বত গঠিত টাস্ক ফ'ৰ্চে ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্যৰ বাহিৰত কেবিনেট বৈঠক অনুষ্ঠিত কৰা সন্দৰ্ভত মন্ত্ৰীজনে কয় যে প্ৰতিখন জিলাৰ বিভিন্ন বিভাগ সক্ৰিয় কৰাৰ বাবে আৰু আন্তঃগাঁথনি উন্নয়ন কৰা বাবেই মুখ্যমন্ত্ৰীৰ নিৰ্দেশত দিছপুৰৰ বাহিৰত কেবিনেট পতা হৈছে। আগন্তুক সময়ত বিটিআৰতো কেবিনেট হোৱাৰ সম্ভাৱনা আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি সন্দৰ্ভত মন্ত্ৰীজনে কয় যে বৰ্তমানলৈ জল জীৱন মিছন আঁচনিৰ অধীনত ১৬ লাখ লোকক ঘৰে ঘৰে পানী যোগান ধৰা হৈছে। অহা ২০২৪ৰ ভিতৰত ৬৩ লাখ লোকৰ ঘৰত পানী যোগানৰ লক্ষ্য লোৱা হৈছে যদিও ২০২৩ৰ ভিতৰত এই লক্ষ্য পূৰণ হ'ব। ৰাজ্যখনত প্ৰতি মাহত প্ৰায় দুই লাখ লোকক পানী যোগান ধৰা হৈছে।

পশ্চিম গুৱাহাটীৰ অসম-মেঘালয় সীমান্ত পৰিদৰ্শন মন্ত্ৰী হাজৰিকাৰ

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ২৩ নৱেম্বৰ ঃ অসম- মেঘালয়ৰ সীমা সমস্যা সমাধানৰ নামত অসমে হেৰুৱাব নেকি বৃহৎ পৰিমাণৰ ভূমি। চলেবলে-কৌশলে মেঘালয়ে দখল কৰি লোৱা অসমৰ ভূমি অৱশেষত অসমৰ মানচিত্ৰৰ পৰাই নোহোৱা হোৱাৰ আশংকা ঘনীভূত হৈ পৰিছে। অসম আৰু মেঘালয়ৰ দীৰ্ঘদিনীয়া সীমা সমস্যাৰ স্থায়ী সমাধানৰ সূত্ৰে আজি অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই দলেবলে পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ জিমিৰগাও অঞ্চলত উপস্থিত হৈ মেঘালয় চৰকাৰৰ উপ-মুখ্যমন্ত্ৰী প্ৰিষ্টন টেইচঙৰ নেতৃত্বত গঠিত যুটীয়া আঞ্চলিক সমিতিৰ স'তে দুয়োখন ৰাজ্যৰ সীমামূৰীয়া অঞ্চল পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ স'তে মত-বিনিময় কৰে। ইতিমধ্যেই পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ দেওপাহাম, দলেপাহাম, লুংখুং, জিমিৰগাওঁ, বাখালাপাৰা, ৰাণীবাৰী, পাটগাওঁ, কুণ্ডিলনগৰ, বান্ধাপাৰা, লংচাই, বিলপাৰা, শালশেৰ আদি গাওঁৰ বৃহৎ বৃহৎ অঞ্চলত মেঘালয়ে আগ্ৰাসন অব্যাহত ৰাখিছে। লুংখুং, জিমিৰগাওঁ, বাখালাপাৰা আৰু পাটগাৱত চাৰিখনকৈ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি ৰাইজৰ স'তে মনৰ ভাব বুজ লয়। উল্লেখ্য যে আজিৰ এই পৰিদৰ্শনৰ অন্তত ৰাইজৰ মতামতৰ ভিত্তিত প্ৰতিবেদন প্ৰস্তুত কৰি দুয়োগৰাকী মন্ত্ৰীয়ে অসম আৰু মেঘালয় চৰকাৰৰ মুখ্যমন্ত্ৰীক প্ৰদান কৰাৰ পাছত পৰৱৰ্তী কাৰ্যব্যৱস্থা প্ৰস্তুত কৰা হ'ব। লক্ষণীয় যে, মুখ্যমন্ত্ৰীদ্বয় ড° হিমন্ত বিশ্ব শৰ্মা আৰু কনৰাড চাংমাই গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপৰ ফলশ্ৰুতিত দুখন ৰাজ্যৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ পথ প্ৰশস্ত হৈ উঠিছে। উল্লেখ্য যে দিৰ্ঘদিন ধৰি অসম-মেঘালয়ৰ সীমা বিবাদ চলি অহাৰ পাছতো ছলে-বলে-কৌশলে মেঘালয়ে অসমৰ ভূমিত আগ্ৰাসন চলায়েই আছে। শেহতীয়াভাৱে অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপত দুয়োখন সীমাসমূহ পৰিদৰ্শন কৰি সমাধান কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে; কিন্তু চতুৰ মেঘালয়ে খোদ মহানগৰীৰ পশ্চিম গুৱাহাটী বিধান সভা সমষ্টিৰ সীমান্তৰ বহু অঞ্চল দখল কৰি ৰাখিছে। বিশেষকৈ দেওপাহাম, দলেপাহাম, লুংখুং, জিমিৰগগাঁও, ৰাণীবাৰী, পাটগাঁও, বাখালাপাৰা, কুণ্ডিলনগৰ, লংচাই, বিলপাৰা, শালশেৰ আদি বৃহৎ বৃহৎ অঞ্চল এতিয়াও মেঘালয়ে দখল কৰি ৰাখিছে। অঞ্চলটোৰ বেছিভাগে স্থানীয় লোকেই অতীজৰে পৰাই অসমৰ আৰু অসমৰ হৈয়ে থাকিব বিচাৰাৰ কথা ব্যক্ত কৰে যদিও মেঘালয়ে দখল কৰি ৰখা অঞ্চলসমূহ উদ্ধাৰ কৰিব পাৰিবনে তাক স্থানীয় বহু লোকেই প্ৰশ্ন তুলিছে; কিন্তু আচৰিত ধৰণে মেঘালয়ৰ লোকে ভয়-ভাবুকি দি ভোজ খুৱাই হ'লেও লোকসকলক মেঘালয়ৰ কৰি ল'ব বিচৰা বুলি উপস্থিত একাংশই আন এক অভিযোগ উত্থাপন কৰিছে। সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত সীমান্তৰ লোকসকলৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিয়ে সীমা নিৰ্ধাৰণ কৰা হ'ব বুলি পিয়ূষ হাজৰিকাই মন্তব্য কৰে যদিও মেঘালয়ে দখল কৰি ৰখা ভূমি উদ্ধাৰ সম্পৰ্কত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপক দোহাই দি দায়সৰা মন্তব্য কৰাহে পৰিলক্ষিত হ'ল; কিন্তু এনেধৰণৰ সিদ্ধান্তৰেই যদি সীমা সমস্যা সমাধান কৰা হয় তেতিয়াহলে অসমে হয়তো মেঘালয়ক বৃহৎ বৃহৎ একোটা অঞ্চল এৰি দিব লগা হ'ব বুলি সচেতন মহলে মন্তব্য কৰিছে।

কেবিনেটলৈ যোৱাৰ পথত শিক্ষানুষ্ঠান পৰিদৰ্শন মন্ত্ৰী ৰঞ্জিত দাসৰ

বৰমা, ২৩ নৱেম্বৰ ঃ বৰমা আৰু জিলা সদৰ মুছলপুৰৰ বিভিন্ন অনুষ্ঠান আজি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পৰিদৰ্শন কৰে। অনুষ্ঠানসমূহৰ ভিতৰত প্ৰাথমিক বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ আৰু চৰকাৰী প্ৰতিষ্ঠান আছে। মন্ত্ৰীজনে পোনে পোনে আহি প্ৰৱেশ কৰে বৰমাৰ প্ৰাথমিক চিকিৎসালয়ত। চিকিৎসালয়খনৰ আন্তঃগাঁথনি, চিকিৎসক-নাৰ্ছৰ অভাৱ-অভিযোগৰ বিষয়ে বুজ লোৱাৰ পাছত বৰমাৰ বৰমা উত্তৰ বজাৰ প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰে মন্ত্ৰী দাসে। শ্ৰেণী কোঠাত প্ৰৱেশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে মন্ত্ৰীজনে। পাঠ্যপুথি হাতত লৈ মন্ত্ৰী দাসে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰে। ইয়াৰ পাছতে টিহু-বৰমা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত প্ৰৱেশ কৰি আত্মসহায়ক গোটৰ মহিলাক ই-ৰিক্সা প্ৰদান কৰি বিভিন্ন দিশ সম্পৰ্কে বুজ লয়। ইয়াৰ পাছতে দীঘলডঙাত এটা অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীজনে নিজৰ বিভাগটোৰ সাউকুছিত জল জীৱন মিছন আঁচনি প্ৰত্যক্ষ কৰে। বিদ্যালয়সমূহত চৰকাৰে যোগান ধৰা পানী উত্তোলনত ব্যৱহৃত মটৰসমূহ চুৰি হোৱা কাৰ্যক তেওঁ দুৰ্ভাগ্যজনক আখ্যা দিয়ে। ইফালে, জল জীৱন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দুৰ্নীতি সংঘটিত হোৱা প্ৰত্যেকগৰাকী ব্যক্তিয়ে জেলৰ ভাত খাব লাগিব বুলি মন্তব্য কৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী দাসে। সমান্তৰালভাৱে খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ অধীনত চলি থকা এম জি এনৰেগাৰ কামসমূহতো যদি দুৰ্নীতি হয় তেতিয়া বিডিঅ', অভিযন্তাসকলো সাৰি নাযাব বুলি প্ৰকাশ কৰে। নতুন শিক্ষানীতিটো চৰকাৰৰ এটা ভাল পদক্ষেপ, কিন্তু ইয়াৰ পূৰ্বে সজাগতা অনাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি ভৱিষ্যতে এই শিক্ষানীতিয়ে শিক্ষা ব্যৱস্থাক আগবঢ়াই নিব বুলি মত প্ৰকাশ কৰে। মন্ত্ৰীৰ ভ্ৰমণ কালত সংগ দিয়ে জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, শিক্ষা বিষয়া, ই এম ৰাকেশ ব্ৰহ্মকে ধৰি কে'বা ব্যক্তিয়ে।

নগাঁৱৰ ডিমৰুগুৰিত দুৰ্ঘটনাত কনিষ্টবল আহত

বিশেষ সংবাদদাতা

নগাঁও, ২৩ নৱেম্বৰ ঃ নগাঁও চহৰৰ ডিমৰুগুৰিত আজি পুৱা সংঘটিত এক দুৰ্ঘটনাত আৰক্ষীৰ এজন কনিষ্টবল গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাটোত আহত আৰক্ষীৰ কনিষ্টবলজনৰ নাম আতিকুৰ ৰহমান (৪১)। আৰক্ষী সূত্ৰই জনোৱা মতে, নগাঁও চহৰৰ টাউন ইটাচালি আৰক্ষী চকীত কৰ্মৰত কনিষ্টবল ৰহমানে এ আৰ-০১ বি-৪৮২৮ নম্বৰৰ মটৰ চাইকেলখনেৰে থানালৈ বুলি আহি থকা অৱস্থাত একে দিশৰে আহি থকা এখন টেম্প'ৰে তেওঁক খুন্দা মাৰে। ফলত তেওঁ মটৰ চাইকেলখনৰ পৰা ছিটিকি পৰি পথৰ ওপৰত পৰি গুৰুতৰভাৱে আহত হয়। লগে লগে তেওঁক স্থানীয় এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আঘাত গুৰুতৰ হোৱা হেতুকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে স্থানীয় লোকৰ খবৰৰ ভিত্তিত এখন টেম্প' জব্দ কৰে যদিও টেম্প' চালকজনে তেওঁৰ গাড়ীৰ খুন্দাত কনিষ্টবলজন আহত হোৱা নাই বুলি প্ৰকাশ কৰিছে।

মাকুমত যোগান মন্ত্ৰী-পেট্ৰ'লিয়াম মন্ত্ৰীৰ পুত্তলিকা দাহ আছুৰ

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ২৩ নৱেম্বৰ ঃ ৰন্ধন গেছ, পেট্ৰ'ল-ডিজেলকে ধৰি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে আজি মাকুমৰ ৰাজপথত মাকুম আঞ্চলিক ছাত্ৰ সন্থাই এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। দিনক-দিনে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ দাম বৃদ্ধি হৈ আছে যদিও যোগান বিভাগে মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত সম্পূৰ্ণ বিফল হোৱাৰ অভিযোগ তুলি আজি মাকুম নগৰৰ মাজ-মজিয়াত মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু অসম চৰকাৰৰ যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পুত্তলিকা দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত গ্ৰহণ কৰা বিক্ষোভ কাৰ্যসূচীত মাকুম অঞ্চলৰ কে'বাটাও জাতীয়-জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ লগতে স্থানীয় ৰাইজে সহযোগ কৰে। অতি শীঘ্ৰেই ৰন্ধন গেছ, পেট্ৰ'ল-ডিজেলকে ধৰি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি ৰোধ নকৰিলে আছুৱে ৰাইজৰ সহযোগত জংগী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰে।

মাৰ্চৰ ভিতৰত সমাপ্ত হ'ব টে'ট নিযুক্তি প্ৰক্ৰিয়া

বাগ্‌সাৰ শালবাৰী-জালাহত ছাড়েন ভিজিট শিক্ষামন্ত্ৰী ডাঃ পেগুৰ

অগ্ৰদূত বাৰ্তা

শালবাৰী/জালাহ, ২৩ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ মৰ্মে আজি বাগ্‌সা জিলাৰ শালবাৰী মহকুমা সদৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে হঠাৎ উপস্থিত হৈ শালবাৰী মহাবিদ্যালয়, শালবাৰী চিকিৎসালয়, শালবাৰী মহকুমাৰ কাৰ্যালয়ৰ লগতে সাউদৰভিঠা প্ৰাথমিক চিকিৎসালয় পৰিদৰ্শন কৰে। ডাঃ পেগুৱে সংবাদ মাধ্যমৰ স'তে হোৱা আলোচনাত কয়, 'কাইলৈ অসম চৰকাৰৰ এখন কেবিনেট বৈঠক বঙাইগাঁৱত অনুষ্ঠিত হ'ব। প্ৰতিমাহৰ শেষৰ সপ্তাহত অনুষ্ঠিত কেবিনেট বৈঠকখন গুৱাহাটীৰ বাহিৰত অনুষ্ঠিত হয়। গুৱাহাটীৰ বাহিৰত অনুষ্ঠিত প্ৰতিখন কেবিনেট বৈঠক অনুষ্ঠিত হোৱাৰ আগতে মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি আমি এখন মহকুমা পৰিদৰ্শন কৰিব লাগে হেতুকে আজি বাগ্‌সা জিলাৰ শালবাৰী মহকুমা পৰিদৰ্শন কৰিলো। ইয়াৰ প্ৰতিবেদন মুখ্যমন্ত্ৰীক দিয়া হ'ব।' আনহাতে, কেবিনেট বৈঠকৰ পৰা উভতি যোৱাৰ পাছতো আমি এখনকৈ মহকুমা পৰিদৰ্শন কৰিব লাগে। ইয়াৰ জৰিয়তে বিভিন্ন জিলা মহকুমাৰ বিষয়ে প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰি আমাৰ লগতে জিলা মহকুমাৰ কাৰ্যালয় বিষয়া সকলো উপকৃত হ'ব।' এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ অভিনৱ পন্থাৰ শলাগ লয় শিক্ষামন্ত্ৰীজনে। সংবাদ মাধ্যমৰে হোৱা সাক্ষাৎকাৰত মন্ত্ৰীজনে কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰি কয় যে টে'ট এটা চলি থকা প্ৰক্ৰিয়া। যেতিয়াই তেতিয়াই আমাৰ বিভিন্ন ধৰণৰ চৰকাৰী নথিপত্ৰ পুনৰীক্ষণ হয়। কালিৰ পৰা অসমৰ সকলো কেটেগৰীৰ শিক্ষকক এটা প'ৰ্টেলত নিজৰ নিজৰ তথ্যপাতি পঞ্জীয়ন কৰিবলৈ কোৱা হৈছে। ইয়াৰ উদ্দেশ্য বদলিকৰণ। তাৰ লগে লগে শিক্ষকসকলৰ যি মেনেজমেন্ট, ক'ত তেওঁলোক নিযুক্ত হ'ব, ক'ত বেছি শিক্ষক, ক'ত কম শিক্ষক আছে সেই ব্যৱস্থাপনাৰ বাবে প'ৰ্টেলৰ ব্যৱস্থা কৰিছো। প'ৰ্টেলত যি অতি প্ৰয়োজনীয় নথিপত্ৰ যেনে পোষ্ট গ্ৰেজুৱেট, বিএড, ডিএলএড, টে'ট আদিৰ তথ্য শিক্ষকসকলে আপলোড কৰিব লাগিব। আপলোড কৰা প্ৰক্ৰিয়াত তাৰ পৰীক্ষা-নিৰীক্ষা কৰা হ'ব। যিহেতু টে'টক লৈ দুই এটা কেছ ধৰা পৰিছে, ভুৱা চাৰ্টিফিকেটৰ কথা ওলাইছে, গতিকে সেয়া সতৰ্কতাৰে পৰীক্ষা-নিৰীক্ষা কৰা হ'ব। ভুৱা টে'টক লৈ বিটিএডিতে নহয় ৰাজ্যখনতে ব্যৱস্থা হাতত লোৱা হ'ব। দুষ্টচক্ৰৰ জালত যাতে কোনো যুৱক-যুৱতীয়ে ভৰি নিদিয়ে তাৰ বাবে অনুৰোধ জনাই শিক্ষামন্ত্ৰীজনে কয় যে অসমত টে'ট নিয়মীয়াকৈ অনুষ্ঠিত হৈ থাকিব। অহা মাৰ্চৰ ভিতৰত সকলো টে'টকে নিযুক্তি দিয়া আমি শেষ কৰিম। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে শিক্ষা বিভাগটোক নতুন শিক্ষানীতিৰ আধাৰত ইয়াৰ অলপ গাঁথনিগত পৰিৱৰ্তন অনাৰ বাবে পদক্ষেপ লৈছো। যিটো দুই এদিনতে সকলোৱে গম পাব। শৈক্ষিক যি প্ৰশাসন তাতো আমি সংশোধন অনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো। একেটা সময়তে শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি আৰু মান উন্নত কৰাৰ কাৰণে শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা হাতত লৈছো। টে'টত পাছ কৰাই দিয়াৰ নামত এক দুষ্টচক্ৰই ম'বাইলৰ জৰিয়তে যি মেছেজ দিয়াৰ ভয়ংকৰ জাল ৰচনা কৰিছে সেই বিষয়ত চিআইডিক দায়িত্ব দিয়া হৈছে। শিক্ষা বিভাগত যদি দালালৰাজ আছে তাৰ বিৰুদ্ধেও চৰকাৰৰ অভিযান অব্যাহত থাকিব। বাণীকান্ত কাকতি কম্পিউটাৰ আঁচনিৰ অন্তৰ্ভুক্ত যি ঠিকাভিত্তিক কৰ্মচাৰী আছে তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰা নহয়। একেদৰে কোনো ঠিকাভিত্তিক শিক্ষকৰে চাকৰি নিয়মীয়াকৰণ নহয়; কিন্তু তেওঁলোকক ৬০ বছৰ বয়সলৈকে চাকৰিৰ এটা গেৰেণ্টি দিব পৰা যায় নেকি, সমাহাৰত বেতন দিব পৰা যায় নেকি এই কথাবিলাক পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে।

বি বি কিষাণ মহাবিদ্যালয়ত শীঘ্ৰে বিজ্ঞান শাখা মুকলি

ইফালে, জিলাখনৰ জালাহত আজি হঠাৎ আহি শিক্ষমন্ত্ৰী ডাঃ পেগুৱে কে'বাটাও কাৰ্যালয় পৰিদৰ্শন কৰাৰ লগতে জালাহ বি বি কিষাণ মহাবিদ্যালয়খনো পৰিদৰ্শন কৰে। শিক্ষামন্ত্ৰীজনে প্ৰথমে জালাহ ৰাজহ চক্ৰ পৰিদৰ্শন কৰি কাৰ্যালয়ৰ বিভিন্ন দিশৰ বুজ লয়। ইয়াৰ পাছত মন্ত্ৰীজনে জালাহ বি বি কিষাণ মহাবিদ্যালয়, জালাহস্থিত জল জীৱন আঁচনি, জালাহ হাইস্কুল আৰু জালাহ উন্নয়ন খণ্ডৰ কাৰ্যালয় পৰিদৰ্শন কৰে। বি বি কিষাণ মহাবিদ্যালয় পৰিদৰ্শন কালত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কেশৱ বসুমতাৰীয়ে এই অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবী মহাবিদ্যালয়খনত বিজ্ঞান শাখা মুকলি কৰাৰ দাবীৰে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। শীঘ্ৰে মহাবিদ্যালয়খনক বিজ্ঞান শাখালৈ উন্নীত কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। মহাবিদ্যালয়খনতে মহাবিদ্যালয় ছাত্ৰ একতা সভা, শিক্ষক গোট, কৰ্মচাৰী গোট, জালাহ উন্নয়ন সমিতি, পূব খাগ্ৰাবাৰী ৰাস মহোৎসৱ সমিতি আদি কে'বাটাও দল-সংগঠনে সম্বৰ্ধনা জনায়।

মান্দাকাটাৰ হত্যা ঃ দুই আৰক্ষী-গৃহৰক্ষীক 'ৰিজাৰ্ভ ক্ল'জড্'

■ আৰক্ষী বিষয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনিলে অভিযুক্তই

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটী, ২৩ নৱেম্বৰ ঃ কামৰূপ জিলাৰ মান্দাকাটাত সংঘটিত হত্যাকাণ্ডত নাম সাঙোৰ খোৱা আমিনগাঁও আৰক্ষী চকীৰ কনিষ্টবল দীপক চৌধুৰী আৰু গৃহৰক্ষী জোৱান ছাইদুলক 'ৰিজাৰ্ভ ক্ল'জড্' কৰা হৈছে। অভিযোগ উত্থাপিত হোৱাৰ পাছত কামৰূপৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ে দুয়োকে তলব কৰি 'ৰিজাৰ্ভ ক্ল'জড্' কৰে। যোৱা ১৩ নৱেম্বৰৰ নিশা আমিনগাঁৱৰ ৰাজপথত সংঘটিত এক ঘটনাৰ প্ৰত্যক্ষদৰ্শী অসম আৰক্ষী বেটেলিনয়ৰ জোৱান সূৰ্য কুমাৰ বৰুৱাই সংবাদ মাধ্যমৰ আগত চৌধৰী আৰু ছাইদুলৰ বিপক্ষে ভাষ্য দিয়াৰ পাছতে আৰক্ষী অধীক্ষকে এই পদক্ষেপ গ্ৰহণ কৰে।

উল্লেখ্য যে ১৩ নৱেম্বৰৰ নিশা চাৰিজন যুৱকে এজন অচিনাক্ত লোকক গুৰুতৰভাৱে প্ৰহাৰ কৰা ঘটনা প্ৰত্যক্ষ কৰিছিল বেটেলিয়নৰ জোৱানজনে। তেওঁ লগে লগে আমিনগাঁও আৰক্ষী চকীত খবৰ দিয়াত কনিষ্টবল চৌধুৰী আৰু গৃহৰক্ষী জোৱান ছাইদুলে ঘটনাস্থলীত উপস্থিত হৈ আহত লোকজনক উদ্ধাৰ কৰি মুমূৰ্ষু অৱস্থাত চিকিৎসালয়লৈ নিছিল। ৰহস্যজনকভাৱে ১৪ নৱেম্বৰত একেজন লোকৰ মৃতদেহ মান্দাকাটাৰ জংঘলত উদ্ধাৰ হোৱা ঘটনাত আশ্চৰ্যচকিত হোৱা বেটেলিয়নৰ জোৱানজনে চৌধুৰী আৰু ছাইদুলে হত্যাকাৰীৰ পক্ষ লোৱা বুলি অভিযোগ কৰিছিল। উল্লেখ্য যে মাৰপিটত জড়িত দুজন যুৱকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। অৱশ্যে ঘটনাত জড়িত আন দুজন যুৱকক কনিষ্টবল চৌধুৰী আৰু গৃহৰক্ষী জোৱানজনে সাহায্য কৰাৰো সন্দেহ ব্যক্ত কৰিছিল ঘটনাৰ প্ৰত্যক্ষদৰ্শী বৰুৱাই।

ইপিনে, অভিযুক্ত চৌধুৰী আৰু গৃহৰক্ষী ছাইদুলে আজি আমিনগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মুকুট বৈশ্যৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে ঘটনাৰ কথা তেওঁ ভাৰপ্ৰাপ্ত বিষয়া বৈশ্যক নিশাই ফোনযোগে অৱগত কৰিছিল যদিও বিষয়াজনৰ বাধাৰ বাবেই তেওঁলোকে আহত লোকজনক চিকিৎসালয়লৈ নিয়াৰ পৰা বিৰত আছিল। চৌধুৰীয়ে কয় যে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বৈশ্যই চিকিৎসালয়লৈ নিয়াত বাধা দিয়াৰ লগতে এইবোৰ ঝামেলাত নোসোমাই পথত টহল দিবলৈ তেওঁলোকক নিৰ্দেশ দিছিল। বিষয়াজনৰ নিৰ্দেশ পালন কৰি এতিয়া বিপদত পৰা বুলিও চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয়। অনুৰূপ ভাষ্য ছাইদুলেও আগবঢ়ায়। ইয়াৰ পৰিপ্ৰেক্ষিততে এতিয়া আমিনগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনৰ বিৰুদ্ধেও পদক্ষেপ গ্ৰহণৰ দাবী উঠিছে।

দৈনিক অগ্ৰদূত

■ আবকাৰী মন্ত্ৰীৰ হস্তক্ষেপৰ দাবীৰে স্মাৰকপত্ৰ প্ৰেৰণ ঢেকিয়াজুলি আছুৰ

ঠেলামৰাত অবৈধ সুৰা ব্যৱসায়ীৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ২৩ নৱেম্বৰ ঃ শোণিতপুৰ জিলাৰ ঠেলামৰাত ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থা আৰু ঠেলামৰা শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু শোণিতপুৰ জিলা সমিতিৰ সহযোগত অবৈধ সুৰা ব্যৱসায় বন্ধৰ দাবী আৰু ঠেলামৰাত সুৰা বিপণীৰ অনুমতি প্ৰদানৰ বিৰুদ্ধে আজি প্ৰতিবাদ সাব্যস্ত কৰে। ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শংকৰ দাস আৰু শোণিতপুৰ জিলা আছুৰ উপ-সভাপতি ভাস্কৰ নাথৰ নেতৃত্বত শতাধিক আছু কৰ্মীয়ে ঠেলামৰা ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত হাত হাতে প্লেকাৰ্ড, বেনাৰ লৈ 'অবৈধ সুৰা ব্যৱসায়িক অতি শীঘ্ৰেই গ্ৰেপ্তাৰ কৰক, ঠেলামৰাত সুৰা দোকানৰ অনুমতি বাতিল কৰক, আবকাৰী বিভাগ হায় হায়, অবৈধ সুৰা ব্যৱসায়ীৰে আবকাৰী বিভাগৰ মিতিৰালি বন্ধ কৰক, শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিব দিয়া নহ'ব আদি প্ৰতিবাদী শ্ল'গানেৰে প্ৰতিবাদ কৰি পৰিৱেশ উত্তাল কৰি তোলে। দলটোৱে ঠেলামৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কাৰ্যালয়ৰ সন্মুখত এনে প্ৰতিবাদৰ অন্তত ঠেলামৰা চক্ৰ বিষয়াৰ জৰিয়তে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ লগতে আবকাৰী মন্ত্ৰীলৈ ঠেলামৰাত চলি থকা অবৈধ সুৰা বিক্ৰী বন্ধ আৰু ঠেলামৰাত বিলাতী সুৰাৰ বিপণীৰ অনুমতি প্ৰদানৰ বিৰোধিতাৰে এক স্মাৰকপত্ৰ প্ৰদান কৰে আছুৱে। প্ৰতিবাদী কাৰ্যসূচীত শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে কয় যে বৃহত্তৰ ঠেলামৰা অঞ্চলত ব্যৱসায়ৰ নামত একাংশ লোকে অবৈধভাৱে দীৰ্ঘদিন ধৰি বিলাতী সুৰাৰ ব্যৱসায় কৰি থকাৰ পাছতো আৰক্ষী আৰু আবকাৰী বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। শেহতীয়াকৈ এজন ব্যৱসায়ীয়ে ঠেলামৰা অঞ্চলত সুৰা দোকান খোলাৰ যাৱতীয় অনুমতি বিচাৰি আবেদন জনাইছে। এই কাৰ্যৰ সম্পূৰ্ণ বিৰোধিতা কৰি কয় যে কোনো কাৰণতেই যাতে ঠেলামৰা অঞ্চলত সুৰাৰ দোকান হ'ব নোৱাৰে তাৰ বাবে সংগঠনটোৱে চোকা নজৰ ৰাখিব। ইপিনে, অঞ্চলটোৰ অবৈধ সুৰা আদি বন্ধৰ দাবী জনাই তেওঁ কয় যে অঞ্চলটোত সুৰাৰ বিপণী হ'লেই অঞ্চলটোৰ শৈক্ষিক-সামাজিক পৰিৱেশ বিনষ্ট হ'ব বুলি উল্লেখ কৰে। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষক বিহিত ব্যৱস্থাৰ দাবী জনায় অন্যথা জংঘী আন্দোলনৰ হুংকাৰ দিয়ে সংগঠনটোৱে।

সদৌ অসম ছাত্ৰ সন্থা
বিক্ষোভ কাৰ্যসূচী
তাৰিখ ঃ ২২ নৱেম্বৰ, ২০২১

লিচুবাৰীৰ পৰ্যবেক্ষণ গৃহ পৰিদৰ্শন জিলা উপায়ুক্তৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ২৩ নৱেম্বৰ ঃ যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে যোৱা ২২ নৱেম্বৰত লিচুবাৰীস্থিত পৰ্যবেক্ষণ গৃহটো পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত উপায়ুক্তজনে পৰ্যবেক্ষণ গৃহটোৰ সুবিধা-অসুবিধাসমূহ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে তাত থকা শিশুসকলৰ স'তে বাৰ্তালাপ কৰে। উপায়ুক্তই পৰ্যবেক্ষণ গৃহটোত থকা শিশুসকল স্ব-নিৰ্ভৰশীল হ'ব পৰাকৈ তেওঁলোকক শিক্ষা দিয়াৰ বিষয়ে গৃহটোৰ অধ্যক্ষা দিব্যজ্যোতি দেউৰী আৰু অন্যান্য বিষয়া-কৰ্মচাৰীসকলৰ স'তে আলোচনা কৰে। পশুপালন আৰু পশুচিকিৎসা বিভাগৰ সহযোগত গৃহটোত এখন কুকুৰা ফাৰ্ম স্থাপনৰ সিদ্ধান্ত লয়। শিশুসকলৰ সংস্কাৰ আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত ল'ব পৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰে। এই ক্ষেত্ৰত মৃৎশিল্প, ক্লে ক্ৰাফট, দৰ্জী, নৃত্য আদিৰ দৰে কাম শিকাত ব্যস্ত হৈ থাকিলে তেওঁলোকৰ মনবোৰ ভালে থাকিব বুলি বিবেচনা কৰা হয়। উপায়ুক্ত লগত সহকাৰী আয়ুক্ত আয়ুশী জৈন, জিলা পশু চিকিৎসা বিষয়া ডাঃ ভূপেন দাস আৰু ডাঃ ছাৰৱেৰ ছাদেৰ উপস্থিত থাকে।

জে এম চিলৈ হুইল চেয়াৰ প্ৰদান কৰ্মচাৰী সন্থাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ২৩ নৱেম্বৰ ঃ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সন্থাৰ উদ্যোগত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক পাঁচখন হুইল চেয়াৰ হাস্পতালৰ ৰোগীৰ সেৱাত উছৰ্গা কৰা হয়। উপলক্ষে আয়োজিত অনুষ্ঠানত কাৰ্যসূচী উদ্বোধন কৰে অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰ আৰু অধীক্ষক ডাঃ পূৰ্ণিমা বৰুৱাই। কৰ্তৃপক্ষৰ হৈ অধ্যক্ষই কৰ্মচাৰী সংস্থাৰ মহানতাৰ তথা ৰোগীৰ প্ৰতি থকা দায়বদ্ধতাৰ শলাগ লয়। সংস্থাৰ উপদেষ্টা নগেন হাজৰিকাই আঁত ধৰা অনুষ্ঠানত সন্থাৰ হৈ বক্তব্য ৰাখে পংকজ বৰুৱা আৰু বিকাশ বৰদলৈয়ে। উল্লেখ্য যে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সন্থাই ইয়াৰ পূৰ্বতেও বিভিন্ন স্থানত ৰক্তদান শিবিৰ, বান সাহায্য প্ৰদান, মুখ্যমন্ত্ৰী মন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক অনুদান দিয়াৰ দৰে সামাজিক আৰু কল্যাণমূলক কাম কৰি আহিছে।

জালুকবাৰীৰ প্ৰয়াত আমজেদ আলী-দেৱেন শৰ্মাৰ বাসগৃহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

অগ্ৰদূত বাৰ্তা

দুমুনিচকী, ২৩ নৱেম্বৰ ঃ জালুকবাৰী সমষ্টিৰ মান্দাকাটা গাঁও পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলৰ, শিমেলীবাৰীৰ আমজেদ আলীৰ বাসগৃহত আজি উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ কিছুদিন পূৰ্বে মৃত্যুক আঁকোৱালি লোৱা আলীৰ শোকসন্তপ্ত পৰিয়ালক মুখ্যমন্ত্ৰীয়ে আজি সমবেদনা জ্ঞাপন কৰে। কংগ্ৰেছৰ প্ৰবীণ নেতা আলী এসময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত আছিল। মান্দাকাটা হাইস্কুলৰ প্ৰাক্তন সভাপতি, বেজেৰা আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, পূব কামৰূপ সাহিত্য সভাৰ লগতে অসম সাহিত্য সভাৰ আজীৱন সভ্য সদস্য আলী আছিল ইছলাম ধৰ্মৰ এজন চুফী সাধক। পূব কামৰূপ অঞ্চলৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আলীৰ ফটোত আজি মুখ্যমন্ত্ৰীয়ে পুষ্পাঞ্জলি অৰ্পণ কৰে। ইফালে, যোৱা ১৯ নৱেম্বৰত পৰলোকপ্ৰাপ্তি ঘটা বাইহাটা চাৰিআলিৰ বিশিষ্ট ব্যৱসায়ী-সমাজকৰ্মী আগডলা নিবাসী দেৱেন শৰ্মাৰ পৰিয়ালবৰ্গকো তেওঁৰ ঘৰলৈ গৈ সমবেদনা জ্ঞাপন কৰে।

খেৰণিত কুণ্ডা ভৰ্তি এখন ট্ৰাক জব্দ

বিশেষ সংবাদদাতা

খেৰণি, ২৩ নৱেম্বৰ ঃ পশ্চিম কাৰ্বি আংলঙৰ খেৰণি বন বিভাগে অভিযান চলাই অসম-মেঘালয় সীমান্তৰ লামাৰাঙত কুণ্ডাভৰ্তি এম এল-০৪-৫৭৯১ নম্বৰৰ এখন শক্তিমান ট্ৰাক জব্দ কৰে। ভৰ্তি লামাৰাং গাঁৰৰ পৰা মেঘালয়লৈ কুণ্ডাসমূহ অবৈধভাৱে সৰবৰাহ কৰি থকা অৱস্থাত বন বিভাগে কুণ্ডাভৰ্তি গাড়ীখন জব্দ কৰিবলৈ সক্ষম হয় যদিও চোৰাং ব্যৱসায়ীসকলে পলায়ন কৰে। যোৱা ১৯ নৱেম্বৰত বন বিভাগে কুণ্ডাসহ ট্ৰাকখন জব্দ কৰে যদিও যান্ত্ৰিক বিজুতিৰ বাবে জব্দকৃত গাড়ীখন যোৱা নিশাহে খেৰণি বনাঞ্চলিক কাৰ্যালয়ত আনিবলৈ সক্ষম হয়।

শিৱসাগৰ চহৰৰ লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনত ক'ভিড আতংক

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৩ নৱেম্বৰ ঃ শিৱসাগৰ চহৰৰ লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনত ক'ভিড আতংক। পুৱাই প্ৰাথমিক বিদ্যালয়খনৰ শিক্ষয়িত্ৰী এগৰাকীৰ দেহত ধৰা পৰে ক'ভিড-১৯। শিক্ষয়িত্ৰীগৰাকীৰ নাম ইভা গগৈ। বিগত এসপ্তাহত বিদ্যালয়লৈ আহি আছিল শিক্ষয়িত্ৰী গৰাকী। কালি বিদ্যালয়লৈ আহোতে জ্বৰ-চৰ্দি হৈ থকাত ক'ভিড পৰীক্ষা কৰাত ক'ভিডৰ উপস্থিতি ধৰা পৰে। লক্ষ্যণীয় যে ৪৫০ গৰাকী ছাত্ৰ-ছাত্ৰী আছে শিক্ষানুষ্ঠান খনৰ। বিদ্যালয়খনৰ বৰ্তমানেও অব্যাহত আছে পাঠদান।তদুপৰি, দুপৰীয়ালৈকে কৰা হোৱা নাই ছেনিটাইজ। তেনেকৈয়ে অব্যাহত ৰাখিছে পাঠদান।

বৰপথাৰত মহিলা সন্ধানহীন

বৰপথাৰ, ২৩ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ বৰপথাৰৰ এগৰাকী বিবাহিতা মহিলা বিগত ১০ দিন ধৰি নিৰুদ্দেশ হৈ আছে। নিৰুদ্দিষ্ট মহিলাগৰাকী বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ দুৱৰণী ভগৱান বাগান গাঁৰৰ ৰুক্মিণী তাঁতী। সন্ধানহীন মহিলাগৰাকীৰ আছে এটি পাঁচ বছৰীয়া পুত্ৰ সন্তান। উল্লেখ্য যে বেংকলৈ যাওঁ বুলি যোৱা ১২ নৱেম্বৰত ঘৰৰ পৰা ওলাই গৈ আজি পৰ্যন্ত ঘূৰি নাহিল মহিলাগৰাকী। স্বামী ৰাজু তাঁতীয়ে বিচাৰ কৰাৰ পাছতো কোনো সন্ধান নোপোৱাত বৰপথাৰ আৰক্ষীক খবৰ দিয়ে। কিন্তু আজি পৰ্যন্ত ৰুক্মিণীৰ একো সম্ভেদ লাভ কৰিবলৈ সক্ষম নহ'ল পৰিয়ালৰ লোক। আনহাতে, মাতৃক কাষত নাপাই শোকত ভাগি পৰিছে একমাত্ৰ পুত্ৰ।

অৱসৰপ্ৰাপ্ত শিক্ষক-সমাজকৰ্মী চন্দ্ৰ কিশোৰ ভকতৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

আগমনী, ২৩ নৱেম্বৰ ঃ ধুবুৰী জিলাৰ হালাকুৰাৰ শিক্ষাবিদ, সমাজকৰ্মী, ৰাজনীতিবিদ আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ কৰ্মী চন্দ্ৰ কিশোৰ ভকত (৮২)ৰ আজি মৃত্যু হোৱাত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰিছে। অঞ্চলটোৰ উচ্চ শিক্ষা আৰু সংস্কৃত শিক্ষাৰ গুৰি ধৰোঁতা ভকতৰ কোচবিহাৰৰ ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। আগমনীৰ বেলগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে অৱসৰ লোৱা ভকতে হালাকুৰা মহাবিদ্যালয়, শংকৰদেৱ সংঘৰ জিলা কমিটী আৰু দুমৰদহৰ শংকৰী সংস্কৃতি প্ৰকল্প ক্ষেত্ৰৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ সমান্তৰালকৈ স্থানীয় কে'বাখনো সত্ৰৰ প্ৰতিষ্ঠাপক, কে'বাটাও সামাজিক সংগঠনৰ লগত জড়িত হৈ সমাজ সেৱাত অগ্ৰণী ভূমিকা লৈ আহিছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সত্ৰশাল জিনকাটা, হালাকুৰা অঞ্চলৰ বহু ভকতে ভিৰ কৰে বাসভৱনত। তেওঁৰ মৃতদেহ নিজ বাসভৱনৰ পৰা হালাকুৰা মহাবিদ্যালয়লৈ নিয়ে আৰু ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভকতে সমাজলৈ আগবঢ়োৱা অৱদানক স্বীকাৰ কৰি সমাজৰ বাবে অপূৰণীয় ক্ষতি হ'ল বুলি গুণমুগ্ধসকলে মন্তব্য কৰে। সমাজৰ সকলো স্তৰৰ লোকৰ স'তে ভকতৰ মধুৰ সম্পৰ্ক আছিল। অৱশ্যে ৰাজনীতিৰ ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰি সমাজৰ উন্নতিৰ কাৰণে চেষ্টা কৰি আহিছিল।

ৰামদিয়াত সাৰৰ নাটনি

কৃষকৰ মাজত হাহাকাৰ, নিৰ্বিকাৰ কৃষি বিভাগ

অগ্ৰদূত বাৰ্তা

হাজো, ২৩ নৱেম্বৰ ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়াত এতিয়া সাৰৰ নাটনি। কৃষকসকলে প্ৰয়োজনীয় সাৰৰ অভাৱত কৃষি কাৰ্য কৰিবলৈ পৰা নাই। কৃষি প্ৰধান ৰামদিয়াত কৃষকসকলে পথাৰত কৃষি কাৰ্য কৰিবলৈ নামি পৰিছে যদিও শস্যৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় সাৰৰ নাটনি দেখা দিছে। এই সন্দৰ্ভত ৰামদিয়াৰ এজন আদৰ্শ কৃষক প্ৰমোদ বেজবৰুৱাই অভিযোগ কৰা অনুসৰি ৰামদিয়াৰ কৃষকসকলে সাৰৰ নাটনিৰ ফলতেই সময় মতে কৃষি কাৰ্য কৰাত অসুবিধাৰ সন্মুখীন হৈ আহিছে। ইফালে, স্থানীয় একাংশ দোকানীয়ে সাৰৰ প্ৰকৃত মূল্যতকৈ অধিক চ'ৰা দামত বিক্ৰী কৰি অহাৰো অভিযোগ কৰিছে কৃষকজনে। কৃষকসকলক সময় মতেই সাৰৰ যোগান ধৰি উপকৃত কৰাৰ বাবে ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাক কৃষি বিভাগৰ ৰামদিয়াৰ কৃষকসকলে দাবী জনাইছে।

টেঙাখাত শাখা কবি সন্মিলনৰ দ্বি-বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

টেঙাখাত, ২৩ নৱেম্বৰ ঃ সদৌ অসম কবি সন্মিলনৰ টেঙাখাত শাখাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিবেশন যোৱা ২১ নৱেম্বৰত টেঙাখাত অগ্ৰগামী সংঘত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। টেঙাখাত শাখা কবি সন্মিলনৰ সভানেত্ৰী ইলা গগৈয়ে সন্মিলনৰ পতাকা উত্তোলন কৰি অধিবেশনৰ কাৰ্যসূচী মুকলি কৰে। বন্তি প্ৰজ্বলন কৰি সম্পাদক মাধুৰ্য সন্দিকৈয়ে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। অধিবেশনৰ উপলক্ষে অনুষ্ঠিত কৰা মুকলি সভাত সভাপতিত্ব কৰে শাখা সন্মিলনৰ সভানেত্ৰী ইলা গগৈয়ে। কাব্য সাহিত্যৰ বৌদ্ধিক আন্দোলনৰ ওপৰত আলোকপাত কৰি বক্তব্য ৰাখে সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক গুণেশ্বৰ সোণোৱাল, সমাজ সেৱক ভদ্ৰ গগৈ আৰু কবি তৈলেন বৰুৱাই। মুকলি সভাতে ৰত্নাৱলী গগৈ বৰাৰ গল্প সংকলন 'জীৱন অনুপম' উন্মোচন কৰে সাহিত্যিক ফুলনী ফুকনে। 'অকণিহঁতৰ বাবে ৰামায়ণ আৰু মহাভাৰতৰ কেইটামান কাহিনী' নামেৰে নামকৰণ কৰা ইলা গগৈয়ে গ্ৰন্থখন উন্মোচন কৰে সাহিত্যিক গুণেশ্বৰ সোণোৱালে। মাধুৰ্য সন্দিকৈ আৰু বলিত ফুকনে সম্পাদনা কৰি উলিওৱা 'শব্দৰ সুহুৰি' কাব্যালোচনীখন উন্মোচন কৰে ডিব্ৰুগড় জিলা কবি সন্মিলনৰ সভাপতি পৱিত্ৰ গগৈয়ে। টেঙাখাত শাখা সাহিত্য সভাৰ সভানেত্ৰী স্বপ্না শইকীয়া, সমাজ সেৱিকা দীপা চুতীয়া, সাংবাদিক নৰকুমাৰ গগৈ, টেঙাখাত প্ৰেছ ক্লাবৰ সভাপতি দীপক গগৈ আৰু সম্পাদক জয়ন্ত শইকীয়াই মুকলি সভাত অংশগ্ৰহণ কৰে। প্ৰতিনিধি সভাত সৰ্বসন্মতিক্ৰমে অঞ্জলি চমুৱাক সভানেত্ৰী আৰু বলিত ফুকনক সাধাৰণ সম্পাদকৰূপে লৈ টেঙাখাত শাখা কবি সন্মিলনৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়।

হাজো কুশৰৈ প্ৰাথমিক বিদ্যালয়ত ব্লক খণ্ড সমল ব্যক্তি কমলেশ্বৰ ডেকাক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

হাজো, ২৩ নৱেম্বৰ ঃ হাজো খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত কৰ্মৰত ব্লক খণ্ড সমল ব্যক্তি কমলেশ্বৰ ডেকাক যোৱা ২০ নৱেম্বৰত হাজো কুশলৈ প্ৰাথমিক বিদ্যালয়ত বিদায় সম্বৰ্ধনা জনোৱা হয়। অৱশ্যে যোৱা ৩০ ছেপ্টেম্বৰত কমলেশ্বৰ ডেকাই চাকৰি জীৱনৰ পৰা অৱসৰ লৈছিল যদিও ২০ নৱেম্বৰত তেওঁক হাজো খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত বিদায় জনোৱা হয়। বিদায় মুহূৰ্তত বিদায় প্ৰাৰ্থী কমলেশ্বৰ ডেকা কিছু মুহূৰ্তৰ বাবে আৱেগিক হৈ পৰে। অনুষ্ঠানত হাজো খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ উপৰি বহু লোক উপস্থিত থাকে।

সমাজকৰ্মী কুমুদ ভট্টাচাৰ্যৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২৩ নৱেম্বৰ ঃ জামুগুৰিহাটৰ নন্দিকেশ্বৰ গাঁৰৰ গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সমাজকৰ্মী কুমুদ ভট্টাচাৰ্য(৮৮)ৰ যোৱা ২০ নৱেম্বৰৰ নিশা বাৰ্ধক্যজনিত কাৰণত নিজ গৃহতেই মৃত্যু হয়। ভট্টাচাৰ্য চিলাবন্ধা আঞ্চলিক ব্ৰাহ্মণ সমাজ, জামুগুৰি মংগলময়ী পূজা কমিটী, সঞ্জীৱনী নাট্য সমাজ, পশ্চিম জামুগুৰি ব'হাগী মেলাকে আদি কৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ভট্টাচাৰ্যৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে নিজা বাসগৃহত উপস্থিত হৈ অসম ব্ৰাহ্মণ সমাজ, শোণিতপুৰ জিলা ব্ৰাহ্মণ সমাজ, চিলাবন্ধা ব্ৰাহ্মণ সমাজ, সঞ্জীৱনী নাট্য সমাজ, জামুগুৰি মংগলময়ী পূজা কমিটী, নন্দিকেশ্বৰ ব্ৰাহ্মণ সমাজ, চিলাবন্ধা গোপিনী সমাজ, সঞ্জীৱনী গ্ৰন্থালয়কে আদি কৰি ২০ৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত ভট্টাচাৰ্যই পত্নীসহ দুই পুত্ৰ-কন্যা আৰু এক ভৰাসংসাৰ ইহসংসাৰত এৰি যায়।

ক'ভিডত পুনৰ দুজন আক্ৰান্ত হোজাইত

অগ্ৰদূত বাৰ্তা

হোজাই, ২৩ নৱেম্বৰ ঃ ক'ভিডৰ দ্বিতীয় লহৰত হোজাইত কালি পুনৰ দুজন লোক আক্ৰান্ত হয়। পৰহি আক্ৰান্তৰ সংখ্যা শূন্য আছিল। কালি মুঠ ৩২৫ জনক ৰেট পৰীক্ষা কৰোঁতে দুজনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে আৰু ১২জনক আৰ টিপিচিআৰ পৰীক্ষা কৰা হয়। জিলাখনত এতিয়াও ১৯ জন ক'ভিড ৰোগী সক্ৰিয় হৈ আছে ইয়াৰে সাতজন হোম আইচ'লেচনত, আঠজন যোগীজান ক'ভিড হাস্পতালত আৰু চাৰিজন লামডিং ক'ভিড হাস্পতালত চিকিৎসাধীন হৈ আছে বুলি জিলা প্ৰশাসনৰ শীৰ্ষ সূত্ৰত প্ৰকাশ। ক'ভিড দ্বিতীয় লহৰত আজিলৈকে হোজাইত আজিলৈকে মুঠ ৬৪৪২ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে দুশ লোকৰ মৃত্যু ঘটিছে।

সৰবৰহী যুৱক খাইৰুল আলম তালুকদাৰৰ মৃত্যু

■ পুত্ৰক বচাবলৈ মাতৃয়েও দান কৰিছিল বৃক্ক

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ২৩ নৱেম্বৰ ঃ ডবকা চহৰৰ 'তালুকদাৰ মেনশ্বন'ৰ স্বত্বাধিকাৰী আব্দুল হক তালুকদাৰৰ দ্বিতীয় পুত্ৰ খাইৰুল আলম তালুকদাৰ (৩৫)ৰ আজি পুৱাৰ ভাগত মৃত্যু হয়। দীৰ্ঘদিন ধৰি খাইৰুল বৃক্কৰ জটিল ৰোগত আক্ৰান্ত হৈ আছিল। পুত্ৰৰ জীৱন বচাবলৈ খাইৰুলৰ মাতৃয়ে নিজৰ এটা বৃক্ক দান কৰিছিল পুত্ৰক। তথ্য অনুসৰি বৃক্ক সংৰোপণৰ পাছতো খাইৰুল সুস্থ হৈ নুঠিল। তাৰ মাজতে হোজাইৰ হাম চিকিৎসালয়ত খাইৰুলৰ নিয়মিত চলি আছিল ডায়লেচিচ। আজি পুৱাৰ ভাগত হঠাৎ অসুস্থ হৈ পৰাত ততাতৈয়াকৈ হোজাইৰ হাম চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকৰ সকলো চেষ্টা বিফল কৰি ইহলীলা সম্বৰণ কৰে। ডবকাৰ সৰবৰহী যুৱক খাইৰুলৰ মৃত্যু সংবাদ বিয়পি পৰা মাত্ৰকে অগণন গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শোকস্তব্ধ পৰিয়ালক সমবেদনা জনায়। আজি বিয়লি এক শোকাকুল পৰিৱেশত ডবকা পুৰাণ বজাৰ ঈদগাহত জানাজাৰ নামাজ সম্পন্ন কৰি স্থানীয় কবৰস্থানত সমাধিস্থ কৰা হয়।

বিএইছবি মহাবিদ্যালয়ত প্ৰাক্তন উপাধ্যক্ষৰ স্মৃতিচাৰণ

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ২৩ নৱেম্বৰ ঃ যোৱা ১৯ নৱেম্বৰত মৃত্যুবৰণ কৰা সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন বিভাগীয় মুৰব্বী প্ৰভাত চন্দ্ৰ ৰাজবংশীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে তেওঁৰ স্মৃতি ৰোমন্থন কৰাৰ উদ্দেশ্যে মহাবিদ্যালয় প্ৰাংগণত এখন স্মৃতিচাৰণ সভা তথা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, অনাশিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থকা এই অনুষ্ঠানৰ আৰম্ভণিতে তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে। তাৰ পাছত উপস্থিত শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰসকলৰ ফালৰ পৰা পুষ্পাঞ্জলি দিয়া হয়। ইয়াৰ পাছত অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত ৰাজবংশীৰ শিক্ষক হিচাপে দায়বদ্ধতা আৰু সকলোৰে স'তে সহজে মিলিব পৰা মনোভাবৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি বক্তব্য দাঙি ধৰে মহাবিদ্যালয়খনৰ শিক্ষক গোটৰ সভাপতি মোফাজ্জল হুছেইন, উপেন্দ্ৰনাথ বৰ্মন, দিপুল তালুকদাৰ, প্ৰবোধ কলিতা, ড° নমিতা দাস, মৃণাল দত্ত আদিয়ে। ৰাজবংশীয়ে অৱসৰ পাছত বিএইছবি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ উপাচাৰ্য, মনোনীত সদস্য আছিল আৰু সেই সূত্ৰে তেওঁ সাময়িকভাৱে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব মূৰ পাতি ল'বলগীয়া হৈছিল। সভাপতিৰ ভাষণত অধ্যক্ষ ড° দাসে ৰাজবংশীৰ দৰে উৎসৰ্গিত মনৰ শিক্ষকৰ পৰা আমাৰ শিকিবলগীয়া বহুখিনি আছে বুলি কয়।

সাংবাদিক মানস প্ৰতিম গগৈক সম্বৰ্ধনা জ্ঞাপন

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ২৩ নৱেম্বৰ ঃ মাকুম পথাৰ যুৱ সংঘৰ উদ্যোগত যোৱা ২২ নৱেম্বৰত মাৰ্ঘেৰিটাৰ মহকুমাৰ যুৱ সাংবাদিক মানস প্ৰতীম গগৈক সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰায় ১১ বছৰে সংবাদসেৱাৰে সমাজক সেৱা আগবঢ়াই অহাৰ চিহ্নস্বৰূপে যুৱ সাংবাদিক গগৈৰ মাৰ্ঘেৰিটা এক নম্বৰ মাকুম পথাৰস্থিত বাসগৃহত উপস্থিত হৈ সংগঠনটোৱে এই সন্মান জনায়। মাৰ্ঘেৰিটা মাকুম পথাৰ যুৱ সংঘৰ সভাপতি ৰিক্কি শৰ্মা আৰু সম্পাদক ৰিদিপ ৰাজখোৱাৰ নেতৃত্ব অহা দলটোৱে সাংবাদিক গগৈক এখন ফুলাম গামোচা, এটা ফুলাম জাপি আৰু সম্বৰ্ধনা পত্ৰৰে এই সন্মান প্ৰদৰ্শন কৰে। সংগঠনটোৰ সভাপতি ৰিক্কি শৰ্মাই কয় যে গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ স্বৰূপ সংবাদ মাধ্যমৰ এজন সক্ৰিয় সাংবাদিকৰূপে গগৈয়ে বিভিন্ন সময় বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে সংবাদসেৱা আগবঢ়াই আহিছে। সেয়ে তেওঁক উৎসাহিত কৰাৰ লগতে অনাগত দিনত অধিক সংক্ৰিয়ভাৱে সংবাদসেৱাৰে সমাজত সেৱা আগবঢ়াই যাব পাৰে তাকেই কামনা কৰিছে।

উল্লেখ্য যে মাৰ্ঘেৰিটা মাকুম পথাৰ যুৱ সংঘই অঞ্চলটোত সময়ে সময়ে সামাজিক, সাংস্কৃতিক বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ লগতে বিভিন্ন সমাজ সচেতন ব্যক্তিক সম্বৰ্ধনা জনায় আহিছে। সাংবাদিক গগৈয়ে সম্বৰ্ধনা গ্ৰহণ কৰি কয় যে আজি জনোৱা সন্মান কেৱল তেওঁকে জনোৱা সন্মানে নহয় এয়া সমগ্ৰ সাংবাদিক সমাজক জনোৱা সন্মান। এই সন্মানে অধিক দায়িত্বশীল কৰিলে বুলি গগৈয়ে মন্তব্য প্ৰকাশ কৰে।

দুই-তিনি বছৰৰ ভিতৰতে বিটিআৰৰ ৰাইজৰ অভাৱ-অভিযোগ পূৰণৰ চেষ্টা কৰিম

■ তামুলপুৰত একেদিনাই দুখন পকী দলঙৰ আধাৰশিলা স্থাপন বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২৩ নৱেম্বৰ ঃ তামুলপুৰ সমষ্টিৰ অন্তৰ্গত দ্বাৰকুছিৰ সমীপৰ লাচিত বৰলীয়া নদীৰ ওপৰত আৰু তামুলপুৰ মহকুমা সদৰৰ বিলপাৰত ডিমিলা নদীৰ ওপৰত আজি দুখন পকী দলঙৰ আধাৰশিলা স্থাপন কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। পুৱাৰ ভাগত এক মাংগলিক পৰিৱেশত বিলপাৰ গাঁৰৰ ডিমিলা নদীৰ ওপৰত দুই কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'ব লগা পকী দলঙৰ আধাৰশিলা স্থাপন কৰি বিটিআৰ প্ৰধান বড়োৱে কয় যে বিলপাৰত ডিমিলা নদীৰ ওপৰত পকী দলঙৰ আধাৰশিলা স্থাপন কৰাৰ লগে লগে এই অঞ্চলৰ ৰাইজৰ এটা দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'বলৈ গৈ আছে। বিধায়ক পুঁজিৰ পৰা প্ৰায় দুই কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া এই দলংখন কেতিয়াবাই নিৰ্মাণ কৰিব লাগিছিল যদিও আমাৰ পূৰ্বৰ বিধায়কজন হঠাৎ স্বৰ্গবাসী হোৱাত পলমকৈ কামবোৰ কৰিবলগীয়া হ'ল। পূৰ্বৰ দৰেই যোৱাটো উপ-নিৰ্বাচনত ৰাইজে দলক সহযোগ কৰাত তেওঁ ধন্যবাদ জ্ঞাপন কৰি কয় যে অহা দুই তিনি বছৰৰ ভিতৰতে আমি বিটিআৰৰ ৰাইজৰ অভাৱ অভিযোগ পূৰণ কৰাৰ চেষ্টা কৰিম। পূৰ্বৰ বিপিএফ চৰকাৰে সূতা কম্বলৰ ৰাজনীতি কৰিয়েই সময় কটোৱাত গ্ৰাম্যাঞ্চলৰ অৰ্থনীতিত বহুখিনি সমস্যাৰ সৃষ্টি হোৱাৰ কথা দোহাৰি তেওঁ কয় যে সেই কাৰণে ইতিমধ্যে বিটিআৰ চৰকাৰে ৰাইজৰ সুবিধা হোৱাকৈ বহুটো আঁচনি গ্ৰহণ কৰিছে। বিটিআৰ চৰকাৰে অনাগত দিনত মহিলা সৱলীকৰণত অধিক গুৰুত্ব প্ৰদান কৰাৰ কথা দোহাৰি বিটিআৰ প্ৰধান বড়োৱে কয় যে আমি ইতিমধ্যে হস্ততাঁত বস্ত্ৰ বিভাগত ২৫টা ক্লাচটাৰত ভাগ কৰিছো য'ত ২০০ গৰাকী মহিলাই শাল পাব আৰু কাপোৰ বব পাৰিব। ১০০০ গৰাকী মহিলাই অহা দুমাহৰ ভিতৰত থলুৱা মুৰ্গী, ছাগলী পালন আদি আঁচনিবোৰৰ সুফল পাব। বিটিআৰ চৰকাৰে জীৱিকাৰ লগত সম্পৰ্ক থকা আঁচনিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি মহিলা সৱলীকৰণত গুৰুত্ব আৰোপ কৰি ইয়াৰ বাবে অচিৰেই বিলপাৰ গাঁৰৰ মহিলা সকলৰ বাবেও আঁচনি ল'ব বুলি জানিবলৈ দিয়ে। ইপিনে বিটিআৰ প্ৰধানজনে আজি দিনৰ ভাগত দ্বাৰকুছিৰ সমীপৰ লাচিঘাটত বৰলীয়া নদীৰ ওপৰত আঠ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'ব লগা আন এখন দলঙৰ আধাৰশিলা স্থাপন কৰে। বড়োক দুয়োটা অনুষ্ঠানতে সংগ দিয়ে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, টিচিএলচিচিৰ অধ্যক্ষ পৱিত্ৰ নাৰ্জাৰী, গয়বাৰী ব্লক ইউপিপিএলৰ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰী, ঠিকাদাৰ ৰামু কলিতা, ভিচিডিচিৰ অধ্যক্ষ ঘনশ্যাম দাস আদিকে ধৰি কে'বাজনো নেতা-কৰ্মীয়ে।

চিনামৰা বালিকা বিদ্যালয়ৰ সফলতা

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ২৩ নৱেম্বৰ ঃ যোৱা ২০ নৱেম্বৰত সামৰণি পৰা যোৰহাট জিলা এথলেটিকচ সমাৰোহ ২০২১ত চিনামৰা বালিকা বিদ্যালয়ৰ দলটোৱে আঠটা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়ৰ সংগীত শিক্ষয়িত্ৰী হীমাৰাণী কলিতাৰ তত্ত্বাৱধানত যোৱা দলটোৰ ১৪ বছৰ অনূৰ্ধ্ব শাখাত আছিফা আনজু লংজাম্পত দ্বিতীয়, টিছা ঘাটোৱাৰ লংজাম্পত প্ৰথম, স্বতপুটত প্ৰথম, ১৬ বছৰ অনূৰ্ধ্ব শাখাত তৃষা তাঁতী ৪০০ মিটাৰ দৌৰত দ্বিতীয়, লংজাম্পত তৃতীয়, জোনাকী থাপাই ২০০, ৪০০ মিটাৰ দৌৰত প্ৰথম স্থান লাভ কৰে। আনহাতে, দলটোৱে ৪০০ মিটাৰ ৰীলেত দ্বিতীয় স্থান পায়। দলটোৰ আন সদস্যা কেইগৰাকী হ'ল ৰাহী ভূমিজ, ৰিঞ্জু তাঁতী আৰু চুমায়া গোৱালা। উল্লেখ্য যে, সমাৰোহত ৬৬ টা দলৰ ৬৫০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।

কেবিনেটলৈ আশাৰে অপেক্ষা বঙাইগাঁওবাসীৰ

ব্যঞ্জন থাকিব। মন্ত্ৰী পৰিষদে জুতি লগাই খাব পৰাকৈ জিলা প্ৰশাসনে কলকাতাৰ পৰা অনাইছে ইলিছ, পাবদা, ভেটকি, গলদা শিংৰা আৰু লোকেল কাতলা। বাংলাদেশৰ পদ্মা নদীৰ কমেও ২.৫ কেজি ওজনৰ সুস্বাদু ইলিছ মাছৰ কেৱল পেটৰ অংশৰেহে ব্যঞ্জনৰ ব্যৱস্থা কৰা হৈছে বুলি জিলা প্ৰশাসনৰ তৰফৰ পৰা জনাইছে। লগতে থাকিব খাহী, গাহৰি, হাঁহ আৰু স্থানীয় মুৰ্গীৰ মাংস। কেবিনেট বৈঠকৰ লগতে খাদ্য সম্ভাৰতো যাতে বঙাইগাঁৱৰ সন্মান লাঘৱ নহয়, তাৰ প্ৰতি সকলো প্ৰস্তুতিতে চোকা দৃষ্টি ৰাখিছে স্থানীয় বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ফণীভূষণ চৌধুৰীয়ে। ইপিনে, আজি সন্ধিয়া কাইলৈৰ কেবিনেট বৈঠক তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ একাংশ কাৰ্যসূচীৰ কথা ঘোষণা কৰে জিলা প্ৰশাসনে। সেই অনুসৰি কাইলৈ পুৱা ১০ বজাত উপায়ুক্তৰ কাৰ্যালয়ত লাচিত দিৱস পালন কৰা হ'ব। দিনৰ ১১ বজাৰ পৰা কেবিনেট বৈঠক অনুষ্ঠিত হোৱাৰ পাছত দুপৰীয়া ১২-৩০ বজাত সংবাদমেল সম্বোধন কৰিব ৰাজ্য চৰকাৰৰ মুখপাত্ৰ মন্ত্ৰী পীযুষ হাজৰিকাই। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীয়ে বৰপাৰা চিলাৰায় মাৰ্কেটৰ আধাৰশিলা স্থাপনৰ লগতে মাজগাঁৱত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰিব।

কেবিনেটলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে বঙাইগাঁওবাসীয়ে ঃ সাংসদ খালেক

অভয়াপুৰীৰ অগ্ৰদূত বাৰ্তা ঃ 'কেবিনেটৰ যোগেদি কি লাভ কৰিব সেয়া ৰাইজে গভীৰ অপেক্ষাৰে চাই আছে।' কাইলৈৰ কেবিনেট বৈঠকৰ সন্দৰ্ভত এই মন্তব্য কৰিলে কংগ্ৰেছী সাংসদ আব্দুল খালেকে। আজি জিলাখনৰ অভয়াপুৰীত টাপাট্ৰাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ প্ৰথম মৃত্যু বাৰ্ষিকী পালন কৰি সাংসদজনে সংবাদ মাধমৰ আগত কয় যে বঙাইগাঁও উন্নয়নৰ আন্তঃগাঁথনিৰ বাবে ৰাজ্য চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়াও ৰাইজে লক্ষ্য ৰাখিব। কৃষি প্ৰধান অঞ্চলটোৰ বাবে এখন উন্নত পশু চিকিৎসালয়ৰ প্ৰয়োজন বুলি মন্তব্য কৰি সাংসদ খালেকে লগতে কয় যে বঙাইগাঁৱৰ গৰাখহনীয়া সন্দৰ্ভত চৰকাৰৰ নীতি, কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ সমস্যা আদিত চৰকাৰখনৰ স্থিতি কেবিনেটতে স্পষ্ট কৰিব লাগিব।

নিলম্বিত চক্ৰ বিষয়া বৰঠাকুৰৰ বিৰুদ্ধে

এক পৃষ্ঠাৰ পৰা ২৭ ছেপ্টেম্বৰত দুৰ্নীতি প্ৰতিৰোধ আইন (সংশোধিত ২০১৮), ১৯৮৮ৰ অধীনৰ ধাৰা ৭ (ক)/১২/১৩ (২) আৰু ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১২০ (খ)ৰ অধীনত এক গোচৰ (নম্বৰ ০৯/০৯/২০২১) ৰুজু কৰা হৈছিল। উক্ত দিনাই দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষৰ এক অভিযানকাৰী দলে লাটমণ্ডল হুছেইনক ৫০ হেজাৰ টকা উপঢৌকন লোৱাৰ সময়ত হাতে-লোটে ধৰা পেলাইছিল। অভিযোগনামাত উল্লেখ কৰা অনুসৰি লাটমণ্ডল হুছেইনে অভিযোগকাৰীৰ লগতে আন বহুকেইজন লোকক গ্ৰেপ্তাৰ হ'বলগীয়া মাটিৰ দালালৰ তালিকাত নাম থকা বুলি ভয় দেখুৱাই ধনদাবী কৰিছিল। প্ৰতিশ্ৰুতি দিছিল যে মুঠ আঠ লাখ টকা ভেটি দিলেহে তালিকাৰ পৰা সেইসকলৰ নাম আঁতৰাই দিয়া হ'ব। ফলস্বৰূপে দাবী কৰা মুঠ ধনৰ আগধন হিচাপে ৫০ হেজাৰ টকা অভিযোগকাৰীৰ পৰা হুছেইনে লোৱাৰ সময়তে দুৰ্নীতি নিবাৰকৰ অভিযানকাৰী দলৰ হাতত ধৰা পৰে। অভিযানকাৰী দলে লাটমণ্ডল হুছেইনক মহানগৰীৰ ভঙাগড়স্থিত সৎসংগ বিহাৰৰ সন্মুখত আটক কৰাৰ লগতে ভেটিৰ ধনখিনিও উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

আৰম্ভণিতে কেৱল হুছেইনৰ বিৰুদ্ধে দুৰ্নীতি প্ৰতিৰোধ আইনৰ ইউ এছ ৭ (ক) ধাৰাত দুৰ্নীতি নিবাৰক শাখাত এক গোচৰ (নম্বৰ ০৯/২০২১) ৰুজু কৰা হৈছিল যদিও হুছেইনৰ স্বীকাৰোক্তিত চক্ৰ বিষয়া বৰঠাকুৰৰ নাম উল্লেখ কৰাৰ তদন্ত প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হয় আৰু পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত গোচৰটোত দুৰ্নীতি প্ৰতিৰোধ আইনৰ ধাৰা ১২/১৩ (২) আৰু ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১২০ (খ) সন্নিবিষ্ট কৰা হয়। সমান্তৰালভাৱে দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষৰ দলে অভিযুক্ত চক্ৰ বিষয়া বৰঠাকুৰক যোৱা দুই অক্টোবৰত মহানগৰীৰ কাহিলিপাৰা অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ২৮৮ পৃষ্ঠাজোৰা অভিযোগনামাত ২০ জন অভিযোগকাৰী আৰু সাক্ষীৰ চিআৰপিচি ইউ/এছ ১৬১ৰ অধীনত গ্ৰহণ কৰা হৈছে আৰু ধাৰা ১৬৪ৰ অধীনত দণ্ডাধীশে ছজন সাক্ষীৰ ভাষ্য বাণীবদ্ধ কৰি আদালতত জমা দিয়ে। দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষৰ এক সূত্ৰই কয়, 'দুয়োজন অভিযুক্তৰ বিৰুদ্ধে পৰ্যাপ্ত মৌখিক, নথিপত্ৰ আৰু কাৰিকৰী প্ৰমাণ পোৱা গৈছে যিয়ে অভিযোগ সত্য প্ৰমাণিত কৰিব।'

অবৈধ সম্পত্তি বাজেয়াপ্ত হ'ব ছইবৰৰ!

এক পৃষ্ঠাৰ পৰা উল্লেখ কৰিছে। তদন্তকাৰী সংস্থাটোৱে সদৰী কৰা অনুসৰি, আজি অভিযোগনামা দাখিল কৰা হৈছে যদিও ধৃত ছইবৰৰ আৰু বহু সম্পত্তিৰ এতিয়াও মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়া তথা পৰীক্ষা অব্যাহত আছে। সমান্তৰালভাৱে ধৃত ছইবৰে দক্ষিণ শালমাৰা-মানকাচৰ জিলাত অতিৰিক্ত উপায়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত বৃহৎ ধনৰ বিনিময়ত গাঁওবুঢ়া নিযুক্তি অৰ্থাৎ গাঁওবুঢ়া নিযুক্তি দিছিল। এই কেলেংকাৰিত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত ৰুজু হোৱা ৫/২০২১ নম্বৰৰ দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰ হৈছিল ধৃত ছইবৰ। এই দ্বিতীয়টো গোচৰত তদন্তকাৰী সংস্থাটোৱে সম্প্ৰতি তদন্ত ক্ষিপ্ৰতাৰে অব্যাহত ৰাখিছে আৰু ইতিমধ্যে দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ত অভিযান চলাই বহু আপত্তিজনক নথিপত্ৰ জব্দ কৰিছে। উল্লেখ্য যে নিলম্বিত ৰাজপত্ৰিত বিষয়া ধৃত ছইবৰৰ আয়তকৈ ৯৫ শতাংশ অধিক স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ গৰাকী আৰু ধৃত ছইবৰৰ বিশাল আয়বহিৰ্ভূত সম্পত্তিৰ মূল্য কিমান এতিয়াও স্পষ্ট ৰূপত পোহৰলৈ অহা নাই। ৰাজ্যৰ ইতিহাসত হয়তো প্ৰথমজন ধনকুবেৰ এচিএছ বিষয়াৰূপে চিহ্নিত হোৱা তথা যোৱা ২৪ আগষ্টত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ জালত পৰা ধৃত ছইবৰৰ অবাধ সম্পত্তিৰ উৎসৰ আঁৰৰ ৰহস্য উদঘাটন কৰিবলৈ গৈ তদন্তকাৰী সংস্থাটোৰ বিষয়াসকলৰ চকু কপালত উঠিছে। ধৃত তথা নিলম্বিত এচিএছ বিষয়াজনৰ সম্পত্তিৰ মূল্য প্ৰথমাৱস্থাত তদন্তকাৰী সংস্থাটোৱে প্ৰায় দুই-তিনিশ কোটি হ'ব বুলি ঠাৱৰ কৰিছিল যদিও তদন্ত প্ৰক্ৰিয়া আগবাঢ়িৰ যোৱাৰ সমান্তৰালভাৱে সম্পত্তিৰ এখন দীঘলীয়া তালিকাও পোহৰলৈ আহিছিল। এই সম্পত্তিসমূহৰ মূল্য নিৰ্ধাৰণ কৰিবলৈ ৰাজ্যৰ চৰকাৰী ব্যৱস্থাত পৰ্যাপ্ত সুবিধা নথকাৰ কথা পোহৰলৈ আহিছিল; যাৰ ফলত অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰে নিৰ্মিত ৰাজ অট্টালিকাসমূহৰ মূল্য নিৰ্ধাৰণ কৰিবলৈ তদন্তকাৰী দলে চৰকাৰী পঞ্জীয়নভুক্ত মূল্যায়কক দায়িত্ব অৰ্পণ কৰিবলৈ নিবিদা আহ্বান কৰিছিল। সম্প্ৰতি চৰকাৰী পঞ্জীয়নভুক্ত মূল্যায়কে ধৃত ছইবৰৰ অবাধ সম্পত্তিৰ মূল্য নিৰ্ধাৰণ কৰি থকাৰ মাজতে আজি এই গোচৰৰ অভিযোগনামা আদালতত দাখিল কৰে তদন্তকাৰী বিষয়াই। একেদৰে অবাধ সম্পত্তিৰ উৎস বিচাৰি তদন্তাকৰী সংস্থাটোৱে তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰখাৰ মাজত ন-ন তথ্য পোহৰলৈ আহে। ইপিনে, গাঁওবুঢ়া নিযুক্তি কেলেংকাৰিৰ সন্দৰ্ভত এটা পৃথক গোচৰ মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে ৰুজু কৰাৰ পাছত মাটি কেন্দ্ৰিক তৃতীয়টো গোচৰৰ ৰুজু কৰিবলৈ সাজু হৈছে। উল্লেখ্য যে ধৃত ছইবৰৰ অবাধ আয়বহিৰ্ভূত সম্পত্তিৰ ওপৰত এনফ'ৰ্চমেণ্ট সঞ্চালকালয়ে এটা গোচৰৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। যিটো গোচৰত ধৃত বিষয়াজনে বক্ৰ পথৰে গঢ়া পৰ্বতসম সম্পত্তি বাজেয়াপ্ত হোৱাৰ সম্ভাৱনা আছে।

প্ৰথমটো গোচৰত জামিন লাভ ধৃত ছইবৰৰ ঃ দ্বিতীয়টো গোচৰত নাপালে জামিন

সম্প্ৰতি গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰৰ আলহী নিলম্বিত এচিএছ বিষয়া ছইবৰে আজি প্ৰথমটো গোচৰত জামিন লাভ কৰে যদিও দ্বিতীয়টো গোচৰত জামিন লাভ নকৰাত মুকলি আকাশৰ তললৈ অহাটো পুনৰ সপোন হৈ ৰ'ল। উল্লেখ্য যে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে ছইবৰৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰাৰ অন্তত ধৃত ছইবৰৰ বিৰুদ্ধে থকা প্ৰথমটো গোচৰত অৰ্থাৎ চিএম ভিজিলেন্সৰ ০৩/২০২১ নম্বৰৰ গোচৰত এক লাখ টকাৰ জামিননামাৰ জৰিয়তে জামিন মঞ্জুৰ কৰে। উল্লেখ্য যে এই গোচৰত আজি তদন্তকাৰী সংস্থাটোৱে আদালতত অভিযোগনামা দাখিল কৰে যদিও নিৰ্ধাৰিত ৯০ দিনৰ ভিতৰত তদন্তকাৰী বিষয়াই আদালতত এই অভিযোগনামা দাখিলত ব্যৰ্থ হোৱাৰ বাবেই এই গোচৰত ধৃত ছইবৰে জামিন লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে ধৃত ছইবৰে দ্বিতীয়টো গোচৰৰ জামিন লাভ নকৰিলে।

কঠোৰ প্ৰত্যাহ্বানৰ মাজেৰে তদন্ত চলাইছে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে ঃ ক'ভিডৰ সংক্ৰমণ-নাই পৰ্যাপ্ত কৰ্মচাৰী

নিৰ্দিষ্ট সময়ৰ ভিতৰত অভিযোগনামা দাখিল কৰিবলৈ সক্ষম নোহোৱাত ছইবৰে আজি এটা গোচৰত জামিন লাভ কৰাৰ পাছতে ৰাজ্যজুৰি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষ সমালোচনাৰ সন্মুখীন হোৱাৰ সময়তে কাৰ্যালয়টোৱে কিদৰে কঠোৰ প্ৰত্যাহ্বানৰ মাজেৰে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দি আহিছে তাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে চাৰিটাকৈ ডাঙৰ গোচৰৰ তদন্ত একে সময়তে অব্যাহত ৰাখিছে। আয়বহিৰ্ভূতি সম্পত্তিৰ সন্দৰ্ভত ছইবৰৰ দুটা, নিলম্বিত ডিআইজি ৰৌণক আলী হাজৰিকা আৰু এপিডিচিএলৰ নিযুক্তি কেলেংকাৰিৰ গোচৰৰ তদন্ত একেলগে আগবঢ়াই নিছে তদন্তকাৰী সংস্থাটোৱে। তদন্তকাৰী সংস্থাটোৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত আজিৰ দিনটোত দুজন উপ-আৰক্ষী অধীক্ষক আৰু দুজন পৰিদৰ্শকৰ সহযোগত এই চাৰিটাকৈ গোচৰৰ চলিছে তদন্ত। সূত্ৰত প্ৰকাশ যে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত মুঠ উপ-আৰক্ষী অধীক্ষকৰ পদৰ সংখ্যা চাৰিজন আৰু পৰিদৰ্শকৰ পদৰ সংখ্যা নজন; কিন্তু তিনিজন উপ-আৰক্ষী অধীক্ষক আৰু তিনিজন পৰিদৰ্শকেৰে চলি আছে ৰাজ্যৰ অন্যতম তদন্তকাৰী সংস্থাটোৰ কাৰ্যালয়। ইয়াৰ মাজতে এই গুৰুত্বপূৰ্ণ চাৰিটাকৈ গোচৰৰ তদন্ত প্ৰক্ৰিয়া এইসকল বিষয়াই আগবঢ়াই নিয়াৰ সময়ত অধিকাংশ বিষয়া-কৰ্মচাৰী ক'ভিডত আক্ৰান্ত হৈছিল আৰু যোৱা ২৭ অক্টোবৰৰ পৰা সমগ্ৰ কাৰ্যালয়টো জিলা প্ৰশাসনে কন্টেইনমেণ্ট জ'নৰূপে ঘোষণা কৰাত সাত দিনৰ বাবে বন্ধ হৈ পৰিছিল। ক'ভিডত আক্ৰান্ত হৈ এতিয়াও সম্পূৰ্ণৰূপে সুস্থ নোহোৱাকৈ আৰক্ষী অধীক্ষক ৰ'জী কলিতাই যোগদান কৰিছে বুলি সূত্ৰত প্ৰকাশ। এতিয়াও এজন উপ-আৰক্ষী অধীক্ষক আৰু এজন পৰিদৰ্শকে কৰ্তব্যত যোগদান কৰিব পৰা নাই। কাৰ্যালয়টোত ছজনকৈ নতুন পৰিদৰ্শকক চলিত মাহৰ প্ৰথম সপ্তাহতে নিযুক্তি দিয়া হৈছে যদিও এতিয়াও যোগদান কৰা নাই। তেনেস্থলত দুজনকৈ উপ-আৰক্ষী অধীক্ষক আৰু পৰিদৰ্শকৰ ওপৰতে সম্প্ৰতি ন্যস্ত হৈ আছে সমগ্ৰ তদন্ত প্ৰক্ৰিয়া।

গগৈৰ প্ৰথম মৃত্যুবাৰ্ষিকীত 'কা'ৰ বিৰুদ্ধে

এক পৃষ্ঠাৰ পৰা ৰাইজে বিবুধিত পৰিছিল। ফলত পৰিণতি কি হ'ল, আমি সকলোৱে দেখিলো।' এই মন্তব্য প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ।

আজি সন্ধিয়া মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ প্ৰথম মৃত্যুবাৰ্ষিকী অনুষ্ঠানত অংশগ্ৰহণ কৰি সভাপতি বৰাই কয় যে কংগ্ৰেছে যেতিয়া 'কা' বিৰোধী আন্দোলনৰ নেতৃত্ব ল'ব বিচাৰিছিল তেতিয়া ৰাইজৰ ফালৰ পৰাই কোৱা হ'ল যে অৰাজনৈতিক সংগঠনেই আন্দোলনৰ নেতৃত্ব লওক। বৰাই কয়, 'ৰাইজৰ ৰায়ক সন্মান জনাই কংগ্ৰেছে আন্দোলনকাৰীসকলৰ পক্ষত থাকি অসমৰ স্বাৰ্থত ৰাজপথৰ পৰা সংসদলৈ নিষ্ঠা সহকাৰে সংগ্ৰামী দায়িত্ব পালন কৰিছিল; কিন্তু পৰৱৰ্তী সময়ত কোন নেতৃস্থানীয় ব্যক্তিৰ কৌশলত আন্দোলন স্থগিত হৈছিল তাক আজি নতুনকৈ অসমীয়া ৰাইজক বুজাব নালাগে।'

কেন্দ্ৰীয় চৰকাৰে সংযুক্ত কিষাণ মৰ্চাৰ গণ আন্দোলনত নতশিৰ হৈ তিনি কৃষি আইন বাতিল কৰাৰ লগে লগে জাতিক বচোৱাৰ স্বাৰ্থত সচেতন অসমীয়া ৰাইজে পুনৰ 'কা'ৰ বিৰুদ্ধে মূৰ দাঙি উঠিছে বুলি উল্লেখ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে কয় যে পূৰ্বৰ দৰেই কংগ্ৰেছে সদায় অসমৰ স্বাৰ্থত 'কা' বিৰোধী স্থিতিত অটল হৈ থাকিব আৰু ই কেতিয়াও সলনি নহয়। 'কা' বিৰোধী আন্দোলনৰ সন্দৰ্ভত অচিৰেই জাতীয় দল-সংগঠনৰ লগত প্ৰদেশ কংগ্ৰেছে আলোচনাত বহিব বুলি প্ৰকাশ কৰি বৰাই কয়, 'কা'ৰ বিৰুদ্ধে জাতিৰ স্বাৰ্থত আমি পুনৰ ঐক্যবদ্ধ আন্দোলন গঢ়ি তুলিব লাগিব। আন্দোলনে তীব্ৰতৰ ৰূপ লোৱাৰ লগে লগেই বিজেপিয়ে অসমৰ মানুহৰ মূৰৰ ওপৰত জাপি দিয়া 'কা'খন উঠাই নিবলৈ বাধ্য হ'ব। এতিয়াও 'কা'ৰ বিৰুদ্ধে কংগ্ৰেছে ৰাজপথৰ পৰা আৰম্ভ কৰি সংসদলৈ যুঁজিবলৈ সাজু আছো।'

'কা' বিৰোধী নেতাসকলৰ প্ৰতি ৰাইজৰ বিশ্বাস ভংগ হৈছে বুলি আক্ষেপ প্ৰকাশ কৰি বৰাই কয়, 'আমাৰ বহু নেতা আপোচবিহীন নহয় বাবেই ৰাইজৰ মাজত স্বাভাৱিকতে এনে ধাৰণাৰ সৃষ্টি হৈছে।' তেওঁ কয়, 'আমি কিন্তু ক্ষান্ত হ'লে নহ'ব। চৰকাৰে তাৰ সুবিধা গ্ৰহণ কৰিব। আমি আহ্বান জনাইছো, সকলো 'কা' বিৰোধী দল-সংগঠন, সচেতন ৰাইজ আগবাঢ়ি আহক। আমি প্ৰতিশ্ৰুতি দিছো, অসমীয়াৰ স্বাৰ্থ কংগ্ৰেছৰ স্বাৰ্থতকৈ বহু ওপৰত।'

কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে তিনিখন কৃষি আইন বাতিলৰ কথা ঘোষণা কৰিছে যদিও আন্দোলনকাৰী কৃষকসকল চূড়ান্ত লক্ষ্যত উপনীত নোহোৱা পৰ্যন্ত কংগ্ৰেছে সমৰ্থন আগবঢ়াই যাব বুলিও আজি দলৰ সভাপতি বৰাই প্ৰকাশ কৰে।

প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত গগৈৰ প্ৰথম মৃত্যু বাৰ্ষিকী সন্দৰ্ভত পুত্ৰ তথা সাংসদ গৌৰৱ গগৈয়ে আজি অসমবাসী ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে। অসমৰ ৰাইজে আজিও প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈৰ প্ৰতি মৰম, চেনেহ আৰু শ্ৰদ্ধা আছে বুলি মন্তব্য কৰি কয়, 'প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈৰ প্ৰতি থকা মৰমৰ ভাগ ৰাইজে আমাৰ পৰিয়াললৈও দিছে। আমি তাক লৈ সদায়েই গৌৰৱান্বিত।' মুখ্যমন্ত্ৰী প্ৰয়াত গগৈ কেৱল তেওঁৰ পিতৃ নাছিল এক ৰাজনৈতিক গুৰুও আছিল বুলি মন্তব্য কৰি সাংসদ গগৈয়ে লগতে কয়, 'প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈৰ যি 'কা' বিৰোধী স্থিতি আছিল, আমিও একেই স্থিতি গ্ৰহণ কৰি আহিছো। আৰু একেই থাকিব। 'কা'ৰ বিৰুদ্ধে গগৈয়ে যেনে ধৰণে যুদ্ধ কৰিছিল আমিও যুদ্ধ কৰিম। আমি যুদ্ধত নামিবই লাগিব।'

উল্লেখ্য যে আজি প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে শ্ৰীমন্ত মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত 'সপোনৰ যাত্ৰা' শীৰ্ষক এখন চুটি ছবি প্ৰদৰ্শন কৰা হয়। একে সময়তে গীতা পাঠ কৰাৰ লগতে ওজাপালি, হৰি নাম আৰু দৰঙী নাম প্ৰদৰ্শন কৰা হয়। আজিৰ মৃত্যু বাৰ্ষিকী অনুষ্ঠানত কংগ্ৰেছৰ বহুকেইগৰাকী সাংসদ, বিধায়কৰ লগতে নেতা উপস্থিত থাকে। লগতে প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈৰ পত্নী ডলি গগৈ, বোৱাৰী এলিজাবেথ গগৈ, জীয়ৰী চন্দ্ৰিমা গগৈ ফুকন, জোঁৱাই প্ৰসেনজিৎ ফুকন আদিও উপস্থিত থাকে।

পশুপালন বিভাগৰ উপ-সঞ্চালক

এক পৃষ্ঠাৰ পৰা লগতে তেওঁৰ জিম্মাৰ পৰা অভিযানকাৰী দলে উৎকোচ হিচাপে লোৱা ২০ হেজাৰ টকাও জব্দ কৰিবলৈ কৰে।

উল্লেখ্য যে অভিযোগকাৰী লোকজনে চুবুৰীয়া পশ্চিমবংগৰ আলিপুৰদুৱাৰৰ পৰা তিনিজনী খীৰতী গাই নিজৰ কোকৰাঝাৰস্থিত পামলৈ আমদানি কৰি আনিবৰ বাবে মহানগৰীৰ চেনিকুঠিস্থিত অসম চৰকাৰৰ পশুপালন বিভাগৰ পৰা অনুজ্ঞাপত্ৰ বিচাৰে। অভিযোগ মতে, উক্ত অনুজ্ঞাপত্ৰ দিয়াৰ বাবদ বিভাগৰ উপ-সঞ্চালক ডাঃ ভূঞাই ২০ হেজাৰ টকা উপঢৌকন বিচাৰে। শেষত উপায়ান্তৰ হৈ অভিযোগকাৰীয়ে কোকৰাঝাৰ আৰক্ষীৰ কাষ চাপে আৰু লিখিত অভিযোগ দাখিল কৰে। পৰৱৰ্তী সময়ত উক্ত অভিযোগৰ ভিত্তিত দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষে কোকৰাঝাৰ আৰক্ষীক লগত লৈ এক অভিযানকাৰী দল গঠন কৰি দিয়ে আৰু ডাঃ ভূঞাক গ্ৰেপ্তাৰ কৰিবলৈ জাল পেলায়। তাৰেই ফলস্বৰূপে আজি পূৰ্ব পৰিকল্পিত জালত ভৰি দি উপ-সঞ্চালক ডাঃ ভূঞাই অভিযোগকাৰীৰ পৰা বিচৰা ২০ হেজাৰ টকা গ্ৰহণ কৰি থকা অৱস্থাত হাতে লোটে ধৰা পৰে। ইতিমধ্যে উপ-সঞ্চালক ডাঃ ভূঞাৰ বিৰুদ্ধে কোকৰাঝাৰ আৰক্ষী থানাত দুৰ্নীতি প্ৰতিৰোধ আইন ১৯৮৮ (সংশোধিত ২০১৮)ৰ অধীনৰ ইউ/এছ ৭ (ক) ধাৰাত এক গোচৰ (নম্বৰ ৮১৭/২০২১) আজি ৰুজু কৰা হৈছে।

সন্ধান ওলাল কলীয়াভোমোৰা

এক পৃষ্ঠাৰ পৰা পানীত পৰা চালক আৰু হেণ্ডিমেনৰ। ইয়াৰ লগতে মহাবাহুত জাহ গ'ল ট্ৰাকখনে ডিমাপুৰৰ পৰা কঢ়িয়াই অনা ১৬ মেট্ৰিক টন লো। চালক-হেণ্ডিমেন দুজনৰ সন্ধান নোলোৱাত তেওঁলোকৰ পৰিয়ালত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

শোণিতপুৰৰ আৰক্ষী অধীক্ষকে জনোৱা মতে, এন এল-০১ কে-৩৫৫৩ নম্বৰৰ ট্ৰাকখনৰ চালকজন হৈছে জিলাখনৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত কৃষিপাম গাঁৱৰ পদ্ম বিশ্বকৰ্মাৰ পুত্ৰ ৰাজীৱ বিশ্বকৰ্মা আৰু হেণ্ডিমেনজন হৈছে বিশ্বনাথ জিলাৰ বিহালী আৰক্ষী থানাৰ অন্তৰ্গত ৰাংছালী গাঁৱৰ অমিত সোণাৰ (২০) ওৰফে লুটে। উল্লেখ্য যে চালক বিশ্বকৰ্মা সম্পৰ্কত অমিতৰ ভিনিহিয়েক। প্ৰাপ্ত তথ্য অনুসৰি, বিপুল পৰিমাণৰ ৰডখিনি ডিমাপুৰৰ পৰা বান্দৰদেৱালৈ নিয়া হৈছিল। আৰক্ষীয়ে জনাইছে যে ট্ৰাকখনত জিপিএছ সংযোগ আছে আৰু ইয়াৰ পৰা নিশা ১-০৯ বজাত ভোমোৰাগুৰি অঞ্চলত ট্ৰাকখনৰ উপস্থিতি ধৰা পৰিছে। কালি এছডিআৰএফ আৰু এনডিআৰএফ জোৱানে চলোৱা অভিযানত ট্ৰাকখনৰ অৱস্থিতি নিৰ্ণয় কৰা হয় যদিও উদ্ধাৰ সম্ভৱ নহ'ল। আজি পুৱাই সেনাৰ ডুবাৰুৱে উদ্ধাৰ অভিযানত নামে আৰু দুপৰীয়া হেণ্ডিমেন অমিতৰ এখন বেগ উদ্ধাৰ কৰে। বেগৰ পৰা অমিতৰ আধাৰ কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ আদি উদ্ধাৰ হয়। ইপিনে, দুয়োৰে ফোন বন্ধ হৈ থকাত আৰু ট্ৰাক দুৰ্ঘটনাৰ বিষয়ে অৱগত হৈ কালি পৰিয়ালৰ তৰফৰ পৰা আৰক্ষীৰে যোগাযোগ কৰে। ইয়াৰ ভিত্তিতে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনৰ পৰিচয় উদ্ধাৰ হয়। আজি বিয়লি চাৰি বজাত গেমন কোম্পানীৰ দুখন বাৰ্জ আৰু বৃহৎ ক্ৰেনৰ লগতে কৰ্মচাৰীৰ সহায়ত ট্ৰাকখন উদ্ধাৰ কৰা হয়।

ইপিনে, হেণ্ডিমেন অমিতৰ বিহালী ৰাংছালীৰ কমাৰপুখুৰী গাঁৱত আজি শোকাকুল পৰিৱেশে বিৰাজ কৰে। অৱশ্যে পুত্ৰ এতিয়াও ঘৰলৈ ঘূৰি অহাৰ আশাত বন্দী হৈ আছে অমিতৰ মাতৃ। আজি সন্ধিয়া তেওঁ ভগৱানৰ ওচৰত বন্তি জ্বলাই পুত্ৰৰ মংগল কামনা কৰে।

প্ৰাৰম্ভিক তদন্তৰ পাছতহে

এক পৃষ্ঠাৰ পৰা ললিতা কুমাৰীৰ ৰায়দানৰ ভিত্তিত ২৪ ঘণ্টাৰ ভিতৰত অভিযোগৰ প্ৰাৰম্ভিক অনুসন্ধানৰ কাম সম্পন্ন কৰিব লাগিব। এই অনুসন্ধানৰ ভিত্তিতহে অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত চৰকাৰে শীঘ্ৰে যাৱতীয় জাননী প্ৰকাশ কৰিব বুলি কয়। উল্লেখ্য যে কেন্দ্ৰীয় সংস্থাৰ প্ৰতিবেদনত প্ৰকাশ পোৱা ৰাজ্যৰ অপৰাধৰ সংখ্যা বৃদ্ধিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কোনোৱে অভিযোগ দাখিল কৰাৰ পাছতে পোনচাটে গোচৰ ৰুজু কৰা বাবেই অপৰাধৰ সংখ্যাৰ তথ্য বৃদ্ধি হৈছে বুলি উল্লেখ কৰে। সমান্তৰালভাৱে অসম আৰক্ষীত নিযুক্তি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে ১০ মে'ৰ ভিতৰত চৰকাৰে এক লাখ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। অসম আৰক্ষীত ১৬ হেজাৰ নিযুক্তিৰ সিদ্ধান্ত লোৱা হৈছিল যদিও আজিৰ আলোচনাত মে'ৰ ভিতৰত উল্লিখিত সংখ্যাৰ নিযুক্তি সম্ভৱ নহয় বুলি শীৰ্ষ আৰক্ষী বিষয়াই অৱগত কৰায় বুলি উল্লেখ কৰি তেওঁ কয়, '১০ মে'ৰ ভিতৰত অসম আৰক্ষীত ১২-১৩ হেজাৰ পদত নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ আজি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অহা সপ্তাহত পাঁচটা কমাণ্ডো বেটেলিয়ানকে ধৰি প্ৰায় ছহেজাৰ নতুন পদৰ বিজ্ঞাপন মুকলি হ'ব। একেদৰে খালী হৈ থকা উপ-পৰিদৰ্শকৰ পদসমূহৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।' উল্লেখ্য যে আগন্তুক বৰ্ষৰ আঠ আৰু ন জানুৱাৰীত দুলীয়াজানত ৰাজ্যৰ আৰক্ষী অধীক্ষকসকলৰ দ্বিতীয়খন সন্মিলন অনুষ্ঠিত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। একেদৰে তেওঁ মহানগৰীৰ আৰক্ষীত ১৯৯২ৰ পৰা প্ৰায় ৪০ হেজাৰ গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে বুলি উল্লেখ কৰি কয় যে ইয়াৰ ১৬ হেজাৰ গোচৰৰ কেছ ডায়েৰীকে ধৰি আন আন নথিপত্ৰৰ উৎস বিচাৰ কৰিব নোৱাৰা অৱস্থাত আছে। অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ দ্বাৰা এই গোচৰসমূহ পুনৰ গঠন কৰি আদালতলৈ প্ৰেৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মহানগৰ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই পুনৰ কয়, 'প্ৰতি মাহত মহানগৰীত যিমান গোচৰ ৰুজু হয় তাতকৈ অধিক গোচৰ নিষ্পত্তিৰ বাবে বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৰেঞ্জ ডিআইজি আৰু আৰক্ষী অধীক্ষকসকলৰ স'তে ভাৰ্চুৱেলী বৈঠকত মিলিত হৈ নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহ পৰ্যালোচনা কৰা হয় আৰু ৩১ মাৰ্চৰ ভিতৰত এই গোচৰসমূহ যিমান পাৰি সিমান নিষ্পত্তিৰ কৰাৰ ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মৰণোত্তৰ-দুৰ্ঘটনাৰ ৰিপ'ৰ্ট, পাৰপত্ৰ ভেৰিফিকেচন আদিৰ সম্পৰ্কত নতুন এছ অ' পি শীঘ্ৰে প্ৰকাশ পাব। এমাহৰ ভিতৰত পাৰপত্ৰৰ ভেৰিফিকেচন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা আৰু এনেধৰণৰ প্ৰক্ৰিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত আবেদনকাৰীৰ হাতত প্ৰাপ্তিৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সমান্তৰালভাৱে এহেজাৰ নতুন আবাস নিৰ্মাণ, সম্বন্বিত মুখ্য কাৰ্যালয়, সঞ্চালক প্ৰধানৰ মুখ্য কাৰ্যালয় আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়কে ধৰি অন্যান্য আন্তঃগাঁথনি উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।' উল্লেখ্য যে আজি পুলিচ একাউণ্টিবিলিটী কমিছনৰ সম্পৰ্কতো পৰ্যালোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে কয়।

একাংশ নিলম্বিত অভিযুক্ত

এক পৃষ্ঠাৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ঐতিহ্যত কালিমা সনা অন্যান্য বিষয়া-কৰ্মচাৰী-ঠিকাদাৰী প্ৰতিষ্ঠান এতিয়াও তদন্তৰ আওতালৈ নহাৰ অভিযোগ উঠিছে।

উল্লেখ্য যে ব্যাপক অনিয়ম আৰু বিশ্ববিদ্যালয়ৰ আইন উলংঘাৰে তদানীন্তন উপাচাৰ্য ড° তামুলীয়ে একাংশ অসাধু বিষয়া-কৰ্মচাৰীৰে মিলি বিশ্ববিদ্যালয়ৰ কে'বা কোটি টকা আত্মসাৎ কৰিছিল। এই তথ্য পোহৰলৈ অহাৰ পাছৰে পৰা বিশ্ববিদ্যালয়খনত অচলাৱস্থাৰ সৃষ্টি হৈছিল আৰু শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ সমাজ আন্দোলনমুখী হৈ পৰিছিল। যাৰ বাবে ড° তামুলীকে ধৰি একাংশ অভিযুক্তক নিলম্বিত কৰা হৈছিল। অৱশেষত কালি ৰাজ্যপালে ড° তামুলীক তেওঁৰ পদৰ পৰা অপসাৰণ কৰে। অৱশ্যে ইতিমধ্যে নিলম্বিত হোৱা তদানীন্তন পঞ্জীয়ক হৰিচন্দ্ৰ মহন্ত, বিত্তীয় আৰু গণনা শাখাৰ উপ-পঞ্জীয়ক দিগন্ত বৰাৰ লগতে বিশ্ববিদ্যালয়ৰ অভিযন্তা প্ৰশান্ত শৰ্মাক কেলেংকাৰিত লিপ্ত থকাৰ অভিযোগত নিলম্বিত কৰা হৈছিল। এই সকলৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা আৰক্ষীক এজাহাৰ দিয়া সত্ত্বেও তেওঁলোকৰ বিৰুদ্ধে হোৱা তদন্ত স্থবিৰ হৈ পৰিছে। তদন্ত কিয় স্থবিৰ হৈ পৰিছে বুলিও প্ৰশ্ন উত্থাপন কৰে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ একতা সভাই। ইপিনে, সমগ্ৰ দুৰ্নীতিৰ তদন্তৰ বাবে ৰাজ্যপালে গঠন কৰি দিয়া তদন্ত কমিটী আৰু ফৰেনচিকৰ দল এটাই আজি ডিব্ৰুগড় বিদ্যালয়ত উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে। লক্ষ্যণীয়ভাৱে সমগ্ৰ কেলেংকাৰিৰ বিৰুদ্ধে বিশ্ববিদ্যালয়খনত আজিও প্ৰতিবাদ সাব্যস্ত কৰে শিক্ষক-ছাত্ৰ সমাজে।

কেবিনেটতে জনজাতিকৰণৰ

এক পৃষ্ঠাৰ পৰা কৰিবলৈ আক্ৰাছুৱে আহ্বান জনায়। আজি অভয়াপুৰীত সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক কমল সৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ বাবে যি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন কৰিছে সেইখন অতি সোনকালে আগবঢ়াই নিয়াৰ বাবে পৰ্যাপ্ত পুঁজি মুকলি কৰিবলৈ পদক্ষেপ ল'বলৈ অনুৰোধ জনায়। আক্ৰাছুৰ কেন্দ্ৰীয় উপ-সভাপতি খৰ্গেশ্বৰ চৌধুৰী, বঙাইগাঁও জিলা সমিতিৰ সভাপতি দিব্যজ্যোতি পাঠক, সাধাৰণ সম্পাদক বিকাশ ৰায়, সাংগঠনিক সম্পাদক খৰ্গেশ্বৰ সৰকাৰ আদিয়ে সংবাদমেলত কয় যে কোচ ৰাজবংশীকে ধৰি বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰা নামনি অসমৰ সমস্যাৰাজিৰ সমাধানৰ বাবে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদে পদক্ষেপ ল'ব বুলি তেওঁলোক আশাবাদী। বাকী সমূহীয়া কামখিনি আগবঢ়াই নিবলৈ চৰকাৰক আহ্বান জনোৱাৰ লগতে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনক কেবিনেট মৰ্যাদা প্ৰদানৰ বাবেও আহ্বান জনায়। আনহাতে, বঙাইগাঁও জিলাৰ বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে আহ্বান জনাই সৃজনগ্ৰাম অঞ্চলৰ হুৱামাৰা, চেঁচাপানীৰ আই নৈৰ খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলক ভূমি প্ৰদান কৰাৰ লগতে বাসস্থান নিৰ্মাণ কৰি দিয়াৰ উপৰি ঐতিহাসিক কীতিচিহ্নৰে চহকী একালৰ বিজনী ৰাজ ইষ্টেটৰ ৰাজধানী অভয়াপুৰীক পৰ্যটনস্থলীলৈ পৰিণত কৰাৰ বাবেও আহ্বান জনায়। একেদৰে কাকৈজানা পাহাৰৰ দুষ্প্ৰাপ্য সোণালী বান্দৰৰ সংৰক্ষণ, বঙাইগাঁৱত কমতাপুৰ বিশ্ববিদ্যালয় স্থাপনৰ বাবেও আক্ৰাছুৰ নেতৃত্বই অসম চৰকাৰৰ প্ৰতি আবেদন জনায়।

লুণ্ঠনেই একমাত্ৰ লক্ষ্য-উদ্দেশ্য সঞ্চালকৰ

এক পৃষ্ঠাৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ পঞ্চায়ত মন্ত্ৰণালয়, কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰণালয়, ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগ, পৰিকল্পনা বিভাগ আদিৰ পৰা প্ৰশিক্ষণৰ নামত এছ আই পি আৰ ডিয়ে পুঁজি লাভ কৰি আহিছে। তাৰ বাবে প্ৰয়োজন আগতীয়া পৰিকল্পনা প্ৰস্তুত আৰু বাজেট ধাৰ্য কৰাৰ; কিন্তু সঞ্চালক শৰ্মাৰ অদক্ষতা আৰু অদূৰদৰ্শিতাৰ ফলত ৰাজ্য চৰকাৰৰ পুঁজি ছয় কোটিৰ পৰিৱৰ্তে মাত্ৰ চাৰি কোটি টকাহে লাভ কৰে। আনকি পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ প্ৰাক্তন উগ্ৰপন্থী সংগঠনৰ সদস্যৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰে ধাৰ্য কৰা 'স্বাৱলম্বন' আঁচনিৰ অধীনত ৪৫ কোটি টকাৰ এটকাও পাবলৈ সক্ষম হোৱা নাই। অথচ প্ৰাক্তন উগ্ৰপন্থীসকলক সংস্থাপিত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এছ আই পি আৰ ডিক গুৰুদায়িত্ব অৰ্পণ কৰিছিল। মাথোঁ সেয়াই নহয়, শোণিতপুৰ জিলাত প্ৰাক্তন উগ্ৰপন্থী সংগঠনৰ সদস্যৰ দক্ষতা বিকাশ প্ৰশিক্ষণতো উপস্থিত নাথাকিল। ব্যস্ততাৰ অজুহাত দি প্ৰশিক্ষণত উপস্থিত নথকা সঞ্চালকজনৰ বিপৰীতে প্ৰতিষ্ঠানৰ পূৰ্বৰ সঞ্চালকসকলে দহোবন কাটি কৰি হ'লেও প্ৰশিক্ষণতহে গুৰুত্ব আৰোপ কৰিছিল। কাৰণ ১৯৯৭ত প্ৰতিষ্ঠা হোৱা প্ৰতিষ্ঠানটোৰ মূল উদ্দেশ্যই হ'ল বৃত্তিমূলক প্ৰশিক্ষণত গুৰুত্ব আৰোপ কৰা। ইতিমধ্যে ৰাজ্যৰ ২১৯৭ খন গাঁও পঞ্চায়তৰ ৬৫,৯১০ গৰাকী আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত জিলাকেইখনৰ ৬৭৭ খন ভিচিডিচি আৰু ভিডিচিৰ ২০,৩১০ গৰাকী প্ৰতিনিধিক প্ৰশিক্ষণ দিবলৈ নৱেম্বৰৰ ভিতৰত ন কোটি পাঁচ লাখ ৫৪ হেজাৰ ৬১২ টকা মোকলাই দিছিল ৰাজ্য চৰকাৰে। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে যোৱা ২৭ ছেপ্টেম্বৰত এই নিৰ্দেশনা দিছিল যদিও নৱেম্বৰ শেষ হ'বলৈ এসপ্তাহো নথকা অৱস্থাত আবণ্টিত পুঁজিৰ ৯০ শতাংশই ব্যয় কৰিব নোৱাৰিলে।

ইয়াতেই শেষ নহয়, সঞ্চালক শৰ্মাৰ আন এক কাৰচাজি হৈছে যি সময়ত কেন্দ্ৰীয় চৰকাৰে পূৰ্বৰ ডি আৰ ডি এ বন্ধৰ নিৰ্দেশনা দিছে, সেই সময়তে প্ৰতিষ্ঠানটোৰ বৃত্তিমূলক আয়ৰ উৎস সম্প্ৰসাৰণ কেন্দ্ৰসমূহত ২০-২২ বছৰীয়া অভিজ্ঞতাৰেপুষ্ট প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰৱক্তাসকলক আঁতৰাই উন্নয়ন খণ্ডৰ বিডিঅ' বা এ চি এছ বিষয়াক নিয়োজিত কৰিছে। এই ক্ষেত্ৰত বিভাগীয় নীতি-নিয়মো জলাঞ্জলি দিয়া হৈছে। বিশেষকৈ বৃত্তিমূলক প্ৰশিক্ষণ সম্প্ৰসাৰণ কেন্দ্ৰৰ অধ্যক্ষ নিয়োজিত হ'বলৈ হ'লে এছ আই পি আৰ ডিত কমেও ১০ বছৰ প্ৰৱক্তাৰ কাম কৰাৰ অভিজ্ঞতা থকাৰ প্ৰয়োজন বা পঞ্চায়তীৰাজ ব্যৱস্থাত বৃত্তিমূলক প্ৰশিক্ষণত জড়িত থকা ব্যক্তি হোৱাৰ প্ৰয়োজন; কিন্তু ইয়াৰ পৰিৱৰ্তে সঞ্চালকজনে এই সকলো নিৰ্দেশনা বিসৰ্জন দি এছ আই পি আৰ ডি ১৫৩/২০১৯/৫০ তাৰিখ ১২/১১/২০২১ নম্বৰৰ নিৰ্দেশনাযোগে হাইলাকান্দিৰ সম্প্ৰসাৰণ কেন্দ্ৰৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ সিন্হাক আঁতৰাই আলগাপুৰৰ খণ্ড উন্নয়ন বিষয়া সমুজ্জ্বলজ্যোতি গগৈক অধ্যক্ষৰূপে অতিৰিক্ত দায়িত্ব অৰ্পণ কৰিছে। বিডিঅ' গগৈক সম্প্ৰসাৰণ কেন্দ্ৰটোত অধ্যক্ষ নিয়োজিত কৰাৰ আঁৰত লুণ্ঠনৰ অংক লুকাই আছে বুলি প্ৰতিষ্ঠানৰ একাংশ বিষয়া-কৰ্মচাৰীৰ এতিয়া মুখে মুখে। তদুপৰি জয়সাগৰ সম্প্ৰাসৰণ কেন্দ্ৰটোত অনুৰূপ নিযুক্তি দিয়া হৈছে।

ইফালে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিবৰো দায়িত্বত থকা সঞ্চালক শৰ্মাৰ এই নিৰ্দেশনাই উদঙাই দিছে প্ৰতিষ্ঠানৰ প্ৰতি থকা দায়বদ্ধতাৰ স্বৰূপ। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামীণ বিকাশ মন্ত্ৰণালয়ৰ গ্ৰামীণ বিকাশ বিভাগে ফাইল নম্বৰ আৰ-২০০১৫/২/২০২০ ডি আৰ ডিএ (চি অ' এম পি নম্বৰ ৩৭২৭৪২) নিৰ্দেশনাযোগে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সচিব/ প্ৰধান সচিবলৈ প্ৰেৰণ কৰা পত্ৰত অহা ০১-০৪-২০২২ৰ পৰা ডি আৰ ডি এ বিলুপ্ত কৰা হ'ব বুলি প্ৰকাশ কৰিছে। সেইমৰ্মে ডেপুটেছনত অহা ডি আৰ ডি এৰ সকলো বিষয়া-কৰ্মচাৰীক সংশ্লিষ্ট বিভাগলৈ ঘূৰাই পঠাব লাগে। কিন্তু সেই সময়ত সম্প্ৰসাৰণ কেন্দ্ৰত বিডিঅ' নিয়োজিত কৰাৰ সমান্তৰালকৈ প্ৰতিষ্ঠানত কৰ্মৰত বহু চৰ্চিত কৰ দম্পতীক অহেতুক দৰদ দেখুৱাই আহিছে। উল্লেখ্য যে সঞ্চালক শৰ্মাৰ অতি ঘনিষ্ঠ তথা মন্ত্ৰণাদাতা বুলি পৰিচিত প্ৰশাসনীয় শাখাৰ যুটীয়া সঞ্চালক অমিত কুমাৰ কৰ এসময়ত ডিআৰডিএৰ ডাটা এণ্ট্ৰি অপাৰেটৰৰ পৰা আহি এছ আই পি আৰ ডিত গৱেষণা সহায়ক (ৰিছাৰ্চ এচিছটেণ্ট) ৰূপে ডেপুটেছনত যোগদান কৰিছিল। ২০১৮ৰ পহিলা মাৰ্চত প্ৰশাসনিক বিষয়া হোৱা কৰে ২০২০ৰ ৩০ অক্টোবৰত উপ-সঞ্চালকৰূপে পদোন্নতি লাভ কৰে। বিষয়াজনে চাৰে পাঁচ মাহতে পুনৰ ২০২১ৰ ১৫ ফেব্ৰুৱাৰীত যুটীয়া সঞ্চালক পদলৈ পদোন্নতি লাভ কৰে। আনহাতে, তেওঁৰ পত্নী এসময়ৰ ডি আৰ ডি এৰ কনিষ্ঠ সহায়কৰূপে ডেপুটেছনত যোগদান কৰি বৰ্তমান এছ আই পি আৰ ডিৰ জ্যেষ্ঠ গাণনিকৰূপে কৰ্মৰত হৈ আছে। এই ক্ষেত্ৰত সঞ্চালক দুয়োকে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা মতে পুনৰ ডি আৰ ডি এলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু সঞ্চালক শৰ্মাই যুটীয়া সঞ্চালকজনৰে মিলি আনে যেতিয়া কাৰ্যালয় এৰে, তেতিয়া গোপনে মন্ত্ৰণাত বহে বুলি কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ মুখে মুখে। দুয়োৱে মিলি প্ৰতিষ্ঠানৰ জমা পুঁজি খৰচৰ বাবে নিৰ্মাণ আৰু সামগ্ৰী ক্ৰয়তহে ব্যস্ত হৈছে বুলি অভিযোগ উঠিছে। সেইবাবেই কৰ দম্পতীক সঞ্চালকে ডি আৰ ডি এলৈ ঘূৰাই পঠিওৱা নাই যাতে তেওঁলোকক মূল বিভাগলৈ ঘূৰাই পঠিয়াব পাৰে।

দুৰ্নীতি আৰু অপশাসনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা তথা নিবনুৱাৰ সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰা বুলি দাবী কৰি অহা ড° শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে এছআইপিআৰডিত সঞ্চালক আৰু যুটীয়া সঞ্চালকৰ নেতৃত্বত চলা এই দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

ৰাসৰ প্ৰসাদ খাই এজনৰ মৃত্যু ঃ অসুস্থ

এক পৃষ্ঠাৰ পৰা হৈছিল। এই প্ৰসাদ খোৱাৰ পাছতে কে'বাজনো লোক অসুস্থ হৈ পৰে। বিশেষকৈ বমি আৰু কে'বাবাৰো শৌচ কৰি লেবেজান হৈ পৰা বহু লোকে চিকিৎসকৰ ওচৰ চাপিবলৈ বাধ্য হৈ পৰে। ইয়াৰ মাজতে দুৰ্ভাগ্যক্ৰমে সোমবাৰে বৰপেটাৰোডৰ কৃষ্ণনগৰ নিবাসী অমূল্য সাহা নামৰ প্ৰায় ৭৫ বছৰীয়া লোকজনে মৃত্যুমুখত পৰে। চিকিৎসালয়ত ভৰ্তি কৰাৰ পূৰ্বে লোকজনৰ মৃত্যু হয় আৰু ইয়াৰ বাবে চিকিৎসকে কি কাৰণত লোকজনৰ মৃত্যু হ'ল তাক ঠাৱৰ কৰিব নোৱাৰিলে। ইপিনে, পত্নী আৰু তিনি সন্তানক এৰি যোৱা অমূল্য সাহাৰ পুত্ৰই অভিযোগ কৰে যে তেওঁৰ পিতৃয়ে দেওবাৰে দুপৰীয়া ঘৰলৈ আহে যদিও ৰাস মন্দিৰত প্ৰসাদ খাই অহা বাবে ঘৰত ভাত নাখালে। কিন্তু বিয়লিৰ পৰা তেওঁৰ পিতৃ কিছু অসুস্থ হৈ পৰে আৰু নিশালৈ কে'বাবাৰো শৌচালয়লৈ যোৱাৰ লগতে বমিও কৰে। পাছত সোমবাৰেও একেই অৱস্থা হয় আৰু ঘৰতে অচেতন হৈ পৰাত বৰপেটাৰোড চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু চিকিৎসালয়ত ভৰ্তি কৰোৱা অমূল্য সাহাক চিকিৎসকে মৃত ঘোষণা কৰে। বয়সস্থ লোকজনৰ এই মৃত্যুৰ পাছত পৰিয়ালৰ লোকে অৱশ্যে পোষ্টমৰ্টেম বা অন্য আইনী দিশত যোৱাৰ চিন্তা নকৰি মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। আনহাতে, আজি আন লোকৰো ৰাস মন্দিৰৰ প্ৰসাদ খাই এনে বিষক্ৰিয়া হোৱাৰ খবৰ পাই আচৰিত হয় আৰু ৰাস সমিতিৰ পৰা তেওঁলোকৰ ঘৰলৈ আজি দুপৰীয়াৰ ভাগলৈ কোনো লোকে খবৰ ল'বলৈ নোযোৱা বুলি কয়। ইপিনে, প্ৰসাদত বিষক্ৰিয়া হৈ আন একাংশ লোকে অসুস্থ হৈ পৰে আৰু ৰাস মন্দিৰলৈ গৈ একাংশ আত্মীয় ব্যৱসায়ীয়ে ইয়াৰ প্ৰতিবাদ কৰে। বৰপেটাৰোড ৰাস মন্দিৰ পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক কৃষ্ণ প্ৰসাদে জানিব দিয়া অনুসৰি, তেওঁলোকে দেওবাৰে বিতৰণ কৰা প্ৰসাদ ডেৰ শতাধিক লোকে গ্ৰহণ কৰিছিল আৰু তাৰ ভিতৰত আঠ-১০জন লোক আক্ৰান্ত হৈছিল। আক্ৰান্তসকলৰ ঘৰলৈ গৈ তেওঁলোকে এইসকল লোকৰ চিকিৎসা ব্যৱস্থা কৰি দিছিল আৰু আজি তাৰে ভিতৰত আঠজনে ডাঃ অজয় তিৱাৰীৰ ব্যক্তিগত চেম্বাৰত চিকিৎসা গ্ৰহণ কৰে বুলি কৃষ্ণপ্ৰসাদে জানিব দিয়ে।

মাননিৰ পৰিৱৰ্তে মজুৰিৰ দাবীত সমাজ

এক পৃষ্ঠাৰ পৰা প্ৰদান কৰক, ন্যূনতম মজুৰি ২১ হেজাৰ টকা ধ্যাৰ্য কৰক, মিনি কেন্দ্ৰ সমূহ পূৰ্ণাংগ কেন্দ্ৰলৈ ৰূপান্তৰ কৰক আৰু মিনি কৰ্মীগৰাকীক সাধাৰণ কৰ্মীৰ সমানে সুবিধা প্ৰদান কৰক, খালী হৈ থকা কৰ্মী পদত কৰ্মৰত সহায়িকাক কৰ্মী পদলৈ পদোন্নতি দিয়ক তথা এই ক্ষেত্ৰত বয়সৰ সীমা প্ৰত্যাহাৰ কৰক, অৱসৰৰ সময়ত কৰ্মী-সহায়িকাসকলক পেঞ্চন প্ৰদান কৰক, পেঞ্চন ব্যৱস্থা নকৰালৈকে কৰ্মীৰ বাবে পাঁচলাখ টকা আৰু সহায়িকাৰ বাবে তিনিলাখ টকা এককালীন সাহায্য প্ৰদান কৰক আদি শ্ল'গানেৰে কাৰ্যালয়ৰ চৌহদ উত্তাল কৰি তোলে। কাৰ্যসূচীত সন্থাৰ সভানেত্ৰী জয়মতী দাস, সাধাৰণ সম্পাদিকা ইন্দিৰা নেৱাৰ সহ ৰাজ্যিক নেত্ৰীসকল উপস্থিত থাকে আৰু আন্দোলনৰ নেতৃত্ব প্ৰদান কৰে। চি আই টি ইউৰ ৰাজ্যিক সাধাৰণ সম্পাদক তপন শৰ্মা উপস্থিত থাকি কৰ্মী-সহায়িকাসকলক উদ্দেশি বক্তব্য ৰাখে। কাৰ্যসূচীৰ জৰিয়তে সন্থাই সঞ্চালকক উদ্দেশি তেওঁলোকৰ দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সঞ্চালকৰ অনুপস্থিতিত উপ-সঞ্চালক অভিজিৎ সিংহাই স্মাৰকপত্ৰ গ্ৰহণ কৰে। সিংহাই স্মাৰকপত্ৰ গ্ৰহণ কৰি কৰ্মী-সহায়িকাৰ অৱসৰকালীন সুবিধা হিচাপে এককালীন সাহায্য দিয়া বিষয়টোত চৰকাৰে সিদ্ধান্ত লৈছে আৰু তাৰ নিৰ্দেশ শীঘ্ৰে ওলাব বুলি উল্লেখ কৰে। তেনেদৰে উপ-সঞ্চালক দিপ্তি ফুকন আৰু সমীৰ দাসে ২৯ নৱেম্বৰত সঞ্চালকৰ উপস্থিতিত সন্থাৰ নেতৃত্বৰে বিষয়া পৰ্যায়ৰ আলোচনা হ'ব বুলিও প্ৰতিশ্ৰুতি প্ৰদান কৰে ।

স্মাৰকপত্ৰ প্ৰদান কৰি ৰাজ্যিক সম্পাদিকা ইন্দিৰা নেৱাৰে কয়, 'আই চি ডি এছৰ তৃণমূল স্তৰৰ কৰ্মৰত অংগনৱাড়ী কৰ্মী, মিনি কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকলে শিশু আৰু গৰ্ভৱতী মহিলাৰ যতন লৈ মানৱ সম্পদ বিকাশৰ বুনিয়াদী ভেটি গঢ়ি তোলাত চৰকাৰক সহায় কৰি আছে। তদুপৰি চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ দায়িত্ব পালন কৰি সীমাহীন পৰিশ্ৰম কৰি আছে। আনকি কৰ'নাকালীন সময়তো কৰ্মী-সহায়িকাসকলে নিজৰ জীৱনকো তুচ্ছ কৰি সেৱা আগবঢ়াইছে। অথচ কৰ্মী আৰু সহায়িকা সকলক চৰকাৰে বিভাগীয় কৰ্মচাৰী হিচাপে স্বীকৃতি প্ৰদান কৰা নাই। অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলে দীৰ্ঘদিন ধৰি মাননিৰ সলনি মজুৰি বিচাৰি চৰকাৰৰ ওচৰত দাবী কৰি আহিছে। কামৰ বিনিময়ত উপযুক্ত মজুৰি পোৱাতো দেশৰ সংবিধান প্ৰদত্ত অধিকাৰ। প্ৰচলিত শ্ৰম আইন সমূহেও তাকেই নিৰ্দেশনা দি আহিছে। ভাৰতীয় শ্ৰম সন্মিলনৰ পৰামৰ্শ মতে বৰ্তমানৰ বজাৰত বস্তুৰ দাম অনুসৰি এটা পৰিয়ালৰ বাবে অতি কমেও মাহিলি ২১ হেজাৰ টকা পোৱাটো যুক্তিসংগত। সন্থাৰ সভানেত্ৰী জয়মতী দাসে কয় যে বিভাগীয় কৰ্তৃপক্ষই যোৱা সময়ছোৱাত সহায়িকাক কৰ্মী পদলৈ উন্নিত কৰাৰ ক্ষেত্ৰত অতি লেহেমীয়া কৰাৰ ফলত বহু সহায়িকাই বঞ্চিত হৈছে। তেনে সহায়িকাসকলৰ বাবে বয়সৰ উৰ্ধ্বসীমা অজুহাত নাৰাখি কৰ্মী পদলৈ পদোন্নতি দিয়া দৰকাৰ। আনহাতেস ৰাজ্যখনত থকা মিনি কেন্দ্ৰসমূহ পূৰ্ণাংগ নকৰা ফলত তেনে কেন্দ্ৰত কৰ্মৰত মিনি কৰ্মীগৰাকী সাধাৰণ কৰ্মীয়ে পোৱা অন্যান্য সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। এই ক্ষেত্ৰতো বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা হাতত লোৱা দেখা নাই। নেতৃবৃন্দই লগতে পোষণ অভিযানৰ কাম কৰোৱাৰ নামত কৰ্মী-সহায়িকাৰ ওপৰত চৰকাৰী নিৰ্যাতন চলোৱা বুলি অভিযোগ উত্থাপন কৰে।

লামডিঙৰ চাৰিশ উচ্ছেদিত পৰিয়ালক

এক পৃষ্ঠাৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা নকৰাত লোকসকল তীব্ৰ সংকটৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। বনাঞ্চলখনৰ পৰা উচ্ছেদ কৰা প্ৰায় ১৪০টা চাকমা জনগোষ্ঠী আৰু গাৰো সম্প্ৰদায়ৰ পৰিয়ালক আগতেই নখুঁটিৰ জানজু ডেকাবস্তিত প্ৰশাসনে অস্থায়ীভাৱে সংস্থাপন কৰিছিল। ইয়াৰ পাছত আজি জিলা প্ৰশাসনে ডহকা ৰাজহ চক্ৰ বিষয়াৰ সহযোগত বনাঞ্চলখনৰ পৰা উচ্ছেদিত চাৰিশ মুছলমান সম্প্ৰদায়ৰ পৰিয়ালক চৰণীয়া পথাৰখনত অস্থায়ীভাৱে সংস্থাপন কৰে। উল্লেখ্য যে একাংশ হিন্দু বাঙালী পৰিয়ালে উচ্ছেদ হোৱাৰ পাছত এই পৰ্যন্ত লামডিঙৰ বিভিন্ন স্থানত আশ্ৰয় লৈ আছে।

ইপিনে, প্ৰশাসনে আজি উচ্ছেদিত পৰিয়ালসমূহক কেৱল চৰণীয়া পথাৰখনত সংস্থাপন কৰিয়ে দায়িত্ব সামৰাৰ অভিযোগ উঠিছে। তম্বু সাজি লোকসকলে মুকলি পথাৰখনত আশ্ৰয় লৈ আছে যদিও তেওঁলোকলৈ প্ৰশাসনে প্ৰয়োজনীয় ন্যূনতম মানৱীয় সা-সুবিধা তথা সামগ্ৰীৰ যোগান নধৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই অস্থায়ী শিবিৰত প্ৰশাসনৰ তৰফৰ পৰা প্ৰয়োজনীয় খাদ্য, শিশু খাদ্য, খোৱাপানী যোগান নধৰাৰ লগতে শৌচাগাৰৰ ব্যৱস্থাও কৰা নাই। তাৰ উপৰি শীতত গৰম কাপোৰৰ অভাৱতো ভুগিছে এই পৰিয়ালসমূহ। যাৰ বাবে এতিয়া উচ্ছেদিত লোকসকলে চৰম সংকটত ভোগা পৰিলক্ষিত হৈছে। বিশেষকৈ শিশু, ৰোগগ্ৰস্ত আৰু বৃদ্ধসকল অধিক কষ্টৰ সন্মুখীন হৈছে। উল্লেখ্য যে চৰকাৰে পিজিআৰ, ভিজিআৰসমূহৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰাৰ বিপৰীতে একেখন চৰকাৰৰে হোজাই জিলা প্ৰশাসনে উচ্ছেদিত লোকসকলক সংৰক্ষিত ভূমিতে সংস্থাপন কৰাৰ বিষয়টোক কেন্দ্ৰ কৰিও আজি হোজাইত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একাংশ স্থানীয় লোকে আজি উচ্ছেদিত লোকসকলক পুনৰ সংস্থাপন দিয়া প্ৰসংগত ক্ষোভ ব্যক্ত কৰে। তেওঁলোকে অভিযোগ কৰে যে চাংমাজি গাঁৱত বহু ভূমিহীন লোকে বিগত কে'বা দশক ধৰি চৰকাৰী ভূমি বেদখল কৰি বসবাস কৰি আহিছে। এই সকলক সংস্থাপন দিয়াৰ পৰিৱৰ্তে লামডিং বনাঞ্চলৰ উচ্ছেদিত লোকক চাংমাজিত পুনৰ সংস্থাপন কৰা বিষয়টোত তেওঁলোকে ক্ষোভ প্ৰকাশ কৰে। এই পুনৰ সংস্থাপিত লোকসকলে যাতে চাংমাজিত স্থায়ীভাৱে বসবাস কৰিব নোৱাৰে, তাৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসন আৰু চৰকাৰক দাবী জনাইছে।

ইফালে, লামডিঙৰ উচ্ছেদিত লোকসকলক বিগত দিন 'অবৈধ বাংলাদেশী', 'অপৰাধী' আখ্যা দিয়াৰ বাবে হোজাইৰ প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱক তীব্ৰ গৰিহণা দিছে সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তৰ লগতে একাংশ দল-সংগঠনে। এই লোকসকল যদি বাংলাদেশী, তেন্তে প্ৰশাসনে আজি কিয় পুনৰ সংস্থাপন কৰিলে বুলি তেওঁলোকে প্ৰশ্ন উত্থাপন কৰে।

■ বঙাইগাঁৱত আজি ৰাজ্য চৰকাৰৰ কেবিনেট ■ আশাৰে বাট চাইছে ৰাইজে

দেৱদাৰু নগৰী অভয়াপুৰীক পৰ্যটন নগৰী হিচাপে ঘোষণাৰ আহ্বান

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২৩ নৱেম্বৰ ঃ ৰাজ্য চৰকাৰৰ বঙাইগাঁৱত কাইলৈ অনুষ্ঠিত হ'ব কেবিনেট মন্ত্ৰী সভা। এনে সময়তে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ সদৰ অভয়াপুৰীকে ধৰি বিভিন্ন অঞ্চলত থকা ঐতিহাসিক কীৰ্তিচিহ্ন, সত্ৰ-নামঘৰ, মঠ-মন্দিৰ, প্ৰাকৃতিক সৌন্দৰ্যৰ আকৰসমূহক কেন্দ্ৰ কৰি মহকুমাটোৰ সদৰ তথা একালৰ বিজনী ৰাজইষ্টেটৰ ৰাজধানী অভয়াপুৰীক পৰ্যটন নগৰী হিচাপে ঘোষণা কৰিবলৈ বঙাইগাঁও কেবিনেট বৈঠকত সিদ্ধান্ত ল'বলৈ আহ্বান জনাইছে সচেতন ৰাইজে। উল্লেখ্য যে ১৯ শতিকাৰ শেষৰফালে বিজনী ৰাজইষ্টেটৰ মহীয়সী ৰাণী অভয়েশ্বৰীয়ে বিভিন্ন স্থানত ৰাজধানী সলাই অভয়াপুৰীত অটব্য হাবি কাটি ৰাজধানী পাতে। আহল-বহল সমান্তৰাল ৰাজপথ, পৰ্যন্ত নলা, ৰাজপ্ৰসাদৰ লগতে ৰাজ পৃষ্ঠপোষকতাত ৰোপণ কৰা সু-উচ্চ শাৰী-শাৰী দেবদাৰু গছেৰে চহৰখন দেবদাৰু নগৰী হিচাপেও পৰিচিত। নাতি দুৰৈত বৰ্তমানে ব্যক্তিগত দখলত ৰামৰজাৰ গড়েৰে মহিমামণ্ডিত অভয়াপুৰী পৰৱৰ্তী সময়ত মহকুমাটোৰ সদৰ হৈ পৰে। অভয়াপুৰীৰে ধৰ্মপুৰত অৱস্থিত মথুৰা দাস বুঢ়া আতাই প্ৰতিষ্ঠা কৰা ধৰ্মপুৰ সত্ৰ। তদুপৰ অভয়াপুৰী চহৰৰ পৰা চাৰি কিলোমিটাৰ দক্ষিণত আছে শৈল ভাস্কৰ্য্যৰ অপূৰ্ব সমাৰোহ লালমাটি-দুৰামাৰীৰ গণেশ মন্দিৰ। অষ্টম-নৱম শতিকাতে নিৰ্মাণ কৰা শৈল ভাস্কৰ্য্যৰ ভগ্নস্তূপৰ মাজত অক্ষত অৱস্থাত আছে শিলাকুটীৰ নিপুণ কাপত নিৰ্মিত শৈলজানন্দন গণেশৰ মূৰ্তি। ইয়াৰ নিকটতে আছে বিভিন্ন দেশী-বিদেশী পক্ষীৰ কলৰবৰে মুখৰিত অনাবিল প্ৰাকৃতিক সৌন্দৰ্যৰ আকৰ কয়া-কুজিয়া বিল উন্নয়ন প্ৰকল্প আৰু ভাৰত চৰকাৰৰ বিশাল নাৰিকল উদ্যান। অলপ আগবাঢ়ি গ'লে পাব পাৰি মান আহোমৰ শেষ ৰণথলী হাদিৰাচকী। কবি শৈলধৰ ৰাজখোৱাৰ নিপুণ কাপত নিগৰি ওলোৱা দুটি দেৱবালা স্বৰূপ ফুলৰা-চতলা পাহাৰ। উক্ত স্থানতে মালেগড় পাহাৰত থকা যুদ্ধৰ বাবে নিৰ্মাণ কৰা গড়ে গৱেষণাৰক থলী হিচাপেও পৰিগণিত হৈ আহিছে। ইপিনে, অভয়াপুৰী চহৰৰ পৰা ১২ কিলোমিটাৰমান পশ্চিমত তামৰঙা কণৰা বিল, সুউচ্চ ভৈৰৱচূড়া পাহাৰে নান্দনিক পৰিৱেশৰ সৃষ্টি কৰা অঞ্চলতে অৱস্থিত তিনিখনকৈ সত্ৰ। গুৰুজনাই প্ৰতিষ্ঠা কৰা কদমতোলা থান, ঘৰশিয়া থান আৰু তেৰাৰ নাতি চতুৰ্ভুজ আতাই প্ৰতিষ্ঠা কৰা সাঁচিপতীয়া পুথিৰে সমৃদ্ধ বিষ্ণুপুৰ সত্ৰই পৰ্যটকক আকৰ্ষণ কৰাৰ থল আছে। তেনেদৰে ভৈৰৱচূড়া পাহাৰৰ উচ্চ শিখৰত থকা ভৈৰৱ মন্দিৰ আৰু শৈল ভাস্কয্যই হাত বাউলি মাতে বহুতকে। মহকুমাটোৰ একেবাৰে দক্ষিণ প্ৰান্তত ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত দুগ্ধনাথ পাহাৰত থকা তথা একালত বৌদ্ধ সাধু-সন্ন্যাসীয়ে সাধনাৰ বাবে শিল কাটি নিৰ্মাণ কৰা শৈল গুহাসমূহেও পৰ্যটকক আকৰ্ষণ কৰি আহিছে। আনপিনে, সৃজনগ্ৰাম অঞ্চলৰ সন্তৰস্থিত সাঁচিপতীয়া পুথিৰে সমৃদ্ধ ৰঘুনাথ বিগ্ৰহ মন্দিৰ (সত্ৰ) লৈ নিতৌ আহে বহু দৰ্শনাৰ্থী। সেয়ে সকলোৰে নাভিকেন্দ্ৰ অভয়াপুৰীক পৰ্যটন নগৰী হিচাপে কেবিনেটত ঘোষণা কৰাৰ বাবে ৰাইজে আহ্বান জনাইছে।

তেজপুৰত বিজেপিৰ মহিলা মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক

■ প্ৰস্তুতিৰ বুজ ল'লে সভানেত্ৰী আঙুৰলতাই

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৩ নৱেম্বৰ ঃ 'ৰাজ্যত হোৱা নাগৰিকত্ব সংশোধনী আইন অৰ্থাৎ 'কা' বিৰোধী আন্দোলন প্ৰকৃততে এক নাটক আছিল। সেই আন্দোলন কৰা বহু সংখ্যকে বৰ্তমান বিজেপিত যোগদান কৰিছে।' তেজপুৰত যোৱা ২২ নৱেম্বৰত সাংবাদিকৰ প্ৰশ্ন উত্তৰত এইদৰে মন্তব্য কৰে বিজেপি নেত্ৰী আঙুৰলতা ডেকাই। উল্লেখ্য যে তেজপুৰত অহা চাৰি আৰু পাঁচ ডিচেম্বৰত বিজেপিৰ অসম ৰাজ্যিক মহিলামৰ্চাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰীৰ দায়িত্ব বটদ্ৰৱাৰ প্ৰাক্তন বিধায়িকাগৰাকীয়ে লাভ কৰাৰ পাছত এইখন হ'ব প্ৰথমখন কাৰ্যনিৰ্বাহক সভা। সভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অশোক সিংহাল আৰু সাংসদ পল্লৱ লোচন দাসকে ধৰি বহুকেইজন বিধায়কে অংশ ল'বলগীয়া মহিলা মৰ্চাৰ এই কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তুতিৰ বিষয়ে বুজ ল'বলৈ তেজপুৰত উপস্থিত হোৱা সভানেত্ৰী ডেকাই বিজেপিৰ শোণিতপুৰ জিলা কাৰ্যালয়ত স্থানীয় দলীয় নেত্ৰী তথা কৰ্মীসকলৰে আলোচনাত মিলিত হয়। স্থানীয় হজৰাপাৰ ৰাজহুৱা নামঘৰত সেৱা লৈ সভাৰ প্ৰস্তুতিৰ বুজ লোৱা বিজেপি নেত্ৰীগৰাকীয়ে কয় যে ইতিহাস প্ৰসিদ্ধ তথা সাংস্কৃতিক নগৰী তেজপুৰে অতীজৰে পৰাই সমন্বয়ৰ বাৰ্তা দি আহিছে। সেয়ে এইখন নগৰত তেওঁ সভানেত্ৰী হিচাপে মহিলা মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিবলৈ বিচাৰিছে। তেওঁ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত 'কা' সন্দৰ্ভত মন্তব্য কৰাৰ লগতে কয় যে ৰাইজে এতিয়া সেইবোৰ সকলো বুজিছে বাবেই বিজেপি যোৱা নিৰ্বাচনসমূহত অভূতপূৰ্বভাৱে ভোট দিছে। 'কা আন্দোলন এতিয়া অতীত আৰু সেইবোৰ কথা তেওঁ দোহাৰিবলৈ নিবিচাৰে বুলি উল্লেখ কৰি কয় যে ৰাইজ এতিয়া উন্নয়নৰ পক্ষত। প্ৰসংগক্ৰমে বটদ্ৰৱা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়িকাগৰাকীয়ে বৰ্তমান বটদ্ৰৱাৰ কংগ্ৰেছী বিধায়িকা শিবামণি বৰায়ো বিজেপিত যোগদান কৰিলে আপত্তি নাই বুলি কয়। ডেকাই আনকি ইচ্ছা কৰিলে বিধায়িকা বৰাকো বিজেপিত যোগদান কৰিবলৈ আহ্বান জনায়।

■ যোগ চৰ্চাৰে চৰ্চিত তামাৰহাটৰ পূজা

আনুষ্ঠানিক শিক্ষা নোলোৱাকৈ যোগ চৰ্চাৰে চৰ্চিত পূজা ৰায়

অগ্ৰদূত বাৰ্তা

তামাৰহাট , ২৩ নৱেম্বৰ ঃ ধুবুৰী জিলাৰ অন্তৰ্গত তামাৰহাটৰ এগৰাকী যুৱতী নাম পূজা ৰায়। উজানপেটলা দ্বিতীয় খণ্ড গাঁৱৰ বিজ্ঞান বিভাগৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ পূজা ৰায়। ভিতৰুৱা অঞ্চলৰ যুৱতীগৰাকীৰ যোগৰ প্ৰতি পূৰ্বৰ পৰাই আছিল ধাউতি কিন্তু আৰ্থিক দৈন্যৰ বাবে যোগৰ আনুষ্ঠানিক শিক্ষা লোৱাৰ ক্ষেত্ৰত ব্যৰ্থ হৈ পৰে। পাছত ছ'চিয়েল মিডিয়াৰ পৰা যোগ আহৰণ কৰি কোনো প্ৰশিক্ষণ নোলোৱাকৈ নিজ ঘৰত চৰ্চা কৰি আহিছে যুৱতীগৰাকীয়ে। প্ৰায়ভাগ কঠিন যোগাসন কৰিব পাৰে পূজাই। যুৱতীগৰাকী নিজ ঘৰত যোগ চৰ্চা কৰি যোৱাৰ ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰে। নিতৌ ঘৰতে যোগ চৰ্চা কৰি আহিছে পূজাই। নিতৌ যোগ চৰ্চাৰ দ্বাৰা বিভিন্ন ৰোগৰ নিৰাময় হয়। মানৱ জীৱনত যোগৰ ভূমিকা অপৰিসীম। যোগে মানুহক কঠিন বেমাৰৰ পৰা মুক্ত কৰে। সকলোৱে সুস্থ থকাৰ বাবে কৰ্ম ব্যস্ততাৰ মাজতো নিতৌ নিয়মানুসাৰে যোগাসন কৰিব লাগে বুলি উল্লেখ কৰে পূজাই। নৱপ্ৰজন্মই হাতত ম'বাইল লৈ সময় নষ্ট নকৰি সু-স্বাস্থ্যৰ বাবে নিতৌ শৰীৰ চৰ্চা কৰিবলৈ আহ্বান জনায় যুৱতীগৰাকীয়ে।

ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ চুঙাজানত বন বিভাগৰ ভূমিত অবৈধ ইটা ভাটা

বৰপথাৰ, ২৩ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ বিবদমান অঞ্চলত তথা বন বিভাগৰ ভূমিতে স্থাপন হৈছে ইটা ভাটা। অসম-নগালেণ্ড সীমান্তত বন বিভাগৰ ভূমিত গঢ় লৈ উঠা ইটা ভাটাই এতিয়া বহু প্ৰশ্নৰ অৱতাৰণা কৰিছে। মহকুমাটোৰ অসম-নগালেণ্ড সীমান্তৰ চুঙাজানৰ নাওঘাটত আবুল আলী নামৰ এজন লোকে অসম ভাটা নামেৰে স্থাপন কৰিছে এটা ইটা ভাটা। নাওজান আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত নাওঘাটত বন বিভাগৰ ভূমিত স্থাপন কৰা ইটা ভাটাটোৰ শূন্য দূৰত্বত আছে নাওঘাট খণ্ড বন বিষয়াৰ কাৰ্যালয়। তদুপৰি ভাটাটোৰ সন্মুখতে আছে চি আৰ পি এফ আৰু অসম বেটেলিয়নৰ শিবিৰ। উল্লেখ্য যে বহু বছৰৰ আগৰে পৰা সীমান্ত দণ্ডাধীশৰ অনুমতি অবিহনে সীমান্ত অঞ্চলত চৰকাৰী ঘৰ নিৰ্মাণকে ধৰি বিভিন্ন ধৰণৰ চৰকাৰী আঁচনি ৰূপায়ণত চি আৰ পি এফে বাধা প্ৰদান কৰি আহিছে। তেনেস্থলত চি আৰ পি এফৰ কেম্পৰ সন্মুখত এনেদৰে ইটা ভাটা গঢ়ি উঠা কাৰ্যই ৰহস্যৰ সৃষ্টি কৰিছে। তদুপৰি বন বিভাগৰ ভূমিত ইটা ভাটা স্থাপন কৰি ইটা নিৰ্মাণ কৰি থকাৰ পাছতো বন বিভাগে আজি পৰ্যন্ত লোৱা নাই কোনো ব্যৱস্থা। ইটা ভাটা এটা নিৰ্মাণ কৰিবৰ বাবে বন বিভাগ তথা ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ অনুমোদন, কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নীতি-নিৰ্দেশনাকে আদি কৰি বহু অনুমতিৰ প্ৰয়োজন হয়। লগতে অসম চৰকাৰৰ ২০১৩ৰ ইটা ভাটা স্থাপনৰ নিয়মানুসৰি জনাঞ্চলৰ ৩০০ মিটাৰ দূৰত্বৰ বাহিৰত আৰু নৈ, বিল, নিজৰা আদিৰ পৰা ৫০০ মিটাৰ আঁতৰততহে ইটা ভাটা স্থাপন কৰিব পাৰে। লগতে ৰাজহ চক্ৰ বিভাগে কৃষি কাৰ্যৰ বাবে অনুপযোগী স্থানতহে ইটা ভাটা স্থাপনৰ অনুমতি দিয়ে। এতিয়া প্ৰশ্ন হয় বিভাগীয় কৰ্তৃপক্ষৰ ইমানখিনি নীতি-নিৰ্দেশনাৰ পাছতো কাৰ ছত্ৰছায়াত আবুল আলীয়ে বন বিভাগৰ ভূমিত এনেদৰে ইটা ভাটা স্থাপন কৰি ব্যৱসায় চলাই যাব পাৰিছে। ইফালে, নাওজানৰ আবুল আলী নামৰ লোকজনে সন্দেহজনক নাগৰিকৰ লগতে শিশু শ্ৰমিকক ইটা বনোৱাৰ কামত নিয়োগ কৰাৰো গুৰুতৰ অভিযোগ উঠিছে। সীমান্তৰ বিবদমান অঞ্চলত কাৰ অনুমতি লৈ এনেদৰে ইটা ভাটা নিৰ্মাণ কৰিছে তাৰ তদন্ত কৰি বিষয়টোৰ লগত জড়িতসকলক বিহিত ব্যৱস্থাৰ লগতে ইটা ভাটাটো উচ্ছেদৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা লয় সেয়াহে লক্ষ্যণীয় হ'ব।

গোসাঁইগাঁৱত নৱনিৰ্মিত বজাৰ গৃহত দোকানীক আৱণ্টিত কোঠাৰ চাবি প্ৰদান

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ২৩ নৱেম্বৰ ঃ গোসাঁইগাঁও পৌৰসভাৰ অধীনস্থ গোসাঁইগাঁও বজাৰৰ পৰা দলগাঁও দিশৰ পথত অৱস্থিত নৱনিৰ্মিত দুমহলীয়া বজাৰ ভৱনৰ কোঠাসমূহ সংশ্লিষ্ট ব্যৱসায়ীসকলক প্ৰদানৰ প্ৰক্ৰিয়া আজিৰে পৰা আৰম্ভ কৰা হয়। এই উপলক্ষে পুৱা ১১ বজাত গোসাঁইগাঁও পৌৰসভাৰ পৌৰপতিৰ কাৰ্যালয়ৰ কক্ষত এখন সভা আয়োজন কৰা হয়। পৌৰপতি প্ৰফুল্ল ইছলাৰীৰ পৌৰোহিত্যত আৰু উপ-পৌৰপতি ৰাজীৱ দেৱনাথে আঁত ধৰা সভাখনত প্ৰাৰম্ভিক পৰ্যায়ত মুঠ ১২ গৰাকী দোকানীক তেওঁলোকৰ নামত আৱণ্টিত দোকানৰ কোঠাসমূহৰ চাবি প্ৰদান কৰা হয়। বলৰাম ঘোষ নামৰ বৰ্ষীয়ান দোকানীজনক তেওঁৰ কোঠাৰ চাবি প্ৰদানেৰে পৌৰপতি ইছলাৰীয়ে অনুষ্ঠানৰ পাতনি মেলে। ইয়াৰ পাছতে নৱনিৰ্মিত বজাৰ ভৱনটোৰ ব্যৱসায়ী সন্থাৰ সভাপতি কামাখ্যা দাস আৰু সম্পাদক বিতু পোদ্দাৰক তেওঁলোকৰ নামত আৱণ্টিত কোঠাসমূহৰ চাবি অৰ্পণ কৰে ক্ৰমে উপ-সভাপতি ৰাজীৱ দেৱনাথে আৰু পৌৰসভাৰ উচ্চবৰ্গৰ সহায়ক যুৱৰাজ ব্ৰহ্মাই। তাৰ পাছত একাদিক্ৰমে উপস্থিত অন্যান্য দোকানীসকলোকো নিজ নিজ কোঠাৰ চাবি প্ৰদান কৰা হয়। সভাত পৌৰপতি ইছলাৰীয়ে কয় যে বিগত সুদীৰ্ঘ আঠ বছৰৰ অন্তত অতি দুখ-কষ্টৰ মাজেৰে নিজ নিজ ব্যৱসায় চলাই থকা দোকানীসকলক আজি নিজ নিজ নামত আৱণ্টিত কোঠালীসমূহৰ চাবি হাতত তুলি দিবলৈ পায় বহুত সুখী আৰু আনন্দ অনুভৱ কৰিছো। এতিয়াৰে পৰা আৱণ্টিত দোকান গৃহত দোকান আৰম্ভ কৰাৰ পাছত দোকানীসকলৰ দুখ-কষ্টৰ সমস্যাৰ অন্ত পৰিব। তেওঁ আৱণ্টন পোৱা সকলো দোকানীক নতুন উৎসাহেৰে ব্যৱসায়ত আত্মনিয়োগ কৰাৰ হকে আহ্বান জনায়। সভাত সাংবাদিক শংকৰ চৌধুৰীয়ে দোকানীসকলে সুদীৰ্ঘ আঠবছৰীয়া অজ্ঞাতবাসৰ আজিৰে পৰা অন্ত পৰা বুলি উল্লেখ কৰে। উল্লেখ্য যে মুঠ ১৮৩ টা কোঠা সাজু হৈ উঠা নৱনিৰ্মিত বজাৰ গৃহত কোঠা আৱণ্টনক কেন্দ্ৰ কৰি বিগত এপষেক ধৰি একাংশ দোকানী আৰু পৌৰসভা কৰ্তৃপক্ষৰ মাজত চলা মনোমালিন্য দিনদিয়েক পূৰ্বে স্থানীয় বিধায়ক জিৱণ বসুমতাৰী আৰু বিটিআৰৰ নগৰ উন্নয়ন বিভাগৰ কাৰ্যবাহী সদস্য ইউলছন হাছদাৰ তৎপৰতাত অন্ত পৰাত আজি কোঠাসমূহ আৱণ্টন দিয়া প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। আৱণ্টন পোৱা প্ৰতিগৰাকী দোকানীক পৌৰসভাৰ সকলো নীতি-নিয়ম পালন কৰি দোকানগৃহসমূহৰ চাবি চমজি ল'বলৈ কৰ্তৃপক্ষই আহ্বান জনাইছে।

বৰ বিহুৱা বলীকান্ত নেওগৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

নাজিৰা, ২৩ নৱেম্বৰ ঃ নাজিৰাৰ হুলাংকাটনি গাঁও নিবাসী ঢোলৰ ওজা তথা অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত সুৰক্ষা বিষয়া বলীকান্ত নেওগ(৭০)ৰ কালি দুপৰীয়া ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। নেওগক বৃক্কজনিত ৰোগৰ চিকিৎসাৰ বাবে সপ্তাহ কাল পূৰ্বে ইউৰোভিচন হাস্পতালত ভৰ্তি কৰোৱা হয়। পত্নীৰ লগতে এজন পুত্ৰ আৰু এগৰাকী বিবাহিত কন্যাক ইহসংসাৰত এৰি যায়। স্বভাৱগত বিহুৱাজনে ঢোল, পেঁপা আৰু টোকাৰী আদি লোক বাদ্যসমূহ নিজে নিৰ্মাণত পাকৈত হোৱাৰ বাবে সদায়ে তেওঁৰ ওচৰত সুলভ হৈ ৰৈছিল। হুলাংকাটনি যুৱ সমাজ, প্ৰয়াস সাংস্কৃতিক অনুষ্ঠান, সমলয় ই-আলোচনী, জ্যোতি বিষ্ণু কলাংগন নাজিৰা আদি অনুষ্ঠানে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। কালি নিশা তেওঁৰ মৃতদেহ আহি পোৱাৰ পাছত হুলাংকাটনি গাঁৱতেই অন্তিম সংকাৰ কৰা হয়।

হাজোৰ হাবলাখাতৰ কিশোৰ ছাত্ৰ নিৰুদ্দেশ



অগ্ৰদূত বাৰ্তা

হাজো, ২৩ নৱেম্বৰ ঃ কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত হাবলাখা গাঁৱৰ এজন কিশোৰ ছাত্ৰ নিৰুদ্দেশ হোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰুদ্দিষ্ট কিশোৰজন হৈছে বুল্লুটৰ ড' এপিজে আব্দুল কালাম জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ তথা হাবলাখা গাঁৱৰ হাফিজ আছৰুদ্দিন আহমেদৰ কনিষ্ঠ পুত্ৰ শ্বৰীফ জাবিৰ আহমেদ। যোৱা ১৮ নৱেম্বৰৰ সন্ধিয়া প্ৰায় পাঁচ বজাত পৰিয়ালৰ লগত খং কৰি গুচি যায়। পেণ্ট-স্প'ৰ্টিং পৰিহিত কিশোৰ ছাত্ৰজনৰ সম্প্ৰতি সন্ধান উলিয়াব পৰা নাই। এই সন্দৰ্ভত কিশোৰ ছাত্ৰজনৰ পিতৃ হাফিজ আছৰুদ্দিন আহমেদে হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। কোনো সদাশয় লোকে এই কিশোৰ ছাত্ৰজনৰ সম্ভেদ পালে ৭৫৭৮৮২৯১৭২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনাইছে।

DISTRIBUTION PROGRAM OF
LAND PATTAS, BLANKETS and COOKING UTENSIL
BENEFICIARIES UNDER BITHUNG RENGTHAMA CONST
COMPRISING POLLING STATIONS
By

খেৰণিত ভূমিপট্টা বিতৰণ কাৰ্বিআংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙৰ।

মৰণ ফান্দত পৰিণত কামানডাংগা-গাৰোপাৰা সংযোগী পথৰ বাঁহৰ সাঁকো

■ তামাৰহাটত উন্নয়নৰ ফোঁপোলা স্বৰূপ

অগ্ৰদূত বাৰ্তা

তামাৰহাট, ২৩ নৱেম্বৰ ঃ এতিয়াও উন্নয়নে ঢুকি পোৱা নাই অসম-বংগ সীমান্তৱৰ্তী বহু অঞ্চলক। ফলত সুচল যাতায়াতৰ পৰা বঞ্চিত হ'ব লগা হৈছে ৰাইজ। চাৰিবছৰ পূৰ্বে বানপানীয়ে উঠাই নিয়া এটা কালভাৰ্ট আজিলৈকে মেৰামতি নোহোৱাৰ বাবে যাতায়াতৰ ক্ষেত্ৰত চমৰ দুৰ্ভোগ ভুগিবলগীয়া হৈছে কে'বাখনো গাঁৱৰ ৰাইজে। উল্লেখ্য যে ধুবুৰী জিলাৰ হাতীধুৰা উন্নয়ন খণ্ড তথা ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ কামানডাংগা গাঁও পঞ্চায়তৰ অন্তৰ্গত কামানডাংগা-গাৰোপাৰা সংযোগী পথত থকা বাঁহৰ দলংখন বছৰ বছৰ ধৰি জৰাজীৰ্ণ অৱস্থাত থকাৰ ফলত যাতায়াতৰ ক্ষেত্ৰত একেবাৰে অনুপযোগী হৈ পৰিছে। বিকল্প কোনো পথ নথকাত উপায়ান্তৰ হৈ অসম-বংগ সীমান্তৰ তামাৰহাট থানাৰ অন্তৰ্গত বৃহত্তৰ কামানডাংগা-গাৰোপাৰা অঞ্চলৰ ৰাইজ মৰণত শৰণ দি মৰণ ফান্দত পৰিণত হোৱা বাঁহৰ সাঁকোখনেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। উল্লেখ্য যে পূৰ্বতে কামানডাংগা-গাৰোপাৰা পথছোৱাৰ উক্ত স্থানত এটা হিউম পাইপৰ কালভাৰ্ট আছিল যদিও ২০১৭ত হোৱা প্ৰলয়ংকৰী বানপানীয়ে উক্ত কালভাৰ্টটো সম্পূৰ্ণৰূপে উটুৱাই নিয়াৰ লগতে কামানডাংগা-গাৰোপাৰা পথৰ কিছু অংশ উটুৱাই নিয়ে। ফলত পথছোৱাৰে যাতায়াত সম্পূৰ্ণ ব্যাহত হৈ পৰে। পাছত স্থানীয় ৰাইজে গাঁঠিৰ ধন খৰচ কৰি উক্ত স্থানত এখন বাঁহৰ সাঁকো নিৰ্মাণ কৰি কোনোমতে যাতায়াতৰ ব্যৱস্থা অব্যাহত ৰাখিছে যদিও অঞ্চলটোলৈ চাইকেল আৰু মটৰ চাইকেলৰ বাহিৰে কোনো তিনিচকীয়া বাহন প্ৰৱেশ কৰিব নোৱাৰে। ফলত স্কুল, কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজে বহু কষ্টৰে যাতায়াত কৰিবলগীয়া হয়। যদিও ৰোগী অনা-নিয়াৰ আৰু সামগ্ৰী হাট বজাৰলৈ নিয়াৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে।

ইপিনে, বহুদিন ধৰি বাঁহৰ সাঁকোখন মেৰামতি নকৰাত সম্প্ৰতি জৰাজীৰ্ণ হৈ মৰণফান্দত পৰিণত হৈছে। আনহাতে, স্থানীয় ৰাইজে উক্ত বাঁহৰ সাঁকোখন মেৰামতিৰ বাবে জনপ্ৰতিনিধি তথা বিভাগীয় কৰ্তৃপক্ষৰ লগত বহুবাৰ যোগাযোগ কৰাৰ পাছত কোনো সুফল নধৰাত হতাশাত ভুগিবলগীয়া হৈছে। কাৰণ জৰাজীৰ্ণ বাঁহৰ সাঁকোৰে বিপদসংকুলভাৱে পাৰাপাৰ হওঁতে বহুজনে দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন হ'ব লগা হৈছে। সেয়ে উক্ত ভঙা বাঁহৰ সাঁকোখনৰ ঠাইত এখন পকী দলং নিৰ্মাণ কৰি ৰাইজৰ যাতায়াত সুচল কৰি দিবলৈ স্থানীয় ভুক্তভোগী ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

■ ৰাজ্যিক কেবিনেটৰ পৰা ওভতনি যাত্ৰা

মন্ত্ৰী অতুল বৰাক সৃজনগ্ৰাম পৰিদৰ্শন কৰাৰ আহ্বান ৰাইজৰ

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ২৩ নৱেম্বৰ ঃ ৰাজ্য চৰকাৰৰ বঙাইগাঁও কেবিনেট উপলক্ষে মন্ত্ৰীৰ ওভতনি যাত্ৰাকালত উত্তৰ শালমাৰা মহকুমা ভ্ৰমণৰ দায়িত্বত থকা মন্ত্ৰী অতুল বৰাক মহকুমাটোৰ সৃজনগ্ৰাম অঞ্চল পৰিদৰ্শন কৰাৰ আহ্বান জনাইছে স্থানীয় ৰাইজে। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত কৃষি প্ৰধান, নৈপৰীয়া অঞ্চলটোত থকা নিৰ্মীয়মাণ আদৰ্শ চিকিৎসালয়, বৰঘোলা-ধৰ্মপুৰ ৰাজ্যিক ঘাইপথ পৰিদৰ্শন কৰাবলৈকে আহ্বান জনাইছে ৰাইজে। তদুপৰি অঞ্চলটোৰ শৈক্ষিক দিশৰ উত্তৰণৰ উদ্দেশ্য কলা, বিজ্ঞান আৰু বাণিজ্য শাখাক সামৰি মহাবিদ্যালয় স্থাপন কৰা, প্ৰাথমিক, উচ্চ প্ৰাথমিক বিদ্যালয়ত পৰ্যাপ্ত শিক্ষক নিযুক্তি দিয়া, অভয়াপুৰীত থকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, তুলুঙীয়াত থকা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয় দুটা সৃজনগ্ৰামলৈ স্থানান্তৰিত কৰাৰো আহ্বান জনায় ৰাইজে।

কবি দ্বিজেন কাকতিৰ 'সপোন পিয়লা পূৰ' উন্মোচন

অগ্ৰদূত বাৰ্তা

চামতা, ২৩ নৱেম্বৰ ঃ পশ্চিম নলবাৰী প্ৰেছ ক্লাবত যোৱা ২১ নৱেম্বৰৰ সন্ধিয়া কবি দ্বিজেন কাকতিৰ 'সপোন পিয়লা পূৰ' শীৰ্ষক এখন কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি কথা কবি গণেশ বৰ্মনে কাব্যপুথিখন উন্মোচন কৰে। উন্মোচনী বক্তব্যত বৰ্মনে এখন গ্ৰন্থৰ উন্মোচন হোৱাৰ লগে লগে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখন কিঞ্চিত হ'লেও চহকী হ'ল বুলি মন্তব্য কৰে। নলবাৰী জিলা কবি সন্মিলনৰ সভাপতি দীপক কুমাৰ শৰ্মা, লেখক-কবি নৱৰত্ন পাটোৱাৰী, কবি দিলীপ তালুকদাৰ আৰু নলবাৰী জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপেন মেনাই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। সভাত প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্য, সম্পাদক প্ৰদীপ কুমাৰ বৰ্মন, প্ৰাক্তন ছাত্ৰনেতা এম হাছান আলী, চামতা আঞ্চলিক সাহিত্য সভাৰ পত্ৰিকা সম্পাদক পৱিন্দ্ৰ বৰ্মন, পশ্চিম নলবাৰী লেখিকা সমিতিৰ সম্পাদিকা নিবেদিতা ডিম্পল, কবি সোণতৰা দেৱী, বুবুল কুমাৰ শৰ্মা, দিগন্ত বৰ্মন, গৌতম বৰ্মন, পুৰুযোত্তম দাস প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে।

ৰংজুলি আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

দুধনৈ, ২৩ নৱেম্বৰ ঃ ৰংজুলিৰ ভালুকজুলি আৰু ঔগুৰি গাঁওবাসী ৰাইজৰ সৌজন্যত ভালুকজুলি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত কালি দিনজোৱা কাৰ্যসূচীৰে ৰংজুলি আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক, ৰাভা মহিলা পৰিষদৰ সপ্তম দ্বি-বাৰ্ষিক আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। অধিবেশনৰ কাৰ্যসূচী অনুসৰি, আৰছু, মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ পতাকা উত্তোলন কৰে তিনিওটা সংগঠনৰ সভাপতিসকলে। ছহিদ তৰ্পণ কৰে গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি অসীম ৰাভাই। ইয়াৰ পাছতে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি দিলীপ ৰাভাই। তিনিওটা সংগঠনৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত পুৰণি সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। সেই অনুসৰি বিশ্বজিৎ ৰাভাক সভাপতি আৰু সঞ্জীৱ ৰাভাক সম্পাদক হিচাপে আৰছু, ৰুমিতা ৰাভাক সভানেত্ৰী আৰু ডালিমী ৰাভাক সম্পাদিকা হিচাপে মহিলা পৰিষদ আৰু লোহিত ৰাভাক সভাপতি আৰু উপেন ৰাভাক সম্পাদক হিচাপে লৈ ষষ্ঠ অনুসূচী দাবী সমিতিৰ নতুন সমিতি গঠন কৰা হয়। ইয়াৰ পাছতে যৌথভাৱে তিনিওটা সংগঠনৰ সাধাৰণ সভা অনুষ্ঠিত হয়। সন্ধিয়া পাঁচ বজাত বন্তি প্ৰজ্বলন কৰে ৰাভা হাছং স্বায়ত্ত পৰিষদৰ সদস্য সহদেৱ ৰাভাই। ইয়াৰ লগে লগে দিনজোৱা কাৰ্যসূচীৰে সমৰণি পৰে।

জাগীৰোডত দুখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষ

■ এজন শিক্ষকসহ তিনিজন আহত

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ২৩ নৱেম্বৰ ঃ জাগীৰোড-মৰিগাঁও পথৰ তৰঙাপাৰত কালি সন্ধিয়া সংঘটিত হয় এক পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হয় তিনিজন লোক। এএছ-০১ ইজে-০৯২৩ নম্বৰৰ এখন তীব্ৰবেগী মটৰ চাইকেলে বিপৰীত দিশৰ পৰা আহি থকা এএছ-২১-৮৪৯১ নম্বৰৰ আন এখন মটৰ চাইকেলত প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত সংঘটিত হয় দুৰ্ঘটনাটো। দুৰ্ঘটনাটো জাগীৰোড ছহিদ লক্ষীডকা মাধ্যমিক বিদ্যালয়ৰ শিক্ষক অদীপ চন্দ্ৰ ডেকাৰ লগতে নীলাম্বৰ দেউৰী নামৰ এজন ব্যক্তিজন গুৰুতৰভাৱে আহত হয়। আনহাতে, আনজনে ব্যক্তি মায়ঙৰ দিগন্ত নাথ। তিনিওজনকে প্ৰথমে জাগীৰোড ন-খোলাস্থ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসাৰ পাছত উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰে।

চামতাত 'শৰতৰ জোনাকত সুৰ আৰু ছন্দ' সম্পন্ন

অগ্ৰদূত বাৰ্তা

চামতা, ২৩ নৱেম্বৰ ঃ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত যোৱা ১৯ নৱেম্বৰত চামতা আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত 'শৰতৰ জোনাকত সুৰ আৰু ছন্দ' শীৰ্ষক এক মননশীল অনুষ্ঠান সম্পন্ন হয়। এই কাব্যিক অনুষ্ঠানৰ আঁত ধৰে সাহিত্য একাডেমীৰ যুৱ বঁটা প্ৰাপক বিশিষ্ট কবি বিজয় শংকৰ বৰ্মনে। সম্পূৰ্ণ এক নৈসৰ্গিক পৰিৱেশত কবিতা পাঠ কৰে আমন্ত্ৰিত বিশিষ্ট কবি শান্তনু শৰ্মা, নৱজ্যোতি পাঠক, বিপুল কুমাৰ দত্ত, মনীষা তালুকদাৰ, কৌশিক বাস্যস, প্ৰিয়ম ৰাগিনী, আব্দুল মজিদ, বিজয় শংকৰ বৰ্মন প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট কবিয়ে। অনুষ্ঠানত কবি ৰাজীৱ দত্ত, গণেশ বৰ্মন, দ্বীপেন মেনা, দিলীপ তালুকদাৰ, ৰমেন ৰাজবংশী, পবিন্দ্ৰ কুমাৰ বৰ্মন, বিশ্বজিৎ শৰ্মা, পুৰুযোত্তম দাস, ধীৰাজ তালুকদাৰ, বিপিন চন্দ্ৰ কলিতা, প্ৰাণজিৎ শৰ্মা, অনিল বৰ্মন, নয়নজ্যোতি শৰ্মা, বিকাশ দাস, ভায়োলিনা কাশ্যপ, দেৱজিৎ শৰ্মা প্ৰমুখ্যে প্ৰায় ডেৰকুৰি নবীন-প্ৰবীণ কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰি অনুষ্ঠান উপভোগ্য কৰি তোলে। কবিতা পাঠৰ মাজে মাজে শিল্পী ঘনকান্ত বৈশ্যই বৰগীত, জয়ন্ত শৰ্মাই স্তোত্ৰ পাঠ, সৃষ্টি ডেন্স গ্ৰুপৰ কণমাণি নৃত্যশিল্পীসকলে ৰাধা-কৃষ্ণ নৃত্য, অতনু কৃষ্ণত্ৰয়ে ভূপেন্দ্ৰ সংগীত, পূজা শৰ্মা-পৰি শৰ্মাই দেৱী বন্দনা, নীলাক্ষী দত্তই বাঁহীৰ ৰহণীয়া সুৰ তুলি অনুষ্ঠানটো আকৰ্ষণীয় কৰে। ইয়াৰ পূৰ্বে অৱসৰী মুৰব্বী অধ্যাপক, সাহিত্যক ড° প্ৰমোদ হালৈয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছতে চামতা আঞ্চলিক সাহিত্য সভাৰ সভাপতি হিৰণ্য বৰ্মনে আদৰণি বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতে সদ্য প্ৰয়াত বিশিষ্ট কবি, লেখক তথা লোক-সংস্কৃতিৰ অক্লান্ত সাধক ডাঃ কৈলাশ ভট্টাচাৰ্যৰ বিদেহ আত্মাৰ চিৰশান্তিৰ হকে সমবেত সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। অনুষ্ঠানৰ শেষত উপস্থিত সকলোকে শলাগ জনায় চামতা আঞ্চলিক সাহিত্য সভাৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মনে।

মেলামাটিত বান্দৰৰ উপদ্ৰৱ ঃ ৰাইজ অতিষ্ঠ

অগ্ৰদূত বাৰ্তা

মেলামাটি, ২৩ নৱেম্বৰ ঃ তিতাবৰ মহকুমাৰ অন্তৰ্গত তিতাবৰ থানাৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়তৰ এলেঙীগাঁও, চকিয়াল গাঁও, টেকেলা গাঁও, গোহাঁই চুক, খাৰখোৱা, থানবাৰী, নাহৰপথাৰ, মেলামাটি কছাৰীগাঁও, আঠাবাৰী আদি গাঁৱত বৃদ্ধি পাইছে বান্দৰৰ উপদ্ৰৱ। দীৰ্ঘদিনৰ পৰা শ শ বান্দৰৰ জাকে অঞ্চলটোৰ পৰিয়ালসমূহৰ বাৰীৰ শাক-পাচলিৰ লগতে মানুহ নথকাৰ সুযোগ লৈ ঘৰৰ ভিতৰত প্ৰৱেশ কৰি লাগতিয়াল সামগ্ৰী ভাঙি-ছিঙি নষ্ট কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ কিতাপ-বহীও ফালি-ছিৰি নষ্ট কৰিছে। শেহতীয়াকৈ আকৌ অঞ্চলটোত শালি খেতি পথাৰতো বান্দৰৰ উপদ্ৰৱ বৃদ্ধি পাইছে। সেয়েহে কৃষক ৰাইজে উপায়হীন হৈ কেঁচা ধানকে দোৱা কাম আৰম্ভ কৰিবলগীয়া হৈছে। অঞ্চলটোত বান্দৰে ইমানেই উপদ্ৰৱ চলাইছে যে দ্ৰৰিদ্ৰ পৰিয়ালসমূহৰ পোহনীয়া হাঁহ-কুকুৰা ধৰি জীয়াই জীয়াই টোটোলা ফালি টোটোলাৰ পৰা ভক্ষণ কৰা খাদ্য উলিয়াই হাঁহ-কুকুৰাৰ মৃত্যু ঘটোৱাত পৰিয়ালসমূহৰ আৰ্থিক অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। ইফালে, বান্দৰৰ আক্ৰমণত অঞ্চলটোৰ কেঁবাগৰাকী লোক আহত হৈছে। দিনে-ৰাতিয়ে অঞ্চলটোৰ ৰাইজৰ ঘৰত বান্দৰে টোপনি হৰিছে। প্ৰশাসনৰ ফালৰ পৰা অথবা বন বিভাগৰ তৰফৰ পৰা কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। বৰ্তমান শাক-পাচলি খেতি কৰিবলৈ ৰাইজে এৰি দিবলগীয়া হৈছে। কাজেই অৰ্থনৈতিকভাৱে অঞ্চলটোৰ ৰাইজ বিপাঙত পৰিছে। বাম খেতি কৰি স্বাৱলম্বী হোৱাৰ সুবিধা আছে যদিও বান্দৰৰ পৰা সম্ভৱ হোৱা নাই। কাজেই তিতাবৰ মহকুমা প্ৰশাসনক এই ক্ষেত্ৰত ইতিবাচক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অঞ্চলটোৰ ৰাইজে আহ্বান জনাইছে।

শিৱসাগৰত পুনৰ বৃহৎ পৰিমাণৰ সুৰা জব্দ

ঘটনাস্থলীৰ পৰা পলায়ন সুৰা ব্যৱসায়ী চক্ৰ

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৩ নৱেম্বৰ ঃ যোৱা ২১ নৱেম্বৰৰ নিশা শিৱসাগৰ সদৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত এটা দলে পাঁচ কাৰ্টন অবৈধ বিদেশী সুৰাসহ এক সুৰা সৰবৰাহকাৰীক কৰায়ত্ত কৰাৰ পাছতে যোৱা ২২ নৱেম্বৰত নিশা পুনৰ শিৱসাগৰ আৰক্ষীৰ হাতত জব্দ হয় পাঁচ কাৰ্টন অবৈধ বিদেশী সুৰা । মাত্ৰ ২৪ ঘন্টাৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ইমান বৃহৎ পৰিমাণৰ সুৰা আৰক্ষীৰ হাতত জব্দ হোৱাৰ ঘটনাই ৰাইজক চিন্তিত কৰিছে। তথ্য মতে, কালি এক বিশেষ সূত্ৰৰ পম খেদি সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া যুগল কিশোৰ কলিতাই পাঁচ কাৰ্টন, সুৰাসহ এজন ব্যক্তিক কৰায়ত্ত কৰাৰ পাছতেই ধৃত সুৰা ব্যৱসায়ীজনে আৰক্ষীৰ জেৰাত ফাদিল কৰিছিল কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য । এই তথ্যৰ ভিত্তিতেই ৰাধিকা শান্তি পথৰ এটা বিশেষ গৃহত অভিযান চলাই এই বৃহৎ পৰিমাণৰ বিদেশী সুৰা আৰক্ষীৰ দলটোৱে জব্দ কৰিবলৈ সক্ষম হয় । অৱশ্যে আৰক্ষীয়ে অভিযান

১৩ পৃষ্ঠাত চাওক

উপাচাৰ্যক অপসাৰণ, স্থায়ী পঞ্জীয়ক নিযুক্তিৰ দাবীত গোসাঁইগাঁৱত এবছুৰ দুঘণ্টীয়া ধৰ্ণা

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ২৩ নৱেম্বৰ ঃ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচৰ লাইশ্ৰাম লাডু সিঙক অপসাৰণ, বড়োলেণ্ড বিশ্ববিদ্যালয়ত স্থায়ী পঞ্জীয়ক নিযুক্তি, স্থায়ী পঞ্জীয়ক নিযুক্তিৰ পূৰ্বে গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ পৰা বিৰত থকা, প্ৰতিনিধি সভাৰ পূৰ্বে কোৰ্ট মিটিং অনুষ্ঠিত কৰা আৰু বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি পৰিষদৰ খালী পদ পূৰণ কৰাৰ দাবীত আজি গোসাঁইগাঁৱত এবছুৰ উদ্যোগত দুই ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোসাঁইগাঁও মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰত গোসাঁইগাঁও কলেজ ইউনিয়ন, বড়ো শৈক্ষিক সমাজৰ সহযোগত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত ধৰ্ণা কাৰ্যসূচীত যোগদান কৰা এবছুৰ কৰ্মকৰ্তা তথা ছাত্ৰ-ছাত্ৰীসকলে ‘উই ৱাণ্ট জাষ্টিছ, উই ৱাণ্ট পাৰমানেণ্ট ৰেজিষ্টাৰ, প্ৰফেছৰ লাইশ্ৰাম লাডু সিঙক অপসাৰণ কৰক, বড়োলেণ্ড বিশ্ববিদ্যালয়ক ৰক্ষা কৰক, বিটিএডিৰ শৈক্ষিক পৰিৱেশ ৰক্ষা কৰক’ আদি শ্ল’গান দি

পৰিস্থিতি উত্তাল কৰি তোলে। কাৰ্যসূচীত উপস্থিত এবছুৰ কেন্দ্ৰীয় শৈক্ষিক সম্পাদক সুমিত নাৰ্জাৰীয়ে বড়োলেণ্ড

১৩ পৃষ্ঠাত চাওক

অগ্নি সংযোগ কৰি পলায়ন মাতাল স্বামীৰ ঃ ভস্মীভূত ঘৰ

■ দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ আৰক্ষীলৈ আহ্বান পত্নী,গাঁওবাসীৰ

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২২ নবেম্বৰ ঃ মৰিগাঁৱৰ ভেদৌআটী গড়মাৰীত কালি সন্ধিয়া এজন লোকে মাতাল হৈ নিজৰ ঘৰত অগ্নি সংযোগ কৰাত ঘৰটো সম্পূৰ্ণৰূপে ভষ্মীভূত হয় যদিও ওচৰৰ ঘৰকেইটা কথমপি ৰক্ষা পৰে। জিলা খনৰ ভেদৌআটী গড়মাৰীৰ ৰংধৰ ডেকাৰ পুত্ৰ শশীন্দ্ৰ ডেকাই আজি মদ্যপান কৰি তেওঁৰ পত্নীক শাৰীৰিকভাৱে অত্যাচাৰ চলাই প্ৰাণে মাৰিবলৈ চেষ্টা চলাই বিফল হোৱাত অৱশেষত নিজৰ ঘৰটোকে কেৰাচিন ঢালি জ্বলাই দিয়ে। উক্ত মাতাল লোকজনৰ ঘৰত জুই দেখি স্থানীয় লোকে উপস্থিত হৈ মৰিগাঁও অগ্নি নিৰ্বাবক বাহিনীক খবৰ দিয়ে। অগ্নি নিৰ্বাবক বাহিনী ঘটনাস্থলীত উপস্থিত হোৱাৰ আগতে স্থানীয় লোকে জুই নুমুৱাব চেষ্টা চলাই থকাৰ অৱস্থাতে অগ্নি নিৰ্বাবক বাহিনীয়ে গৈ জুই নুমুৱাবলৈ সক্ষম হয় যদিও ঘৰটো সম্পূৰ্ণৰূপে জুই ভষ্মীভূত হয়। আনহাতে, শশীন্দ্ৰ ডেকাই

১৩ পৃষ্ঠাত চাওক

■ উৰণীয়া সেতু নিৰ্মাণৰ বাবে আগভাগ ল’বলৈ সাংসদ-বিধায়কক দল-সংগঠনৰ দাবী

মৰণফান্দ হৈছে ঘগ্ৰাপাৰ হাইৱে চ’ক

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৩ নৱেম্বৰ ঃ যি সময়ত ৰাজ্য চৰকাৰে বিভিন্ন স্থানত এখনৰ পাছত এখন উৰণীয়া সেতু নিৰ্মাণ কৰি পথচাৰী লোকৰ অসুবিধা দূৰ কৰাৰ প্ৰচেষ্টা হাতত লৈছে, ঠিক সেই সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী (ঘগ্ৰাপাৰ হাইৱে) চ’কতো বৰ্তমান মৰণফান্দলৈ পৰ্যবসিত হৈছে। দীৰ্ঘদিন ধৰি ঘগ্ৰাপাৰ হাইৱে চ’কত এখন উৰণীয়া সেতু নিৰ্মাৰ বাবে স্থানীয় দল-সংগঠন তথা ৰাইজে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন-নিবেদন কৰি আহিছে যদিও মুঠেও সুফল পোৱা নাই বুলি অভিযোগ উত্থাপিত কৰিছে। উল্লেখ্য যে পথছোৱা ‘পুঞ্জলয়ড’ নামৰ কোম্পানীটোৱে নিৰ্মাণৰ দায়িত্ব লাভ কৰে যদিও সুদীৰ্ঘ সময়ছোৱাত ভিতৰত এই পথছোৱাৰ কাম সম্পূৰ্ণ হৈ নুঠিল বুলি ৰাইজ তথা দল-সংগঠনে অভিযোগ কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত বিগত কে’বাবছৰত পথছোৱাত শতাধিক দুৰ্ঘটনা সংঘটিত হোৱাই নহয়, বহুতো লোকৰ প্ৰাণহানিও হোৱাত বহু পৰিয়ালৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহিছে। এই পথছোৱাৰে ঘগ্ৰাপাৰ হাইৱে চ’কৰ সংযোগী স্থলীৰে যাতায়াত কৰাটো দুৰ্বিষহ হৈ পৰিছে। পথছোৱাৰ ঘগ্ৰাপাৰ হাইৱে চ’কৰ উত্তৰে ঘগ্ৰাপাৰ-তামুলপুৰ পথৰে ভূটান দেশলৈ যাব পাৰি। ইফালে, দক্ষিণফালে ঘগ্ৰাপাৰ ষ্টেছনলৈ যোৱা এক ব্যস্ত পথ। লগতে পশ্চিম দিশত ঘগ্ৰাপাৰ থানা, ৰাজহ চক্ৰ কাৰ্যালয়, ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, পশু চিকিৎসালয় আদিৰ উপৰি ঘগ্ৰাপাৰ চ’কত দুয়োটাতে বেংক, ডাকঘৰ, বহুমুখী সমবায়, আদি অনুষ্ঠান-প্ৰতিষ্ঠানত নিতৌ ৰাইজে অহা-যোৱা কৰে। উক্ত পথছোৱাৰে ঘগ্ৰাপাৰ হাইৱে চ’কৰ সংযোগস্থলীৰে যাতায়াত কৰাটো দুৰ্বিষহ হৈ পৰিছে যদিও ঊৰ্ধ্বতন কৰ্তৃপক্ষই চ’কটোত সঘনে সংঘটিত দুৰ্ঘটনা ৰোধৰ বাবে বিশেষ পদক্ষেপ লোৱাটো দূৰৈৰ কথা ঘগ্ৰাপাৰ হাইৱে চ’কৰ দুয়ো কাষত থকা অবৈধভাৱে গঢ়ি উঠা দোকান, বেদখল, পাৰ্কিং আদি কিহৰ ৰহস্যত আজি পৰ্যন্ত আঁতৰ কৰিবলৈ সক্ষম হোৱা নাই তাক লৈ বিভিন্ন মহলত চৰ্চিত

১৩ পৃষ্ঠাত চাওক

মেৰাপানীত ক’লাধানৰ খেতিৰে নৱজাগৰণৰ সূচনা

অগ্ৰদুত বাৰ্তা

মেৰাপানী, ২৩ নৱেম্বৰ ঃ পৰিবৰ্তিত জলবায়ুৰ স’তে মোকাবিলা কৰি কৃষিখণ্ডৰ উন্নয়নৰ হকে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে অসম কৃষি বিশ্ববিদ্যালয়ে। বিশেষকৈ বতৰৰ অস্বাভাৱিক পৰিবৰ্তনৰ ফলত সমস্যাত পৰা কৃষকসকৰক সকাহ দিবলৈ নিত্য নতুন উদ্ভাৱনত ব্ৰতী আছে অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীসকল। শেহতীয়াকৈ তিতাবৰস্থিত আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ বিজ্ঞানীসকলে উদ্ভাৱন কৰা বৰ্ণসংকৰ ক’লা জহা ধানৰ খেতিয়ে এক নৱজাগৰণৰ সুচনা কৰিবলৈ সক্ষম হৈছে ৰাজ্যৰ কৃষিখণ্ডত। কম সময়ত অধিক উৎপাদন কৰাৰ স্বাৰ্থত ৰাজ্যৰ কৃষকসকলক ক’লা জহা ধানৰ খেতিৰে অধিক অনুপ্ৰাণিত কৰিছে আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ বিজ্ঞানীসকলে। গোলাঘাট জিলাৰ মেৰাপানীৰ গমাৰিগুৰি অঞ্চলৰ একাংশ কৃষকে এতিয়া অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত ধান খেতি কৰি বাৰুকৈ উপকৃত হৈছে। দিল্লীস্থিত নৰৱেৰ দূতাবাসৰ সহযোগত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত বিগত তিনিটা বছৰে গোলাঘাটৰ চাউদাং পথাৰ আৰু গমাৰিগুৰি গাঁৱত বিস্তৃত ৰূপত কৰা হৈছে বৰ্ণসংকৰ ধানৰ খেতি। তিনি নম্বৰ গমাৰিগুৰি গাঁৱৰ কৃষক হেমন্ত দাসৰ বাসগৃহৰ চৌহদত জলবায়ুৰ স্থিতিশীলতা প্ৰকল্পৰ অধীনত ৰোপণ কৰা খেতি অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীসকলে অলপতে পৰিদৰ্শন কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী আৰু শীৰ্ষ বিষয়ববীয়াসকলে বিজ্ঞান ভিত্তিক কৃষি প্ৰণালী সম্পৰ্কত কৃষকসকলক সজাগ কৰাৰ প্ৰয়াস কৰে। এই কাৰ্যসূচীত উপস্থিত থাকে কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক অশোক ভট্টাচাৰ্য, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী সঞ্জয় কুমাৰ

১৩ পৃষ্ঠাত চাওক

চেপনত আজি লাচিত দিৱস

অগ্ৰদূত বাৰ্তা

চেপন, ২৩ নৱেম্বৰ ঃ সদৌ তাই আহোম ছাত্ৰ সন্থা চেপন আঞ্চলিক সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত বিগত বৰ্ষসমূহৰ দৰে এইবছৰো কাইলৈ অসমীয়া জাতিৰ সাহস আৰু সমন্বয়ৰ প্ৰতীক তথা ঐতিহাসিক শৰাইঘাট যুদ্ধৰ মহানায়ক বীৰ লাচিত বৰফুকনৰ জন্ম তিথি উপলক্ষে ‘লাচিত দিৱস’ উদ্‌যাপন কৰা হ’ব। স্থানীয় চেপনৰ লাচিত উদ্যানত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিতব্য ‘লাচিত দিৱস’ উপলক্ষে পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰিব আটাছু চেপন আঞ্চলিক সমিতিৰ উপদেষ্টা দয়ানন্দ ফুকনে। স্মৃতি তৰ্পণ কাৰ্যসূচী সমাপন কৰিব আটাছু চেপন আঞ্চলিক সমিতিৰ উপদেষ্টা ধৰ্মেন্দ্ৰ ফুকন, সভাপতি ৰিছাৰ্ডচন কোঁৱৰ, যুটীয়া সম্পাদক বিতুপন মহন আৰু লক্ষ্যজ্যোতি মহনে। পাছত স্থানীয় বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা, মুকলি চিত্ৰাংকন প্ৰতিযোগিতা আৰু সাধুকোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। প্ৰতিযোগিতাসমূহ তিনিটা শাখাত অনুষ্ঠিত হ’ব। ‘ক’ শাখা প্ৰথমৰ পৰা চতুৰ্থ শ্ৰেণীলৈ, ‘খ’ শাখা পঞ্চমৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু ‘গ’ শাখা নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ। দুপৰীয়া উজনি অসম ভিত্তিত প্ৰাইজমানি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। সংগীত প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ’ব। ‘ক’ শাখাৰ প্ৰতিযোগীৰ বয়সৰ ঊৰ্ধ্বসীমা ১২ বছৰ। আনহাতে, ‘খ’ শাখাৰ প্ৰতিযোগীৰ বয়স ১৩ৰ পৰা ২৫ বছৰৰ ভিতৰত হ’ব লাগিব। সংগীত প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ প্ৰথম, দ্বিতীয়, আৰু তৃতীয় বিজয়ী প্ৰতিযোগীক নগদ প্ৰাইজমানিসহ একোখনকৈ মানপত্ৰ প্ৰদান কৰা হ’ব।

বালিলেছা দেৱালয়ত বিশাল সামাজিক সজাগতা সভা সম্পন্ন

■ পৰিচালনা সমিতিক লৈ অসন্তুষ্ট ৰাইজ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৩ নৱেম্বৰ ঃ অসমৰ অন্যতম শক্তিপীঠ নলবাৰীৰ বালিলেছা কালী দেৱালয় পৰিচালনা সমিতিৰ সভাপতি-সম্পাদকৰ নেতৃত্বত সংঘটিত নানা অনিয়ম, মাদক দ্ৰব্যৰ প্ৰচলনৰ বিৰুদ্ধে আৰু বালিলেছা গাঁৱত শৈক্ষিক, ক্ৰীড়াৰ দিশত জাগৰণ অনাৰ বাবে যোৱা ২১ নৱেম্বৰত এখন ৰাজহুৱা সামাজিক সভা অনুষ্ঠিত হয়। গঞা ৰাইজৰ লগতে যুৱক সমাজৰ উদ্যোগত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে সমাজকৰ্মী লোহিত ডেকাই। ভাস্কৰ ডেকাই আঁত ধৰা সভাত নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, শিক্ষক কৰুণাকান্ত দাস, উমেশ মহন্ত, জীৱিকা সখী ফুলকন বৈশ্য, পঞ্চায়ত সদস্য ললিত বৈশ্য, সমাজকৰ্মী সতীশ দাস, নৰেন ডেকা, কুশল ডেকা, গাঁওবুঢ়া ৰবীন ডেকাসহ কে’বাশতাধিক ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকাই বালিলেছা গাঁৱৰ উন্নয়নত বিশেষ উদ্যোগ লোৱা বাবে সভাত ৰাইজে চেলেং চাদৰ, গামোচা, জাপি, শৰাই আৰু মানপত্ৰৰে সভাত সম্বৰ্ধনা জনায়। জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকাই কয় যে দেৱালয়খনৰ সকলোৰে মিলি উন্নয়ন বিচৰা প্ৰয়োজন। তাকে নকৰি কিছুমান নাভূত-নাশ্ৰুত কাম-কাজ কৰি ৰাইজৰ মাজত হাঁহিয়াতৰ পাত্ৰ হোৱা অনুচিত। সমাজকৰ্মী কুশল ডেকাই ভাষণত কয় যে কালী দেৱালয়ৰ বৰ্তমানৰ পৰিচালনা সমিতিখন অবৈধ। সংবাদ মাধ্যমত সঠিক প্ৰচাৰ হোৱাৰ পাছত সমিতিৰ ভিতৰ চ’ৰাত হাহাকাৰ লাগে সান্দহ খোৱা বালি তল যাব বুলি। যাৰ বাবে সংবাদমেল দি ৰাইজক আভুৱা ভাঁৰে। সংবাদমেলত উল্লেখ কৰা ধৰণে কাৰ্যনিৰ্বাহক সভা, সাধাৰণ

১৩ পৃষ্ঠাত চাওক

লাহৰীঘাটত দিব্যাংগ লোকৰ উন্নয়নমূলক কাম-কাজৰ সন্দৰ্ভত আলোচনা

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ২৩ নৱেম্বৰ ঃ মৰিগাঁও জিলা বিশেষভাৱে সক্ষম উন্নয়ন সমিতিৰ উদ্যোগত দিব্যাংগ সমিতিৰ উন্নয়নমূলক কাম-কাজৰ সন্দৰ্ভত যোৱা ২২ নৱেম্বৰত লাহৰীঘাটৰ টেঙাগুৰি গাঁও পঞ্চায়তৰ কমিউনিটি হলত এখন সভা অনুষ্ঠিত হয়। সভাত দিব্যাংগ লোকসকলক এককালীন সাহায্য প্ৰদান, পেঞ্চন, ডিজিটেল পদ্ধতিৰে কাৰ্ড পঞ্জীয়নভুক্ত কৰা আদি বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাখনত লাহৰীঘাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ লগতে জিলা দিব্যাংগ সমিতিৰ সভাপতি-সম্পাদকসহ অঞ্চলটোৰ শতাধিক বিকলাংগ লোকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে সভাৰ মুখ্য অতিথি তথা লাহৰীঘাটৰ স্থানীয় বিধায়কজনে সভাত

১৩ পৃষ্ঠাত চাওক

শিশু-কিশোৰৰ দ্বি-মাসিক আলোচনী ‘জোনাক’ উন্মোচন

অগ্ৰদূত বাৰ্তা

নাজিৰা, ২৩ নৱেম্বৰ ঃ নাজিৰা প্ৰেছ ক্লাবত এক মনোজ্ঞ অনুষ্ঠানত ২১ নৱেম্বৰত উন্মোচন কৰা হয় শিশু আলোচনী ‘জোনাক’ । প্ৰকাশক তথা দ্বি-মাসিক আলোচনীখনৰ মুখ্য সম্পাদক ডাঃ কুঞ্জন শইকীয়াই এনে এখন আলোচনীৰ প্ৰকাশৰ অন্তৰালত নিজে হাইস্কুলৰ নৱম শ্ৰেণীত অধ্যয়ন কৰি থকা অৱস্থাত ‘প্ৰান্তিক’ আলোচনীত দেখা পোৱা ‘নন্দন বনৰ মই দেৱ পাৰিজাত’ শীৰ্ষক লেখাৰ শিশুকাল আৰু কৈশোৰৰ এক প্ৰকাশলৈ মনত পেলায় আৰু আজিৰ প্ৰতিটো শিশুলৈ সেই চিন্তা প্ৰসাৰিত কৰাৰ ইচ্ছা ব্যক্ত কৰে । সেয়েহে তেওঁ প্ৰতিজন শিশু আৰু কিশোৰৰ প্ৰতিভাই নন্দন বনৰ পাৰিজাত হৈ ফুলি উঠক বুলি আলোচনীখনৰ উন্মোচন কালত প্ৰকাশ কৰে । এই উদ্দেশ্য সফল কৰি তোলাত তেওঁ আলোচনীৰ সম্পাদনাত জড়িত সকলো সদস্যকে প্ৰতি প্ৰকাশতেই ই বৰ্ধিত কলেবৰ লৈ প্ৰকাশ হোৱাৰ আশা ব্যক্ত কৰে । আলোচনীখনৰ উন্মোচক তথা নাজিৰাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে সৃষ্টিৰ প্ৰতি অনুপ্ৰাণিত কৰিবলৈ শিশুসকলৰ বাবে ‘জোনাক’ এক পথ আৰু দৃষ্টান্ত হৈ উঠক বুলি কয় । শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈ, নাজিৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্তই চমু বক্তব্যৰে আলোচনীখনৰ প্ৰকাশক আদৰণি জনাই পৰৱৰ্তী সফলতা কামনা কৰে। আলোচনীৰ সম্পাদক বুলু চেতিয়াই আঁত ধৰা কাৰ্যসূচীত সহকাৰী সম্পাদক অনুজ ৰাজখোৱা, পৰিচালন সঞ্চালক ভাইটী ৰহমান, কাৰ্যকৰী সম্পাদক অসমী গগৈ বৰুৱা, উপদেষ্টা ৰাজেন শৰ্মা, প্ৰচলন ব্যৱস্থাপক গোপাল বৰুৱা উপস্থিত থকাৰ লগতে জ্যেষ্ঠ সাংবাদিক বীৰেণ শৰ্মা, অৱসৰ প্ৰাপ্ত শিক্ষক দেওকণ চাংমাই, প্ৰাক্তন পৌৰপতি দিলীপ হাজৰিকা উপস্থিত থাকে। সভাৰ আৰম্ভণিতে বৰগীত পৰিৱেশন কৰে শিল্পী নিৰু দত্তই। ড° জীৱন কলিতাই কাৰ্যসূচীৰ শেষত শলাগৰ শৰাই আগবঢ়ায়।

বাসুগাঁও পৰিদৰ্শন বঙলাৰ জৰাজীৰ্ণ ৰূপ ঃ বিদ্যুৎ সংযোগ বিচ্ছিন্ন

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ২৩ নৱেম্বৰ ঃ চিৰাং জিলাৰ অন্যতম চহৰ বাসুগাঁও ৰেল ষ্টেচনৰ নিচেই কাষত ১৯৫৪ত ৰাজ্যিক গড়কাপ্টানী বিভাগৰ দ্বাৰা নিৰ্মিত পৰিদৰ্শন বঙলাটোৱে সম্প্ৰতি জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। তাহানিৰ কাঠৰ চাংঘৰ সদৃশ বঙলাটো পৰৱৰ্তী সময়ত দুটা শোৱনী কোঠা, এটা পাকঘৰ আৰু ডাইনিং কোঠাসহ আটকধুনীয়াকৈ নিৰ্মাণ কৰা অসম আৰ্হিৰ ভৱনটো মেৰামতিৰ অভাৱত জৰাজীৰ্ণ ৰূপ পাইছে। য’ত পাকঘৰটো কেতিয়াবাই ব্যৱহাৰৰ অনুপযোগী হৈ পৰাৰ লগতে যোৱা ৩০ অক্টোবৰৰ পৰা বকেয়া বিদ্যুতৰ মাচুল আদায় দিব নোৱাৰাৰ বাবে এপিডিচিএল কৰ্তৃপক্ষই বঙলাটোৰ বিদ্যুৎ

১৩ পৃষ্ঠাত চাওক

৭২ টা প্ৰকল্প উপস্থাপন ঃ বাগ্‌সা জিলা শিশু বিজ্ঞান সমাৰোহ সম্পন্ন

অগ্ৰদূত বাৰ্তা

বৰমা, ২৩ নৱেম্বৰ ঃ বিজ্ঞান মানসিকতাৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত কালি বাগ্‌সা জিলাৰ বৰমাত ২৯ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ লগত সংগতি ৰাখি বাগ্‌সা জিলা সমিতিয়ে আয়োজন কৰে শিশু বিজ্ঞান সমাৰোহ। জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ পৰা মুঠ ৭২ টা প্ৰকল্প উপস্থাপন কৰি ১৬০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে শিশু বিজ্ঞান সমাৰোহত ভাগ লয়। ইয়াৰ পৰা উপযুক্ত প্ৰকল্প নিৰ্বাচন কৰি ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা হ’ব। ১০ৰ পৰা ১৭ বছৰ বয়সৰ শিশুসকলে যাতে বৈজ্ঞানিক

মানসিকতাৰে নিজৰ জীৱন আগবঢ়াই লৈ যাব পাৰে সেই উদ্দেশ্য আগত ৰাখি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ব্যৱস্থা কৰাৰ কথা ব্যক্ত কৰে উদ্যোক্তাসকলে। সত্যনিষ্ঠ বিষয়বস্তুৰ ওপৰত যাতে শিশুসকলৰ জ্ঞান বৃদ্ধি হয় সেই উদ্দেশ্য আগত ৰাখি আজি শিশু বিজ্ঞানীসকলৰ

১৩ পৃষ্ঠাত চাওক

জৰাজীৰ্ণ গৃহত দিন অতিবাহিত কৰিছে গৰুভাষাৰ দৰিদ্ৰ ব্যক্তিয়ে ঃ ঢুকি পোৱা নাই চৰকাৰী আঁচনিয়ে

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ২৩ নৱেম্বৰ ঃ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে যদিও একাংশ বিভাগীয় বিষয়া আৰু কৰ্মচাৰীৰ অৱহেলাত আজিও বঞ্চিত হৈ আছে প্ৰকৃত হিতাধিকাৰী। আনকি এটা চৰকাৰী আৱাসো লাভ কৰিবলৈ সক্ষম হোৱা নাই। তেনে এজন লোক হ’ল চিৰাং জিলাৰ গৰুভাষা ভিচিডিচিৰ অন্তৰ্গত দক্ষিণ নাগদলবাৰী আদিবাসী গাঁৱৰ কৰ্ণেল হাসদা। হাসদাই কোনোমতে দুবেলা-দুমুঠি খাই দিন পাৰ কৰিছে। অতি কষ্টৰে জীৱন নিৰ্বাহ কৰা হাসদাৰ ঘৰটো মেৰামতি কৰাৰ বাবে হাতত ধন নথকাৰ উপৰি সময়ৰো নাটনি হৈছে। পৰিতাপৰ বিষয় এই যে দৰিদ্ৰ ব্যক্তিজনে ভিচিডিচি

তথা উন্নয়ন খণ্ডৰ পৰা আজিলৈকে এটা চৰকাৰী আৱাসগৃহ লাভ নকৰিলে। ভিচিডিচি আৰু চৰকাৰে এটা গৃহ আবণ্টন দিয়াৰ কথা উপলব্ধি নকৰা বুলি অভিযোগ কৰিছে ব্যক্তিজনে। উল্লেখ্য যে অতি দৰিদ্ৰ লোকজনে আজিলৈকে কোনো চৰকাৰী সুবিধা লাভ কৰা নাই। উক্ত গাঁওখনত দুখীয়া কেইজনমান লোকক চৰকাৰী গৃহ মঞ্জুৰি দি থকাৰ পাছত তেওঁ এটা চৰকাৰী গৃহ লাভ কৰিব বুলি আশা কৰিছিল। কিন্তু সেই আশা বাস্তৱত পৰিণত নহ’ল। তেওঁৰ দৰে দৰিদ্ৰ ব্যক্তিৰ প্ৰতি চৰকাৰৰ দৃষ্টি নপৰিল। সম্প্ৰতি দুখীয়া লোকজনে বসবাস কৰি থকা ঘৰটোৰ চালিৰে নিশা আকাশত তৰা দেখা পোৱা যায়। পুৱাতে শোৱাপাটী ত্যাগ কৰি কামৰ সন্ধানত ওলাই যোৱা লোকজনৰ কি সুবিধা, কি আঁচনি সেয়া উপলব্ধি কৰিবলৈ সময় নাই।

জুৰীয়াত কৰ্মৰত উজনি অসমৰ টে’ট শিক্ষকৰ ভাওনাই মুহিলে সহস্ৰজনক

অগ্ৰদূত বাৰ্তা

জুৰীয়া, ২৩ নৱেম্বৰ ঃ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে অসমৰ শিল্প-সংস্কৃতি তথা ধৰ্মীয় জগতলৈ উপহাৰ দিয়া আপুৰুগীয়া তথা অভিনৱ সম্পদ হৈছে ‘ভাওনা’। ভাওনা সংস্কৃতিৰ মাধ্যমেৰে গুৰুজনাই অজ্ঞ-অনাখৰী জনতাক কৃষ্ণভক্তিৰ মালা পিন্ধাই বিভিন্ন ধৰ্ম তথা জাতি-উপজাতিৰে বহুধা বিভক্ত অসমীয়া সমাজখনক একত্ৰিত কৰি নামঘৰ, সত্ৰকেন্দ্ৰিক এখন বৰ অসমীয়া সমাজ গঢ়ি থৈ গৈছে। সেই গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত উজনি অসমৰ পৰা আহি জুৰীয়াৰ বিভিন্ন বিদ্যালয়ত কৰ্মৰত টে’ট শিক্ষকসকলে নিজ কৰ্তব্য পালনৰ সমান্তৰালভাৱে চলাই গৈছে শংকৰী কলা-কৃষ্টিৰ চৰ্চাও। এইবেলি নগাঁও জিলাৰ জুৰীয়াৰ তেলীয়া বেবেজীয়া ৰাস উদ্‌যাপন সমিতিয়ে জ্যোতি ভৱন প্ৰাংগণত যোৱা ২১ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি যোৱা নিশা মঞ্চস্থ কৰা হয় গুৰুজনাৰ অনুপম সৃষ্টি ভাওনা। উজনি অসমৰ ভিন্ন প্ৰান্তৰ পৰা কৰ্মসূত্ৰে নগাঁৱৰ জুৰীয়ালৈ অহা টে’ট শিক্ষকসকলে তেলিয়া

১৩ পৃষ্ঠাত চাওক

শ্ৰদ্ধাঞ্জলি ফুলেশ্বৰ শৰ্মা



দৰং জিলাৰ ছিপাঝাৰৰ ৰঙামাটি মৌজাৰ হাজৰিকাপাৰাৰ অন্তৰ্গত বৰছলা গাঁৱৰ নিৱাসী প্ৰয়াত অজিতানন্দ শৰ্মা আৰু প্ৰয়াত ভদ্ৰেশ্বৰী দেৱীৰ চতুৰ্থ সন্তান ফুলেশ্বৰ শৰ্মা (৮৮)। প্ৰাথমিক শিক্ষা গাঁৱৰ বিদ্যালয়ত সমাপ্ত কৰি ছিপাঝাৰত শিক্ষা গ্ৰহণ কৰি থকাৰ সময়তে লামডিং ডাকঘৰত পোষ্টমাষ্টৰ হিচাপে নিযুক্তি লাভ কৰে। লামডিঙত কাম কৰি থকা সময়তে দেউতাই নৰ্মাল পঢ়িবলৈ সুবিধা লাভ কৰাত কাম বাদ দি চতিয়ালৈ গুচি আহে। ১৯৬৬ত ভূপেন মধ্য ইংৰাজী বিদ্যালয় মাজবাটত তেওঁ নিযুক্তি পায়। প্ৰথমে বিদ্যালয়ৰ হোষ্টেলত, পৰৱৰ্তী সময়ত ভাড়াঘৰত থাকিবলৈ লয়। দেউতা স্কাউড এণ্ড গাইডৰ প্ৰশিক্ষকো আছিল। মঙলদৈ এক নম্বৰ বামুণপাৰাৰ নিৱাসী প্ৰয়াত চন্দ্ৰ শৰ্মা আৰু প্ৰয়াত মালতী দেৱীৰ কনিষ্ঠ কন্যা প্ৰমিলা শৰ্মাৰে বিবাহ পাশত আৱদ্ধ হয়। বিয়াৰ পাছত দেউতা দক্ষিণ খৰামখা গাঁৱৰ নিৱাসী শৰৎ চন্দ্ৰ বৰুৱাৰ গৃহত ভাৰাতীয়া হিচাপে থাকিবলৈ লয়। পাছত তেওঁৰ ভ্ৰাতৃ একেখন গাঁৱৰে নিৱাসী গোপাল বৰুৱাৰ গৃহত ভাৰাতীয়া হিচাপে থাকে। পৰৱৰ্তী সময়ত দক্ষিণ খৰামখা গাঁৱৰ শংকৰ মন্দিৰ পথত ক্ৰয় কৰা মাটিত উলু খেৰৰ চালি, বাঁহৰ খুটা, টেঙা মৰাপাটৰ ঠাৰিৰে ঘৰ সাজি থাকিবলৈ লয়। তেনেদৰেই তেওঁ কিছু খেতি মাটি ক্ৰয় কৰি খেতি কৰ্মও সমানে আগবঢ়াই নিয়ে। তদুপৰি পূব মাজবাট শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ, পূব মাজবাট শ্ৰীমন্ত শংকৰদেৱ মন্দিৰৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ স’তে জড়িত আছিল। দেউতা অত্যন্ত সাহসী, মৰমিয়াল, ধেমেলীয়া, খঙাল, স্পষ্টবাদী, হিচাবী, কোমল হৃদয়ৰ, ধৰ্মপৰায়ণ ব্যক্তি আছিল। এই গুণসমূহৰ বাবেই দেউতাক বহুজনে বেয়াও পাইছিল। তৰুণ মধ্য ইংৰাজী বিদ্যালয় পৰৱৰ্তী সময়ত মাজবাট মধ্য ইংৰাজী বিদ্যালয় বৰ্তমান মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয় নাম পায়। ১৯৮২-৮৩ৰ কৰ্মচাৰী পৰিষদৰ আন্দোলনৰ সময়ছোৱাত আৰক্ষীৰ চকুত ধূলি দি লগত সহকৰ্মীক লগত লৈ তেওঁ আত্মগোপন কৰি ঠাই সলাই ফুৰিছিল। তাৰ পৰা ১৯৯৬ৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰে। তেওঁ নিচাজাতীয় দ্ৰব্যৰ লগতে তামোল, পাণ, চাধা, চিগাৰেট আদিও সেৱন কৰা নাছিল। দেউতা এজন আদৰ্শ পুৰোহিতো আছিল। প্ৰতিদিনে দেউতাই চছমা নোহোৱাকৈ দিন-ৰাতি একাকাৰ কৰি দিনলিপি লিখিছিল পুথি-পাঁজি, বাতৰি কাকত পঢ়িছিল। অৱসৰৰ পাছত দেউতাই সম্পূৰ্ণৰূপে খেতিৰ কৰ্মত ওতঃপ্ৰোতভাৱে ব্যস্ত হৈ পৰে। ঘৰখন গৰু, ছাগলী, হাঁহ, পাৰ, কুকুৰ, মেকুৰীৰে এটি সুন্দৰ পৰিয়াল। দেউতাই কাকো দিবলগীয়াও নাই পাবলগীয়াও নাই। ২৫ বছৰ পেন্সন লাভ কৰাৰ পাছত যোৱা ১৪ নৱেম্বৰত নিশা ৮৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে হাজৰিকাপাৰাত থকা বাইদেউৰ ঘৰত। দেউতাৰ আজি আদ্যশ্ৰাদ্ধ। দেউতা য’তেই আছে শান্তি আৰু সুখত থাকক।

ওঁম শান্তি

—প্ৰাঞ্জল কুমাৰ শৰ্মা

জম্মুত মৃত্যু হোৱা বিএছএফ জোৱানৰ শেষকৃত্য

■ কৰ্তব্যৰত অৱস্থাতে হৃদৰোগত আক্ৰান্ত হৈছিল

■ এয়াৰ এম্বুলেঞ্চ যোগে মৃতদেহ আনিলে তামাৰহাটলৈ

তামাৰহাট, ২৩ নৱেম্বৰ ঃ জম্মুত কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা বিএছএফৰ জোৱান গৌৰীশংকৰ ৰায়ৰ মৃতদেহ আজি ধুবুৰী জিলাৰ তামাৰহাটৰ নিজগৃহত উপস্থিত হয়। ইয়াৰ পাছতে তামাৰহাট ৰাজহুৱা শ্মশানত শোকাকুল পৰিস্থিতিত সামৰিক মৰ্যাদাৰে জোৱানজনৰ শেষকৃত্য সম্পন্ন কৰা হয়। জম্মুৰ ৰজৌৰী জিলাত ৫৯ নম্বৰ বিএছএফৰ জোৱান ৰায় হৃদৰোগত আক্ৰান্ত হোৱাৰ পাছত যোৱা ২০ নৱেম্বৰত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল।

বিগত তিনিটা বছৰে সীমা সুৰক্ষা বলৰ জোৱানৰূপে জম্মুত নিয়োজিত হৈ থকা ৰায়ে ১১ নৱেম্বৰৰ পুৱা কৰ্তব্য পালন কৰি থকা অৱস্থাতে মৃদু হৃদৰোগত আক্ৰান্ত হয়। ততাতৈয়াকৈ তেওঁক ৰজৌৰীৰ জম্মু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। অৱশ্যে ২০ নৱেম্বৰৰ পুৱা প্ৰায় ১০ বজাত চিকিৎসাধীন অৱস্থাতে জোৱানজনৰ মৃত্যু হয়। জম্মুৰ পৰা প্ৰথমে ৰায়ৰ মৃতদেহ এয়াৰ এম্বুলেঞ্চ যোগে নতুন দিল্লীলৈ অনা হয়। তাৰ পাছত গুৱাহাটীলৈ আনি বিএছএফৰ তৰফৰ পৰা সামৰিক মৰ্যাদাৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। আজি বিএছএফৰ এটা দলে ৰায়ৰ মৃতদেহ তামাৰঘাটস্থিত নিজগৃহলৈ অনাৰ লগে লগে অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। বিএছএফৰ তৰফৰ পৰা সামৰিক মৰ্যাদা প্ৰদান কৰাৰ পাছতে বহুসংখ্যক লোকৰ উপস্থিতিত হিন্দু ৰীতি অনুসাৰে তামাৰহাট শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। উল্লেখ্য যে জোৱানজনে পত্নীৰ লগতে দুটি নাবালক পুত্ৰক এৰি গৈছে।

উপাচাৰ্যক অপসাৰণ, স্থায়ী পঞ্জীয়ক

১২ পৃষ্ঠাৰ পৰা বিশ্ববিদ্যালয়ত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ কৰি সকলো সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰী তথা বিটিআৰ প্ৰধানৰ হস্তক্ষেপ দাবী কৰে। কাৰ্যসূচীৰ অন্তত জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, বিটিআৰৰ প্ৰধান প্ৰমোদ বড়ো আৰু ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

লাহৰীঘাটত দিব্যাংগ লোকৰ উন্নয়নমূলক

১২ পৃষ্ঠাৰ পৰা অনুপস্থিত থকাত বিকলাংগ সন্থাৰ সভাপতিয়ে ক্ষোভ প্ৰকাশ কৰে। তেওঁ লগতে কয় যে বিকলাংগ হোৱা হেতুকে তেওঁলোকক বিধায়কৰ লগতে চৰকাৰী সংশ্লিষ্ট বিভাগে অৱহেলা কৰি আহিছে।

বাসুগাঁও পৰিদৰ্শন বঙলাৰ জৰাজীৰ্ণ ৰূপ

১২ পৃষ্ঠাৰ পৰা সংযোগ কৰ্তন কৰে। প্ৰায় ২০ হেজাৰ টকা বকেয়া বিদ্যুতৰ মাচুল দিবলৈ বাকী থকা বুলি বিভাগীয় কৰ্মচাৰী সপ্তম বৰ্মনে জানিবলৈ দিয়ে। প্ৰায় দুই দশক পূৰ্বে তেতিয়াৰ বিটিচিৰ কাৰ্যবাহী সদস্য দেৰহাচাং বসুমতাৰীয়ে বঙলাটোৰ মেৰামতিৰ বাবে কিছু ধন আৱণ্টন দিয়াৰ পাছতো সম্প্ৰতি বঙলাটো জহি-খহি যোৱা পৰিলক্ষিত হৈছে। সেয়েহে অনতি পলমে ইয়াৰ ৰাইজে মেৰামতিৰ জৰিয়তে পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ বাবে দাবী জনায়।

শিৱসাগৰত পুনৰ বৃহৎ পৰিমাণৰ সুৰা

১২ পৃষ্ঠাৰ পৰা চলোৱাৰ পূৰ্বেই অবৈধ ভঁৰাল সদৃশ কোঠাটোৰ পৰা অবৈধ ব্যৱসায়ী চক্ৰটোৱে পলায়ন কৰিবলৈ সক্ষম। আৰক্ষীয়ে সুৰাৰ অবৈধ বেহাৰ আঁৰত জড়িত থকা চক্ৰটোক চিনাক্ত কৰাৰ কথা স্পষ্ট কৰি দিয়াৰ লগতে অচিৰেই এনে প্ৰক্ৰিয়াৰে চলা সকলো অৱৈধ ঘাটি, অবৈধ মজুতকৰণ ,পৰিবহণৰ লগত জড়িতসকলৰ বিৰুদ্ধে নিজাববীয়া গোচৰ পঞ্জীয়নেৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ভাৰপ্ৰাপ্ত বিষয়া কলিতাই সাংবাদিকক জানিবলৈ দিয়ে।

মেৰাপানীত ক'লাধানৰ খেতিৰে

১২ পৃষ্ঠাৰ পৰা চেতিয়াৰ লগতে আন একাংশ বিজ্ঞানী। স্থানীয় বিধায়ক তথা মন্ত্ৰী অজন্তা নেওগৰ প্ৰতিনিধিৰূপে অনুষ্ঠানত উপস্থিত থাকে গোলাঘাট জিলা বিজেপিৰ সম্পাদক পুনা বৰা। অনুষ্ঠানৰ শেষত বিজ্ঞানীসকলে কৃষক হেমন্ত দাসৰ খেতিপথাৰত পৰীক্ষামূলকভাৱে কৰা ক'লা ধানৰ খেতি চপোৱা কৰ্মৰ আৰম্ভ কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক অশোক ভট্টাচাৰ্যই জানিবলৈ দিয়া মতে, গমাৰিগুৰি গাঁৱত উৎপাদিত বীজৰ জৰিয়তে অহা বছৰ ২০০ বিঘা মাটিত ক'লা ধানৰ খেতি কৰি ২০০ টন বীজ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে । ইফালে, কৃষক হেমন্ত দাসৰ ক'লা ধানৰ খেতি প্ৰত্যক্ষ কৰি স্থানীয় একাংশ কৃষকে কৃষি বিশ্ববিদ্যালয়ৰ অধীনত কৃষিকাৰ্য কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনৰ সময়ত কৃষি বিজ্ঞানীসকলৰ এনে প্ৰয়াসে অসম তথা দেশৰ কৃষিখণ্ডত এক সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাৱ পেলোৱাৰ ইংগিত বহন কৰিছে।

মৰণফান্দ হৈছে ঘগ্ৰাপাৰ হাইৱে চ'ক

১২ পৃষ্ঠাৰ পৰা হৈছে। চ'কটোত যানবাহন আৰক্ষী আছে যদিও তেওঁলোকৰ কৰ্মচাৰী কম হোৱাত কৰ্তব্য পালনত কেতিয়াবা কেতিয়াবা ভাগৰুৱা হৈ পৰে। তদুপৰি বেলি ডুব যোৱাৰ পাছত এই চ'কটো মৰণফান্দত পৰিণত হয়। আনহাতে, দ্ৰুতবেগী যাত্ৰীবাহী বাছসমূহৰ দৌৰাত্ম্যই পথচাৰী ৰাইজৰ লগতে বিশেষ ঘগ্ৰাপাৰ হাইৱে চ'কৰে প্ৰতিদিনে ইপাৰ-সিপাৰ হোৱা বিভিন্নখন কলেজ, স্কুলৰ ছাত্ৰ-ছাত্ৰী, বিভিন্ন কাৰ্যালয়ৰ কৰ্মচাৰী, ৰোগী, ডাকঘৰ আৰু বেংকসমূহৰ গ্ৰাহক আদিক প্ৰতিটো ক্ষণতে আতংকিত কৰি তুলি আহিছে। সেয়েহে বৃহত্তৰ ঘগ্ৰাপাৰ বজাৰ সমিতি, ঘগ্ৰাপাৰ আঞ্চলিক, হিন্দু জাগৰণ মঞ্চ, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ, বড়িগোগ বনভাগ ব্লক কংগ্ৰেছ সমিতিৰ সভাপতি ভুৱনেশ্বৰ কলিতা, চিপিআই (এম) ঘগ্ৰাপাৰ আঞ্চলিক সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে ঘগ্ৰাপাৰ হাইৱে চ'কত এখন উৰণীয়া সেতু নিৰ্মাণৰ বাবে আগভাগ ল'বলৈ সাংসদ দিলীপ শইকীয়া, নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাক দাবী জনাইছে।

জুৰীয়াত কৰ্মৰত উজনি অসমৰ টে'ট

১২ পৃষ্ঠাৰ পৰা গাঁৱৰ ৰাসস্থলীত মঞ্চস্থ কৰিলে ‘দধীচিৰ দেহত্যাগ আৰু বৃত্তাসুৰ বধ’ নামেৰে এখন মহাপুৰুষীয়া নাট। যিখন নাটত দুৰ্দান্ত অভিনয়েৰে টে'ট শিক্ষকসকলে মন্ত্ৰমুগ্ধ কৰিলে বৃহত্তৰ অঞ্চলটোৰ দৰ্শক ৰাইজক। সন্ধিয়া সাত বজাৰ পৰাই শিৱসাগৰীয়া গায়ন বায়নৰ খোল তালৰ শব্দত মুখৰিত হৈ পৰে জুৰীয়াৰ আকাশ বতাহ। উজনি অসমৰ পৰা আহি জুৰীয়াত শিক্ষকতা কৰা টে'ট শিক্ষকসকলে মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টি ভাওনা শিল্পক জীয়াই ৰখাৰ সংকল্প কঢ়িয়াই অনাই নহয়, অসমীয়া চহকী কৃষ্টিক সাৰ-পানী দি যাউতিযুগীয়া কৰি ৰখাৰো যেন দৃঢ় সংকল্পবদ্ধ । জুৰীয়াবাসী ৰাইজে টে'ট শিক্ষকসকলে প্ৰদৰ্শন কৰা ভাওনাত আপ্লুত হোৱাৰ লগতে পৰৱৰ্তী পৰ্যায়তো যাতে এনে সাংস্কৃতিক পৰম্পৰাৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকে তাৰে কামনা কৰিছে।

অগ্নি সংযোগ কৰি পলায়ন মাতাল

১২ পৃষ্ঠাৰ পৰা ঘৰটোত অগ্নি সংযোগ কৰি স্থানীয় লোকৰ চকুত ধূলি দি পলায়ন কৰাৰ লগতে ভয়ংকৰ অগ্নিকাণ্ডৰ পৰা শশীন্দ্ৰৰ পত্নী আৰু দুই কণমানি সন্তান কথমপি ৰক্ষা পৰে। পত্নীৰ অভিযোগ মতে, শশীন্দ্ৰই প্ৰায়েই মদ খাই আহি পত্নীক শাৰীৰিক ভাৱে অত্যাচাৰ চলাই আহিছে যদিও কণমানি সন্তান দুটাৰ মুখলৈ চাই সহ্য কৰি আহিছে। চাৰি গৰাকীকৈ বিয়া পতা শশীন্দ্ৰৰ অত্যাচাৰত থাকিব নোৱাৰি তিনিগৰাকী পত্নী গুচি গৈছিল আৰু কেইবা বাৰো শশীন্দ্ৰ জেলত থাকিবলগীয়া হৈছিল । শশীন্দ্ৰৰ দৃষ্টান্তমূলক শাস্তিৰ দাবী তুলিছে তেওঁৰ পত্নীয়ে। স্থানীয় লোকৰ অভিযোগ মতে, গাঁও খনত সকলোৰে লগত কাজিয়া কৰি পৰিৱেশ বিনষ্ট কৰি অহাৰ লগতে নিজৰ পত্নীকো শশীন্দ্ৰই অত্যাচাৰ চলাই আহিছে।শশীন্দ্ৰৰ শাস্তিৰ বাবে গাঁও বাসীয়ে মৰিগাঁও আৰক্ষীক আহ্বান জনোৱাৰ লগতে গাঁৱত শশীন্দ্ৰৰ প্ৰৱেশ নিষিদ্ধ কৰিছে ভেদৌআটী গড়মাৰী বাসী ৰাইজে।

৭২ টা প্ৰকল্প উপস্থাপন ঃ বাগ্‌সা জিলা

১২ পৃষ্ঠাৰ পৰা মাজত তেওঁলোকৰ উদ্ভাৱনী শক্তিৰ দ্বাৰা বিভিন্ন প্ৰকল্প উপস্থাপনৰ সুযোগ দিয়াৰ কথা প্ৰকাশ কৰে শিশু বিজ্ঞান সমাৰোহৰ জিলা সমন্বয়ক আলকাচ আলীয়ে। সমাৰোহৰ পুৱা জিলাৰ অতিৰিক্ত উপায়ুক্ত আশ্ৰাফুল আমিনে পতাকা উত্তোলন কৰাৰ পাছত প্ৰকল্পৰ দ্বাৰ উন্মোচন কৰে জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৱেন দেউৰীয়ে। বি কে ভাণ্ডাৰী এম ই স্কুলৰ প্ৰধান শিক্ষক সতীশ বৰ্মনে সভাপতিত্ব কৰা মুকলি সভাত বজালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নৃপেন্দ্ৰ নাথ শৰ্মাই বিজ্ঞানৰ অগ্ৰগতি আৰু আমাৰ একাংশ ৰক্ষণশীল সমাজ ব্যৱস্থাৰ ওপৰত বক্তব্য ৰাখে। সমাজৰ পৰা কুসংস্কাৰ আৰু অন্ধবিশ্বাস একমাত্ৰ বিজ্ঞানেহে দূৰ কৰিব পাৰে বুলি মন্তব্য ৰাখি এই অনুষ্ঠানৰ দ্বাৰা শিশুসকলৰ সৃজনীশীল ক্ষমতাৰ বিকাশ ঘটে বুলি উল্লেখ কৰে। অনুষ্ঠানত বি এইচ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ফণীধৰ তালুকদাৰে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যেকৰে একো একোটা সৃজনীশীল মন থাকে বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সেই মনটো শুদ্ধ পথে পৰিচালিত হ'লে একো একোজন ভাল নাগৰিক হৈ উঠিব বুলি মন্তব্য কৰে। তেওঁ লগতে এই বিজ্ঞান সমাৰোহৰ জৰিয়তে বহু শিশু পৰৱৰ্তী সময়ত একোজন শিশু বিজ্ঞানী হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ব বুলিও কয়। অনুষ্ঠানত বিজ্ঞান সমাৰোহৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থখন উন্মোচন কৰে শিশু বিজ্ঞান বাগ্‌সা জিলা সমিতিৰ প্ৰাক্তন সমন্বয়ক দিলীপ কুমাৰ নায়কে। সভাত বৰমাৰ কে'বাগৰাকী জ্যেষ্ঠ ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। বৰমা বি কে ভাণ্ডাৰী এম ই স্কুলত আয়োজন কৰা শিশু বিজ্ঞান সমাৰোহত শিশুসকলৰ প্ৰকল্প নিৰ্বাচন কৰাৰ কাৰণে কে'বাগৰাকী বিজ্ঞান শিক্ষক আৰু বিজ্ঞানী বিচাৰক হিচাপে ৰখাৰ ব্যৱস্থা কৰিছে সমিতিয়ে।

বালিলেছা দেৱালয়ত বিশাল সামাজিক

১২ পৃষ্ঠাৰ পৰা সভা এখনো হোৱা নাই। বৰ্তমান অবৈধভাৱে চলি থকা পৰিচালনা সমিতিৰ তত্ত্বাৱধানত যিসমূহ নিৰ্মাণ কাৰ্য চলি আছে সেই নিৰ্মাণ সমিতি আনুষ্ঠানিকতাৰ নামত কেইজনমান ব্যক্তিয়েহে কৰি আছে বুলি উল্লেখ কৰে। ছয় বছৰে হিচাপ দিব নোৱাৰা সমিতিখনক পদত্যাগ কৰি ৰাইজক হিচাপ দিবলৈ আহ্বান জনায়। সভাত বালিলেছা গাঁওৰ প্ৰতিটো পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক এটা শৈক্ষিক আৰু ক্ৰীড়াৰ ক্ষেত্ৰত সুপৰিৱেশ প্ৰদান কৰাৰ লগতে গাঁওখনৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পাঠদানৰ ক্ষেত্ৰত নিয়মিতভাৱে আৰু অধিক গুৰুত্ব প্ৰদানৰ উদ্দেশ্যে প্ৰধান শিক্ষকলৈ এখনকৈ লিখিত আবেদন প্ৰদান কৰাৰ বাবে সভাৰ সভাপতিক দায়িত্ব অৰ্পণ কৰা, বালিলেছা গাঁও তথা কালী দেৱালয় চৌহদত অনৈতিকভাৱে মাদক দ্ৰব্য সেৱন আৰু বিক্ৰী কৰা কাৰ্যক গৰিহণা দি উক্ত কাৰ্যৰ লগত জড়িত অসাধু ব্যক্তিসকলক সকীয়নি প্ৰদান কৰি তেনে কাৰ্য বন্ধৰ বাবে জিলা প্ৰশাসনৰ লগত যোগাযোগ স্থাপনৰ দিশত স্মাৰকপত্ৰ প্ৰদানৰ বাবে অঞ্চলটোৰ উপস্থিত যুৱকসকলক সভাই দায়িত্ব প্ৰদান কৰে। তদুপৰি সভাই কালী দেৱালয়ৰ পৰিচালনা সমিতিয়ে বৈধ কাৰ্যকালৰ তিনিবছৰ উকলি যোৱাৰ পাছতো আয়-ব্যয়ৰ হিচাপ ৰাজহুৱা সভা আয়োজন কৰি দাখিল নকৰা বাবে পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকক গৰিহণা দিয়ে। লগতে অহা কেইদিনমানৰ ভিতৰত মন্দিৰৰ ছয় বছৰৰ আয়-ব্যয়ৰ নিখুঁত আৰু শুদ্ধ হিচাপ ৰাজহুৱা সভা পাতি দাখিল কৰাৰ বাবে ৰাজহুৱা সভাই নিৰ্দেশনা প্ৰেৰণৰ বাবে সভাৰ সভাপতি লোহিত ডেকাক দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য যে ৰাজহুৱা সভাৰ নিৰ্দেশনাক পৰিচালনা সমিতিয়ে অৱজ্ঞা কৰিলে পৰৱৰ্তী সময়ত গাঁৱৰ অংশীদাৰী ৰাইজৰ হৈ এজন ব্যক্তিৰ জৰিয়তে আইনী ব্যৱস্থাৰে হিচাপ বিচৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

■ কোকৰাঝাৰত মহাবিদ্যালয়ৰ চৌহদে চৌহদে এবছুৰ প্ৰতিবাদী ধৰ্মঘট পালন

■ বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োলৈ স্মাৰকপত্ৰ প্ৰেৰণ

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সমস্যা সমাধানৰ দাবীত সৰৱ এবছু

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৩ নৱেম্বৰ ঃ ঐতিহাসিক বিটিচি চুক্তি সম্পাদিত হোৱা মৰ্মে কোকৰাঝাৰ চহৰৰ দেবৰগাঁৱত স্থাপিত হোৱা নামনি অসমৰ একমাত্ৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান বড়োলেণ্ড বিশ্ববিদ্যালয়ত বিগত দুই-তিনি বছৰ ধৰি স্থায়ী পঞ্জীয়ক নিযুক্তি নোহোৱাকে ধৰি বিভিন্ন সমস্যাৰ প্ৰতিবাদত আজি নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুই কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, ছোৱালী মহাবিদ্যালয়, কমাৰ্চ মহাবিদ্যালয় আৰু বিজ্ঞান মহাবিদ্যালয়কে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তে প্ৰান্তে মহাবিদ্যালয়ৰ চৌহদত অৱস্থান ধৰ্মঘটেৰে উত্তাল কৰি তোলে। উল্লেখ্য যে এবছুই আজি পুৱা ১০ বজাৰ পৰা দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘটৰে কোকৰাঝাৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ চৌহদত হাতে হাতে প্লে-কাৰ্ড লৈ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক অপসাৰণ কৰা, বড়োলেণ্ড বিশ্ববিদ্যালয়ত স্থায়ী পঞ্জীয়কক নিযুক্তি দিয়া, পঞ্জীয়ক নিযুক্তিৰ পূৰ্বে সকলো ধৰণৰ উচ্চ পৰ্যায়ৰ সিদ্ধান্ত বন্ধ ৰখা, কাৰ্যনিৰ্বাহক পৰিষদ বৈঠকৰ পূৰ্বে বিশ্ববিদ্যালয়ৰ কৰ্ট মিটিং অনুষ্ঠিত কৰা, কাৰ্যনিৰ্বাহক পৰিষদৰ খালী হৈ থকা পদৱীসমূহ পূৰণ কৰা, বিশ্ব বিদ্যালয়ত সময়মতে পৰীক্ষা আৰু ফলাফল ঘোষণাকে ধৰি বিভিন্ন পাঁচ দফীয়া দাৰীত সৰৱ হৈ পৰে ছাত্ৰ সংগঠনটো। এই উপলক্ষে আজি কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ প্ৰৱেশ দ্বাৰত এৱছুৰ উদ্যোগত দুই ঘণ্টীয়া অৱস্থান ধৰ্ণাৰে উত্তাল কৰি তোলে। উক্ত ধৰ্ণা কাৰ্যসূচীত এবছুৰ কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ জনক উজীৰে নেতৃত্ব দি বড়োলেণ্ড আন্দোলন আৰু ছহিদৰ তেজৰ বিনিময়ত লাভ কৰা বড়োলেণ্ড বিশ্ববিদ্যালয়ত যেতিয়ালৈ সমস্যা জীয়াই থাকে তেতিয়ালৈ এবছুই ক্ষান্ত নহয় আৰু আন্দোলন চলাই নিব বুলি হুংকাৰ দিছে। এইক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰীৰে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সমস্যাক লৈ এবছুৰে আলোচনা হোৱা সদৰী কৰি বিষয়টোক আজিৰ প্ৰতিবাদী কাৰ্যসূচীৰে গুৰুত্ব সহকাৰে লৱলৈ আহ্বান জনায়। উল্লেখ্য যে এবছুই আজি কোকৰাঝাৰ জিলাৰ প্ৰান্তে প্ৰান্তে মহাবিদ্যালয়ত অৱস্থান ধৰ্মঘট পালন কৰি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক অপসাৰণকে ধৰি বিভিন্ন পাঁচ দফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ বিটিআৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োলৈ প্ৰেৰণ কৰে। আজিৰ প্ৰতিবাদী ধৰ্ণাত এবছুৰ প্ৰচাৰ ও জনসম্পৰ্কৰ্কাৰী দিনেশ ব্ৰহ্ম, এবছুৰ কোকৰাঝাৰ আঞ্চলিক সভাপতি স্বাধীন ব্ৰহ্ম, কোকৰাঝাৰ জিলা সমিতি এবছুৰ শিক্ষা সচিব জাংগিলা ব্ৰহ্ম উপস্থিত থাকে ।

দোতমা ইউ এন ব্ৰহ্ম মহাবিদ্যালয়ৰ সন্মুখত ধৰ্ণা

অগ্ৰদূত বাৰ্তা

দোতমা, ২৩ নৱেম্বৰ ঃ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচৰ লাইশ্ৰম লাডু সিঙক অপসাৰন আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ত স্থায়ী পঞ্জীয়ক নিযুক্তিৰ লগতে কেতবৰ দাবীত আজি কোকৰাঝাৰ জিলাৰ নখন মহাবিদ্যালয়ৰ সন্মুখত এবছুৰ উদ্যোগত দুঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ঠিক সেইদৰে দোতমা ইউ এন ব্ৰহ্ম মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰত দোতমা আঞ্চলিক এবছু আৰু কলেজ ইউনিয়নৰ সহযোগত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত ধৰ্ণা কাৰ্যসূচীত যোগদান কৰা এবছুৰ কৰ্মকৰ্তা তথা ছাত্ৰ-ছাত্ৰীসকলে ‘উই ৱান্ট জাষ্টিছ, উই ৱান্ট পাৰমানেন্ট ৰেজিষ্টাৰ, প্ৰপেছৰ লাইশ্ৰম লাডু সিঙক অপসাৰণ কৰক, বডোলেণ্ড বিশ্ব বিদ্যালয়ক ৰক্ষা কৰক’ আদি শ্ল'গান দি পৰিস্থিতি উত্তাল কৰি তোলে। কাৰ্যসূচীৰ অন্তত দোতমা চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিআৰৰ প্ৰধান প্ৰমোদ বড়ো আৰু ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। অনুষ্ঠানত এবছুৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি কৃপেশ দৈমাৰী, কেন্দ্ৰীয় সম্পাদক বিৰদাও বড়ো, দোতমা আঞ্চলিক সভাপতি সঞ্জীৱ কুমাৰ ব্ৰহ্মৰ লগতে এবছুৰ কৰ্মকৰ্তা সকলো উপস্থিত থাকে।

কলাইগাঁৱৰ কমাৰপাৰাত ভাগৱত পাঠ ব্যাখ্যাৰ আধ্যাত্মিক অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

কলাইগাঁও, ২৩ নৱেম্বৰ ঃ কলাইগাঁৱৰ সমীপৱৰ্তী কমাৰপাৰা ৰাজহুৱা নামঘৰ প্ৰাংগণত আজি শ্ৰীমন্তৰ শংকৰদেৱ সংঘ, দৰং জিলা প্ৰচাৰ শাখা আৰু ঔতলা আঞ্চলিক প্ৰচাৰ শাখাৰ উদ্যোগত কমাৰপাৰা প্ৰাথমিক শিক্ষাৰ সহযোগত পৰিবেশন কৰা ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানত হৰিনামেৰে মুখৰিত হয় সমগ্ৰ অঞ্চল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ শাখাৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ উপদেষ্টা লখিমপুৰ জিলাৰ বাসিন্দা জগত বণিয়াই সাৱলীলভাৱে পৰিবেশন কৰা ভাগৱত পাঠ আৰু সৰল ব্যাখ্যাই ভক্তপ্ৰাণ ৰাইজক আধ্যাত্মিক চৰ্চাৰ প্ৰতি আকৰ্ষিত কৰে। উল্লেখ্য যে সংঘৰ একান্ত ভক্ত তথা সাংস্কৃতিক কৰ্মী মাধৱ চন্দ্ৰ বৰ্মনে আঁত ধৰা আধ্যাত্মিক অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উপ-পদাধিকাৰ বসুন্ধৰ ডেকা, সংঘৰ দৰং জিলা প্ৰচাৰ শাখাৰ সভাপতি ফণীধৰ ৰাজখোৱা, সম্পাদক ৰমণী ডেকা আৰু ঔতলা আঞ্চলিক শাখাৰ সভাপতি গোবিন্দ নাথ, প্ৰচাৰ শাখাৰ সম্পাদক জনক ডেকাকে ধৰি কে'বাগৰাকীও সংঘৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

বান্দৰদেৱাত ছাত্ৰ নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

বান্দৰদেৱা, ২৩ নৱেম্বৰ ঃ লখিমপুৰ জিলাৰ অসম-অৰুণাচলৰ সীমান্তৱৰ্তী হাৰমতী আৰক্ষী চকীৰ অন্তৰ্গত হাৰমতী ডিক্ৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ এজন ছাত্ৰ কালিৰে পৰা নিৰুদ্দেশ হৈ আছে। দুই নম্বৰ পাৰ্বতীপুৰত ভাড়াতীয়া হিচাপে থাকি পদপথত শাক-পাচলি বিক্ৰী কৰি পৰিয়াল পোহপাল দি অহা যদুমণি দাস আৰু জুৰি দাসৰ পুত্ৰ অংকুৰ দাস (১২)-এ সন্ধিয়া প্ৰায় ৬-৩০ বজাত ঘৰৰ পৰা ওলাই যোৱাৰ পৰা বৰ্তমানলৈকে কোনো সন্ধান পোৱা নাই। পিতৃ-মাতৃয়ে তেওঁলোকৰ সম্বন্ধীয় সকলোতে খবৰ কৰিও কোনো সন্ধান উলিয়াব নোৱাৰি হাৰমতী আৰক্ষী চকী আৰু অধ্যয়ন কৰা বিদ্যালয়ত লিখিতভাৱে অৱগত কৰিছে। কোনো লোকে ছাত্ৰজনৰ সন্ধান পালে ওচৰৰ আৰক্ষীক অথবা ৮১৩৪৯৩৪৮২১/৯৩৯৫৪৫০২৮১ নম্বৰত জনাবলৈ কাতৰ অনুৰোধ জনাইছে।

প্ৰধান শিক্ষকৰ ঘৰত লুটপাট

অগ্ৰদূত বাৰ্তা

টিহু, ২৩ নৱেম্বৰ ঃ নলবাৰী জিলাৰ টিহুত চিলনী চোৰৰ সন্ত্ৰাস অব্যাহত থকাৰ সময়তে একাংশৰ গৃহস্থৰ ঘৰত কোনো লোক নথকাৰ সুবিধা লৈ চোৰে লুটপাট চলোৱা পৰিলক্ষিত হৈছে। তেনে এক ঘটনাৰ বলি হৈছে টিহুৰ বড়গাঁও কাহাৰপাৰা নিৱাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধৰণী ডেকাৰ পৰিয়াল। ডেকাৰ জ্যেষ্ঠ ভ্ৰাতৃ শ্যামা ডেকাৰ মৃত্যুৰ ক্ৰিয়া-কৰ্মৰ বাবে ডেকা পৰিয়াল যোৱা ২০-২১ নৱেম্বৰত গুৱাহাটীত আছিল। এনে সুযোগতে চোৰে লুটপাট চলাই ডেকাৰ কাহাৰপাৰাস্থিত বাসগৃহৰ পৰা কে'বালক্ষ টকাৰ সা-সম্পত্তি লুট কৰি নিয়ে। কালি সন্ধিয়া ডেকাৰ পৰিয়াল টিহুৰ বড়গাঁও-কাহাৰপাৰাস্থিত বাসগৃহত উপস্থিত হোৱাত ঘৰৰ সকলো সা-সম্পত্তি লণ্ডভণ্ড অৱস্থাত প্ৰত্যক্ষ কৰে। পাছত ঘটনা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ডেকাই টিহু আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। তথ্যমতে, চোৰে লুটপাট চলাই ডেকাৰ ঘৰৰ পৰা নগদ টকা, সোণৰ আ-অলংকাৰ, বাচন-বৰ্তনসহ প্ৰায় চাৰিলাখ টকাৰ সামগ্ৰী লুট কৰি নিয়ে। ইফালে ইয়াৰ সমীপৰে মথুৰাপুৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ ওচৰতে থকা ব্যৱসায়ী কুমুদ বৈশ্যৰ ঘৰতো যোৱা শনিবাৰে চোৰ সোমাই লণ্ডভণ্ড কৰি কিছু সামগ্ৰী লুটি নিয়ে। উল্লেখ্য যে শনিবাৰে বৈশ্যই পৰিয়ালসহ টিহুলৈ ৰাস চাবলৈ আহি নিশা আঠমান বজাত ঘৰলৈ উভতি গৈ এই ঘটনা প্ৰত্যক্ষ কৰে। বিগত কিছুদিন ধৰি টিহু অঞ্চলত এক দুষ্টচক্ৰই চুৰি-ডকাইতিৰ দৰে কাণ্ড সংঘটিত কৰি আহিছে।

পশ্চিম বড়িগোগত কোনো চৰকাৰী অনুজ্ঞাপত্ৰ থকা সুৰাৰ দোকান প্ৰতিষ্ঠা হ'ব নোৱাৰে

■ হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ নিৰ্দেশ

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২৩ নৱেম্বৰ ঃ নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ পাছতে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়ায়ো চৰকাৰী অনুজ্ঞাপত্ৰ থকা সুৰাৰ দোকানৰ বিৰোধিতা কৰি জিলা প্ৰশাসনলৈ নিৰ্দেশনা প্ৰেৰণ কৰিছে। বৰ্তমান অসম চৰকাৰে ৰাজ্যৰ গাঁৱে-ভূঁৱে চৰকাৰীভাৱে অনুজ্ঞাপত্ৰ থকা ৱাইন শ্বপ প্ৰতিষ্ঠাৰ সিদ্ধান্ত লৈছে। তাৰ বাবে ইতিমধ্যে চৰকাৰীভাৱে ৰাজ্যৰ বিভিন্ন অঞ্চল সামৰি অনুমোদন দিছে। ইয়াৰে ভিতৰত কামৰূপ গ্ৰাম্য জিলাৰ হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত বাৰাংহাটী চকীৰবৰি অঞ্চলত এখন ৱাইন শ্বপ প্ৰতিষ্ঠাৰ বাবে যো-জা চলোৱা বুলি ৰাইজৰ মাজত প্ৰচাৰ হৈছে। আনহাতে, এই সম্পৰ্কে ছ'চিয়েল মিডিয়াত ব্যাপক প্ৰচাৰ চলাই আছে। মৰোৱা-কমলপুৰ গড়কাপ্টানী পথৰ কাষতে প্ৰতিষ্ঠা হ'ব লগা উক্ত মদৰ বিপণীৰ বিৰুদ্ধে ৰাইজ সচেতন হৈ যোৱা ১৪ নৱেম্বৰত আবেলি বাৰাংহাটী চকীৰবৰি পশু চিকিৎসালয় চৌহদত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। পশ্চিম বড়িগোগ আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামদত্ত লহকৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অঞ্চলটোৰ সকলো দল-সংগঠনৰ উপৰি সচেতন ৰাইজ উপস্থিত থাকে। সভাত বৃহত্তম অঞ্চলটোত কোনো কাৰণতে এনেকুৱা সুৰাৰ দোকান প্ৰতিষ্ঠা কৰিবলৈ নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। লগতে অঞ্চলটোৰ কে'বা ঠাইতো পূৰ্বৰে পৰা অবৈধভাৱে চলি থকা মদ-ভাঙৰ ব্যৱসায়সমূহো শীঘ্ৰে উচ্ছেদ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াই প্ৰস্তাৱ গ্ৰহণ কৰিছিল। আনহাতে, সেইখন সভাতে পশ্চিম বড়িগোগ আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ৰ বিষয় শিক্ষক ভবেশ চন্দ্ৰ বৈশ্যক সভাপতি আৰু ভৱজ্যোতি ডেকাক সম্পাদক হিচাপে লৈ পশ্চিম বড়িগোগ আঞ্চলিক সচেতন নাগৰিক মঞ্চ নামৰ এটি সংস্থা গঠন কৰে। যোৱা ২১ নৱেম্বৰত উক্ত মঞ্চৰ সম্পাদকৰ স্বাক্ষৰত এখন আবেদন পত্ৰ বিধায়িকা সুমন হৰিপ্ৰিয়াক অৰ্পণ কৰে। স্থানীয় সচেতন সমাজসেৱী মনোজ কলিতা আৰু অৱনীমোহন ডেকাই লৈ যোৱা আবেদনখন দেখিয়ে বিধায়িকাই জিলা প্ৰশাসনক উক্ত সুৰা বিপণী বাতিলৰ নিৰ্দেশনা প্ৰেৰণ কৰে। আনহাতে, পশ্চিম বড়িগোগত কোনো চৰকাৰী অনুজ্ঞাপত্ৰ থকা সুৰা বিপণী প্ৰতিষ্ঠা কৰিবলৈ দিয়া নহ'ব বুলি জানিবলৈ দিয়ে। বিধায়িকাৰ উক্ত নিৰ্দেশনাৰ পাছতে সকলো ৰাইজে আনন্দ প্ৰকাশ কৰাৰ লগতে সামাজিক মাধ্যমত ধন্যবাদ জনায়।

অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰীড়া সংগঠক ৰমেন্দ্ৰ কুমাৰ চৌধুৰীৰ মৃত্যু



ছয়গাঁও, ২৩ নৱেম্বৰ ঃ দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ কৃতী শিক্ষক ৰমেন্দ্ৰ কুমাৰ চৌধুৰী (৬৭)ৰ যোৱা নিশা মৃত্যু হয়। ছয়গাঁৱৰ গৰ্জনপাৰাস্থিত নিজ বাসগৃহত তেওঁৰ মৃত্যু হয়। তিনি মাহ আগতে তেওঁৰ দেহত দুৰাৰোগ্য ৰোগ ধৰা পৰিছিল। ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ দীৰ্ঘদিনৰ জনপ্ৰিয় শিক্ষক চৌধুৰী অৱসৰ গ্ৰহণ কৰিছিল সৰ্বশিক্ষা অভিযান মিছনৰ সমল শিক্ষকৰূপে। ছয়গাঁও ক্ৰীড়া সন্থা আৰু ছয়গাঁও আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ কৰ্মকৰ্তাৰূপে দীৰ্ঘদিন জড়িত চৌধুৰী ফুটবল, কাবাডীৰো এসময়ৰ স্বীকৃতপ্ৰাপ্ত ৰেফাৰী আছিল। আজি পুৱা ছয়গাঁও অঞ্চলৰ বিভিন্ন সংগঠন, নেতৃস্থানীয় ব্যক্তি আৰু সহস্ৰাধিক গুণমুগ্ধই তেওঁৰ বাসগৃহত শ্ৰদ্ধা জনোৱাৰ পাছত গাঁৱতে তেওঁৰ অন্তিম সংস্কাৰ কৰা হয়।

শ্ৰদ্ধাঞ্জলি হৰেন্দ্ৰ নাথ শৰ্মা

যোৱা ১৪ নৱেম্বৰত গুৱাহাটীৰ ‘নেমকেয়াৰ’ চিকিৎসালয়ত নলবাৰী মহাবিদ্যালয়ৰ সেৱা নিবৃত্ত অধ্যাপক হৰেন্দ্ৰ নাথ শৰ্মাই বিয়োগ বৰণ কৰে। কামৰূপ জিলাৰ অন্তৰ্ভুক্ত কেন্দুকোণা গাঁৱৰ বামুণগাঁও চুবুৰিৰ এটা অভিজাত পৰিয়ালত ১৯৩৯ত জন্মগ্ৰহণ কৰা অধ্যাপক শৰ্মা সৰু কালৰে পৰা আছিল ধীৰ-স্থিৰ আৰু পঢ়া-শুনাৰ প্ৰতি পৰম আগ্ৰহী। যথা সময়ত, যথাৰীতি শিক্ষা জীৱনৰ শুভাৰম্ভ কৰি তেওঁ ১৯৬২ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া (খ-শাখা) বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ ১৯৬৫ত নলবাৰী মহাবিদ্যালয়ত প্ৰৱক্তা পদত যোগদান কৰে আৰু ১৯৯৯লৈ সুদীৰ্ঘ একুৰি পোন্ধৰ বছৰ কাল সেৱা আগবঢ়াই সুখ্যাতিৰে অৱসৰ লয়। মোৰ একালৰ প্ৰিয় সহকৰ্মী অধ্যাপক শৰ্মা যশস্বী শিক্ষক হোৱাৰ উপৰি, তেওঁ আছিল সুসাহিত্যিক, সাহিত্য-সংগঠক, সমাজকৰ্মী আৰু সহজ ভাষাত ক'বলৈ গ'লে তেওঁ আছিল মানুহৰ মানুহ—ভাল মানুহ। নিষ্ঠা, সততা, সহনশীলতা, মানৱকেন্দ্ৰিক নৈতিকতা, উদাৰতা আৰু সহানুভূতিশীলতা আছিল তেওঁৰ অংগৰ ভূষণ। স্কুলীয়া ছাত্ৰাৱস্থাৰে কবিতা, গীত, গল্প, আলোচনা, জীৱনী আদি সাহিত্যৰ বিভিন্ন বিভাগলৈ অৱদান আগবঢ়াই তেওঁ সৃজনশীল প্ৰতিভাৰ পৰিচয় দিয়াৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত সহায়তা কৰিছিল। ফলস্বৰূপে, ২০০৫ত অসম চৰকাৰে তেওঁলৈ আগবঢ়াইছিল সন্মানীয় সাহিত্যিক পেঞ্চন। অধ্যাপক শৰ্মাৰ সমাজমুখী চিন্তা চেতনাৰ তুলনা নাই। নলবাৰী জিলা সাহিত্য সভা, নলবাৰী সাহিত্য সমাজ, পূৰ্বভাৰতী (বিশিষ্ট সাংস্কৃতিক অনুষ্ঠান), নলবাৰী মহাবিদ্যালয় শিক্ষক সংস্থা, নলবাৰী মহাবিদ্যালয় পৰিচালনা সমিতি আদিৰ বাহিৰেও তেওঁৰ জন্মস্থান কেন্দুকোণা গাঁওকেন্দ্ৰিক নানান সৰু-বৰ সামাজিক অনুষ্ঠানৰ প্ৰতিষ্ঠাপন, প্ৰতিপালন আৰু বিস্তৃতি দানত তেওঁৰ ভূমিকা আছিল লেখত ল'বলগীয়া।

অধ্যাপক শৰ্মাৰ কথা-বতৰা, বিশেষকৈ তেওঁৰ ৰসিকতা, সৰলতা, বন্ধুবৎসলতা মই জীৱনত পাহৰিব নোৱাৰো। সঁচাকৈয়ে বাহুল্য বৰ্জন কৰি ক'বলৈ গ'লে, এইগৰাকী ব্যক্তি মোৰ চেতনাৰ অংগ হৈ চিৰকাল জিলিকি থাকিব। আজি আদ্যশ্ৰাদ্ধৰ দিনত তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকদগ্ধ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছো।

ওঁ তৎ সৎ!

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

অসমৰ ৰাইজৰ মাজত কৰ্ম-সংস্কৃতিৰ অভাৱ

■ প্ৰতিটো সমষ্টিতে একোটাকৈ ধান কটা যন্ত্ৰ দিয়াৰ প্ৰতিশ্ৰুতি কৃষি মন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা

কমলপুৰ/কনিহা, ২৩ নৱেম্বৰ ঃ ‘অসমৰ ৰাইজৰ মাজত কৰ্ম-সংস্কৃতিৰ অভাৱ। বছৰেকত এডোখৰ মাটিত কে'বাটাও খেতি কৰিব পাৰে যদিও কৃষকে অকল ধানখেতি কৰিয়েই মাটি ডোখৰ পেলাই ৰাখে।’ এই মন্তব্য কৃষিমন্ত্ৰী অতুল বৰাৰ। কেবিনেট বৈঠকৰ বাবে বঙাইগাঁৱলৈ যোৱাৰ পথত মন্ত্ৰী বৰাই আজি কমলপুৰৰ জালিমুৰা অংগনৱাড়ী কেন্দ্ৰত উপস্থিত হৈ কেন্দ্ৰটোৰ লগতে কলমণিৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান প্ৰকল্প পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালতে মন্ত্ৰী বৰাই পুনৰ কয়, ‘কৃষিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে কে'বাখনো অভিলাষী আঁচনি ৰূপায়ণ কৰিছে, কিন্তু বছৰেকত একমাত্ৰ ধান খেতি কৰিয়ে বছৰটোৰ বাকী সময় আজৰি সময় বুলি ধৰি লয় আৰু অধিকাংশ সময় উৎসৱ-পাৰ্বণৰ নামত খৰচ কৰে।’ মন্ত্ৰীজনে লগতে কৰ্ম-সংস্কৃতিৰ প্ৰতি আগ্ৰহী হ'বলৈ সকলোকে আহ্বান জনায়। ইপিনে, সাৰৰ কৃত্ৰিম নাটনি সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী বৰাই কয়, ‘অসমত সাৰৰ যিমান প্ৰয়োজন আছে, সেই অনুপাতে অসমে সাৰ লাভ নকৰে।’ তেওঁ লগতে কয় যে সাৰৰ নাটনিৰ সন্দৰ্ভত ৰাজ্যৰ ডীলাৰসকলক নাকী লগোৱাৰ প্ৰয়োজন আছে।

মন্ত্ৰী বৰাই আজি এই যাত্ৰাকালত ৰঙিয়া মহকুমাৰ কনিহাস্থিত উত্তৰণ কৃষি উৎপাদক কোম্পানীৰ এটা চাউল বিক্ৰী কেন্দ্ৰ মুকলি কৰে। কেন্দ্ৰটো মুকলি কৰি মন্ত্ৰীজনে কয়, ‘প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকৰ আয় দুগুণীকৰণ কৰিবলৈ গ্ৰহণ কৰা লক্ষ্য কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যখনত মুখ্যমন্ত্ৰীৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ধানবনা কলকে ধৰি বিভিন্ন আঁচনি হাতত লোৱাৰ উপৰি প্ৰতিটো সমষ্টিত ৫০ শতাংশ ৰাজসাহায্যৰে একোটাকৈ ২০ লাখ টকীয়া ধান কটা যন্ত্ৰ দিয়াৰ ব্যৱস্থা লোৱা হৈছে।’ কৃষি মন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ কৃষি উৎপাদক সংস্থাসমূহ সবল কৰি কৃষিখণ্ডলৈ পৰিৱৰ্তন অনাৰ ব্যৱস্থা কৰা হৈছে। উৎপাদক কোম্পানীৰ কৰ্মকৰ্তাসকলে বিচৰা ধৰণে কোম্পানীৰ অধীনত উৎপাদিত কৃষিজাত সামগ্ৰী সংৰক্ষণৰ বাবেএটি ভঁৰালঘৰ আৰু কৃষি সম্পৰ্কীয় বিভিন্ন প্ৰশিক্ষণৰ বাবে এটি প্ৰেক্ষাগৃহ নিৰ্মাণ কৰাতো গুৰুত্ব আৰোপ কৰে মন্ত্ৰী বৰাই।

মুখৰ ধোঁৱা

এতিয়া শীতকাল। আমি সকলোৱে জানো যে শীতকালত ৰাতি বা ৰাতিপুৱা আমাৰ মুখৰ পৰা ধোঁৱা ওলায়। অতিপাত ঠাণ্ডা পৰিলে দিনতো মুখৰ পৰা ধোঁৱা বাহিৰ হয়। কিন্তু কিয় এনেদৰে ধোঁৱা বাহিৰ হয় জানানে?

::নিশাহ বা প্ৰশ্বাসত আমাৰ হাওঁফাওঁৰ পৰা ওলোৱা বায়ু সাধাৰণতে গৰম আৰু সেমেকা। ই বাষ্প অৱস্থাত থাকে। শীতকালত আমাৰ চাৰিওফালৰ বায়ুমণ্ডল চেঁচা হৈ থাকে। সেয়েহে মুখেৰে ওলাই অহা উষ্ণ-সেমেকা বায়ুখিনি বাহিৰৰ চেঁচা বতাহৰ সংস্পৰ্শলৈ অহাৰ লগে লগে ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ কণিকালৈ পৰিৱৰ্তিত হয় আৰু এই পানীৰ কণিকাবোৰেই আমি ধোঁৱাৰ নিচিনা দেখো। গৰম দিনত যিহেতু আমাৰ চাৰিওফালৰ বায়ুও গৰম হৈ থাকে, সেয়েহে মুখৰ পৰা নিশাহত ওলোৱা গৰম বাষ্পখিনি বাহিৰৰ গৰম বতাহৰ লগত মিলি যায় অৰ্থাৎ ঘনীভূত হ'ব নোৱাৰে।

জানানে?

১) মকৰাই একো নোখোৱাকৈ কিমান বছৰ জীয়াই থাকিব পাৰে?
২) কি মাছে পানীত সাঁতোৰাৰ উপৰি মাটিত খোজকাঢ়ে আৰু শূন্যত উৰিব পাৰে?
৩) কোনবিধ প্ৰাণী ৩০০ বছৰ পৰ্যন্ত জীয়াই থাকে?
৪) স্বৰ্ণকমল বঁটা লাভ কৰা প্ৰথমখন অসমীয়া কথাছবি কি?
৫) পৃথিৱীৰ আটাইতকৈ সৰু চৰাইবিধৰ নাম কি?
৬) ঘঁৰিয়াল সবাতোকৈ বেছি ক'ত পোৱা যায়?
৭) মৌ-মাখিৰ চকু কেইটা?
৮) কি জন্তুৱে চকু আৰু নাক একেলগে উশাহ ল'ব পাৰে?
৯ঃ পখিলাৰ আয়ুস কিমান?

উত্তৰ ঃ ১) ১০ বছৰ, ২) গৰণাৰ্ড মাছ, ৩) কাছ, ৪) হালধীয়া চৰায়ে বাওধান খায় (১৯৮৭), ৫) হামিংবাৰ্ড, ৬) আফ্ৰিকাত, ৭) পাঁচটা, ৮) হৰিণে, ৯) দুমাহ।

অলপ হাঁহো আহা

এজন ভিক্ষাৰীয়ে পুতেকৰ স'তে কথা পাতি আছে।

ভিক্ষাৰী ঃ বোপাই, মই লোৱা লটাৰীটোৰ পৰা যদি সাত লাখ টকা পাওঁ, তেন্তে প্ৰথমে এটা ঘৰ কিনিম। তাৰ পাছত আমাৰ সকলোলৈকে নতুন কাপোৰ কিনিম আৰু...।

পুতেক ঃ (দেউতাকৰ কথাৰ মাজতে মাত দিলে) ইয়াৰ উপৰি দেউতা, এখন গাড়ী কিনিবা। মই খোজকাঢ়ি খোজকাঢ়ি কেতিয়াবা ভাগৰি পৰো। সেয়ে আমি গাড়ীত উঠি ভিক্ষা কৰিবলৈ যাম।

অসমৰ গঁড়

সম্প্ৰতি প্ৰায় প্ৰতিদিনে অসমত গঁড় নিধনৰ বাতৰি পোৱা যায়। দুখৰ বিষয় যে অসমৰ প্ৰতীক চিহ্ন হোৱা সত্ত্বেও চোৰাংচিকাৰীৰ কবলৰ পৰা শান্ত প্ৰকৃতিৰ প্ৰাণীবিধক চৰকাৰে সুৰক্ষা দিবলৈ সক্ষম হোৱা নাই। এতিয়া যি গতিৰে গঁড় নিধন হ'বলৈ ধৰিছে, কিছুদিনৰ পাছত হয়তো ই বিলুপ্তপ্ৰায় প্ৰাণীৰ তালিকাতে অন্তৰ্ভুক্ত হ'বগৈ। ভাৰত আৰু চীনত গঁড়ৰ শিং বিভিন্ন ঔষধত প্ৰয়োজন হয় বুলি বিশ্বাস কৰা কাৰণেই এই প্ৰাণীবিধ চোৰাংচিকাৰীৰ কবলত পৰি আহিছে।

গঁড় প্ৰধানকৈ ভাৰত আৰু আফ্ৰিকাৰ জংঘলত পোৱা যায়। তাৰ ভিতৰত অসমৰ এশিঙীয়া গঁড় হ'ল জগতবিখ্যাত। কিয়নো এশিঙীয়া গঁড় একমাত্ৰ অসমতে পোৱা যায়। সেই কাৰণেই এশিঙীয়া গঁড়ক অসমৰ ৰাজ্যিক পশুৰ আখ্যা দিয়া হৈছে। প্ৰকৃতিৰ বীৰ যোদ্ধা হিচাপে চিহ্নিত গঁড়ৰ বিশেষত্বই হ'ল নাকৰ ওপৰত থকা শিং বা খৰ্গ। জানি থোৱা ভাল যে এই খৰ্গ হাড়ৰ পৰা নিৰ্মিত নহয়। বৰঞ্চ নাকৰ ওপৰত গজা দীঘল তথা অতি শকত চুলি বা নোম এবিধ বিশেষ জুলীয়া পদাৰ্থৰ স'তে মিহলি হৈ গোট মাৰি খৰ্গৰ ৰূপ ধাৰণ কৰে। নাকৰ হাড়ৰ স'তে খৰ্গৰ কোনো সম্পৰ্ক নাই। খৰ্গ হ'ল গঁড়ৰ আক্ৰমণৰ আহিলা। গঁড়ৰ আন এক বিশেষত্ব হ'ল অতিপাত কঠিন ছাল। গঁড়ৰ ছাল ইমানেই টান যে প্ৰাচীন কালত যুদ্ধত ঢাল হিচাপে ব্যৱহাৰ কৰা হৈছিল। কাৰণ তৰোৱালৰ আঘাতত গঁড়ৰ ছালৰ কোনো ক্ষতি নহয়। গঁড় হ'ল তৃণভোজী প্ৰাণী। বিশালাকায় প্ৰাণীবিধৰ প্ৰধান আহাৰ ঘাঁহ বা তৃণজাত শস্য। কিন্তু কেতিয়াবা খৰ্গৰ দ্বাৰা কেতবোৰ উদ্ভিদৰ গুৰি খান্দিও ভক্ষণ কৰে। সচৰাচৰ দীঘল ঘাঁহ থকা অঞ্চলত বাস কৰা গঁড়ে ঘাঁহ নোখোৱা সময়ত বোকা সোমাই থাকিয়েই ভাল পায়। বহু ওজন থকা জন্তুতকৈও বেছি ওজনৰ গঁড় অতিশয় এলেহুৱা তথা আৰামপ্ৰিয় প্ৰাণী। পেট ভৰাৰ পাছত মনে মনে কোনো একান্ত স্থানত শুই থাকেগৈ। গঁড় অতিশয় শান্ত প্ৰাণী। ইহঁতে কেতিয়াও কাজিয়াৰ মাজত সোমাব নোখোজে। বিপদৰ গোন্ধ পালে প্ৰাণ ৰক্ষা কৰি পলোৱাটোৱেই শ্ৰেয় বুলি গণ্য কৰে। কিন্তু যদিহে গঁড় আহত হয়, তেতিয়া কোনো প্ৰাণীলৈ ভয় নকৰে আৰু অতি ভয়ানক হৈ পৰে। সেই সময়ত গঁড়ে যিকোনো প্ৰাণীকে আক্ৰমণ কৰিব পাৰে।

কিন্তু ইহঁত বৰ মুৰ্খ প্ৰাণী। হঠাতে বিপদৰ গোন্ধ পালে কিংকৰ্তব্যবিমূঢ় হৈ সেই ঠাইতে থিয় দি থাকে। এই হতবুদ্ধিয়েই গঁড়ৰ বাবে বিপদ মাতি আনে। কাৰণ তেনে অৱস্থাত গঁড় নিধন কৰিবলৈ চোৰাংচিকাৰীৰ সহজ হয়। অৱশ্যে মানুহৰ বাহিৰে গঁড়ে কাকো ভয় নকৰে। আনকি বাঘ, সিংহ আৰু হাতীও গঁড়ৰ পৰা পৰাপক্ষত দূৰতে থাকে। গঁড়ৰ চকু দুটা ইহঁতৰ শৰীৰৰ তুলনাত বহু সৰু আৰু দৃষ্টিশক্তিও দুৰ্বল। কিন্তু ইহঁতৰ ঘ্ৰাণশক্তি অতি প্ৰৱল। বিপদৰ সময়ত শক্তিশালী শৰীৰটোৰেও গঁড়ে তীব্ৰগতিৰে দৌৰিব পাৰে। গঁড়ৰ ছালত কে'বাটাও তৰপ থাকে। সেই তৰপবোৰত অসংখ্য পোক-পৰুৱাই বাস কৰে। সেই পোক-পৰুৱা খাবলৈ প্ৰতিটো গঁড়ৰ গাৰ ওপৰত চৰাই পৰি থাকে। চৰাইবোৰে গঁড়ক পোক-পৰুৱাৰ পৰা ৰক্ষা কৰাৰ উপৰি বিপদৰ সংকেত ধ্বনিও দিয়ে। চৰাইৰ সেই সংকেত ধ্বনি গঁড়ে বৰ ভালদৰে বুজি পায়। মন কৰিবলগীয়া যে গঁড়ে ঘন জংঘলৰ মাজত থকা ঘাঁহৰ মাজত এটা নিজস্ব পথ তৈয়াৰ কৰি লয়। সেই পথটোৰেই গঁড়ে সকলো সময়তে অহা-যোৱা কৰে। ভালদৰে নেদেখাকৈয়ে ইহঁতে সেই ৰাস্তাৰে বহু দূৰ অতিক্ৰম কৰে। কিন্তু ইয়াৰ বাবে গঁড় বিপদতো পৰে। কাৰণ চোৰাংচিকাৰীয়ে সেই পথতে ফাণ্ড পাতি গঁড় চিকাৰ কৰে।

এজন মুৰ্খ মানুহ

গীতা শইকীয়া

এদিন এজন মুৰ্খ মানুহ শহুৰেকৰ ঘৰলৈ বুলি গৈ আছিল। মানুহটোৱে হয় বা নহয়'ৰ বাদে কোনো শব্দ নিজে ভাবি ক'ব নোৱাৰিছিল। ৰাস্তাত কাৰোবাক দেখিলে নমস্কাৰ বুলি যে ক'ব লাগে সেইটোও ঘৰৰ মানুহে শিকাই দি পঠাইছিল।

এইদৰে মুৰ্খ মানুহটোৱেৈ পথেৰে গৈ থাকোতে বাটত এজন চিকাৰী লগ পালে। চিকাৰীজনে ৰাস্তাৰ কাষত বহলকৈ তেওঁৰ জালখন মেলি চৰাই ধৰিবলৈ চেষ্টা কৰি থকাৰ সময়তে মুৰ্খ মানুহজনে তেওঁক দেখি নমস্কাৰ নমস্কাৰ বুলি চিঞৰি দিওঁতেই ভয় খাই জালত পৰিবলৈ ধৰা চৰাইবোৰ উৰি গ'ল। চিকাৰীজনৰ এই কথাত বৰ খং উঠিল আৰু মুৰ্খ মানুহজনক মাৰ ধৰ কৰিলে। সি কান্দি কান্দি, সিনো কি কি কোৱা উচিত আছিল বুলি সোধাত চিকাৰীজনে তাক আহি থাকা সকলো আহা বুলি ক'বলৈ ক'লে। এইদৰে মুৰ্খ মানুহজন গৈ আছে— গৈ আছে তেনেতে সি দেখিলে চাৰিটা মানুহে এটা মৰা শ কান্ধত লৈ আহি আছে। মুৰ্খ মানুহটোৱে সিহঁতক দেখি' আহা আহা সকলো আহা বুলি চিঞৰিবলৈ ধৰিলে। মৰা শ নিয়া মানুহকেইজনে তেওঁলোকৰ আত্মীয় ঢুকুৱাত দুখে বেজাৰে ম্ৰিয়মান হৈ আছিল। তাতে মুৰ্খ মানুহজনৰ কথা শুনি তেওঁলোকৰ খঙে মুৰৰ চুলি আগ পালেগৈ। সিহঁত তাৰ ওচৰলৈ দপদপাই আহি খঙৰ ভমকত একো নাই হৈ তাক বৰ বেয়াকৈ মৰিয়ালে। আকৌ মাৰ খাই মুৰ্খজনে কান্দিবলৈ ধৰিলে। কান্দি কান্দি মানুহকেইজনক সিনো ৰাস্তাত মানুহ দেখা পালে কি ক'ব লাগিব সোধাত তেওঁলোকে 'এনেকুৰা যেন কেতিয়াও নঘটে' বুলি ক'বলৈ ক'লে। মৰা শ নিয়া মানুহকেইজনক এৰি মুৰ্খ মানুহটো আকৌ বাটেদি গৈ থাকিল। ঠিক সেই সময়তে বাটেদি বিবাহ যাত্ৰীৰ ডাঙৰ সমদল এটা গৈ আছিল। সমদলটোৰ সকলোৱে ফূৰ্তি তামাচা কৰি আহিছিল আৰু দৰাজনে জকমকীয়া কাপোৰ পৰিধান কৰিছিল। বিয়াৰ সমদলটো দেখি মুৰ্খ মানুহটোৱে এনেকুৰা যেন কেতিয়াও নঘটে বুলি বাৰে বাৰে চিঞৰাত সমদলটোৰ সকলোৱে ভীষণ খং উঠিল আৰু তাক উৰাই ঘূৰাই পিটন দিলে। এইদৰে সি মাৰ কিল খাই ভাগৰত লেবেজান হৈ অৱশেষত শহুৰেকৰ ঘৰ ওলালগৈ। জোঁৱায়েকক দেখি শাহুৱেকে আথেবেথে আদৰি নি সকলোৱে কুশল বাৰ্তাৰ বতৰা লওঁ বুলি জোঁৱায়েকক সুধিলে তোমালোকৰ ভালনে? সি উত্তৰত ক'লে হয়। শাহুৱেকে আকৌ জোঁৱায়েকক সুধিলে,' মোৰ ছোৱালীজনীৰ ভালনে? সি উত্তৰত ক'লে হয়। শাহুৱেকে আকৌ জোঁৱায়েকক সুধিলে 'মোৰ ছোৱালীজনীৰ ভালনে? মুৰ্খজনে আকৌ ক'লে 'নহয়।' মোৰ ছোৱালীৰ অসুখ নেকি বুলি শাহুৱেকে সোধাত জোঁৱায়েকে উত্তৰত 'হয়' বুলি ক'লে। যেতিয়া শাহুৱেকে জোঁৱায়েকৰ মুখৰ পৰা 'হয়' 'নহয়'ৰ বাদে একো উত্তৰ নাপালে তেতিয়া তেওঁ ভয় খাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তেওঁৰ কান্দোন শুনি ওচৰ-চুবুৰীয়া সকলো আহি কি হৈছেনো বুলি তেওঁৰ ঘৰত ভীৰ কৰিলেহি। তেওঁলোকেও এই বেয়া খবৰটো পাই একেলগে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। খবৰটো গৈ মুৰ্খ মানুহজনৰ মাক-দেউতাকৰ কাণত পৰিল। তেওঁলোকে পুতেকৰ মুৰ্খামীৰ কথাটো জানেই গতিকে পৰিস্থিতি কোনফালে গৈছে সকলো গম পালে। তেওঁলোকে তৎক্ষণাত বোৱাৰীয়েকক মাকৰ ঘৰলৈ লৈ আহিল। জীয়েকক জীৱিত অৱস্থাত দেখি মাক-দেউতাকৰ মনত বৰ আনন্দ লাগিল।



গান্ধীৰ তিনিটা বান্দৰ

গান্ধীজীৰ তিনিটা বান্দৰৰ বিষয়ে জানানে? 'বেয়া নাচাবা, বেয়া নুশুনিবা, বেয়া নক'বা'— এই তিনিটা উপদেশ দিয়া বান্দৰ তিনিটা প্ৰকৃততে জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শৰ চাক্ষুস ৰূপক হিচাপে চিহ্নিত হৈ আছে। চকু ঢাকি ৰখা, কাণ ঢাকি ৰখা আৰু মুখ ঢাকি ৰখা বান্দৰ তিনিটাৰ ছবি হয়তো তোমালোকে দেখা পাইছা! গান্ধীজীৰ বান্দৰ বুলি ক'লেও শান্তি আৰু ত্যাগৰ আকৰজনে অৱশ্যে সেই বান্দৰ তিনিটা সৃষ্টি কৰা নাছিল। বৰঞ্চ গান্ধীজীৰ আদৰ্শৰ পৰাই বান্দৰ তিনিটা বেলেগ কোনোবাই সৃষ্টি কৰা নাই। আচলতে এই বান্দৰ তিনিটাৰ এক বিশেষ ইতিহাস আছে। গান্ধীজীৰ এই বান্দৰ তিনিটা আহিছে মূলতঃ জাপানী সংস্কৃতিৰ পৰা। ১৬১৭ত জাপানৰ নিক্ক' চহৰত নিৰ্মিত এটা সমাধিক্ষেত্ৰত বান্দৰ তিনিটাৰ মূৰ্তি স্থাপন কৰা আছে। বান্দৰ তিনিটাৰ অংগী-ভংগীয়ে 'বেয়া নাচাবা, বেয়া নুশুনিবা, বেয়া নক'বা' আদৰ্শকে সূচায় বুলি ধাৰণা কৰা হয়।প্ৰকৃততে উক্ত আদৰ্শ আছিল চীনা দাৰ্শনিক কনফুছিয়াছৰ। অষ্টম শতিকাত সেই আদৰ্শ চীনৰ পৰা জাপানলৈ আহিল। সেইসময়ত জাপানত শ্বিণ্ট' সম্প্ৰদায়ৰ শাসন চলিছিল। শ্বিণ্ট' সম্প্ৰদায়ে বান্দৰক যথেষ্ট আদৰ-সন্মান কৰিছিল। সম্ভৱতঃ সেই কাৰণেই উক্ত বিচাৰধাৰাত বান্দৰক প্ৰতীক হিচাপে গ্ৰহণ কৰা হ'ল। মজাৰ কথা যে উক্ত বান্দৰ তিনিটাৰ নিৰ্দিষ্ট নামো আছে। হাত দুখনেৰে চকু ঢাকি ৰখা বান্দৰটোৰ নাম হ'ল মিজাৰু। জাপানী ভাষাত মিজাৰু শব্দৰ অৰ্থ হ'ল যি কেতিয়াও বেয়ালৈ দৃষ্টি নিদিয়ে। কাণ ঢাকি ৰখা বান্দৰটোৰ নাম হ'ল কিকাজাৰু, যাৰ অৰ্থ যি কেতিয়াও বেয়া কথা নুশুনে। আনহাতে, মুখ বন্ধ কৰি ৰখা বান্দৰটোৰ নাম হ'ল ইৱাজাৰু। ইৱাজাৰু শব্দৰ অৰ্থ হ'ল যিজনে কেতিয়াও বেয়া কথা নকয়। জাপানত উক্ত বান্দৰ তিনিটাক 'বুদ্ধিমান বান্দৰ' বুলি গণ্য কৰা হয়।

ৰাষ্ট্ৰপতিৰ আত্মীয়



ডঃ জাকিৰ হুছেইন ভাৰতৰ ৰাষ্ট্ৰপতি হৈ থকাৰ সময়ৰ কথা। সেই সময়ত তেওঁক প্ৰায়েই অনেক সম্পৰ্কীয় মানুহে লগ ধৰিবলৈ আহিছিল। আনকি বহু মানুহে নিকট আত্মীয় বুলি তেওঁক পৰিচয় দি বিভিন্ন কামৰ চুপাৰিছ কৰি দিবলৈ অনুৰোধ কৰিছিল। এদিন ডঃ হুছেইনে এজন আত্মীয়ই প্ৰেৰণ কৰা পত্ৰ এখন পালে। আত্মীয়জনে উক্ত পত্ৰত এটা কাম কৰি দিবলৈ ৰাষ্ট্ৰপতিক অনুৰোধ কৰিছিল। কিন্তু ডঃ হুছেইনে যেতিয়া কামটো নকৰিলে, তেতিয়া আত্মীয়জনে নিজেই তেওঁক লগ ধৰিবলৈ আহিল। ডঃ হুছেইনে আথে-বেথে আত্মীয়জনক সাক্ষাৎ কৰি বহিবলৈ দি আপ্যায়ন কৰিলে। কিছু সময়ৰ পাছত আত্মীয়জনে উক্ত কামৰ কথাটো উলিয়ালে। কিন্তু ডঃ হুছেইনে তেওঁৰ অনুৰোধত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাত আত্মীয়জনে ক'লে, 'আমি দুয়োজন মুছলমান মানুহ। মুছলমান ভাই হোৱা বাবে আপুনি মোৰ কামটো কৰি দিয়াটো একপ্ৰকাৰৰ দায়িত্ব। আপুনি আমাৰ মালিক। সেয়ে এনে আশা আমি কৰিবই পাৰো।' আত্মীয়জনৰ কথা শুনি ডঃ হুছেইন ক্ষুণ্ণ হ'ল যদিও শান্তভাৱেৰে ক'লে, 'চাওক, মুছলমান হোৱাৰ অজুহাত নিদিব। দেশৰ কাৰণে আমাৰ সকলোৱে এটাই ধৰ্ম আৰু সেয়া হ'ল ভাৰতীয়ত্ব। প্ৰথমে আমি সকলো ভাৰতীয়।' ৰাষ্ট্ৰপতিৰ কথা শুনাৰ পাছতো আত্মীয়জনে একে কথাই কৈ থাকিল। এটা সময়ত অতীষ্ঠ হৈ ডঃ হুছেইনে তেওঁৰ ব্যক্তিগত সচিবক মাতি আনি ক'লে, 'এখেতে মোৰ কথা বুজি পোৱা নাই। গতিকে আপুনিয়েই বুজাই দিয়ক। মই দেশসেৱা কৰিবলৈ এই পদত নিযুক্ত হৈছো। নিজৰ সম্পৰ্কীয় বা নিজ ধৰ্মৰ মানুহৰ সেৱাৰ বাবে ৰাষ্ট্ৰপতি হোৱা নাই। মোৰ এই আত্মীয় ভদ্ৰলোকজনৰ যদি সঁচাকৈয়ে যোগ্যতা আছে, তেন্তে তেওঁক মোৰ সহায় কিয় লাগে?' ডঃ জাকিৰ হুছেইনৰ কথা শুনি আত্মীয়জনৰ লাজত মূৰ তল হ'ল আৰু একো নামাতি বিদায় ল'লে।

জানি থোৱা ভাল

কম্পিউটাৰ নামৰ যন্ত্ৰবিধ আজিকালি যেন আমাৰ জীৱনশৈলীৰ স'তে জড়িত হৈ পৰিছে। বিশ্বৰ প্ৰথমটো কম্পিউটাৰ ১৯৫৬ত আমেৰিকাত নিৰ্মাণ কৰা হৈছিল। সেই কম্পিউটাৰটো বিশাল আকাৰৰ আছিল আৰু কম্পিউটাৰটো চলাবলৈ কে'বাজনো মানুহৰ প্ৰয়োজন হৈছিল।ঘৰ, বিদ্যালয় আৰু কাৰ্যালয়ত ব্যৱহাৰ হোৱা পি চি নামেৰে জনাজাত সৰু আকাৰৰ কম্পিউটাৰ ১৯৭৭ৰ পৰা আৰম্ভ হৈছিল।



অচিন কাঠৰ ঠোৰা

প্ৰদীপ নাৰায়ণ ভট্ট

আজিৰ পৰা ১৫-২০ বছৰ আগৰ ঘটনা। হৰেকৃষ্ণ মহন্ত নামৰ এগৰাকী শিক্ষকে তেওঁৰ একমাত্ৰ পুত্ৰ উদয়ক উচ্চ শিক্ষাৰ কাৰণে দিল্লীত পঠিয়াইছিল। মহন্তৰ ইচ্ছা আছিল, পুত্ৰই তেওঁৰ মনে বিচৰা ডিগ্ৰী লাভ কৰি সোনকালে নিজৰ ৰাজ্যত প্ৰতিষ্ঠা লাভ কৰিব। সাধাৰণ শিক্ষক হিচাপে হৰেকৃষ্ণ মহন্তৰ প্ৰথম অৱস্থাত পুতেকক বাহিৰত পঠিওৱাৰ মুঠেই ইচ্ছা নাছিল। তেওঁৰ মতে সমাজখন পূৰ্বতকৈ বহুত সলনি হৈছে। একাংশ বেয়া মানুহে অনবৰতে য'তে-ত'তে টিঘিল ঘিলাই ফুৰি আছে। যিকোনো মুহূৰ্তত আমি সিহঁতৰ চিকাৰ হ'ব পাৰো। যিহেতু উদয় শাৰীৰিকভাৱে দুৰ্বল আৰু মানসিকভাৱেও প্ৰচুৰ বুদ্ধিদীপ্ত নহয়, গতিকে সি ঘৰতে থাকি কোনোবা এখন কলেজত পঢ়া-শুনা কৰাই ভাল। দেউতাকৰ তেনেকুৱা যুক্তি উদয়ে মানিব নোখোজে। তাৰ মতে আপোন ভালেই জগত ভাল। মাকে তাক এযাৰ কথা বহুত দিন আগতে কৈছিল। সি কথাষাৰ আজিও মনত পেলায়। তাক মাকে কৈছিল— মানুহে খাদ্য-অখাদ্য বাচি খাব লাগে আৰু জাগি শুব লাগে। তেতিয়া আমাৰ বিপদ কম হয়। তথাপি মাক-দেউতাকৰ ইচ্ছামতে সকলো কাম নহয়। শেষত হৰেকৃষ্ণ মহন্তৰ ক্ষেত্ৰটো একেই কথা হৈছিল। উদয়ে গভীৰ প্ৰত্যায়ৰে দেউতাক আৰু মাকৰ পৰা বিদায় মাগিছিল। সি গৈ দিল্লীৰ এখন নামি-দামী মহাবিদ্যালয়ত নাম ভৰ্তি কৰিছিল। মহাবিদ্যালয়খনৰ বিশাল অৱয়বে উদয়ক আকৰ্ষিত কৰিছিল যদিও ভিতৰি-ভিতৰি ভীতি বিহ্বলো কৰিছিল। এসময়ত অগণন ধনী-দুখীয়া বন্ধুৰ লগত খেলা-ধূলা কৰি ডাঙৰ-দীঘল হোৱা উদয়ে দিল্লী চহৰত অকলশৰীয়া জীৱন ভাল পোৱা নাছিল। এদিন সি নভবাকৈ দুই-তিনিজন বন্ধুৰ সংগ লাভ কৰিছিল। কেতিয়াবা সি বন্ধুহঁতৰ গুণানুকীৰ্তন কৰি দেউতাকক ফোন কৰিছিল। মাকে তাক শুনা-নুশুনাকৈ কৈছিল, 'উদয় মোৰ বাচা, অচিন ঠাই, অচিন মানুহ সাৱধানে চলিবি। অচিন কাঠৰ ঠোৰা লগাই বিপদ নামাতিবি। সকলোকে বিশ্বাস কৰিলেও কিন্তু অতি বিশ্বাস নকৰিবি। উদয়ৰ মাকৰ প্ৰতি পুতৌ জন্মে। সি ফোনতে হাঁহে। সময় গতিশীল। সময়ৰ গতিশীলতাই বহুতকে বংগত ভাল-বেয়া প্ৰদান কৰে। উচ্চ-নীচ আদিও সময়ৰে দান। উদয়ৰ ক্ষেত্ৰতো এটা নভবা জটিলতাই দেখা দিছিল। তাৰ অধ্যয়ন আৰু জীৱন পৰিচালনাৰ নীতিত বিসংগতিয়ে দেখা দিছিল। পুত্ৰক লৈ অনিশ্চয়তাত সময় পাৰ কৰা হৰেকৃষ্ণ মাষ্টৰে এদিন পুত্ৰৰ সেই অথন্তৰৰ কাৰণ বিচাৰি দিল্লীত উপস্থিত হৈছিল। তাত তেওঁ পুতেত হোষ্টেলত বিচাৰি উলিয়াইছিল। হঠাৎ দেউতাকক সন্মুখত দেখি উদয়ে ভয়তে থৰথৰকৈ কঁপিছিল। উদয়ৰ ভুলবোৰ জানিবলৈ দেউতাকৰ বেছি সময় নালাগিল। সিও অসত্য মাতিবলৈ কোনো পথ বিচাৰি নাপালে। লগত থকা অচিন বন্ধুবোৰে ক্ষন্তেকতে উদয়ৰ সংগ ত্যাগ কৰি ফৰিং ছিটিকাদি ছিটিকি গৈছিল। মাষ্টৰে লক্ষ্য কৰিছিল যে উদয়ৰ লগত থকা ল'ৰাকেইজনৰ মতিগতি বৰ ভাল নহয়। তেওঁ অনুভৱ কৰিছিল যে সিহঁতৰ ভাষা-সংস্কৃতিৰ স'তেও উদয়ৰ ভাষা-সংস্কৃতিৰ মিল নাই। মাষ্টৰ সম্পূৰ্ণ এসপ্তাহ দিল্লীত থাকি সেইকেইদিন পুতেকৰ সংগ দিছিল। উভতি যাবৰ সময়ত তেওঁ পুতেকক বহু কথা কৈ গৈছিল। তেওঁ কৈছিল, এদিন তই মায়েৰাৰ কথা শুনি হাঁহিছিল। হয়তো তই মায়েৰাৰ কথাৰ অৰ্থ বুজি পোৱা নাছিলি, যাৰ বাবে আজি তই সেই ভুলটোকে কৰি আছা। এদিন হয়তো বুজিবি আৰু তেতিয়ালৈকে বহুত পলম হৈ যাব। এই যে অচিন কাঠৰ ঠোৰাবোৰ তোৰ আশে-পাশে ঘূৰি আছে। সিহঁতে তোৰ এদিন সৰ্বনাশ মাতি আনিব। এদিন তই তোৰ ভুলৰ বাবে প্ৰস্তাবি। গতিকে এতিয়াও সময় আছে, চিনাকি ভাল বন্ধুৰ সংগ বিচাৰি লৈ অচিন আৰু অবিশ্বাসীবোৰৰ পৰা আঁতৰি আহি জীৱনটো গঢ় দিবলৈ যত্নকৰ। বাচি খাই জাগি শুবলৈ শিক, চাবি এদিন ভাল দি ঘূৰি আহিব। কাইলৈ মই ঘৰগৈ পাম। ঘৰ পালে পুনৰ ফোন কৰিম। পঢ়া-শুনাবোৰ কি ধৰণে আগবাঢ়িছে জনাই থাকিবি।' মাষ্টৰৰ কথাই উদয়ৰ বাবে মহৌষধি হৈ ধৰা দিছিল। ইয়াৰ পাছত আৰু সি ভুল কৰা নাছিল। সঁচাই অচিন কাঠৰ ঠোৰা লগোৱা আৰু জানি বুজি শত্ৰু চপাই লোৱা একেই কথা।

COLLEGE
AVE

থেংক্ছ গিভিং উৎসৱ

মানুহে বিভিন্ন কাৰণত আনক ধন্যবাদ জনায়। কিন্তু ধন্যবাদ জনোৱাৰ উৎসৱ জানো থাকিব পাৰে? তেনে এক উৎসৱ পালিত হয় আমেৰিকাৰ টে'ছত। এই উৎসৱৰ নাম 'থেংক্ছ গিভিং ফেষ্টিভেল' বা ধন্যবাদ জ্ঞাপন উৎসৱ। প্ৰতি বছৰৰ ২১ নৱেম্ফৰত এই উৎসৱ পালন কৰা হয়। সকলো মানুহে নিজৰ ঘৰত আৰু গীৰ্জাত এই উৎসৱ পালন কৰে। গীৰ্জাত সকলো সমবেত হৈ বিভিন্ন অনুষ্ঠান আয়োজন কৰাৰ লগতে নিশাৰ আহাৰ গ্ৰহণ কৰে। এই উৎসৱৰ মূল ভাব হ'ল, আমাৰ সকলোকে আহাৰৰ সংস্থান দিয়াৰ বাবে ঈশ্বৰক ধন্যবাদ জনোৱা। এই উৎসৱৰ সূচনা হৈছিল সপ্তদশ শতিকাত। ইংলিছ ছেপাৰাটিষ্ট চাৰ্চৰ ১০২ জন সদস্যই ধৰ্মীয় গোড়ামি আৰু কঠোৰতাৰ পৰা মুক্ত এখন স্বাধীন বিশ্বৰ সপোন বুকুত বান্ধি লৈ আমেৰিকাত ভৰি দিছিল। তেওঁলোকে প্ৰথমে কিছুদিন হলেণ্ডত কটোৱাৰ পাছত আটলাণ্টিক মহাসাগৰৰ সিপাৰত উপস্থিত হোৱাৰ লক্ষ্যৰে জাহাজেৰে যাত্ৰা আৰম্ভ কৰিছিল। কিন্তু ১৬২০ত প্লাইমাউথত উপস্থিত হৈ তেওঁলোকে অত্যন্ত প্ৰতিকূল পৰিৱেশৰ সন্মুখীন হ'বলগীয়া হয়। ফলত এবছৰৰ ভিতৰতে তেওঁলোকৰ মাজৰ ৪৬ জনে প্ৰাণ হেৰুৱালে। বাকীসকলে ৰেড ইণ্ডিয়ান নামৰ আদি বাসিন্দাসকলৰ সাহায্যত খেতিকাৰ্য আৰম্ভ কৰিলে। পাছৰ বছৰত ভাগ্যই তেওঁলোকক লগ দিলে। খেতিকাৰ্যৰ পৰা তেওঁলোকে প্ৰচুৰ ফচল লাভ কৰিবলৈ সক্ষম হয়। ফলত সকলোৱে জীৱন ধাৰণৰ ব্যৱস্থাও সুগম হৈ পৰে। সেয়ে জীৱিত সদস্যসকলে তেওঁলোকৰ নতুন ৰেড ইণ্ডিয়ান বন্ধুসকলৰ লগতে ঈশ্বৰক ধন্যবাদ জনাবলৈ এক উৎসৱৰ আয়োজন কৰে। পাছলৈ প্ৰতি বছৰে সেই উৎসৱ পালনৰ পৰম্পৰা আৰম্ভ হ'ল। সেই উৎসৱকে 'থেংক্ছ গিভিং' উৎসৱ বুলি কোৱা হয়।

বিলুপ্ত অ'ক চৰাই

অ'ক চৰাইৰ নাম শুনিছানে? অ'ক হ'ল ইতিমধ্যে পৃথিৱীত বুকুৰ পৰা বিলুপ্ত হোৱা এবিধ সামুদ্ৰিক চৰাই। ইউৰোপৰ স্পেইন, গ্ৰীণলেণ্ড, ডেনমাৰ্ক, ফিনলেণ্ড, আইচলেণ্ড, ন'ৰৱে আদি দেশক সামৰি উত্তৰ আটলাণ্টিক সাগৰৰ উপকুল অঞ্চলবোৰত এসময়ত এইবিধ চৰাই প্ৰচুৰ পৰিমাণে দেখা গৈছিল। কিন্তু এশ বছৰৰো আগতে চৰাইবিধ পৃথিৱীৰ পৰা একেবাৰে নোহোৱা হ'ল। অ'ক চৰাই বিলুপ্ত হোৱাৰ প্ৰধান কাৰণ হ'ল সিহঁতৰ সুস্বাদু মাংস আৰু কণী। তাৰ কাৰণেই অ'ক পক্ষী মানুহৰ নৃশংসতাৰ বলি হৈছিল। জোঙা আৰু বহল ঠোঁট থকা অ'ক পক্ষীৰ ডেউকা দুখন বৰ সৰু। ভৰিৰ পৰা হাঁহৰ দৰে। চৰাইবিধ দেখিবলৈ ৰাজহাঁহৰ দৰে। অৱশ্যে আকাৰত একোটা পূৰ্ণবয়স্ক অ'ক চৰাই উটপক্ষীৰ সমানো হয়। ১৮৫২ত নিউফাউণ্ডলেণ্ডত এটা অকলশৰীয়া অ'ক চৰাই দেখা গৈছিল। আনুষ্ঠানিকভাৱে সেই চৰাইটোকে পৃথিৱীৰ অন্তিম অ'ক পক্ষী বুলি কোৱা হয়।

চামুচমুখীয়া বালিমাহী

সমগ্ৰ বিশ্বৰ এবিধ অতি বিৰল প্ৰজাতিৰ পক্ষী হ'ল চামুচমুখীয়া বালিমাহী বা স্পুন-বিল্ড ছেণ্ডপাইপাৰ (Spoon-billed Sandpiper)। আমাৰ ইয়াত দেখা পোৱা বালিমাহী চৰাইৰ (Motacilla) বৰ্গৰে চৰাই এই স্পুন-বিল্ড ছেণ্ডপাইপাৰ। ইহঁত প্ৰকৃততে উপকূলত বাস কৰা পক্ষী। গ্ৰীষ্মকালত ইহঁতে উত্তৰ-পূব ৰাছিয়া, বিশেষকৈ ছাইবেৰিয়াত বাহ সাজে। কিন্তু শীতকালত সাগৰৰ উপকূল অঞ্চলেজি উৰি আহে দক্ষিণ-পূব এছিয়ালৈ। ভাৰততো সেই সময়ত এইবিধ চৰাই দেখা যায়। অৱশ্যে জলচৰ প্ৰব্ৰজনকাৰী চৰাইবিধে শীতকালত সচৰাচৰ ম্যানমাৰ আৰু বাংলাদেশত অধিক সময় কটায়। বিশ্বত যিমান স্পুন-বিল্ড ছেণ্ডপাইপাৰ আছে, তাৰে ১০ ভাগ বাংলাদেশৰ সোনাদিয়া দ্বীপত দেখা যায়। কিন্তু পক্ষী বিশেষজ্ঞই এইবিধ পক্ষীক ইতিমধ্যে 'ৰেড লিষ্ট'ত অন্তৰ্ভুক্ত কৰিছে; তেওঁলোকৰ মতে অতি কমদিনৰ ভিতৰতে চামুচৰ দৰে ঠোঁট থকা ধুনীয়া চৰাইবিধ পৃথিৱীৰ পৰা বিলুপ্ত হ'ব পাৰে। উল্লেখ্য যে ১৯৮৯ত বাংলাদেশৰ সোনাদিয়া দ্বীপত ২০২টা চামুচমুখীয়া বালিমাহী দেখা গৈছিল। কিন্তু ক্ৰমাৎ হ্ৰাস পাই ২০১০ত ৪৯টা, ২০১২ত ২৪টা আৰু ২০১৪ত মাত্ৰ তিনিটা চৰাইহে দৃষ্টিগোচৰ হৈছিল। পক্ষী বিশেষজ্ঞৰ মতে, সমগ্ৰ বিশ্বত বৰ্তমান মাত্ৰ ১০০ জোৰা স্পুন-বিল্ড ছেণ্ডপাইপাৰৰ অৱশিষ্ট ৰৈছেগৈ। খাদ্য সংকট, সাগৰৰ উপকূলত নিমখৰ উৎপাদন, মাছ ধৰিবলৈ দিয়া বান্ধ, ফান্দ, বাসস্থান ধ্বংস আদি কাৰণতে চামুচমুখীয়া বালিমাহী পক্ষী দিনক দিনে নোহোৱা হ'বলৈ ধৰিছে।



৪১টা স্থানত খেল, যোগদান কৰিব চাৰিশৰ অধিক ক্লাবে, অংশ ল'ব ৰাজ্যৰ ছহেজাৰ ক্ৰিকেটাৰে

আজিৰে পৰা অসমত ক্ৰিকেট উৎসৱ

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ নৱেম্বৰ ঃ প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰ। অংশগ্ৰহণ কৰা ক্লাবৰ সংখ্যা হ'ল চাৰিশৰ অধিক। ৰাজ্যৰ মুঠ 41 টা স্থানত অনুষ্ঠিত হ'ব খেল। স্বাভাৱিকতে এয়া ক্ৰিকেট উৎসৱ। অসমত কাইলৈৰ পৰা স্বৰূপাৰ্থত আৰম্ভ হ'ব ক্ৰিকেট উৎসৱ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ কাইলৈৰ পৰা (24 নৱেম্বৰ) পৰা ৰাজ্যৰ বিভিন্ন স্থানত আৰম্ভ হ'ব। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 24 নৱেম্বৰৰ পৰা 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব।



আনহাতে, এই চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিব এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে। স্বাভাৱিকতে প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰে ৰাজ্যত আৰম্ভ হ'ব ক্ৰিকেট মহোৎসৱ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।

দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছলৈ অসম

গুৱাহাটী, ২৩ নৱেম্বৰ ঃ অহা 26–28 নৱেম্বৰলৈ নেপালক ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত হ'ব দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021¼ উল্লেখ্য যে ছাউথ এছিয়ান ফেডাৰেছন অব অৰ স্পৰ্টছ নেপাল শাখাই আয়োজন কৰিছে দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021¼ উক্ত আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ এটা দলেও অংশ ল'ব। কাইলৈ গ্ৰেণ্ডমাষ্টাৰ গমে থাপাৰ নেতৃত্বত নেপাললৈ যাব অসম দলটো। দলৰ প্ৰশিক্ষক গোবিন্দ দাস। আনহতে, ৰেফাৰীৰ দায়িত্ব লাভ কৰিছে অৰূপ ডেকা আৰু অৰূপ দাসে। উল্লেখ্য যে দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021 ত গমে থাপাৰ নেতৃত্বত খেলিব লগা অসম দলে কুংফু, কাৰাটে, কিকবক্সিং, টাইকোৱান-ড', উশ্বুত অংশ ল'ব। 10 জনীয়া দলৰ সদস্যসকল হ'ল ঃ বিতোপন বৰা, মনোজ কুমাৰ দাস, ধৰ্মেন্দ্ৰ বড়ো, ৰমেন বড়ো, ময়ুখ মায়াংক, ছানি দাস, ছাহজাহান আলি, ইছলাম আলি, উত্তম মজুমদাৰ আৰু সুশীল ভট্টাচাৰ্য। দলৰ লগত বিষয়াৰূপে যাব অজিত বড়ো আৰু লাখি বালা বসুমতাৰী।

টাইকোৱান-ড'ত চাৰিটা পদক লাভ কৰা ৰাজনন্দিনী।

আব্দুল বাৰেক ক্ৰিকেট আৰম্ভ

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ২৩ নৱেম্বৰ ঃ আজিৰে পৰা আৰম্ভ হৈছে আব্দুল বাৰেক টি-20 ক্ৰিকেট প্ৰতিযোগিতা। আজিৰ উদ্বোধনী মেচত মৰিগাওঁ টাউন ক্লাবে তিনি পৰাস্ত কৰে নগাওঁ দলক। পোনতে বেটিং কৰি নগাওঁ দলে ন উইকেটত কৰে 123 ৰাণ। মৰিগাওঁ টাউন ক্লাবে সাত উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয়।

নিউজিলেণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলাৰ বাবে সাজু ভাৰত, কানপুৰত অনুশীলন পূজাৰা-ৰাহানেৰ

নিউজিলেণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলা

লোকেছ ৰাহুলৰ স্থানত সূৰ্যকুমাৰ



মুম্বাই, ২৩ নৱেম্বৰ ঃ ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ত লাভ কৰাৰ পাছত এতিয়া লক্ষ্য লৈছে দুখনীয়া টেষ্ট শৃংখলা জয় কৰা। কিন্তু শৃংখলা আৰম্ভ হোৱাৰ পূৰ্বেই আঘাতৰ সমস্যাত পৰিছে টীম ইণ্ডিয়া। দলৰ অপেনিং বেটছমেন লোকেছ ৰাহুল আঘাতৰ বাবে দুখনীয়া টেষ্ট শৃংখলাৰ পৰা বাদ পৰিছে। ইফালে, ৰাহুলৰ স্থানত টেষ্ট দললৈ নিৰ্বাচন কৰা হৈছে সূৰ্য কুমাৰ যাদবক। উল্লেখ্য যে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাৰ বাবে ভাৰতীয় দলটো ইতিমধ্যে ঘোষণা কৰা হৈছে। দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টত নেখেলে বিৰাট কোহলিয়ে। সেয়ে দলক নেতৃত্ব দিব অজিংক্য ৰাহানে। কিন্তু দ্বিতীয় টেষ্টত বিৰাটে দলত যোগ দি পুনৰ নেতৃত্ব দিব। দলত নাই ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ আৰু ঋষভ পণ্টো। ঘোষিত দলটো হ'ল- অজিংক্য ৰাহানে, সূৰ্য কুমাৰ যাদব, মায়ংক আগৰৱাল, চেতেশ্বৰ পুজাৰা, শুভমন গিল, শ্ৰেয়াছ আয়াৰ, ঋদ্ধিমান সাহা, কে এছ ভৰত, ৰবীন্দ্ৰ জাদেজা, আৰ অশ্বিন, অক্ষৰ পেটেল, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, উমেশ যাদব, মহম্মদ ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণা। উল্লেখ্য নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 25 নৱেম্বৰৰ পৰা কানপুৰত আৰু দ্বিতীয় টেষ্ট তিনি ডিচেম্বৰৰ পৰা মুম্ব

বড়োলেণ্ড ছহিদ ফুটবল আৰম্ভ

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ২৩ নৱেম্বৰ ঃ আজিৰে পৰা আৰম্ভ হৈছে তৃতীয় বড়োলেণ্ড ছহিদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা। আজিৰ উদ্বোধনী মেচত উত্তৰ গুৱাহাটীৰ বাকা এফ চি দলে 5–4 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভকতপাৰা বড়ো স্পৰ্টছ ক্লাবক। কাইলৈ ছিপাঝাৰ এফ চিয়ে খেলিব খাৰুপেটিয়া এন এফ চিৰ বিৰুদ্ধে।

ৰাহুল দ্ৰাৱিড়ক ড্ৰেছিং ৰূমত পোৱাটো ইতিবাচক ঃ পূজাৰা

কানপুৰ, ২৩ নৱেম্বৰ ঃ 'ৰাহুল দ্ৰাবিড়ৰ দৰে ক্ৰিকেটাৰ ড্ৰেছিং ৰূমত পোৱাটো আমাৰ বাবে ইতিবাচক বিষয়। মোৰ বাবে ৰাহুল ভাই আইডেল ক্ৰিকেটাৰ। এইবাৰ সকলো বিষয় তেওঁৰ পৰা অসুবিধা নহোৱাকৈ জানিব পাৰিম। মই ভাবো জুনিয়ৰ ক্ৰিকেটাৰক তেওঁ যিদৰে সহায় কৰিছিল এতিয়া ছিনিয়ৰ ক্ৰিকেটাৰকো কৰিব।' এই মন্তব্য ভাৰতীয় দলৰ সদস্য চেতেশ্বৰ পুজাৰাৰ। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ত লাভ কৰাৰ পাছত এতিয়া লক্ষ্য লৈছে দুখনীয়া টেষ্ট শৃংখলা জয় কৰা। টেষ্ট দলত যোগ দিছে দুই অভিজ্ঞ বেটছমেন অজিংক্য ৰাহানে আৰু পূজাৰাই। উল্লেখ্য নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 25 নৱেম্বৰৰ পৰা কানপুৰত আৰু দ্বিতীয় টেষ্ট তিনি ডিচেম্বৰৰ পৰা মুম্বাইত অনুষ্ঠিত হ'ব। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ত লাভ কৰাটোৱে টেষ্ট শৃংখলাত প্ৰভাৱ পেলাব বুলি কয় পূজাৰাই। উল্লেখ্য যে ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচতো 73 ৰাণত জয়ী হৈ 3-0 ত শৃংখলা লাভ কৰিছে। ভাৰতে প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডক পাঁচ উইকেটত পৰাস্ত কৰিছিল। আনহাতে, জয়পুৰত অনুষ্ঠিত হোৱা প্ৰথম মেচত নিউজিলেণ্ডক সাত উইকেটত পৰাস্ত কৰিছিল ভাৰতে।

ৰাজ্যৰ ক্ৰিকেটৰ উত্তৰণৰ বাবেই অসম ক্লাব চেম্পিয়নশ্বিপ ঃ শইকীয়া

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ নৱেম্বৰ ঃ 'অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ আয়োজনৰে আমি প্ৰতি বছৰে ৰাজ্যৰ ক্ৰিকেটৰ এখন পৰিস্কাৰ ছবি লাভ কৰো। কাৰণ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ প্ৰথম ৰাউণ্ড মেচ আয়োজন কৰে অসম ক্ৰিকেট সন্থাৰ স্বীকৃতি থকা 41 টা জিলা গোটে। প্ৰতিটো জিলা গোটত এই প্ৰতিযোগিতাত অংশ লয় জিলাৰ ক্লাবসমূহে। গতিকে প্ৰতিভাবান ক্ৰিকেটাৰ লাভ কৰাৰ এইখনে হৈছে সৰ্বাংগ সুন্দৰ প্ৰতিযোগিতা। জিলাসমূহে নিজৰ দল বাছনি কৰিবলৈ আৰু এ চি এৰ নিৰ্বাচকে ৰাজ্যিক দল নিৰ্বাচন কৰিবলৈ অতিকৈ সহজ হয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ দ্বাৰা। যোৱা দুটা বছৰত আমি ইয়াৰ সুফল লাভ কৰিছো। আশা কৰিছো এইবাৰো আমি অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জড়িয়তে নতুন প্ৰতিভাবান ক্ৰিকেটাৰ লাভ কৰিম যি অসম ক্ৰিকেটৰ বাবে সম্পদ হ'ব।' এই মন্তব্য অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিত শইকীয়াৰ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ কাইলৈৰ পৰা (24 নৱেম্বৰ) পৰা ৰাজ্যৰ বিভিন্ন স্থানত আৰম্ভ হ'ব। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিত শইকীয়াই লগতে কয় যে তৃণমূল পৰ্যায়ত ৰাজ্যৰ ক্ৰিকেটৰ উন্নয়ন আৰু উত্তৰণৰ বাবে ক্লাবক উদগনি দি অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ আয়োজন কৰা হৈছে। ইতিমধ্যে অসম ক্ৰিকেট সন্থাই জিলাৰ আন্তঃগাঠনি ৰাষ্ট্ৰীয় স্তৰৰ কৰিছে। কৰ'নাৰ বাবে কিছু বাদ পৰি গৈছে যদিও এইবছৰ ৰাজ্যৰ সকলো স্থানতে ক্ৰিকেটৰ উন্নত আন্তঃগাঠনি গঢ়ি উঠিব।

মহাবীৰ প্ৰসাদ আগৰৱালা ক্ৰিকেট

গুৱাহাটী ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ জয়

গুৱাহাটী, ২৩ নৱেম্বৰ ঃ গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত চলি থকা মহাবীৰ প্ৰসাদ আগৰৱালা 16 বছৰ অনূৰ্ধ্ব আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত গুৱাহাটী ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 76 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে অংকুৰজ্যোতি ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰা গুৱাহাটী ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 34.2 অভাৰতে আঠাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে 183 ৰাণ। প্ৰত্যুত্তৰত অংকুৰজ্যোতি ক্ৰিকেট একাডেমীয়ে 24.2 অভাৰতে 107 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে অহা আঠ ডিচেম্বৰলৈ হ'বলগা উক্ত আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ 12 টা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই যোগদান কৰিছে। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি প্ৰতিদিনে এখনকৈ খেল হ'ব তথা মেচসমূহ এটা ইনিংছত 40 অভাৰৰ হ'ব। অৱশ্যে ফাইনেল মেচখন 50 অভাৰকৈ খেলোৱা হ'ব।

ফল'অন ৰক্ষা কৰিলেও এতিয়াও বিপদত ৱেষ্টইণ্ডিজ

কলম্বো, ২৩ নৱেম্বৰ ঃ শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত কেৰিবিয়ান বাহিনীয়ে ফল'অন ৰক্ষা কৰিছে যদিও বিপদৰ পৰা মুক্ত হোৱা নাই। উল্লেখ্য যে আজি তৃতীয় দিনা শ্ৰীলংকাৰ প্ৰথম ইনিংছৰ 386 ৰাণ প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত দিনান্তত নটা উইকেট হেৰুৱাই 224 ৰাণ কৰিছে। এতিয়াও 162 ৰাণ পিছ পৰি আছে ৱেষ্ট ইণ্ডিজ। উল্লেখ্য যে কালি ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত দিনান্তত ছটা উইকেট হেৰুৱাইছিল 113 ৰাণৰ বিনিময়ত। দলৰ হৈ ব্ৰেথৱেইটে 41 ৰাণ কৰিছিল। কিন্তু আজি মায়েৰে 45, কৰ্ণৱালে 39 আৰু জেছন হ'ল্ডাৰে 36 ৰাণ কৰি ৱেষ্ট ইণ্ডিজৰ ফল'অন ৰক্ষা কৰে। শ্ৰীলংকাৰ ৰমেশ আৰু প্ৰবীনে তিনিটাকৈ উইকেট পায়। উল্লেখ্য যে টেষ্টৰ প্ৰথমদিনা বেটিং কৰি শ্ৰীলংকাই প্ৰথম ইনিংছত তিনি উইকেট হেৰুৱাই 267 ৰাণ কৰাৰ পাছত দ্বিতীয় দিনা 386 ৰাণত শ্ৰীলংকাই প্ৰথম ইনিংছ সামৰে। ঘৰুৱা দলৰ হৈ বেটিং মুকলি কৰা অধিনায়ক কৰুণাৰত্নে শতকীয় ইনিংছ খেলি দিনান্তত 132 ৰাণ কৰি উইকেটত দৃঢ়তাৰে বেটিং কৰি আছিল। পাছত 147 ৰাণত আউট হয় কৰুণাৰত্নে। আনহাতে, ধনঞ্জয় ছিলভাই 61 আৰু চন্দিমলে 45 ৰাণ কৰে। ইয়াৰপূৰ্বে শ্ৰীলংকাৰ আনজন অপেনাৰ নিছাংকাই কৰিছিল 56 ৰাণ। ৱেষ্ট ইণ্ডিজৰ হৈ চেছে পাঁচটা উইকেট পায়। উল্লেখ্য যে আজি বৰষুণৰ বাবে সোনকালে মেচ সমাপ্ত হয়।

ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ

প্ৰথম ৰাউণ্ডতে বিদায় লক্ষ্য-কাশ্যপৰ

নতুন দিল্লী, ২৩ নৱেম্বৰ ঃ আজিৰে পৰা আৰম্ভ হোৱা ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ আৰম্ভণি সুখৰ নহ'ল। আজি প্ৰথমদিনা ভাৰতৰ দুই পুৰুষ শ্বাটলাৰ লক্ষ্য সেন আৰু পাৰুপল্লী কাশ্যপে প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লয়। লক্ষ্য 21–23, 15–21 ৰ ব্যৱধানত পৰাস্ত হোৱাৰ বিপৰীতে 21–11, 21–14 ৰ ব্যৱধানত পৰাস্ত হয় কাশ্যপ। অৱশ্যে ভাৰতৰ আশা পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তৰ ওপৰত আছে। উল্লেখ্য যে ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ব্যৰ্থ হোৱাৰ পাছত ভাৰতৰ পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে এতিয়া লক্ষ্য লৈছে ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত সফল হোৱাৰ। ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুৱে ইণ্ডোনেছিয়া মাষ্টাৰ্ছত ছেমিফাইনেলতে যাত্ৰা সামৰিছিল। জাপানৰ আকানে 21–13, 21–9 ৰ ব্যৱধানত পৰাস্ত কৰে সিন্ধুক। কিন্তু তাৰপাছতো ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ আশা সজীৱ কৰি ৰাখিছিল কিদাম্বি শ্ৰীকান্তে। কিন্তু ছেমিফাইনেলতে অভিযান সামৰে শ্ৰীকান্তেও। এক্টনছেনে 21–14, 21–9 ৰ ব্যৱধানত পৰাস্ত কৰে কিদাম্বি শ্ৰীকান্তক। উল্লেখ্য যে পি ভি সিন্ধুৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল ভাৰতৰ কিদাম্বি শ্ৰীকান্ত। কোৱাৰ্টাৰ ফাইনেলত ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদকজয়ী কৰা ভাৰতৰ পি ভি সিন্ধুই 21–13, 21–10 ৰ ব্যৱধানত জয়লাভ কৰি মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ লগতে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ কিদাম্বি শ্ৰীকান্ত মুখামুখি হয় দেশৰে সতীৰ্থ এইছ এছ প্ৰনয়ৰ। কিদাম্বি শ্ৰীকান্তে 21–7, 21–18 ৰ ব্যৱধানত জয়লাভ কৰি প্ৰৱে

এন চি এত অনুশীলন কৰাৰ সময়তে বিৰাটৰ লগত পৃথক সংগী।

ছেমিফাইনেলত কঠালগুৰি চাহ বাগাচা

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ২৩ নৱেম্বৰ ঃ বাপুজী ষ্টেডিয়ানত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে পূৰ্ব চেম্পিয়ন কঠালগুৰি চাহ বাগাচা দল। আজি অনুষ্ঠিত হোৱা অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত কঠালগুৰি চাহ বাগাচা দলে 1–0 গ'লত পৰাস্ত কৰে দিহিঙিয়াপাৰ চাহ বাগিচা দলক। উল্লেখ্য যে লীগৰ পূৰ্ব চেম্পিয়ন হোনোৱাল চাহ বাগিচা দলে ইতিপূৰ্বে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত হোনোৱাল চাহ বাগিচা দলে 3–0 গ'লত পৰাস্ত কৰে খ্ৰীষ্টজ্যোতি ফুটবল ক্লাবক। ইয়াপূৰ্বে নিউ সোণোৱাল চাহ বাগিচা ফুটবল দলে লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত নিউ সোণোৱাল চাহ বাগিচা দলে পেনাল্টি শ্বুট আউটত 4–3 গ'লত পৰাস্ত কৰে নাগাধুলি চাহ বাগিচা দলক। ইফালে, কাটনিবাৰী চাহ বাগিচা ফুটবল দলে প্ৰথমেই লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত কাটনিবাৰী চাহ বাগিচা ফুটবল দলে একমাত্ৰ গ'লত হোনোৱাল এফ চিক পৰাস্ত কৰি প্ৰথমটো দল হিচাপে চলিত নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023

বিলাসনন্দন চ'ৰা



ধপৰজাৰ সপোন

আজিকালি দিল্লীৰ বাদশ্বাহৰ কেতিয়া দুখ লাগে, কেতিয়া স্ফূৰ্তি লাগে, তাৰ একো ঠিকনা নোহোৱা হৈছে। কৃষি কানুন বাতিল কৰি বাদশ্বাহে দুখতে ভাগি পৰিছিল। এই দুখতে যে কৃষি কানুন কিমান ভাল বস্তু, সেয়া তেওঁ আমাৰ খেতিয়ক বন্ধুসকলক ভালকৈ বুজাব নোৱাৰিলে। বহুতে সুধিছে যে বুজাবলৈনো বাদশ্বাহে খেতিয়ক বন্ধুসকলক কেতিয়া লগ পালে। এদিনলৈ লগেই নিদিলে দেখোন। দুই-একে কৈছে যে লগ নিদিয়াৰ কাৰণ এটাই—বাদশ্বাহে খেতি-বাতিৰ কথা বৰ বেছি নাজানে! খেতি পথাৰৰ পৰা আহি তেওঁ সিংহাসনত বহা নাইতো, আহিছে ৰেল ষ্টেছনৰ পৰাহে। ৰেল ষ্টেছনততো আৰু খেতি-বাতি নহয়। ৰেল ষ্টেছনত কেৱল বেচা হয়। টিকট বেচা হয়, চাহ বেচা হয়, ভজা বুট বেচা হয়, চিঙৰা বেচা হয়; ফণী বেচা হয়, কিতাপ বেচা হয়, পেপাৰ বেচা হয়। সৰুৰে পৰা সৰ বেচাই দেখি আহিছেতো! গতিকে ডাঙৰ হৈ কেৱল বেচিয়ে আছে বেচিয়ে আছে। কিন্তু খেতি কেনেকৈ কৰে, সেই সম্পৰ্কে বাদশ্বাহৰ কোনো আইডিয়া নাই। আইডিয়া নথকাৰ প্ৰমাণ আগতেও পোৱা গৈছিল। বাদশ্বাহে কৃষি দৰ্পণ নামৰ চেনেল এটা লন্স কৰি তাৰ ব্ৰেণ্ড এম্বেচাদৰ পাতিলে অমিতাভ বচ্চনক। বহুতে সুধিলে অমিতাভ কিয়? অমিতাভেতো খেতি নকৰে। বাদশ্বাহে জবাব দিসে—'তাতে কি হ'ল? অমিতাভক ব্ৰেণ্ড এম্বেচাদৰ কৰাৰ কাৰণ এটাই—ফল লাগক বা নালাগক, গছকেইডাল লম্বা হ'ব লাগে। খেতিতো বাদেই, খেতিয়ক সম্পৰ্কেও বাদশ্বাহৰ বৰ বিশেষ আইডিয়া নাছিল। সেই কাৰণে হোৱাটছএপ ইউনিভাৰ্চিটীৰ ষ্টুডেণ্ট আৰু প্ৰফেছৰবোৰৰ কথাত বিশ্বাস কৰি লৈছিল যে খেতিয়কবোৰ টেৰৰিষ্ট। বহুতে সুধিছিল যে খেতিয়কবোৰ কেনেকৈ টেৰৰিষ্ট হ'ল। বাদশ্বাহে জবাব দিছিল—'কিয় নহ'ব? কিয় নহ'ব? টেৰৰিষ্টে বন্দুক লৈ ৰ'দ-বৰষুণ নেওচি ঘূৰি ফুৰে। খেতিয়কেও নাঙল লৈ ৰ'দ-বৰষুণ নেওচি দৌৰি ফুৰে।' বহুতে বাদশ্বাহক এই বুলিও সুধিছিল যে কেৱল কৃষকৰ আন্দোলনেই নহয়, অন্যান্য জন আন্দোলনবোৰৰ প্ৰতিও তেওঁলোক ইমান উদাসীন কিয়? বাদশ্বাহে এই প্ৰশ্নৰ কোনো উত্তৰ দিয়া নাছিল। কিন্তু ৰাজসভাৰ সভাসদসকলে এই প্ৰশ্নৰ উত্তৰ দি কয় যে সব পাৰ্টিয়ে আন্দোলন কৰি জন্ম হৈছে। কিন্তু এওঁলোকৰ পাৰ্টিটো যাত্ৰা কৰি জন্ম হৈছে। যেনে ৰথযাত্ৰা, পদযাত্ৰা, অন্তিম যাত্ৰা! বেংগল-ইউ পিত যি ৰকম গতি দেখা গৈছে, এইবাৰ চাগে শ্মশানযাত্ৰাত পদযাত্ৰা কৰি অহা জনমত ৰথযাত্ৰা কৰিম বুলি কৈ থৈ যাব লাগিব। কৃষি কানুন বাতিল কৰাৰ দাবীত আন্দোলন চলি থাকিল। বাতিল কৰাৰ পাছত আকৌ কোনেও ধন্যবাদ এটা নিদিলে। কেৱল ক'লে—হাৰি গ'ল। পৰাস্ত হ'ল। এইবোৰ কথাত বাদশ্বাহৰ ব দুখ লাগিছে। আৰু বেছি দুখ পালে, যেতিয়া গম পালে যে পুৱা ন বজাত তেওঁ কৃষি কানুন বাতলি কৰি টিভিত ওলোৱাৰ প্ৰগ্ৰামটো সকলোৱে চাইছে। মাফ খোজা কথা! গতিকে কোনেও নেদেখাকৈ ৰাতি আঠ বজাৰ সলনি পুৱা ন বজাতে কামফেৰা কৰি থৈ আহিব বুলি ভাবিছিল। পাছত গম পালে যে বাদশ্বাহে মাফ খোজা কামটো সকলোৱে দেখিছে। মনে মনে লাজ পাইছে তেওঁ। লাজ পোৱা কাৰণে আকৌ দুখো পাইছে।

কিন্তু সৌসিদিনা বাদশ্বাহে শুই উঠিয়ে দৰবাৰৰ বাকী চিপাহী-চন্তৰীক বেচ স্ফূৰ্তিত মাতি আনি হাঁহি হাঁহি ক'লে— দিল খুছ হৈ গ'ল বুজিছা। গম পাই গ'লো যে মই ছাকচেছ।'

ঃ কেনেকৈ জাহাপনা?

ঃ সপোন এটা দেখিলোহে।

ঃ কি সপোন জাহাপনা।

বাদশ্বাহে সপোনটোৰ কমেন্ট্ৰী দি ক'লে 'এটা অত্যন্ত লুংলুঙীয়া ৰাস্তাৰে মই গৈ আছিলো। হঠাতে দেখিলো বিপৰীত দিশৰ পৰা সম্পূৰ্ণ আসুৰিক ক'লা ড্ৰেছ এযোৰ পিন্ধি কোনোবা এজন লেঙেৰাই লেঙেৰাই আহি আছে। কাষ চাপি আহোতে তেওঁক চিনাকি চিনাকি লাগিল। ড্ৰেছ-পাতি দেখি ভাব হ'ল তেওঁ যমৰজা নেকি? আৰু বেছি চাচপেন্স সহ্য কৰি থাকিব লগা নহ'ল। তেওঁ মোৰ ভৰি চুই সেৱা এটা কৰি সুধিয়ে পেলালে—চিনি পাইছেনে মোক? মই ক'লো বোলো নাই পোৱা। তেওঁ নিজৰ চুটি ঠেং এখন দেখুৱাই সুধিলে— 'মোৰ ঠেং এখন চুটি! এতিয়াও চিনি পোৱা নাইনে?' মই সন্দেহবশতঃ সুধিলো— 'যমৰজা নেকি?' তেওঁ ক'লে— 'নহয়! মই ধপৰজা। ইমানদিনে সব ধপ্ মানে মিছা কথা মানৱ জাতিয়ে ক'ব পাৰিছিল মোৰ আশীৰ্বাদতে। মিছলীয়াবোৰে মোক ভগৱান মানে। কিন্তু মই ভগৱানেও মানি গৈছো। আপোনাৰ ওচৰত মই একোৱে নহয়। আশীৰ্বাদ দিয়ক মোক।' তেওঁ মূৰ পাতি দিলে। মই আশীৰ্বাদ দিলো বুজিছা!'

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

বজ্ৰাঙ্গ
এম. এম. টেব (ফৰ্ট)
আৰু
ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।
অম্লশূলশমন
চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।
শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)



কাণ-হাতৰ আঙুলি কটাৰ লগতে দুফাল কৰিলে নিজৰ জিভা

এলিয়েন হ'বলৈ আজব কাণ্ড ফৰাচী নাগৰিকৰ

নিউজ ব্যুৰ'
পেৰিছ, ২৩ নৱেম্বৰ ঃ নিজৰ শাৰীৰিক সৌন্দৰ্য আনতকৈ কিছু ভিন্ন ৰূপত উপস্থাপন কৰাৰ প্ৰৱণতা বহুতৰে থাকে। এনে প্ৰৱণতা থকা কিছুমান লোকে শৰীৰ বা মুখত টাটু কৰায়। কোনো কোনোৱে আকৌ অস্ত্ৰোপচাৰৰ দ্বাৰাই শাৰীৰিক ৰূপৰ পৰিৱৰ্তন ঘটাবলৈ ভাল পায়। অথচ নিজকে 'ব্লেক এলিয়েন'ৰ দৰে সজাবলৈ এজন লোকে সম্প্ৰতি যি কাণ্ড ঘটাইছে, সেই কথা শুনিলেই হয়তো বহুতৰে গাৰ নোম থিয় হ'ব।

এন্থনী লোফ্ৰেড' নামৰ লোকজন ফ্ৰান্সৰ নাগৰিক। ভিন্ন গ্ৰহৰ কাল্পনিক প্ৰাণীৰ দৰে নিজৰ ৰূপ সৃষ্টি কৰিবলৈ লোকজনে ইতিমধ্যেই কৰাইছে নাক, ওপৰৰ ওঁঠ, জিভাৰ অস্ত্ৰোপচাৰ। সমগ্ৰ শৰীৰ আৰু চকুৰ মণিতো টাটু কৰাইছে এন্থনীয়ে। অথচ ইমানবোৰ কৰিও মন ভৰা নাছিল তেওঁৰ। নিজক হুবহু এলিয়েনৰ দৰে সজাবলৈ অৱশেষত তাতোকৈ ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিলে এন্থনীয়ে। 'দ্য ছান' কাকতৰ প্ৰতিবেদন অনুসৰি দেহৰ ওপৰভাগত অস্ত্ৰোপচাৰ কৰাই পৰিৱৰ্তন সাধন কৰিলেও এইবাৰ ভিন্নগ্ৰহৰ প্ৰাণীৰ দৰে হাতত সৃষ্টি কৰাৰ সিদ্ধান্ত লয় তেওঁ। ইয়াৰ বাবে এন্থনীয়ে নিজৰ হাত দুখনৰ পৰা একোটাকৈ আঙুলি কাটি পেলোৱাৰ সিদ্ধান্ত লয়। যাতে তেওঁৰ হাত দুখন দেখাত পশুৰ হাতোৰাৰ দৰে লাগে। ভবা মতেই কাম যদিও সম্প্ৰতি এন্থনীয়ে এখন আঙুলিহে বাদ দিছে।

উল্লেখ্য যে 'ব্লেক এলিয়েন প্ৰজেক্ট' নামেৰে এন্থনীৰ এটা ইনষ্টাগ্ৰাম একাউণ্টো আছে। সেই একাউণ্টত নিজৰ অস্ত্ৰোপচাৰ কৰা হাতৰ এখন ফটো প'ষ্ট কৰি এন্থনীয়ে কেচপনত লিখিছে, 'এইবাৰ অন্তৰাত্মাৰ শান্তি হ'ল। ইয়াৰ পূৰ্বে অদ্ভুত স্বভাৱৰ এই লোকজনে অস্ত্ৰোপচাৰ কৰাই নিজৰ কাণ দুখন বাদ দিছিল। তাতে ক্ষান্ত নাথাকি জিভাখনো মাজেদি ফালি দুফাল কৰাইছিল। যোৱা বছৰ অস্ত্ৰোপচাৰ কৰাই তেওঁ নাকৰো আকাৰৰ পৰিৱৰ্তন কৰাইছিল। ২০১৭ত এখন ফৰাচী পত্ৰিকাক এন্থনীয়ে কৈছিল, 'শৈশৱৰ পৰাই নিজৰ দেহৰ আকৃতিৰ পৰিৱৰ্তনক লৈ আগ্ৰহী আছিলো।' সেই আগ্ৰহেই পৰৱৰ্তী কালত তেওঁৰ নিচাত পৰিণত হয়। সেয়ে ইটোৰ পাছত সিটোকৈ অস্ত্ৰোপচাৰ কৰোৱাই শৰীৰৰ আকৃতিৰ পৰিৱৰ্তন ঘটাবলৈ অকণো কুণ্ঠাবোধ কৰা নাই এই আচহুৱা স্বভাৱৰ লোকজনে।



পুনৰ প্ৰেমত পৰিছে নিজকে বিয়া কৰোৱা মডেল

একক দাম্পত্যৰ ওৰ পেলাবলৈ বিচাৰিলে বিবাহ বিচ্ছেদ

নিউজ ব্যুৰ'
ছাও পাওল', ২৩ নৱেম্বৰ ঃ কোনো পুৰুষকেই বিশ্বাসী সংগী বুলি মনে নিবিচৰা হৈছিল। সেয়ে কিছু মাহৰ পূৰ্বে নিজকেই বিয়া কৰাইছিল এগৰাকী তৰুণীয়ে। অৱশ্যে এতিয়া সেই 'একক দাম্পত্য' জীৱনতো ফাট মেলিছে। কাৰণ তেওঁ সম্প্ৰতি জড়িত হৈ পৰিছে বিবাহবহিৰ্ভূত সম্পৰ্কত। সেয়ে বিয়াৰ মাত্ৰ তিনি মাহৰ পাছতে আদালত নিজৰ স'তে বিবাহ বিচ্ছেদৰ আবেদন কৰিলে ব্ৰাজিলৰ ৩৩ বছৰীয়া মডেল ক্ৰিছ গেলেৰাই।

যোৱা ছেপ্টেম্বৰত ক্ৰিছে নিজকেই বিয়া কৰাইছিল। ছাও পাওল'ৰ এক গিৰ্জাত সম্পন্ন হৈছিল সেই বিবাহ। কিছু খোলামেলা পোছাক পৰিধান কৰিয়ে ক্ৰিছ উক্ত বিবাহস্থলীত উপস্থিত হৈছিল। গিৰ্জাৰ সন্মুখত হাতত ফুল লৈ ফটোও উঠিছিল। যিদৰে বিয়াৰ পাছত ফটো উঠে নৱ-দম্পতীয়ে। অৱশ্যে এই একক দাম্পত্যৰ সুখ ৯০ দিনো অক্ষুণ্ণ নাথাকিল। বিবাহৰ মধুচন্দ্ৰিকাৰ পৰ্ব শেষ হোৱাৰ পূৰ্বেই ক্ৰিছে আদালতক ক'লে যে বিচ্ছেদ লাগে। কাৰণ তেওঁ বিশেষ এজনৰ প্ৰেমত পৰিছে। অৱশ্যে এই বিশেষজন কোন, সেয়া মডেলগৰাকীয়ে সদৰী কৰা নাই।

এটা সময়ত ক্ৰিছে প্ৰেমৰ ক্ষেত্ৰত বিশ্বাস হেৰুৱাই পেলাইছিল। সেই অৱস্থাৰ পৰাই পুনৰ প্ৰেমত পৰিছে। আনকি 'ত্ৰিকোণ প্ৰেম'ৰ প্ৰকোপত সৃষ্টি হৈছে বিবাহ বিচ্ছেদৰ পৰিৱেশ। ক্ৰিছে অৱশ্যে তেওঁৰ একক দাম্পত্যক বিচ্ছেদৰ বাবে অকণো দায়ী কৰা নাই। বৰঞ্চ কয়, 'যিমান দিন সম্পৰ্কটো আছিল মই যথেষ্ট সুখীয়েই আছিলো। অৱশ্যে বিশেষ এজনৰ লগত সাক্ষাৎ হোৱাৰ পাছত মই নতুনকৈ প্ৰেমত আস্থা ঘূৰাই পাইছো।'

মন কৰিবলগীয়া যে যোৱা ছেপ্টেম্বৰত আত্মপ্ৰেমত মগ্ন হৈ থকা অৱস্থাত ক্ৰিছে কৈছিল, 'মই আচলতে ইমান দিনে একাকীত্বক ভয় কৰিছিলো। কিন্তু ইমান দিনে বুজিছো যে নিজকো ভাল পাবলৈ শিকা উচিত। লগতে এয়াও বুজিছো বুলিয়ে মই নিজক উদযাপন কৰাৰ সিদ্ধান্ত লৈছো।' উল্লেখ্য যে নিজৰ অকলশৰীয়া বিয়াত ক্ৰিছে যথেষ্ট খোলামেলা পোছাক পৰিধান কৰিছিল। সেই সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, 'নিজৰ বিয়াতো মই মোৰ সৌন্দৰ্যৰ শ্ৰেষ্ঠখিনি দেখুৱাব বিচাৰিছিলো। সেয়ে খোলামেলা পোছাক পিন্ধিছিলো।'

নাহৰফুটুকীৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
দুলীয়াজান, ২৩ নৱেম্বৰ ঃ আজি নিশা প্ৰায় ৭-৩০ বজাত দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত দুলীয়াগাঁও তিনিআলিত স্থানীয় লোকে এটা পূৰ্ণবয়স্ক নাহৰফুটুকী বাঘ মৃত অৱস্থাত উদ্ধাৰ কৰে। কোনো বাহনে পথত বাঘটোক মহটিয়াই নিয়াত বাঘটোৰ মৃত্যু ঘটে বুলি গাঁওবাসীয়ে সন্দেহ কৰিছে। ঘটনা সন্দৰ্ভত ৰাইজে দুলীয়াজান আৰক্ষী থানাত অৱগত কৰাত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰৰ ব্যৱস্থা গ্ৰহণ কৰে।

সূৰ্যতকৈ অধিক উত্তপ্ত জ্যোতিষ্ক আৱিষ্কাৰ কৰি আন্তঃৰাষ্ট্ৰীয় স্তৰতো উজ্জ্বলিল পাটাছাৰকুছিৰ ডº বৰ্ণালী দাস

পাটাছাৰকুছি/পাঠশালা, ২৩ নৱেম্বৰ ঃ মহাকাশ বিষয়ক গৱেষণাৰে বিশেষ কৃতিত্ব স্থাপন কৰি পাটাছাৰকুছিলৈ বিশেষ সুনাম কঢ়িয়াই আনিলে এগৰাকী মেধাৱী গৱেষক ছাত্ৰীয়ে। পাটাছাৰকুছিৰ সৰিহ চাকলাৰ গাঁও নিবাসী ডº বৰ্ণালী দাসে নিজৰ গৱেষণাত মহাকাশত সূৰ্যতকৈও অধিক উত্তপ্ত এক নক্ষত্ৰৰ স্থিতি নিশ্চিত কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে আমাৰ সৌৰজগতৰ সমীপৰ আন কোনো সৌৰজগতত সূৰ্যতকৈও ডাঙৰ আকৃতিৰ জ্যোতিষ্কৰ উপস্থিতি সন্দৰ্ভত বিগত কিছু বছৰৰ পৰাই আমেৰিকাৰ মহাকাশ গৱেষণা কেন্দ্ৰ নাছাৰ বিজ্ঞানীয়ে গৱেষণা অব্যাহত ৰাখিছিল। তেনে অৱস্থাতে বৰ্ণালীৰ এই বিশেষ সাফল্যই পাটাছাৰকুছিৰ লগতে সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে।

মেধাৱী ছাত্ৰী বৰ্ণালী হৈছে সৰিহ চাকলাৰ গাঁও নিবাসী তথা বঙাইগাঁও বীৰঝৰা মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুনীন দাস আৰু পাটাছাৰকুছি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শিৰণ কলিতাৰ কনিষ্ঠ কন্যা। পুণেৰ 'টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চ'ৰ অধীনস্থ 'নেচনেল চেণ্টাৰ ফ'ৰ ৰেডিঅ' এষ্ট্ৰ' ফিজিক্স'ত ডº পুনম চন্দ্ৰাৰ অধীনত বৰ্ণালীয়ে গৱেষণা কৰিছিল। নৱেম্বৰৰ প্ৰথম সপ্তাহতে তেওঁ নিজৰ গৱেষণা পত্ৰখন জমা দিছে। ইতিমধ্যে এখন আগশাৰীৰ বিজ্ঞান পত্ৰিকাত প্ৰকাশৰ বাবে বৰ্ণালীৰ গৱেষণা পত্ৰখন বিবেচিত হৈছে। এই সাফল্যত উৎফুল্লিত বৰ্ণালীয়ে পুণেৰ পৰাই ফোনযোগে কয়, 'এই গৱেষণা মোৰ বাবে যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল। অৱশ্যে সাফল্যত উপনীত হ'ব পৰাত এতিয়া মই যথেষ্ট আত্মবিশ্বাসী হৈ পৰিছো।' উল্লেখ্য যে 'প'ষ্ট ডক্টৰেল' গৱেষণাৰ বাবে বৰ্ণালীয়ে আগন্তুক বৰ্ষৰ পহিলা ভাগতে আমেৰিকালৈ উৰা মাৰিব। গৱেষক ছাত্ৰীগৰাকীয়ে কয় যে মহাকাশৰ অধিক তথ্য আৱিষ্কাৰৰ বাবে আত্মনিয়োগ কৰিবলৈ তেওঁ সম্পূৰ্ণৰূপে সাজু হৈছে।

পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত চতুৰ্থ স্থান দখল কৰা বৰ্ণালীয়ে কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজৰ পৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ পঞ্চম স্থান অধিকাৰ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ নতুন দিল্লীৰ হংসৰাজ কলেজত স্নাতক শাখাত পদাৰ্থ বিজ্ঞান মুখ্য বিষয়ৰূপে লৈ স্বৰ্ণপদকসহ শীৰ্ষস্থান অধিকাৰ কৰিছিল। তাৰ পাছত বৰ্ণালীয়ে আইআইটি কানপুৰত স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰি তাতো শীৰ্ষস্থান দখল কৰিছিল। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছতে তেওঁ পুণেত গৱেষণা অব্যাহত ৰাখিছিল।

ইপিনে, বৰ্ণালীৰ এই কৃতিত্বৰ বাতৰিয়ে দেশ-বিদেশৰ বিভিন্ন সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছে। লগতে সামাজিক মাধ্যমতো বাতৰিটো প্ৰচাৰ হোৱাত শুভাকাংক্ষীসকলে তেওঁৰ পিতৃ-মাতৃক শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰে।

মহিলাৰ স্বাস্থ্য! সমস্যা অনেক
তুলনাহীন উপায় হেমপুষ্পা
৯০ বছৰৰ পৰা মহিলাৰ No.1 ঔষধী আৰু টনিক
তল পেটৰ বিষ
কঁকালৰ বিষ
ৰক্তহীনতা
দুৰ্বলতা
হাতৰ তলুৱা জ্বলা-পোৰা কৰা
তেজ পৰিশোধক
ৰূপ উজলায়
দুশ্চিন্তা দূৰ কৰে
আদিত সহায়ক
ফলদায়ক আৰু নিৰ্ভৰযোগ্য
ইমিউনিটী বঢ়ায়
সুৰক্ষিত ৰাখে
অশ্বগন্ধা, মুলেঠি, মুছলি, জিংক
আদি আয়ুৰ্বেদিক মৌল যুক্ত
হেমপুষ্পা
SS: B.D. Mercantile, Guwahati Ph.: 8011749612
স্বাস্থ্যৰ লগত এৰা-ধৰা নকৰিব, সৰ্বোত্তম হেমপুষ্পাহে গ্ৰহণ কৰক

লাচিত দিৱস
২৪ নৱেম্বৰ, ২০২১
অসম চৰকাৰ
লাচিত দিৱসৰ পৱিত্ৰ ক্ষণত মহাবীৰগৰাকীলৈ অসমবাসীৰ হৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।
ডº হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
জনসংযোগ/ডি/১০০৬০/২১
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us https://dipr.assam.gov.in/

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com